# সুদক্ষিণা

অষ্টবিংশতিতম সংখ্যা, ২০২০ ইং চন

## দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা



সম্পাদিকা ঃ মধুস্মিতা ৰাভা

29



D.K. GIRLS' COLLEGE LIBRARY
MIRZA
Class No.............
Book No.............
Acc. No.............

## সুদক্ষিণা সম্পাদনা সমিতি




বহি বাওঁফালৰপৰা ঃ ড° জগন্নাথ বৰ্মন, ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ), ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), জিনু দাস, ড° নিবেদিতা দেৱী।
থিয় হৈ বাওঁফালৰ পৰা ঃ মণিকংকনা দাস, জিন্টি তালুকদাৰ, শিখাৰাণী ঠাকুৰীয়া, মধুস্মিতা ৰাভা।

### মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ তথা তত্ত্বাৱধায়ক-তত্ত্বাৱধায়িকা



বাওঁফালৰ পৰা ঃ কমলেশ্বৰ বৰা, হবিবুৰ ৰহমান, ড° জগন্নাথ বৰ্মন ড° গজেন্দ্ৰ অধিকাৰী (অধ্যক্ষ), ড° ৰঞ্জন ভূঞা (উপাধ্যক্ষ) জিনু দাস, ড° লীলাৱতী চৌধুৰী, যমুনা মালী।

### ছাত্ৰী একতা সভাৰ সদস্যসকল




বাওঁফালৰপৰা ঃ লভিতা দাস, মিতালী কলিতা, মধুস্মিতা ৰাভা, মণিকংকনা দাস, নমিতা দাস, জিন্টি তালুকদাৰ, মৰমী দাস, শিখাৰাণী ঠাকুৰীয়া, তৃষ্ণা ৰাজবংশী।

NOT FOR ISSUE

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# সুদক্ষিণা

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন

অষ্টবিংশতিতম্ সংখ্যা, ইং ২০২০ চন

NOT FOR ISSUE

প্ৰীতি আৰু শ্ৰদ্ধাৰে— LIBRARY COPY

তত্ত্বাৱধায়িকা ঃ
জিনু দাস

সম্পাদিকা ঃ
মধুস্মিতা ৰাভা

# "সুদক্ষিণা" সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° গজেন্দ্ৰ অধিকাৰী, *অধ্যক্ষ* |
| উপ-সভাপতি | ঃ | ড° ৰঞ্জন ভূএগ, *উপাধ্যক্ষ* |
| তত্ত্বাৱধায়িকা | ঃ | জিনু দাস |
| সম্পাদিকা | ঃ | মধুস্মিতা ৰাভা |
| শিক্ষক সদস্য | ঃ | ড° জগন্নাথ বৰ্মন |
| | | ড° নিবেদিতা দেৱী |
| ছাত্ৰী সদস্যা | ঃ | জিন্তি তালুকদাৰ |
| | | শিখাৰাণী ঠাকুৰীয়া |

| | | |
|---|---|---|
| বেটুপাত পৰিকল্পনা | ঃ | ড° জগন্নাথ বৰ্মন |
| | | ড° নিবেদিতা দেৱী |
| | | জিনু দাস |
| মুদ্ৰক | ঃ | চাৰু প্ৰকাশন |
| | | উপৰহালী - ৭৮১১২২ |

বেটুপাতৰ বাবে ছাত্ৰীসকলে দিয়া চিত্ৰসমূহ শেষ পৃষ্ঠাত চিত্ৰায়িত কৰা হ'ল। তেওঁলোকৰ এই প্ৰচেষ্টাৰ শলাগ ল'লো।

— সম্পাদনা সমিতি

# উচৰ্গা



মহামাৰী ক'ভিড নিৰাময়ত জড়িত থকা
সকলো চিকিৎসক, নাৰ্চ, চিকিৎসা কৰ্মী, আইন শৃংখলা ৰক্ষাকাৰী, চাফাই কৰ্মী লগতে
যিসকলে দিনে-নিশাই ক'ভিডত আক্ৰান্ত ৰোগীক আৰোগ্য কৰাত সহায় কৰি আছে আৰু
যিসকলে ইতিমধ্যে এই মহামাৰীত নিজৰ জীৱন আহুতি দিলে
সেইসকল ক'ভিড যোদ্ধাৰ কৰকমলত
২০২০ চনৰ আমাৰ মহাবিদ্যালয়ৰ আলোচনী
'সুদক্ষিণা' উচৰ্গা কৰা হ'ল।

— সম্পাদনা সমিতি

# শ্ৰদ্ধাঞ্জলি



বিশিষ্ট সাহিত্যিক
**হোমেন বৰগোহাঞি**
জন্ম ঃ ৭ ডিচেম্বৰ, ১৯৩২ ইং চন
মৃত্যু ঃ ১২ মে', ২০২১ ইং চন



বিশিষ্ট সাহিত্যিক
**লক্ষ্মীনন্দন বৰা**
জন্ম ঃ ১৫ জুন, ১৯৩২ ইং চন
মৃত্যু ঃ ৩ জুন, ২০২১ ইং চন



প্ৰখ্যাত অভিনেতা
**দিলীপ কুমাৰ**
জন্ম ঃ ১১ ডিচেম্বৰ, ১৯২২ ইং চন
মৃত্যু ঃ ৭ জুলাই, ২০২১ ইং চন



প্ৰাক্তন মুখ্যমন্ত্ৰী
**তৰুণ গগৈ**
জন্ম ঃ ১ এপ্ৰিল, ১৯৩৬ ইং চন
মৃত্যু ঃ ২৩ নৱেম্বৰ, ২০২০ ইং চন



প্ৰসিদ্ধ গায়িকা
**অৰ্চনা মহন্ত**
জন্ম ঃ ১৮ মাৰ্চ, ১৯৪৯ ইং চন
মৃত্যু ঃ ২৭ আগষ্ট, ২০২০ ইং চন

লগতে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই যোৱা
বিশিষ্ট সাহিত্যিক, ৰাজনীতিবিদ, প্ৰখ্যাত শিল্পী, সাংস্কৃতিক কৰ্মী, অভিনেতা, পৰিচালক আৰু
জ্ঞাত-অজ্ঞাত ব্যক্তি সকললৈ
'সুদক্ষিণা'ৰ জৰিয়তে মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা
অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

— সম্পাদনা সমিতি

# বিনম্ৰ সোঁৱৰণ



**প্ৰয়াত গোবিন্দ কলিতা**
জন্ম ঃ ৮ মে', ১৯৩০ ইং চন
মৃত্যু ঃ ১৬ নৱেম্বৰ, ২০২০ ইং চন

দক্ষিণ কামৰূপৰ বিশিষ্ট ব্যৱসায়ী, সমাজহিতৈষী, দাতা, সহজ-সৰল অমায়িক স্বভাৱৰ এক অনন্য ব্যক্তিত্বৰ অধিকাৰী গোবিন্দ কলিতাদেৱৰ বিয়োগ অঞ্চলবাসীৰ বাবে এক অপূৰণীয় ক্ষতি। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা আমৃত্যু পৰ্যন্ত আগবঢ়োৱা তেখেতৰ সেৱাৰ মনোভাৱক মহাবিদ্যালয় পৰিয়ালবৰ্গই বিনম্ৰভাৱে সোঁৱৰণ কৰিছোঁ।

# শ্ৰদ্ধাৰে সুঁৱৰিছোঁ



**নিৰল শৰ্মা**
জন্ম ঃ ১ ফেব্ৰুৱাৰী, ১৯৬৪ ইং চন
মৃত্যু ঃ ১৯ অক্টোবৰ, ২০২০ ইং চন

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ কাৰ্যালয় মুখ্য সহায়ক তথা মহাবিদ্যালয় পৰিয়ালৰ এগৰাকী সু-পৰামৰ্শদাতা নিৰল শৰ্মাদেৱৰ বিয়োগত আমি সকলোৱেই মৰ্মাহত। তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি মহাবিদ্যালয়ৰ আলোচনী 'সুদক্ষিণা'ৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ।



**হিৰেণ তালুকদাৰ**
জন্ম ঃ ৩০ নৱেম্বৰ, ১৯৬৭ ইং চন
মৃত্যু ঃ ১ জানুৱাৰী, ২০২১ ইং চন

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিৰেণ তালুকদাৰৰ অকাল বিয়োগত মহাবিদ্যালয়ৰ পৰিয়ালে এজন নীৰৱ কৰ্মী হেৰুৱালো। তেখেতৰ আত্মাৰ সদ্‌গতি কামনা কৰি মহাবিদ্যালয়ৰ আলোচনী 'সুদক্ষিণা'ৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

# অভিনন্দন




**লাভলীনা বৰগোহাঁই**
জন্ম ঃ ২ অক্টোবৰ, ১৯৯৭ ইং চন

অসম গৌৰৱ লৌহকন্যা লাভলীনা বৰগোহাঁই অলিম্পিকত খেল প্ৰদৰ্শন কৰাৰ বাবে যোগ্যতা অৰ্জন কৰা প্ৰথমগৰাকী অসমীয়া মহিলা। ২০২১ চনত অনুষ্ঠিত টকিঅ' ২০২০ গ্ৰীষ্মকালীন অলিম্পিকত লাভলীনাই মহিলাৰ বক্সিং (ৱেল্টাৰ ৱেইট) শ্ৰেণীত ব্ৰঞ্জৰ পদক লাভ কৰি ভাৰতবৰ্ষলৈ সুনাম কঢ়িয়াই আনিছে। ২০২০ চনত তেওঁক ভাৰত চৰকাৰে অৰ্জুন বঁটাৰে সন্মানিত কৰে।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ আলোচনী 'সুদক্ষিণা'ৰ জৰিয়তে লাভলীনাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি বহুত বহুত শুভ-কামনা জনালোঁ।

— সম্পাদনা সমিতি




**হীৰা নেওগ**
সভানেত্ৰী, পৰিচালনা সমিতি
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা


## শুভেচ্ছা বাৰ্তা

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন 'সুদক্ষিণা' প্ৰকাশৰ পথত উপনীত বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনেই হ'ল ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ আধাৰ। মোৰ পৰম বিশ্বাস যে পূৰ্বৰ সংখ্যাবোৰৰ দৰে এই সংখ্যা 'সুদক্ষিণা'তো ছাত্ৰী-শিক্ষক-কৰ্মচাৰী সকলৰ উন্নত লিখনিৰ পয়োভৰ ঘটিব। মই এই সুযোগতে 'সুদক্ষিণা'ৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় পৰিয়ালবৰ্গলৈও হিয়াভৰা শুভ-কামনা জনালোঁ।

'সুদক্ষিণা'ই সফল প্ৰকাশৰ লগতে পঢ়ুৱৈক সন্তুষ্টি প্ৰদান কৰক।

তাৰিখ ঃ ১৯/৯/২০২১ ইং

(হীৰা নেওগ)

---


**Mr. Hemanga Thakuria**, M.Sc, L.L.B, MBA
MLA, 50 No. Palasbari Constituency, Assam

98640-24976 / 86382-32641(M)
E-mail: hemangat@rediffmail.com


Ref.



Date ২১/০৯/২০২১

## শুভেচ্ছাবাণী

আমাৰ পলাশবাৰী সমষ্টি লগতে সমগ্ৰ দক্ষিণ কামৰূপৰ স্ত্ৰীশিক্ষাৰ উন্নত শিক্ষানুষ্ঠান মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন "সুদক্ষিণা"ৰ ২০২০-২০২১ বৰ্ষৰ সংখ্যাটি প্ৰকাশ পাব বুলি জানিব পাৰি আনন্দিত হৈছো। মই আশা কৰিছো যে বিগত বৰ্ষবিলাকত যিদৰে বহুজনে স্বনামধন্য সাহিত্যিক আৰু লেখক লেখিকাই ধনাত্মক দিশত বাস্তৱ সন্মত লিখনীৰ জৰিয়তে 'সুদক্ষিণা'ৰ মান উন্নতমানৰ কৰিছিল ঠিক তেনেদৰে এই বৰ্ষৰ প্ৰকাশিত হ'ব লগীয়া লিখনী বিলাকে অকল আমাৰ শিক্ষাৰ্থীসকলোকে নহয় গোটেই দক্ষিণ কামৰূপৰ সমাজ জীৱনত এক ধনাত্মক বাৰ্তা প্ৰেৰণ কৰিব। মই মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক, শিক্ষক-শিক্ষয়িত্ৰি, কৰ্মচাৰীবৃন্দ, অভিভাৱক আৰু মহাবিদ্যালয়ৰ সমূহ শুভাকাংক্ষীক আন্তৰিক হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিছো। আৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিছো।

হেমাংগ ঠাকুৰীয়া



# সম্পাদকীয় ঃ

সম্পাদকীয় কলমৰ আৰম্ভণিতে মই দেশৰ হৈ প্ৰাণ বিসৰ্জন দিয়া বীৰ ছহিদসকলৈ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। দক্ষিণ কামৰূপৰ একমাত্ৰ স্ত্ৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে এই পবিত্ৰ জ্ঞানৰ মন্দিৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনি গঢ়ি তোলাত যিসকল স্বনামধন্য ব্যক্তিৰ অৱদান আছিল সেইসকলক মোৰ শত শত প্ৰণাম যাচিছোঁ।

আলোচনী সম্পাদিকা হিচাপে মই মোৰ সহপাঠী, ভণ্টি, বাইদেউসকলক ক'ব বিচাৰিছোঁ যে স্ত্ৰী শিক্ষাৰ এই পবিত্ৰ অনুষ্ঠানটিত সকলোৱে যে পঢ়াৰ সুবিধা পাইছো তাৰবাবে আমি নিজকে ধন্য মানিব লাগিব। এই মহাবিদ্যালয়খনিয়ে আমাৰ সকলোৰে অন্তৰত থকা সুপ্ত প্ৰতিভা সমূহ বিকশিত কৰাৰ বাবে এক সুন্দৰ মঞ্চ প্ৰদান কৰিছে। আমি সকলোৱে প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব যাতে আমাৰ মৰমৰ মহাবিদ্যালয়খনিৰ মান সন্মান অধিক উচ্চস্তৰলৈ উন্নীত কৰিব পাৰো আৰু তাৰবাবে সকলো ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিব পাৰো। সুধাকণ্ঠই গীতত গোৱাৰ দৰে—

*"নতুন পুৰুষ নতুন পুৰুষ*  
*তুমিতো নোহোৱা আৰু ভীৰু কাপুৰুষ*  
*হাতে কামে আজি যদি নোহোৱা পুৰুষ*  
*কাইলৈ হ'বা তুমি পুৰণি পুৰুষ"*

গীতফাকিৰ মাজেৰে নিশ্চিতভাৱে আমি ক'ব পাৰো যে, আজিৰ পৰাই যদি আমি আমাৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধন কৰিব নোৱাৰো তেন্তে গতিশীল সময় আমাৰ বাবে কেতিয়াও ৰৈ নাথাকে, ফলস্বৰূপে আমি বহু সুযোগ হেৰুৱাই পেলাম।

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ২০১৯-২০ চনৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে ছাত্ৰী বান্ধৱীসকলে মোক নিৰ্বাচন কৰে। গণসংযোগ আৰু সাংবাদিকতা মাধ্যমৰ ছাত্ৰী হিচাপে মই এই দায়িত্বভাৰ গ্ৰহণ কৰি সকলো কাৰ্য্য সুচাৰুৰূপে পালন কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হওঁ। মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী বাগদেৱী শ্ৰীশ্ৰীসৰস্বতী দেৱী পূজা ভাগৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা "শ্ৰীপঞ্চমী" আইক ধুনীয়াকৈ সজাই তোলা হয়। অধ্যক্ষ, উপাধ্যক্ষ, তত্বাৱধায়িকা ছাৰ-বাইদেউ, ছাত্ৰী-বান্ধৱীসকলো মিলিত হৈ 'শ্ৰীপঞ্চমী' উপাধ্যক্ষ মহোদয়ে উন্মোচন কৰে।

২০২০ ইং চনটো ক'ভিড মহামাৰীৰ বাবে সমগ্ৰ বিশ্ব স্তব্ধ হৈ পৰাৰ লগে লগে আমাৰ মহাবিদ্যালয়ো Lock Down ৰ কবলত পৰিল। নৱাগত আদৰণি সভা, হাতে লিখা প্ৰাচীৰ পত্ৰিকা 'নীহাৰিকা' আৰু 'হাৱাঘাট' উন্মোচন কৰিব পৰা নগ'ল। এই দুৰ্যোগৰ সময়ত আমাৰ শাৰীৰিক আৰু মানসিক বিকাশৰ সকলোবোৰ সক্ৰিয় কাৰ্যসূচী বাতিল কৰিব লগা হয়।

মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'সুদক্ষিণা' নতুন ৰূপেৰে, নতুন প্ৰভাতৰ নব জ্যোতিৰে প্ৰকাশ কৰি উলিয়াবলৈ প্ৰয়াস কৰিছোঁ। আশাকৰোঁ ভুলে শুদ্ধই সুদক্ষিণাৰ অষ্টবিংশতিতম সংখ্যাই সকলোৰে হৃদয় জয় কৰিবলৈ সক্ষম হ'ব।

ক'ভিড পৰিস্থিতিত পৰি বৰ্তমান শিক্ষা ব্যৱস্থাৰ মানদণ্ড একেবাৰে নিম্নগামী হৈ পৰিছে বুলি মই ভাবিছো। চহৰৰ শিক্ষাৰ্থীৰ কথা সুকীয়া। আমাৰ মহাবিদ্যালয়খন গ্ৰামাঞ্চলত অৱস্থিত আৰু ইয়াত অধ্যয়নৰত সকলো শিক্ষাৰ্থী অতি ভিতৰুৱা অঞ্চলত বাস কৰে। সেই ঠাইবোৰত Network নাথাকে। ছাৰ-বাইদেউ সকলে Online অত ক্লাছ কৰিলে আমি সকলোৱে Network থকা ঠাই বিচাৰি ফুৰিব লগা হয় আৰু বিচাৰি থাকোতে ক্লাছৰ সময়ো শেষ হয়। এনেয়ে অসমখন নানা সমস্যাৰে জৰ্জৰিত তাতে এনে পৰিস্থিতিৰ শিক্ষা ব্যৱস্থাই নৱপ্ৰজন্মৰ ভৱিষ্যত কেনেদৰে সুৰক্ষিত কৰিব সেইটো এটা ডাঙৰ প্ৰশ্ন। আজি নৱপ্ৰজন্মৰ মুখে মুখে চৰ্চিত হৈ পৰিছে। পুনৰ আগৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাটো সকলোৱে বাট চাইছোঁ।

'সুদক্ষিণা' সম্পাদনাত মোক সহায়-সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° গজেন্দ্ৰ অধিকাৰী, উপাধ্যক্ষ মহোদয় লগতে সকলো দিশ প্ৰতিটো পদক্ষেপত দিহা পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়িকা জিনু দাস বাইদেউ, অসমীয়া বিভাগৰ ড° জগন্নাথ বৰ্মন ছাৰ, অৰ্থনীতি বিভাগৰ ড° নিবেদিতা দেৱী বাইদেউলৈ মোৰ শ্ৰদ্ধা তথা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। সুদক্ষিণা সম্পাদনা সমিতিৰ সদস্যা জিন্তি তালুকদাৰ, শিখাৰাণী ঠাকুৰীয়া, বাইদেউলৈ মোৰ ধন্যবাদ থাকিল।

সদৌ শেষত অজানিতে ৰৈ যোৱা ভুল ত্ৰুটিৰ ক্ষমা প্ৰাৰ্থনা বিচাৰি সুদক্ষিণাৰ লগতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি সম্পাদকীয় কলমৰ সামৰণি মাৰিলোঁ।

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"

ধন্যবাদেৰে-  
মধুস্মিতা ৰাভা

# তত্ত্বাৱধায়িকাৰ একলম

ক'ৰোনা মহামাৰীৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ মাজেৰে পাৰ হ'ল ২০১৯-২০২০ চনৰ শিক্ষাবৰ্ষ। আলফা, বিটা, গামা, ডেল্টা আদি বিভিন্ন প্ৰজাতিৰ ক'ৰোনা ভাইৰাছে সমগ্ৰ বিশ্বক সংক্ৰমণ কৰাৰ লগতে শিক্ষাৰ্থীৰ মূল্যবান শিক্ষা বৰ্ষ একপ্ৰকাৰ বিধ্বস্ত কৰি পেলালে। শিক্ষাৰ্থীৰ মূল্যাংকন প্ৰক্ৰিয়া 'পৰীক্ষা' বাতিল কৰি Online প্ৰক্ৰিয়াৰে ঘৰৰ পৰাই Open Book Examination ৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক আভ্যন্তৰীণ মূল্যায়নৰ ভিত্তিত পৰীক্ষাত উত্তীৰ্ণ কৰা হ'ল। এই সমূহ ব্যৱস্থাই এক সবল দক্ষতাপূৰ্ণ মানৱ মূলধন দেশৰ বাবে গঢ়ি তুলিব পাৰিব জানো? এনে প্ৰশ্নই এতিয়া সকলোৰে মনত ক্ৰিয়া কৰি আছে। Covid-19 ৰ সমাপ্ত কেতিয়া হ'ব এতিয়াই ক'ব পৰা নাযায়। Vaccine লোৱাৰ পিছতো এইবিধ ভাইৰাছে দ্ৰুত সংক্ৰমণ কৰি গৈ আছে। সমগ্ৰ মানৱ জাতি এক কঠিন পৰিস্থিতিৰ মাজেৰে ধাৱমান। হতাশা কৰ্মহীনতাৰ এক অন্ধকাৰময় দিশলৈ গতি কৰা মানৱজাতিক যোগাত্মক চিন্তাধাৰাৰে পৰিপুষ্ট কৰি তুলিবলৈ শিক্ষক, বুদ্ধিজীৱি, সমাজ সচেতন সকলো ব্যক্তিৰে এক শুভ চিন্তাৰ প্ৰয়োজন আহি পৰিছে। এই ক্ষেত্ৰত আমাৰ আলোচনী সুদক্ষিণাই মহাবিদ্যালয়ৰ ছাত্ৰীসকলক বৌদ্ধিক আৰু মানসিক ভাৱে সুস্থ সবল নাগৰিক হিচাপে গঢ়ি তোলক, ইয়াকেই নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

২০১৯-২০২০ ইং চনৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ তত্বাৱধায়িকাৰ দায়িত্ব পালন কৰিবলৈ পাই নিজকে ধন্য মানিছো। মোক এই দায়িত্বভাৰ অৰ্পণ কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ২০২০ বৰ্ষৰ সুদক্ষিণা প্ৰকাশৰ ক্ষেত্ৰত সকলোধৰণৰ সহযোগিতা আগবঢ়োৱাৰ বাবে মই মোৰ সহকৰ্মীসকল, কৰ্মচাৰীবৃন্দ, লাইব্ৰেৰীৰ সদস্যসকল আৰু ছাত্ৰীসকলক আন্তৰিক ধন্যবাদ নিবেদিছো।

২০২০ বৰ্ষটো ক'ভিড মহামাৰীৰ বাবে মহাবিদ্যালয়ৰ পৰম্পৰাগতভাৱে পালন কৰি অহা নৱাগতা আদৰণি সভা, মহাবিদ্যালয় সপ্তাহ আদি অনুষ্ঠানসমূহ পালন কৰিব পৰা নগ'ল। মাৰ্চ ২০২০ চনলৈ স্বাভাৱিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজাভাগ আৰু ইয়াৰ লগতে সংগতি ৰাখি প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী' উন্মোচনৰ কাৰ্যসূচী সুচাৰুৰূপে পালন কৰা হয়। নৱাগত আদৰণি সভা আৰু হাতেলিখা প্ৰাচীৰ পত্ৰিকা নীহাৰিকা, তলাবন্ধৰ বাবে প্ৰস্তুত কৰি উলিয়াব পৰা নহ'ল। মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰাৰ প্ৰাক্ ক্ষণত বিভিন্ন বিভাগৰ তৰফৰ পৰা প্ৰতিযোগিতা সমূহ পতা হৈছিল। প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰি সুন্দৰকৈ উলিওৱা হৈছিল যদিও ক'ভিড পৰিস্থিতি বেছি বেয়ালৈ যোৱাত ১৬ মাৰ্চ, ২০২০ চনৰ পৰা তলাবন্ধৰ বাবে আমাৰ মহাবিদ্যালয় সপ্তাহৰ সকলো কাৰ্যসূচী বাতিল কৰিব লগা হয়। ফলত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা তথা পুৰস্কাৰ বিতৰণ কৰিব পৰা নহ'ল। ছাত্ৰীসকলে অংশগ্ৰহণ কৰা আৰু বিভিন্ন প্ৰতিযোগিতাত পোৱা পুৰস্কাৰ সমূহৰ ঘোষণা সুদক্ষিণাৰ পাতত প্ৰকাশ কৰা হৈছে। সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰা প্ৰতিযোগী সকলৰ লিখনি সমূহো সুদক্ষিণাত প্ৰকাশ কৰা হৈছে।

সুদক্ষিণালৈ শুভেচ্ছাবাণী পঠিওৱা স্থানীয় বিধায়ক মাননীয় হেমাংগ ঠাকুৰীয়া মহোদয়, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুতা হীৰা নেওগ বাইদেউলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত সুদক্ষিণা সম্পাদনা সমিতিৰ সভাপতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী মহোদয়, উপাধ্যক্ষ ড° ৰঞ্জন ভূঞা মহোদয়, শিক্ষক সদস্য ড° নিবেদিতা দেৱী, ড° জগন্নাথ বৰ্মন আলোচনী সম্পাদিকা মধুস্মিতা ৰাভা, সাধাৰণ সম্পাদিকা জিন্টি তালুকদাৰ, শিখা ৰাণী ঠাকুৰীয়া আৰু অৰ্থনীতি বিভাগৰ মোৰ সহকৰ্মী ইন্দ্ৰানী দেৱীয়ে মোক যিখিনি সহায় আৰু দিহা পৰামৰ্শ দিলে সেইখিনিৰ অবিহনে সুদক্ষিণা পূৰ্ণ ৰূপত প্ৰকাশ কৰিব পৰা নগ'লহেঁতেন। এইখিনিতে ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি সুদক্ষিণাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি তত্ত্বাৱধায়িকাৰ লিখনিৰ সামৰণি মাৰিলো।

'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'

ধন্যবাদেৰে-
জিনু দাস

# অধ্যক্ষৰ প্ৰতিবেদন

১ঃ১ ১৯৮৮ ইং চনত অসম চৰকাৰৰ তদানিন্তন শিক্ষামন্ত্ৰী (ৰাজ্যিক) শ্ৰীযুত যতীন মালীৰ নেতৃত্বত স্থাপিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত এই তত্ত লেখকৰ যোগদান এক আকস্মিক ঘটনা। এই বিষয়ে ৰূপালী জয়ন্তী স্মৃতি গ্ৰন্থত (পৃঃ ৪০-৪১) "দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ লগত জড়িত হোৱাৰ আঁৰৰ কথা" শীৰ্ষক লিখনিত উল্লেখ কৰা হৈছে। তাৰ শেষৰ দফাটি আছিল এনেধৰণৰ- " মোৰ অগ্ৰজ শিক্ষাগুৰু প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত তৰুণ চন্দ্ৰ দাস, প্ৰয়াত ধৰ্মেশ্বৰ বড়া, শ্ৰীযুত যতীন মালী, শ্ৰীযুত পৰেশ কলিতা আদিয়ে মোক এজন শিক্ষকলৈ ৰূপান্তৰ কৰিলে। শিক্ষকতা আৰু প্ৰশাসনৰ বিভিন্ন কলা কৌশল, যোগ্যতা, মেধা আহৰণৰ সকলো দিশ আৰু লক্ষ্যৰ সম্ভেদ দি আমাক তিলে তিলে গঢ়ি তুলিছে। বিশ্ববিদ্যালয়ত লগ পোৱা আৰু পিছৰ কালত প্ৰতিষ্ঠিত ৰাজনীতিক হোৱা জ্যেষ্ঠ-কনিষ্ঠ বন্ধু-বান্ধৱ চামেও সততে আজি পৰ্যন্ত আমাৰ লগত সৌহাৰ্দ্য ৰক্ষা কৰি আহিছে। সবাতোকৈ উল্লেখযোগ্য যে পলাশবাৰী-মিৰ্জা কেন্দ্ৰিক দক্ষিণ কামৰূপৰ সকলো ৰাজনৈতিক দলৰে কৰ্মকৰ্তা-বিষয়ববীয়াসকলৰ পৰা মই যেতিয়াই বিচাৰো তেতিয়াই সকলোধৰণৰ সহায়-সহযোগ, দিহা-পৰামৰ্শ লাভ কৰি আহিছো। দক্ষিণ কামৰূপৰ জনগণে আমাৰ ওপৰত স্থাপন কৰা এনে বিশ্বাস আৰু আস্থাৰ বাবে আমি সততে ভয় খাওঁ- এনে গভীৰ বিশ্বাস আৰু আস্থাৰ বিপৰীতে আমাৰ কৰণীয়খিনি সুচাৰুকৈ পালন কৰি যাব পাৰিমনে? এই যাত্ৰা, এই জীৱন বৰ কষ্টকৰ যদিও ক্ষণিক মৌন পৰত এই কথা কৰ্মবোৰৰ স্মৃতিয়েই আমাৰ দুখৰ ভাৰ অনেক গুণে পাতলাই দিয়ে"। ১৯৮৮ চনৰ ২২ আগষ্ট তাৰিখে যোগদান কৰাৰে পৰা আজি পৰ্য্যন্ত মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাই। স্মৰ্তব্য যে এই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা সমগ্ৰ দক্ষিণ কামৰূপৰ সৰ্বস্তৰ আৰু শ্ৰেণীৰ জনসাধাৰণৰ উমৈহতীয়া প্ৰচেষ্টা আৰু আগ্ৰহৰ ফল। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ উদ্যোক্তা, অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কৰ্মোদ্যোম, নিঃস্বাৰ্থ সেৱা আৰু পাৰস্পৰিক আন্তৰিক সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধই ক্ৰমে আমাক এনেদৰে মোহিত কৰিলে যে আন কাম এৰি দিবা- ৰাত্ৰি আমাৰ দলটোৱে কেৱল মহাবিদ্যালয়খনৰ গুণগত মান বৃদ্ধিৰে নাম যশ অৰ্জনৰ বাবে কায় মনোবাক্যে সমৰ্পিত হৈছিলো। তাৰেই ফলত সগৌৰৱে ৰূপালী জয়ন্তী পৰকি অহা আজিৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে অসমৰ যিকোনো আগশাৰীৰ কলেজ এখনৰ সৈতে ফেৰ মাৰিব পৰা হৈছে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ পৰা ১৯৯৬ চনলৈ সামৰি সকলো ঘটনা-পৰিঘটনা, পৃষ্ঠপোষক, ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক, পৰীক্ষাৰ ফলাফল, পৰিচালনা সমিতি তথা পৰিচালনা পদ্ধতি আদিৰ বিষয়ে অৱসৰী অধ্যক্ষ শ্ৰীযুত তৰুণ চন্দ্ৰ দাসদেৱে ইং ২০০০ বৰ্ষৰ বাৰ্ষিক প্ৰকাশন আৰু বিশেষ যুগ সংখ্যা (সুদক্ষিণাৰ পাতত পৃঃ ৫-৯)ত বিতং বিৱৰণ ডাঙি ধৰিছে। একেদৰে উক্ত সংখ্যাতে প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীযুত ধৰ্মেশ্বৰ বড়াদেৱেও এক তথ্য ভিত্তিক প্ৰতিবেদন দিছে। ইয়াৰোপৰি ২০১৪ ইং চনত প্ৰকাশিত ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থৰ "তুৰাগুণ গাই" শীৰ্ষক প্ৰথম অধ্যায়টোত মহাবিদ্যালয়খনৰ সকলো দিশ সামৰি বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। সেয়ে তেনেবোৰ কথা ইয়াত আমি এৰাই চলিছো। চলিত বছৰৰ ৩০ চেপ্তেম্বৰ (২০২১ ইং চন) তাৰিখে ভাৰত চৰকাৰৰ নিয়মমতে মই ষাঠী বছৰত ভৰি দি জ্যেষ্ঠ নাগৰিক হ'ম বাবে চৰকাৰী নিয়মমতেই অৱসৰ ল'ব লাগিব। সেইবাবে আজিৰ এই লেখাত ঘাইকৈ স্মৃতি কথাৰে পয়োভৰ ঘটিব। তাৰবাবে পাঠক সমাজৰ বিশেষ অনুগ্ৰহ আগতীয়াকৈ কামনা কৰিছোঁ।

১ঃ২ মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশন 'সুদক্ষিণা'ৰ ১৯৯৯ ইং বৰ্ষত প্ৰকাশিত সপ্তম সংখ্যাত অৱসৰী অধ্যক্ষ শ্ৰীযুত তৰুণ চন্দ্ৰ দাসদেৱে বিদায়ী প্ৰতিবেদনত আমাৰ বিষয়ে মন্তব্য কৰিছিল এনেদৰে "মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী, যিজনক মই সকলো সময়তে মোৰ প্ৰাক্তন ছাত্ৰবন্ধু হিচাপে বিবেচনা কৰি অনুচিত কৰ্তৃত্ব দাবী কৰি কাম আদায় কৰি আহিছোঁ, অথচ তেওঁ যে মোৰ সতীৰ্থ উপাধ্যক্ষ সেই কথা পাহৰি আছিলো আৰু যিজনে সকলো সময়তে মোৰ লগত আজিলৈ ছাঁৰ দৰে লাগি আছে, তেওঁৰ প্ৰতি মোৰ কৃতজ্ঞতা জনাবলৈ ভাষা নাই। মোৰ বিবেচনাৰে তেওঁ মহাবিদ্যালয়ৰ এক উজ্জ্বল ভবিষ্যত। সঠিকভাৱে তেওঁক পৰিচালিত কৰিব পাৰিলে মহাবিদ্যালয়খনে তেওঁৰ পৰা বহুতো আশা কৰিব পাৰে।" আমাৰ ওপৰত কৰা এনে ধৰণৰ আবেগিক আৰু আশাবাদী মন্তব্য সমগ্ৰ দক্ষিণ কামৰূপৰ সকলো শ্ৰেণী আৰু স্তৰৰ জনসাধাৰণে বিভিন্ন প্ৰসঙ্গত উল্লেখ কৰি আহিছে। মন কৰিবলগীয়া যে আমাৰ মহাবিদ্যালয়খন যদিও ছোৱালী মহাবিদ্যালয়, চুবুৰীয়া দক্ষিণ কামৰূপ কলেজ, ছ[illegible]গাঁও কলেজ, ৰামপুৰ কলেজৰ ছাত্ৰ সকলেও আমাক একে দৃষ্টিৰে মূল্যায়ন কৰি আহিছে। দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, দক্ষিণ পশ্চিম কামৰূপ ছাত্ৰ সন্থা, বৰদুৱাৰ আৰু

ভোলাগাঁও ৰাভা ছাত্ৰ সন্থাকে ধৰি বিভিন্ন ছাত্ৰ সংগঠনে মই যেতিয়াই যি ধৰণে সহায়-সহযোগিতা বিচাৰিছো, ততালিকে সেয়া আগবঢ়াই আহিছে। সবাতোকৈ ডাঙৰ কথা কংগ্ৰেছ, অসম গণ পৰিষদ, ভাৰতীয় জনতা পাৰ্টি, চি.পি.এম. আদি সকলো ৰাজনৈতিক দলৰ নেতা-কৰ্মীয়েই বিশেষ মৰম চেনেহ প্ৰদৰ্শন কৰি আমাৰ সুদীৰ্ঘ প্ৰায় যোল্লবছৰীয়া অধ্যক্ষৰ কাৰ্য্যকালচোৱাত সহায়ৰ হাত আগবঢ়াই আহিছে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা আৰু বিকাশৰ আদি কালচোৱাত বিশেষকৈ শ্ৰীযুত যতীন মালীৰ নেতৃত্বত অসম গণ পৰিষদ দল আৰু চৰকাৰে কিমান সৃষ্টিশীল আৰু দিশ নিৰ্দেশক অৱদান আগবঢ়াইছিল, সেই কথা পূৰ্ব্বৰ অধ্যক্ষসকলে নিজৰ প্ৰতিবেদন সমূহত উল্লেখ কৰি গৈছে। তাৰ পাছৰ গৰাকী পলাশবাৰীৰ এম.এল.এ. শ্ৰীযুত প্ৰণৱ কলিতাই সুদীৰ্ঘ তিনিটা কাৰ্যকালত নিজৰ বিধায়ক পুঁজিৰ পৰা কোনো অনুদান আগবঢ়োৱা নাছিল, যদিও মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে সততে ইয়াৰ অভাৱ-অভিযোগ সমূহৰ প্ৰতি চকু দিছিল আৰু সেইবোৰ দূৰ কৰাৰ বাবে দিহা পৰামৰ্শ আগবঢ়াইছিল। বিশেষকৈ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে নিজৰ হীনমন্যতাৰ পৰা যাতে মুক্ত হয় আৰু অসমৰ বিভিন্ন খ্যাতনামা শিক্ষা প্ৰতিষ্ঠানৰ অভিজ্ঞ শিক্ষকসকলৰ আনুষ্ঠানিক সান্নিধ্য লাভ কৰিব পাৰে, তাৰবাবে বিশেষ শ্ৰেণীকোঠাত বক্তৃতাৰ আয়োজন কৰাৰ ধাৰণা তেখেতেই প্ৰথমে পৰিচালনা সমিতিৰ সভাত উত্থাপন কৰিছিল। সেই অনুসৰি গুৱাহাটী, ডিব্ৰুগড়, তেজপুৰ আৰু শ্বিলঙৰ উত্তৰ পূৰ বিশ্ববিদ্যালয়ৰ কেইবাগৰাকী অধ্যাপকক নিমন্ত্ৰণ কৰি আনি শ্ৰেণীকোঠাত বিশেষকৈ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত বক্তৃতা প্ৰদান কৰোৱা হৈছিল। তেওঁলোকৰ ভিতৰত কেইগৰাকীমান অধ্যাপক আছিল জয়ন্ত ভূষণ ভট্টাচাৰ্য্য, যোগেন্দ্ৰ নাথ ফুকন, ডম্বৰুধৰ নাথ, কিৰণ শৰ্মা, সতীশ ভট্টাচাৰ্য্য, মিতা ডেকা, সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, পলী ভকলীন, যতীন বৰুৱা, কুলেন্দ্ৰ পাঠক আদি। আমাৰ এনে ব্যৱস্থা অতি উদ্ভাৱনীমূলক আৰু আদৰণীয় বুলি ২০১৬ চনত পৰিদৰ্শন কৰা ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা মূল্যায়ন সমিতিৰ দলটোৱে (NAAC PEER TEAM) উচ্চ প্ৰশংসা কৰি গৈছে।

ইয়াৰ পিছত শ্ৰীযুত যতীন মালী পুনৰ পলাশবাৰী সমষ্টিৰ বিধায়ক হয়। আমাৰ অনুৰোধ ৰক্ষা কৰি তেখেতে তেখেতৰ চতুৰ্থ কাৰ্য্যকালচোৱাত ছাত্ৰীসকলৰ সাজোনঘৰ (Lavatory) এটাৰ বাবে অনুদান আগবঢ়ায়। এই সময়চোৱাত (২০১৩-১৪ চনত) মহাবিদ্যালয়খনে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়ে। এই উপলক্ষে শ্ৰীযুত যতীন মালীক সভাপতি আৰু মোক সম্পাদকৰূপে লৈ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি গঠন কৰি দিয়ে কলেজ প্ৰাঙ্গনত অনুষ্ঠিত ৰাজহুৱা সভাই। (২২ এপ্ৰিল, ২০১২, দেওবাৰ) উদ্‌যাপন সমিতিৰ উদ্যোগত ২০১২ চনৰ ২০ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়খনৰ প্ৰথম শ্ৰেণী আৰম্ভ হোৱা স্থান দক্ষিণ কামৰূপ কলেজ চৌহদৰ পৰা সৌৰ শিখা আহৰণ কৰি ৰূপালী জয়ন্তীৰ শুভাৰম্ভ কৰা হয়। ইয়াত উল্লেখযোগ্য কেইবাটাও দিশৰ ভিতৰত তিনিটা সম্পূৰ্ণ নতুন, উদ্ভাৱন ধৰ্মী আৰু ক্ৰান্তিকাৰী। সেয়া হ'ল (ক) মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ বাবে অসমৰ প্ৰধান চাৰিখন ৰাজসত্ৰৰ অন্যতম আউনি আটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ দ্বাৰা কপাহৰ জোলাত মেগ্‌নিফায়িং গ্লাচেৰে সৌৰৰশ্মি কেন্দ্ৰীভূত কৰি সৌৰশিখা আহৰণ কৰি অসমৰ গৌৰৱ আন্তৰাষ্ট্ৰীয় খেলুৱৈ শ্ৰীমতী তৈয়বুন্নিছাৰ হাতত অৰ্পণ কৰা হয়। এই উপলক্ষে ৰাজাপুখুৰী চতুষ্পাদী টোলৰ অধ্যক্ষ শ্ৰীযুত বাসুদেৱ শৰ্মাৰ নেতৃত্বত পঁচিশ গৰাকী পুৰোহিতৰ অগ্নি প্ৰশস্তি মূলক বেদমন্ত্ৰৰে সমবেত ধ্বনিৰে সৌৰশিখা আহৰণ থলিত এক অনিৰ্বচনীয় পৰিৱেশ সৃষ্টি কৰা হৈছিল। এনে অনুষ্ঠান সম্ভৱত অসমৰ উৎসৱ উদ্‌যাপনৰ ইতিহাসত প্ৰথম আৰু একক। (খ) আউনি আটীকে ধৰি ৰাজসত্ৰ চাৰিখনৰ সত্ৰাধিকাৰ সকলে দুবৈত অৱস্থান কৰি শিষ্য-প্ৰশিষ্যলৈ ফুল-নিৰ্মালি দলিয়াই দিয়ে বুলি থকা বদনামৰ বিপৰীতে আমাৰ অনুৰোধ মৰ্মে সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে সৌৰশিখা লৈ মিৰ্জা পুলিচ পইণ্টৰে চাৰিআলি হৈ আমাৰ কলেজলৈ কৰা শোভাযাত্ৰা মুঠ ১.২ কিঃমিঃ পথ সকলোৰে লগত আৰু মাজত পদযাত্ৰা কৰে, আৰু (গ) উক্ত শোভাযাত্ৰাত পৃথিৱীৰ বৰ্দ্ধিত প্ৰদূষণৰ প্ৰতি সজাগতা বৃদ্ধিৰ অৰ্থে এটাও ফটকা, ফুটোৱা নাছিল অথবা কোনো ধৰণৰ আতচবাজী কৰা হোৱা নাছিল। ইয়াৰ ফলত এক বিশাল ৰাশিৰ ধন অযথাত নষ্ট হোৱা নাছিল আৰু প্ৰদূষণ বৃদ্ধিত বাধা দিয়া হৈছিল। ইয়াৰ উপৰিও অঞ্চলটোৰ সকলো ধৰ্মৰ নানা তৰহৰ সাংস্কৃতিক উপাদানেৰে শোভাযাত্ৰা নদন বদনকৈ সজোৱা হৈছিল আৰু নানাৰঙী বিজুলী বাতিৰে মহাবিদ্যালয় চৌহদ জিলিকাই তোলা হৈছিল। একেদৰে ২০১৪ চনৰ ৩১ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ আয়োজিত সামৰণি অনুষ্ঠানৰ সাংস্কৃতিক শোভাযাত্ৰাত অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ অংশগ্ৰহণে আমাক উৎসাহিত কৰে। উল্লেখযোগ্য যে ১ জানুৱাৰীৰ সাংস্কৃতিক অনুষ্ঠানত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ৮০ বছৰীয়া শ্ৰীযুত বশিষ্ঠ দেৱ শৰ্মাই তেওঁৰ সহযোগী সকলৰ সৈতে থিয় নাম প্ৰদৰ্শন কৰি সকলোকে মোহিত কৰে। বৰপেটা সত্ৰৰ সত্ৰাধিকাৰে নিজে সকলোৰে লগত একেলগে বহি মিলিজুলি যি সমতাৰ বাণী বিলালে সেয়া সঁচাকৈয়ে মহানতাৰ অনন্য নিদৰ্শন। আমাৰ এনে পদক্ষেপক সমগ্ৰ ৰাইজে ভূৰি-ভূৰি প্ৰশংসা কৰি এক দৃষ্টান্ত স্থাপন কৰা বুলি কৈছিল। এই স্মৃতিয়ে আজিও মনত এক গভীৰ প্ৰশান্তি আৰু অনাবিল আনন্দ দিয়ে।

ৰূপালী জয়ন্তী যে সুদীৰ্ঘ এবছৰকাল জুৰি নানান সৃষ্টি মূলক কাৰ্যসূচীৰে উদ্‌যাপন কৰি সামৰণি উৎসৱেৰে শেষ কৰিব লাগে, এই ধাৰণাও আমাৰ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ আগতে, পলাশবাৰী অঞ্চলত যিবোৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ ইতিমধ্যে ৰূপালী, সোণালী বা হীৰক জয়ন্তী হৈছিল, কতো প্ৰয়োগ হোৱা দেখা নাযায়। আমাৰ উদাহৰণ লৈহে পলাশবাৰী সংস্কৃতি বিকাশ ভৱন আৰু আৰ.বি.হায়াৰ চেকেণ্ডাৰীৰ শতবাৰ্ষিকী উৎসৱ এনেদৰে পালন কৰা হৈছে। ইয়াৰ আগত আৰ.বি.হায়াৰ চেকেণ্ডাৰীৰ হীৰক জয়ন্তী, পাৰ্লী প্ৰগতি পুথিভঁৰালৰ সোণালী জয়ন্তী বা দক্ষিণ কামৰূপ কলেজৰ সোণালী জয়ন্তী মাথোন তিনিটা দিনৰ কাৰ্য্যসূচীৰেহে পালন কৰা হৈছিল। কোনো উৎসৱ উদ্‌যাপন মানে কেৱল ন-পুৰণিৰ সমাবেশ, সাংস্কৃতিক সন্ধিয়া, আলোচনা চক্ৰ আৰু সমূহীয়া ভোজনেই মাথোন নহয়, বৰং এইবোৰৰ লগতে এক দীৰ্ঘকালীন কাৰ্য্যসূচীৰে পুৰণি স্মৃতি ৰোমন্থনৰ লগে লগে আহিব লগা দিনবোৰৰ বাবে এক বিস্তৃত সৃজনিমূলক কাৰ্য্যসূচী তৈয়াৰ কৰি তাৰ ৰূপায়নৰ বাবে পৰিকাঠামো তৈয়াৰ কৰাহে। এই কথাকেই আমাৰ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ জৰিয়তে প্ৰতিপন্ন কৰা হয়। ইয়াৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ দক্ষিণ কামৰূপত সামাজিক আৰু ৰাজহুৱা জীৱনত ব্যাপক ৰূপত যে পৰিছে তাৰ ওপৰত উনুকিওৱা আৰ.বি.হায়াৰ চেকেণ্ডাৰীৰ শতবাৰ্ষিকী আৰু পলাশবাৰী সংস্কৃতি বিকাশ ভৱনৰ মহাৰজত জয়ন্তীয়েই প্ৰতিপন্ন কৰে।

এই উদ্‌যাপনৰ সময়তে প্ৰতিটো বিভাগৰ পৰা একোখন তথ্যসমৃদ্ধ সুন্দৰ পুথি প্ৰকাশ কৰা হয়, সদৌ অসম ভিত্তিত বিহুৱতী প্ৰতিযোগিতা আয়োজন কৰা হয় আৰু ২৫ বছৰৰ স্মৃতিত ২৫ জোপা গছপুলি ৰোপণ কৰা হয়। মণিপুৰ, ডিব্ৰুগড়, গুৱাহাটী, ত্ৰিপুৰা বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে অধ্যাপক জীতেন্দ্ৰ সিং, ড° ডম্বৰুধৰ নাথ, ড° মালিনী গোস্বামী, ড° সত্যদেও পোদ্দাৰ, ড° কুলেন্দু পাঠক, ড° জগদীশ মেধী আদিক নিমন্ত্ৰণ কৰি গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰোৱা হয়। এয়া বছৰজোৰা কাৰ্য্যসূচীৰ দুটামান উদাহৰণহে। পিছত বিৱৰণ স্মৃতিগ্ৰন্থ 'ৰূপালীম'ত সংৰক্ষণ কৰা হৈছে।



মই অধ্যক্ষ হোৱাৰ সময়ত মুঠতে ১৬ টা আহল বহল অসম আৰ্হিৰ কাঠ, টিনেৰে নিৰ্মিত কোঠালি আছিল। প্ৰতিটো বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে ৮ x ৮ ফুট জোখৰ একোটা কোঠালিত বহিছিল আৰু লাইব্ৰেৰীত পৰ্যাপ্ত সুবিধা নাছিল। দায়িত্বভাৰ লৈয়েই সেয়ে আমি এটা সুকীয়া প্ৰশাসনীয় ভৱন নিৰ্মাণৰ গুৰুত্ব বুজি তাৰ উপায় বিচাৰো। এনেতে স্থানীয় ধনাঢ্য জবদ্দৰ এটা আগবাঢ়ি আহি প্ৰশাসনীয় ভৱন এটা দান দিয়াৰ কথা ঘোষণা কৰে। কিন্তু দানৰ মহত্ব বুজি নোপোৱা সেই মদ্‌গৰ্ব্বী জনৰ মনত অনৱৰতে ক্ৰিয়া কৰা অহংকাৰে তেনে দান কাৰ্য্য সম্পূৰ্ণ হোৱাত বাধা দি কলেজ পৰিয়ালক পাতকী হোৱাৰ পৰা ৰক্ষা কৰে। অৱশ্যে এই কাৰ্যত দুগৰাকীমান চুকত থাকি খুকুত কামোৱা লোকৰো সহযোগ থকা বুলি পিছত জানিব পৰা গৈছে। যাহওঁক ভগৱানে যি কৰে ভালেই কৰে। জবদ্দৰৰ ধন লৈ পাতকী হোৱাৰ পৰা ভগৱানে ৰক্ষা কৰাৰ ঠিক পিছতেই অসম চৰকাৰৰ তেতিয়াৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মাই মহাবিদ্যালয়লৈ বুনিয়াদী আঁচনিৰ অধীনত দুটা অনুদান আগবঢ়ায়। তাৰে তিনিমহলীয়া, সুদৃশ্য প্ৰশাসনীয় ভৱনটো নিৰ্মাণ কৰা হয়। ইয়াৰ পিছতেই শিক্ষামন্ত্ৰী গৰাকীয়ে পুনৰ এক কোটি টকাৰ অনুদান দিয়াই নহয়, এই টকাৰে নিৰ্মাণ কৰা তিনিমহলীয়া শিক্ষাসদী ভৱন আৰু স্মাৰ্ট ক্লাছ ৰুমৰ আধাৰশিলাও তেখেতে নিজ হাতে স্থাপন কৰে ইং ২-২-২০১৪ তাৰিখে। নিৰ্দিষ্ট সময়মতে উক্ত ভৱন সম্পূৰ্ণ হৈ উঠিছে। ইয়াৰ উপৰি আমি দায়িত্ব লৈয়েই প্ৰথমে গুৰুত্ব দিছিলো মহাবিদ্যালয়খনক বিশ্ববিদ্যালয় অনুদান আয়োগৰ পঞ্জীয়নভুক্ত কৰাবলৈ। মোৰ পূৰ্বৰ অধ্যক্ষ গৰাকীক এই বিষয়ে অনেক যত্ন কৰিও মই আবেদন কৰাবলৈ সন্মত কৰাব পৰা নাছিলো। মোৰ নেবানেপেৰা খুজনিত অতিষ্ঠ হৈ তেখেতে এদিন বিৰক্ত হৈ কৈছিল- " হে' ৰি কলেজখন ইউ জি চি ত পঞ্জীভুক্ত হ'লে মোৰ কি লাভ হ'ব?" তেখেতৰ উত্তৰ শুনি মই হতভম্ব হৈছিলো, শিল পৰা কপৌৰ দৰে তাপ মাৰি বৈছিলো। অৱশ্যে তেখেতৰ এনে নেতিবাচক চিন্তাৰ উদয় আৰু বিকাশত আমাৰে দুগৰাকীমান সতীৰ্থই "নন্দী-ভৃঙ্গী" ভূমিকা লৈছিল বুলি পিছত গম পোৱা গৈছিল। যাহওঁক পূৰ্ণাংগ অধ্যক্ষৰ দায়িত্ব লৈয়েই মই এই কামৰ বাবে উঠি পৰি লাগিলো আৰু ২০১২ চনৰ ১৯ চেপ্তেম্বৰৰ পৰা কাৰ্য্যকৰী হোৱাকৈ আমাৰ মহাবিদ্যালয়খন ইউ জি চিৰ ১২/ বি দফাৰ অধীনত পঞ্জীয়নভুক্ত হয়। লগে লগে আমি আমাৰ কলেজৰ বাবে এটা আভ্যন্তৰীণ খেল গৃহ আৰু এটা ছাত্ৰী নিবাসৰ বাবে আবেদন কৰো আৰু সৌভাগ্যক্ৰমে দুয়োটা প্ৰকল্পৰ বাবেই আৰ্থিক অনুদান লাভ কৰো। নব নিৰ্মিত এই খেল গৃহতে ২০১৯ ইং চনৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতা আৰু নকৈ উন্নত কৰা খেলপথাৰত আন্তঃমহাবিদ্যালয় খো-খো প্ৰতিযোগিতাৰ সুকলমে আয়োজন কৰা হৈছিল। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে নিৰ্মিত তিনিমহলীয়া ছাত্ৰী নিবাসটো আমাৰ এই কামত বিশেষ সহায়ক হৈছিল। ছাত্ৰী নিবাস সম্পূৰ্ণ হৈ উঠাৰ বাবেই আমি ৩৮ সংখ্যক উত্তৰ পূব ভাৰত ইতিহাস সন্মিলনৰ সফল আয়োজন কৰিব পাৰিছিলো। এই সন্মিলন সফল কৰিবলৈ অঞ্চলবাসী ৰাইজ, ব্যৱসায়ী, ছাত্ৰীসকল, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, অধ্যাপক-অধ্যাপিকা, অভিভাৱক আৰু পৰিচালনা সমিতিয়ে যিদৰে উৰুৰি খাই পৰিছিল, তেনে সহযোগ খুউব কম সংখ্যক অধ্যক্ষইহে লাভ কৰে। অঞ্চলবাসী ৰাইজৰ এনে মৰম-চেনেহে বাৰে বাৰে মোৰ বহিৰ্মুখী মনটোক কেৱল দক্ষিণ কামৰূপতে বান্ধি ৰাখি আহিছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ পঞ্জীভুক্ত হোৱাৰ পিছতেই মই আমাৰ অধ্যাপক-অধ্যাপিকাসকলক

ক্ষুদ্ৰ গৱেষণা প্ৰকল্পৰ বাবে আবেদন কৰিবলৈ উৎসাহিত কৰো। আমাৰ অনুৰোধ ৰক্ষা কৰি আয়োগে মুঠতে ৬ গৰাকী অধ্যাপক-অধ্যাপিকালৈ জলপানী আগবঢ়ায় আৰু প্ৰত্যেকেই নিজৰ নিজৰ গৱেষণা গ্ৰন্থ সময়মতে আয়োগক জমা দি কৃতিত্ব অৰ্জন কৰিছে।
২ঃ১ এইবাৰ আহিল ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ পৰা অনুদান লাভৰ পৰ্ব। ২০১৬ ইং চনত অধ্যাপিকা প্ৰেমা ঝাৰ নেতৃত্বত অহা পৰিদৰ্শকৰ দলটোৱে চৰম নেতিবাচক দৃষ্টিভঙ্গী আৰু নম্বৰ প্ৰদানত দেখুওৱা কৃপণালিৰ পিছতো আমাৰ মহাবিদ্যালয়ে পূৰ্বৰ C++ ৰ পৰা উন্নত হৈ B Grade পাবলৈ সক্ষম হয়। ফলত মহাবিদ্যালয়খনে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (RUSA)ৰ পৰা ২ কোটি টকাৰ অনুদান পাবলৈ যোগ্যতা লাভ কৰে। ইয়াৰে ১ কোটি টকা ইতিমধ্যে লাভ কৰা হৈছে। এই অনুদানৰ কেইটামান কোঠালিৰ পুনৰ নিৰ্মাণ আৰু এটা দুমহলীয়া বিজ্ঞান গৃহ নিৰ্মাণ কৰা হৈছে। একেসময়তে অসম চৰকাৰেও বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰৰ সা- সামগ্ৰী কিনিবলৈ ১০ লাখ টকাৰ অনুদান আগবঢ়ায়। অৰ্থাৎ আজিৰ তাৰিখত আমাৰ মহাবিদ্যালয়ত বিজ্ঞান বিভাগৰ বাবে পূৰ্ণাংগ চাৰিটা শ্ৰেণী কোঠালি আৰু চাৰিটা পৰীক্ষাগাৰ নিৰ্মাণ হৈছে। পৰীক্ষাগাৰৰ প্ৰয়োজনীয় আচবাব, টেবুল আদি মজুত আছে। অসম চৰকাৰে যি ৫০ খন মহাবিদ্যালয়ৰ নাম বিজ্ঞান শাখাৰ বাবে তালিকাভুক্ত কৰিছে, তাত ওপৰফালে আমাৰ মহাবিদ্যালয়ৰ নাম থকাৰ পিছতো একমাত্ৰ ৰাজনৈতিক পৃষ্ঠপোষকতাৰ অভাৱত আজিলৈ শিক্ষক আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰী নিযুক্ত নোহোৱা বাবে বিজ্ঞান শাখা আৰম্ভ কৰিব পৰা নাই। কিন্তু শিক্ষক আৰু কাৰ্য্যালয়ত কৰ্মচাৰীৰ নিযুক্তি দিলেই যিকোনো মুহূৰ্ততে বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰাবলৈ আমাৰ মহাবিদ্যালয় সম্পূৰ্ণ সাজু হৈ উঠিছে।

২ঃ২ আমাৰ মহাবিদ্যালয়ৰ উদ্ভাৱনীমূলক কামৰ উৎকৃষ্ট নিদৰ্শন ১৯৯৫ চনত প্ৰতিষ্ঠিত সংগ্ৰহালয়টো। অসমৰ সমাজ জীৱনৰ, সাংস্কৃতিক, অৰ্থনৈতিক দিশৰ নানান সম্পদ সমূহ যেনে সাঁচিপাতৰ পুথি, ডোলা, পুৰণি দিনৰ বাচন বৰ্তন, কাপোৰ, মুদ্ৰা আদি আপুৰুগীয়া সম্পদ সমূহ ইয়াত সংৰক্ষণ কৰা হৈছে। ১৯৮৮ চনৰ পৰা নিয়াৰিকৈ সংৰক্ষণ কৰা প্ৰতিদিনৰ 'The Assam Tribune' আৰু 'দৈনিক অসম' কাকত দুখন সংগ্ৰহালয়ৰ অমূল্য সম্পদ। সমগ্ৰ উত্তৰ পূব ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ গৱেষক গৱেষিকা সকলে নানান তথ্য বিচাৰি আমাৰ সংগ্ৰহালয়লৈ আহে। এয়া সমগ্ৰ অঞ্চলবাসীৰ বাবে গৌৰৱৰ কাৰণ। অতদিনে মহাবিদ্যালয়ৰ এটি মাত্ৰ কোঠালিত থকা উক্ত সম্পদ সমূহ কেবাগৰাকী দাতাৰ দান বৰঙণিৰে নিৰ্মিত সংগ্ৰহালয় ভৱনলৈ স্থানান্তৰ কৰা হৈছে। এয়াও মোৰ এক দীৰ্ঘদিনীয়া সপোন আছিল। পূৰ্ণ হোৱাৰ বিদায়ী বেলাত আনন্দেৰে মন ভৰি উঠিছে। ইয়াৰ উত্তৰোত্তৰ বিকাশৰ বাবে মোৰ উত্তৰাধিকাৰীসকলে বিশেষ যত্ন লব বুলি মই আশাবাদী।

দ্বিতীয় উদ্ভাৱনীমূলক কাম হ'ল মহাবিদ্যালয়ত প্ৰতিষ্ঠিত কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটো। অসম বিত্তীয় নিগমৰ পৰা অধ্যক্ষ শ্ৰীযুত বিজয় কুমাৰ গুপ্তা মহাশয়ে মহাবিদ্যালয়লৈ ৬ টা অত্যাধুনিক কম্পিউটাৰ দান দি উক্ত প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰে ইং ২৪-০৮-২০১৮ তাৰিখে। তেতিয়াৰেপৰা শ্ৰীমতী মৌচুমী কলিতাৰ নেতৃত্বত কেন্দ্ৰটোৱে এতিয়ালৈ ৬০ গৰাকী ছাত্ৰীক নামমাত্ৰ মাচুলৰ বিনিময়ত কম্পিউটাৰৰ উন্নত প্ৰশিক্ষণ দিছে। তেওঁলোকৰ বহুতেই সম্প্ৰতি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানত কৰ্মৰত। এই কেন্দ্ৰটো প্ৰতিষ্ঠাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অধ্যাপিকা হীৰা নেওগ আৰু অধ্যাপক শ্ৰীযুত তপন চৌধুৰীৰ অৱদান অনস্বীকাৰ্য্য।

আন এটা উল্লেখযোগ্য দিশ হ'ল আমাৰ মহাবিদ্যালয়ত জনসংযোগ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তি কৰা। এটা সুকীয়া বিভাগ বুলি ছাত্ৰীসকলক সাংবাদিকতা আৰু জনসংযোগৰ শিক্ষা দি অহা হৈছে। এই বিভাগৰ ছাত্ৰী প্ৰতিভা ভট্টাচাৰ্যীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি সম্প্ৰতি তেজপুৰ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰি আছে। বহুকেইগৰাকীয়ে ইতিমধ্যে অসমৰ আগশাৰীৰ বাতৰিকাকত আৰু ˙দূৰদৰ্শন কেন্দ্ৰত স্থায়ী নিযুক্তি লাভ কৰিছে।

জাতীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱিকাসকল আমাৰ মহাবিদ্যালয়ৰ পৰম সম্পদ। কাৰ্য্যসূচী বিষয়া মিতালি কাঠকটীয়াৰ নেতৃত্বত ২০২০ চনৰ গণৰাজ্য দিৱসত উত্তৰ পূৰ্বৰ স্বেচ্ছাসেৱক সেৱিকাৰ এটি দলে নতুন দিল্লীত কেন্দ্ৰীয় মাৰ্চপাচত যোগদান কৰে। এই দলটোৰ লগত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী গীতাঞ্জলি দাসে যোগদান কৰাৰ সুযোগ লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি এই সময়তে ড° মিতালিয়ে বিশ্ববিদ্যালয় আৰু ৰাজ্যিক ভিত্তিত শ্ৰেষ্ঠ কাৰ্য্যসূচী বিষয়াৰ পুৰস্কাৰ লাভ কৰে।

আমাৰ কাৰ্য্যকালত মহাবিদ্যালয়ত অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণীৰ অনুমতি লাভ কৰা হয়। অসমীয়া বিভাগ আমাৰ মহাবিদ্যালয়ৰ এক প্ৰধান অলংকাৰ। তদানীন্তন বিভাগীয় মুৰব্বী ড° জাহ্নৱী দেৱীৰ নেতৃত্বত বিভাগটো প্ৰতিষ্ঠা হয় আৰু এতিয়ালৈ ৩০ গৰাকীকৈ ছাত্ৰীয়ে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। তেওঁলোকৰ বেছিভাগেই প্ৰথম শ্ৰেণী লাভ কৰিছে। ড° জাহ্নৱী দেৱীৰ তত্ত্বাৱধানত গৱেষণা কৰি এতিয়ালৈ ৫ গৰাকী গৱেষকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডক্টৰেট ডিগ্ৰী লাভ কৰিছে।

৩ঃ১ সম্পূৰ্ণ কাৰ্য্যকালৰ বিতং বিৱৰণী বছৰেকীয়া মুখপত্ৰ 'সুদক্ষিণা'ৰ পাতত অনুসন্ধিৎসুজনে বিচাৰি পাব। সেয়ে ওপৰত মাথোন এটি ৰূপৰেখাহে দাঙি ধৰা হ'ল। মুঠতে ইয়াকে ক'ব পাৰি যে অসম আৰ্হিৰ ঘৰকেইটা বাদ দি কেবামহলীয়া কংক্ৰীটৰ আঠাইকেইটা ভৱন (প্ৰশাসনীয় ভৱন, শৈক্ষিক ভৱন, বিজ্ঞান ভৱন, ছাত্ৰী নিবাস, ছাত্ৰীৰ প্ৰসাধন কক্ষ আৰু আন্তঃখেলৰ ঘৰ (Indoor Stadium),সংগ্ৰহালয় ভৱন) আমাৰ কাৰ্য্যকালতে নিৰ্মিত হয়। ইয়াৰোপৰি স্মাৰ্ট ক্লাছ ৰুম, কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ, ভাৰতীয় ষ্টেট বেংকৰ এ.টি.এম. কেন্দ্ৰ, দুটাকৈ সুদৃশ্য মজবুত তোৰণ, শিক্ষকসকলৰ গাড়ী থোৱা চালি আদিও আমাৰ দিনতে নিৰ্মিত। বংশীধৰ মহাজন স্মাৰক নিধি এটাৰ বাবেও আমাৰ অনুৰোধ ৰক্ষা কৰি পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য শ্ৰীযুত ৰূপেন্দ্ৰ কুমাৰ কলিতাদেৱে বুজন পৰিমাণৰ ধন দান কৰিছে। ইয়াৰে বছৰেকীয়া খেল-ধেমালি প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী গৰাকীলৈ নগদ ধনৰ পুৰস্কাৰ আগবঢ়োৱা হয়। ইয়াৰ আগেয়ে, আমি নিজৰ ধনেৰে আমাৰ মাতৃদেৱীৰ সৌৰৱণত " বীণাপাণি মহন্ত ন্যাস গঠন কৰিছিলো। শিক্ষা বিভাগৰ অধ্যাপিকা ড° লীলাৱতী চৌধুৰীয়ে তেখেতৰ পিতৃৰ স্মৃতিত ভূপেন্দ্ৰ কুমাৰ চৌধুৰী ন্যাস গঠন কৰিছে। ইয়াত উদ্বৃত্তৰে প্ৰতিবছৰৰ মুৰে মুৰে এগৰাকী বিদগ্ধ পণ্ডিতৰ দ্বাৰা বক্তৃতাৰ আয়োজন কৰা হয়। এই ন্যাসৰ অধীনত ইতিমধ্যে ড° কেশৱানন্দ দেৱ গোস্বামী, ড° যোগেন্দ্ৰ নাথ ফুকন, ড° হেমেন দত্ত, ড° ৰঞ্জু বেজবৰুৱা, ড° বিমান হাজৰিকা আদি পণ্ডিত সকলে বক্তৃতা প্ৰদান কৰিছে। মহাবিদ্যালয়ৰ পুথিভঁড়াল 'প্ৰজ্ঞা ভৱন'ৰ পৰিসৰ ভালেখিনি বৃদ্ধি কৰা হয় আৰু পুথিৰ সংখ্যা বৰ্তমান ১৮২৪৭ লৈ বৃদ্ধি কৰা হৈছে। মহাবিদ্যালয়ৰ পুথিভঁড়ালত নিয়মীয়াকৈ ৪৫ খন আন্তৰ্জাতিক গৱেষণা পত্ৰিকা আৰু অসমৰ পৰা প্ৰকাশিত ৭ খন আগশাৰীৰ আলোচনী যোগান ধৰা হয়। বহু কম সংখ্যক মহাবিদ্যালয়ৰ পুথিভঁৰালতহে ইমান সংখ্যক গৱেষণা মূলক আলোচনী উপলব্ধ হয়। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনেক গৱেষকে নিৰ্দিষ্ট মাচুলৰ বিনিময়ত আমাৰ মহাবিদ্যালয়ত অধ্যয়ন কৰেহি। মহাবিদ্যালয় এখনৰ বাবে এয়া এক গৌৰৱ আৰু আনন্দৰ বিষয়।

সম্ভৱত সমগ্ৰ অসমৰ মহাবিদ্যালয় পৰিচালনাৰ ইতিহাসতেই এক বিৰল নিদৰ্শন হ'ল আমাৰ মহাবিদ্যালয়ৰ অভিভাৱক সন্থাৰ গঠন আৰু তেওঁলোকৰ কাৰ্য্যপ্ৰণালী। আমাৰ আহ্বানমৰ্মে আয়োজিত ৰাজহুৱা সভাৰ প্ৰস্তাৱ মৰ্মে দক্ষিণ কামৰূপ ছোৱালী কলেজ অভিভাৱক সন্থা সংগঠিত হয়। প্ৰতিষ্ঠা বৰ্ষত সভাপতি আৰু সম্পাদকৰ দায়িত্ব বহন কৰিছিল ক্ৰমে কৃতী শিক্ষক শ্ৰীযুত যুগল চৌধুৰী আৰু শ্ৰীযুত ৰোহিনী কুমাৰদেৱে। দ্বিতীয় কাৰ্য্যনিৰ্বাহিকৰ দায়িত্ব বহন কৰি আছে ক্ৰমে অধ্যক্ষ শ্ৰীযুত হৰেশ্বৰ কলিতা আৰু সাহিত্যসেৱী শ্ৰীৰমেশ মহন্তদেৱে। তেখেতসকলৰ দ্বাৰা সংগৃহিত পুঁজিৰে আভ্যন্তৰীণ খেলগৃহৰ বাৰান্দাৰ ওপৰ মহলা নিৰ্মাণ কৰি, অভিভাৱকসকলৰ কাৰ্য্যালয় আৰু ছাত্ৰীসকলৰ দক্ষতা বৃদ্ধি সম্পৰ্কীয় প্ৰশিক্ষণৰ বাবে সাজু কৰি তোলা হৈছে। ইয়াৰেপৰা তেওঁলোকে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈও পোন্ধৰ হেজাৰ টকা আগবঢ়াইছে।

ইয়াৰোপৰি অসম চৰকাৰৰ দক্ষতা বৃদ্ধি আঁচনিৰ অধীনত শান্তনু গোস্বামীৰ সহযোগত এতিয়ালৈ শতাধিক ছাত্ৰীক ৰূপসজ্জা আৰু স্বাস্থ্য বিষয়াক বিনামূলীয়া প্ৰশিক্ষণ দিয়া হৈছে। তাৰে অনেকজনীয়ে এই জ্ঞান বুদ্ধিৰে দক্ষিণ কামৰূপৰ কেবা ঠাইতো ৰূপসজ্জা আৰু স্বাস্থ্য বিষয়ক ক্লিনিক খুলি স্বনিয়োজিত হোৱাৰ লগতে মাতৃ সমাজৰ স্বাস্থ্যবিষয়ক সেৱা আগবঢ়াই আছিছে।

আলফাৰ চৰম আতিশয্যৰ দিনৰে পৰা আজিলৈ আমাৰ মহাবিদ্যালয়ত স্বাধীনতা দিৱস পৱিত্ৰভাৱে পালন কৰি অহা হৈছে। ইয়াতো আমি এক সৃজনীমূলক পদক্ষেপ লৈছো। সেয়া হ'ল ছাত্ৰী, শিক্ষক, কৰ্মচাৰীসকলৰ উপস্থিতিত যথা নিয়মে ভাৰতৰ জাতীয় পতাকা উত্তোলন কৰি ৰাষ্ট্ৰীয় সংগীত গোৱাৰ পিছতে সমবেত সকলৰ মাজত এক বৌদ্ধিক আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। ইয়াত উপস্থিত শিক্ষকসকলে ভাৰতৰ স্বাধীনতা কালীন অথবা স্বাধীনতা আন্দোলনৰ ৰাজনৈতিক আলাপৰ বাহিৰেও সাহিত্য সংস্কৃতিমূলক ৰচনা, চিনেমা, নাটক, জনকৃষ্টিৰ বিভিন্ন দিশত স্বাধীনতা আন্দোলনৰ প্ৰভাৱ কেনেদৰে পৰিছিল, স্বাধীনতা আন্দোলন শক্তিশালী কৰাত এইবোৰৰ ভূমিকা কেনে আছিল আদি বিষয়ক তথ্য গধুৰ, কিন্তু মধুৰ ৰসপূৰ্ণ বক্তব্য আগবঢ়াই আহিছে। পিছৰ মাহত এইবোৰৰ একত্ৰ সংকলন 'স্বাধীনতাৰ বৰ্ণালী' নামেৰে প্ৰকাশ কৰি উলিওৱা হয়। আমি জনাত স্বাধীনতা দিৱস উদ্‌যাপন উপলক্ষে আয়োজিত বৌদ্ধিক সভাৰ এনে লিখিত পঞ্জী কেৱল আমাৰ মহাবিদ্যালয়েহে প্ৰকাশ কৰি আহিছে, ভাৰতৰ কথা নাজানো, কিন্তু অসমৰ কোনো মহাবিদ্যালয়তে এনে পৰম্পৰা আজি পৰ্য্যন্ত গঢ়ি উঠাৰ তথ্য পোৱা নাই। উক্ত স্বাধীনতা দিৱস উদযাপন আৰু আলোচনা সভাত বিভিন্ন উগ্ৰপন্থী সংগঠনৰ ভয় ভাবুকিকো নেওচি মোৰ লগত সদায়েই উপস্থিত থকা সতীৰ্থসকলৰ ভিতৰত ক্ৰমে ড° জগন্নাথ বৰ্মন, হৰেন দাস, হৰেন কলিতা, আজিজুৰ হক, কমলেশ্বৰ বৰা," নিৰল শৰ্মা, শংকৰ কলিতা, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল, বৰ্ত্তমানৰ অভিভাৱক সন্থাৰ সভাপতি অধ্যক্ষ শ্ৰীহৰেশ্বৰ কলিতা, ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ সহায় আৰু সহযোগৰ কথা অনস্বীকাৰ্য্য।

মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা আৰু ছাত্ৰী একতা সভাৰ নিৰ্বাচনৰ একক আৰু অনন্য চৰিত্ৰ আৰু বিশেষত্বৰ কথা পূৰ্ব্বৰ অধ্যক্ষ শ্ৰীযুত তৰুণ দাসদেৱে তেখেতৰ বিদায়ী প্ৰতিবেদনত উল্লেখ কৰিছে বাবে ইয়াত পুনৰ উল্লেখ নকৰিলো।

মুঠতে পূবে গুৱাহাটীৰ ধাৰাপুৰৰ পৰা পশ্চিমে গোৱালপাৰালৈ, উত্তৰে পলাশবাৰীৰ পৰা দক্ষিণে চানডুবিৰ পাৰলৈ বিস্তৃত দক্ষিণ কামৰূপৰ একমাত্ৰ ছোৱালী কলেজ হিচাপে আমাৰ মহাবিদ্যালয়খনে অতি কম দিনৰ ভিতৰতে সমগ্ৰ অঞ্চলটোৰ শৈক্ষিক আৰু ব্যৱহাৰিক দিশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি বহুতো অৱদান আগবঢ়াই আহিছে। অন্ধবিশ্বাসৰ বিৰুদ্ধে জীৱনপণ কৰা শান্তিৰ নোবেল বঁটাৰ বাবে ভাৰতৰ পৰা মনোনয়ন পোৱা বীৰাঙ্গনা বীৰুবালা ৰাভাৰ দৰে সমাজ কৰ্মীয়েও আমাৰ মহাবিদ্যালয়ত পদাৰ্পন কৰি এই কথা স্বীকাৰ কৰি গৈছে। আমাৰ মহাবিদ্যালয় মিশ্যন বীৰুবালাৰ আনুষ্ঠানিক সদস্য। একেদৰে অৰণ্য মানৱ শ্ৰীযুত যাদৱ পায়েং মহাশয়েও আমাৰ মহাবিদ্যালয়ৰ চৌহদত নিজ হাতে এজোপা ৰঙা চন্দনৰ পুলি ৰোপণ কৰি আমাক ধন্য কৰিছে। ৰিয়েল হিৰো বঁটা প্ৰাপক অসম চৰকাৰৰ বন সংৰক্ষক শ্ৰীযুত ধৰণীধৰ বড়োৱে আমাৰ মহাবিদ্যালয়ত কেইবাটাও বক্তৃতা প্ৰদান কৰিছে। মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা বা মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাত অংশ লোৱা অসমৰ আগশাৰীৰ বুদ্ধিজীৱিসকল আৰু সংগীত শিল্পীসকলৰ ভিতৰত থাওকতে মনলৈ অহাসকলৰ ভিতৰত মেদিনী চৌধুৰী, হিতেশ ডেকা, নৰকান্ত বৰুৱা, লক্ষ্মীনন্দন বৰা, মামণি ৰয়চম গোস্বামী, গগন চন্দ্ৰ অধিকাৰী, নীলিমা খাটুন, দিগন্ত ভাৰতী, তৰালী শৰ্মা, ড° আকাশীতৰা, খগেন মহন্ত, অৰ্চনা মহন্ত, ড° সংগীতা কাকতি, বাবু আৰু কৃষ্ণমণি চুতীয়া আদি অন্যতম। মন কৰিবলগীয়া যে, আন আন মহাবিদ্যালয়লৈ গ'লে বিশেষকৈ শিল্পীসকলে এক বুজন পৰিমাণৰ পাৰিতোষিক লয়, কিন্তু আমাৰ মহাবিদ্যালয়লৈ আহোতে তেওঁলোকে এটকাও পাৰিতোষিকতো নলয়েই, বৰং পাৰিলে কলেজখনলৈ পুনৰ আহি কিবা এটা কৰাৰ ইচ্ছা প্ৰকাশ কৰিহে যায়। তাৰ ভিতৰত এটা বিশেষ মুহূৰ্ত্তৰ কথা উল্লেখ কৰা উচিত হ'ব। এবাৰ নৱাগত আদৰণী সভালৈ বিশিষ্ট কণ্ঠশিল্পী (চ'লগৰী লে যাব, তোকে মোৰ ঘৰ' শীৰ্ষক গীতৰ শিল্পী) কৃষ্ণমণি চুতীয়াদেৱ আহিছিল। এইক্ষেত্ৰত স্থানীয় শিল্পী দীপ ৰাজবংশীয়ে বেচ সহায় কৰি দিছিল। সভালৈ আহি কলেজৰ পৰিবেশ দেখি তেওঁ অতি আনন্দিত হৈছিল। আপ্যায়নৰ পিছতে বিদায়ক্ষণত তেখেতৰ গাড়ীভাড়া আদি বুলি এটা ধনৰ লেফাফা তেখেতলৈ আগবঢ়াই দিলো। তেখেতে লেফাফাটো দুই হাতেৰে চুই ক'লে, "ছাৰ, মোৰ এইখিনি মই সাদৰেৰে গ্ৰহণ কৰিলোঁ। কিন্তু মই এইখিনিয়েই ছাত্ৰীসকলৰ বাবে দান দিলো, আপুনি তেওঁলোকৰ বাবে এটা Musical Instrument কিনি দিব।" সেই স্বৰ্গীয় মুহূৰ্ত্তটোত আমি দাতা আৰু গ্ৰহীতা দুয়োৰে মাত আবেগত থোকা থুকি হৈছিল। কিমানজন অধ্যক্ষই এগৰাকী প্ৰতিষ্ঠিত শিল্পীৰ পৰা ইমান আন্তৰিক সহযোগ পাইছে, মই নাজানো। একেদৰে আন্তৰ্ৰাষ্ট্ৰীয় লোক সংস্কৃতিৰ আজন্ম সাধক শ্ৰীমতী জীনা ৰাজকুমাৰীৰ লগত মোৰ সম্বন্ধ আৰু সম্পৰ্ক ভাতৃ-ভগ্নীৰ স্তৰলৈ ওচৰ চাপিছে, কেৱল কলেজৰ বিভিন্ন অনুষ্ঠানত বিনা পাৰিতোষিকেৰে আহি যোগ দিয়াৰ অচিলাতে। এনে অনেক মিঠা স্মৃতিয়ে মোৰ পৰৱৰ্ত্তী জীৱনত সদায়েই আশা আৰু সাহসৰ যোগান ধৰিব। সেয়ে মই নিজকে এগৰাকী পৰম সৌভাগ্যশালী অধ্যক্ষৰূপে গণ্য কৰাৰ থল আছে।

৩ঃ২ সুদীৰ্ঘকালৰ শিক্ষকতা আৰু শৈক্ষিক প্ৰশাসনীয় বিষয়াৰূপে কেৱল যে মিঠা অভিজ্ঞতাকে লাভ কৰিছোঁ এনে নহয়। বহুতো তিতা অভিজ্ঞতাও সঞ্চয় কৰিছোঁ। কিন্তু বিখ্যাত ইংৰাজ নাট্যকাৰ (শেক্সপীয়েৰৰ) Twenty Night নাটকৰ বহুবাটোৰে কোৱাৰ দৰে "মোৰ শত্ৰুবোৰৰ বাবে মোৰ খবৰ সদায়ে ভাল।" মোৰ কথা, কামত সততে বিৰোধীতা কৰি অহা মুষ্টিমেয় সতীৰ্থ আৰু সমাজ সেৱক ছাত্ৰনেতা কেইগৰাকীৰ ঈৰ্ষা আৰু বিৰোধীতাই সম্ভৱত মই এগৰাকী সফল অধ্যক্ষ তথা শিক্ষক হোৱাত অধিক অৰিহণা যোগাইছে। দুটামান উদাহৰণেই ইয়াৰ বাবে যথেষ্টঃ (ক) মোৰ পূৰ্বসূৰীজনে অৱসৰ লোৱাত, উপাধ্যক্ষ হিচাপে স্বাভাৱিকতে মোৰ হাতত দায়িত্ব অৰ্পণ কৰে আৰু উচ্চ শিক্ষাধিকৰ্ত্তাই ভাৰপ্ৰাপ্ত অধ্যক্ষৰ অনুমতি দিয়ে। তাৰ পিছত আহিল পূৰ্ণকালীন অধ্যক্ষ নিযুক্তিৰ প্ৰশ্ন। তেতিয়া 'অসমী আইৰে লালিতা পালিতা...নুমলীয়া জী" এগৰাকীৰ নেতৃত্বত দুই এজনে সন্মুখৰপৰা আৰু দুই চাৰিগৰাকীয়ে আঁৰ কাপোৰৰ আঁৰৰ পৰা আমাৰ বিৰুদ্ধে বিপুল জনমত গঠন কৰিবলৈ চেষ্টাৰ অকণো ত্ৰুটি কৰা নাছিল। তদানীন্তন পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত প্ৰণৱ কলিতাই সুন্দৰকৈ পৰিস্থিতি চম্ভালি স্পষ্ট ভাৱাবে তেওঁলোকৰ অনুৰোধ নসাৎ কৰি আমাৰ সপক্ষে স্থিতি গ্ৰহণ কৰিছিল। তলে তলে ঘটা ইমান ঘটনাৰ কোনো উমঘামেই মই পোৱা নাছিলো। মই পূৰ্ণকালীন অধ্যক্ষ নিযুক্তি হোৱাৰ পিছতহে ইয়াৰ ভু-ভা পাইছিলো। সেয়ে সেই বিৰোধী নেতা কৰ্মীসকলৰ ওপৰত মই অধিক দায়িত্ব আৰু কৰ্তৃত্ব অৰ্পণ কৰি তেওঁলোকৰ পৰা সৰ্বোৎকৃষ্ট সেৱা লাভ কৰিবলৈ সক্ষম হৈছোঁ। আচৰিত কথা পূৰ্বৰ কথাবোৰে মোক অলপো আমনি কৰা নাই আৰু তেওঁলোকেও সম্ভৱত সকলো পাহৰি গৈছে। সমূহীয়া স্বাৰ্থত ব্যক্তিগত ভালপোৱা, বেয়াপোৱাৰ পৰা যিমানেই আঁতৰত থাকিব পাৰি, সিমানেই কৃতকাৰ্য্যতাৰ ওচৰ চাপিব পাৰি। এই সুদীৰ্ঘকালৰ অভিজ্ঞতাই মোক এই শিক্ষাকেই দিছে।

(খ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰসংযোগী শিক্ষা (IDOL) ৰ পাঠ্যক্ৰম আমাৰ মহাবিদ্যালয়ত ব্যৰ্থ হোৱাৰ পিছত শ্ৰীনাথ বৰুৱা উপাচাৰ্য্যৰ দিনত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত শিক্ষাকেন্দ্ৰ এটা মুকলি কৰা হৈছিল। ড° জগন্নাথ বৰ্মনক তাৰ দায়িত্ব দিয়া হৈছিল। চুবুৰীয়া কলেজ কেইখনত কেন্দ্ৰবোৰৰ শ শ ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্ত্তি কৰাৰ বিপৰীতে আমাৰ কেন্দ্ৰত সৰ্বোচ্চ ১৪ গৰাকীয়ে নাম ভৰ্ত্তি কৰে। তথাপিও আমি অতি সততাৰে কেন্দ্ৰটোৰ উৎকৰ্ষ সাধনৰ বাবে যত্ন কৰিছিলো। আমাৰ কেন্দ্ৰতাত ছাত্ৰ-ছাত্ৰী কম হোৱাৰ কাৰণ পিছত বিচাৰি পালো। আমাৰ সততা আৰু নিয়মানুৱৰ্ত্তিতাৰ বিপৰীতে চুবুৰীয়া আটাইকেইখন কলেজৰ কেন্দ্ৰত পৰীক্ষাৰ সময়ত 'খুল্লং খুল্লা' নকল কৰাৰ সুবিধা দিয়াৰ বিপৰীতে নিয়মীয়া শ্ৰেণী আদিৰ প্ৰতি সম্পূৰ্ণ অৱহেলা কৰা হৈছিল। এইকথা বিশ্ববিদ্যালয়খনৰ উৰ্দ্ধতন কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ হোৱাত এবাৰ সেইবোৰ মহাবিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰ বাতিল কৰি আমাৰ কেন্দ্ৰত পাতিবলৈ দায়িত্ব দিলে। আমাৰ কেন্দ্ৰত পৰীক্ষা দিবলৈ আহি সেইবোৰ কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলে অবাধে নকল কৰা স্বাধীনতা নাপাই, বিদ্ৰোহ ঘোষণা কৰি সমূহীয়াকৈ পৰীক্ষা বৰ্জনৰ বাবে পৰীক্ষা গৃহ ত্যাগ কৰিবলৈ ল'লে। আমাৰ কেন্দ্ৰ পৰিচালক বৰ্মনে ছাত্ৰ-শিক্ষকৰ এনে অধঃপতিত সম্বন্ধ আৰু চৰিত্ৰ দেখি ক্ষোভত ফাটি পৰিল। মই পলাশবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীৰ সহযোগত নিজে কেন্দ্ৰত উপস্থিত হৈ পৰিস্থিতি চম্ভালি ল'লো। তাৰ পিছত পৰীক্ষাবোৰ সুকলমে আৰম্ভ হ'ল। কিন্তু প্ৰতিদিনেই আমি তীব্ৰ শংকা আৰু বিৰক্তিকৰ সময় এচোৱা পাৰ কৰিব লগা হৈছিল। আমাৰ কেন্দ্ৰলৈ কিয় ছাত্ৰ-ছাত্ৰী নাহে তাৰ কাৰণ এতিয়া নিশ্চয় সকলোৱে বুজি পাব। আমি শিক্ষক হিচাপে ইমান তললৈ যাব নোৱাৰো বাবেই পিছৰ বছৰ চিঠি লিখি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক আমাৰ অপাৰগতা প্ৰকাশ কৰি আমাৰ কেন্দ্ৰটো বন্ধ কৰি দিছিলো।

(গ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক গৰাকীৰ অনুৰোধ মৰ্মে আমাৰ মহাবিদ্যালয়ৰ স্নাতক পৰ্য্যায়ৰ পৰীক্ষাৰ বহী মূল্যায়ন কেন্দ্ৰ এটিৰ কাম কাজ বহু বছৰ ধৰি সুচাৰুৰূপে চলিছিল। পিছৰফালে তেখেতে এই দায়িত্ব দুগৰাকী উপ-নিয়ন্ত্ৰকৰ হাতত দিয়ে। তেতিয়াই আৰম্ভ হ'ল চূড়ান্ত খেলি মেলি। কম সময় দি অধিক বহী পৰীক্ষা কৰিব দিয়াৰ ফলত বহুতো অস্থায়ী শিক্ষকৰ দ্বাৰা জধে মধে বহীবোৰ মূল্যায়ন কৰিব লগা হৈছিল। এইকথা আমি মনে প্ৰাণে মানি ল'ব পৰা নাছিলো। এই ক্ষেত্ৰত কিছু শিক্ষকৰূপী 'বেপাৰী'য়ে বহী মূল্যায়ন কৰাৰ ব্যৱসায়ত অধিক সক্ৰিয় হৈ উঠে। এবাৰ ৫০ নম্বৰৰ প্ৰশ্নকাকতৰ বহীৰ মূল্যায়নৰ বাবেও বিশ্ববিদ্যালয়ৰ নিয়মৰ বিপৰীতে চুবুৰীয়া কলেজৰ 'জ্যেষ্ঠ আৰু অভিজ্ঞ' (?) কেইগৰাকীমান 'অধ্যাপকে' ১০০ নম্বৰৰ পৰীক্ষা বহীৰ দৰে সম্পূৰ্ণ পাৰিশ্ৰমিক দাবী কৰিলেহি। বিশ্ববিদ্যালয়ৰ লিখিত নিয়মৰ বিৰোধী বাবে মই এই বিষয়ে নিৰ্দিষ্ট উপ নিয়ন্ত্ৰকগৰাকীৰ পৰামৰ্শ বিচাৰিলো, তেখেতে সেই কেইগৰাকী অধ্যাপকক তেওঁলোকৰ দাবী পূৰণ কৰিবলৈ মৌখিকভাৱে নিৰ্দ্দেশ দি কয় যে পিছত তেওঁ টকাখিনি মিলাই দিব। মই কিন্তু পিছলৈ একো অসুবিধাৰ সন্মুখীন নহ'বৰ বাবে তেখেতৰ পৰা লিখিত নিৰ্দ্দেশ বিচাৰিলো। তাতে তেখেতে বৰ অপমানবোধ কৰি মোক টানকৈ ক'বলৈ চেষ্টা কৰোতে ময়ো উভতি ধৰিলো। তাৰ পাছত বিৰক্তিতে মই নিয়ন্ত্ৰকক কথাবোৰ জনাই আমাৰ মহাবিদ্যালয়ৰ মূল্যায়ন কেন্দ্ৰ বাতিল কৰিবলৈ অনুৰোধ কৰি চিঠি দিছিলো। তাৰে কেইমাহমান পিছত শিক্ষা বিভাগৰ পৰা জনালে যে শিক্ষাবিভাগে শ্ৰেণীকোঠাৰ বক্তৃতাৰ বাবে সেই গৰাকী উপনিয়ন্ত্ৰকক নিমন্ত্ৰণ কৰিব বিচাৰিছে। মই সন্মতি দিলো। ইয়াতো ব্যক্তিগত ভালপোৱা, বেয়া পোৱাৰ কথাত গুৰুত্ব দিয়া নাছিলো। তেওঁ আহিবৰ দিনা আমাৰ কলেজৰ পৰিবেশ আৰু পৰিচালনা পদ্ধতি দেখি মোক প্ৰশংসাৰে ওপচাই দিলে।

এনে আৰু বহুকথা আছে, যিবোৰৰ আধাৰত দক্ষজনে সুন্দৰ সুন্দৰ গল্প উপন্যাস ৰচিব পাৰে। সেয়ে এই প্ৰসঙ্গ ইয়াতে এৰিলো।

৪ঃ১ একান্ত ব্যক্তিগতঃ মহাবিদ্যালয়খনে মোক এক সুকীয়া সামাজিক পৰিচয় আৰু আৰ্থিক স্থিতি প্ৰদান কৰিছে। এই মহাবিদ্যালয়ৰ ঋণ মই কেতিয়াও সুজিব নোৱাৰিম, মাথোঁ কৃতজ্ঞ হ'ব পাৰিম, শ্ৰদ্ধা যাচিব পাৰিম আৰু ইয়াৰ উন্নতিত আনন্দিত হ'ব পাৰিম। মোৰ অগ্ৰজ, অনুজ আৰু সমনীয়া সকলো সহকৰ্মী, সতীৰ্থ, অভিভাৱক আৰু ছাত্ৰীসকললৈ অজস্ৰ ধন্যবাদ। বিশেষকৈ উপাধ্যক্ষ ড° ৰঞ্জন ভূঞাৰ সহযোগ আৰু একনিষ্ঠতাই মোক সকলো সময়তে মৰমৰ ডোলেৰে বান্ধি ৰাখিব। উদাৰ, মানবীয় মূল্যবোধেৰে চহকী ভূঞাৰ হাতত সাময়িকভাৱে হ'লেও দায়িত্ব ভাৰ দিবলৈ পাই মই যথেষ্ট সুখী অনুভৱ কৰিছোঁ। স্থায়ীকৈ দায়িত্ব ল'বলৈ ড° ভূঞাই অস্বীকাৰ নকৰিলে মহাবিদ্যালয়খনৰ উন্নতিৰ ধাৱমান গতি স্থবিৰ নহ'ব বুলি বিশ্বাস কৰাৰ থল আছে। আৰু এটা কথা নক'লে নহ'ব। এষাৰ প্ৰবচন আছে (Behind success of a man, there is a woman) মোৰ ক্ষেত্ৰত এইষাৰ পূৰ্ণ শতাংশই সত্য। কিয়নো একেখন কলেজতে কাম কৰা বাবে অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী, যাৰ জোৰত অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হৈছিল, তেৱেঁই মোৰো সহধৰ্মিণী বাবে সততে মোক সোঁৱৰাই আছিল যাতে মোৰ কোনো দুৰ্বলতা বা অৱহেলাৰ বাবে কলেজৰ কোনো ক্ষতি নহয়, দুৰ্নাম নহয় আৰু কলেজখনে সকলো দিশত নতুন গতি লাভ কৰে। নিজৰ চাকৰিৰ দায়িত্বৰ অলপো হেৰফেৰ নকৰাকৈও মোক কলেজৰ কামৰ বাবে বিশ্ববিদ্যালয়ৰ গৱেষণা নিৰীক্ষকৰ দায়িত্বৰ বাবে আৰু মোৰ পঢ়াশুনাৰ বাবে সকলো প্ৰকাৰৰ নৈতিক উৎসাহ, সহযোগ আৰু পৰামৰ্শ আগবঢ়াই আহিছে। মহাবিদ্যালয়খনৰ প্ৰগতিৰ ইতিহাসত যদি মোৰ কিবা সামান্যতম হ'লেও অৱদান আছে, তেন্তে তাৰ কৃতিত্ব জাহ্নৱীবো প্ৰাপ্য। মোৰ অৱসৰৰ কথা গম পাই ছাত্ৰী আৰু অভিভাৱকসকলে দলে দলে আহি মোক লগ ধৰিছেহি। প্ৰত্যেকেই মোৰ কাৰ্য্যকালত হোৱা শৈক্ষিক আৰু আৱয়িক উন্নতিৰ বাবে ধন্যবাদ জ্ঞাপন কৰি মোৰ অনুপস্থিতিত কলেজখনৰ ভৱিষ্যত সম্পৰ্কে শংকা প্ৰকাশ কৰি মোৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছেহি। মই পিছে

ছাত্ৰীসকলৰ এটা সাক্ষাৎকাৰত কৈছো যে মহাবিদ্যালয়ত যোগদান দিয়াটো আছিল মোৰ বাবে পূৰ্ব্ব নিৰ্দ্দেশিত ভাগ্যৰ লিখন। আহিছো যেতিয়া এদিন যাবই লাগিব। তাৰবাবে মোৰ মানসিক প্ৰস্তুতি দীৰ্ঘদিনীয়া। সেয়ে মই দুখ কৰা নাই বা আন কোনো নেতিবাচক চিন্তাৰে আক্ৰান্ত হোৱা নাই। বৰং এক গভীৰ আশাবাদেৰে নতুন যাত্ৰা আৰম্ভ কৰিবলৈ প্ৰস্তুত হৈছো। গীতিকাৰৰ ভাষাত "মোৰ শুকুলা ঘোঁৰা, নাম যাৰ আশা, তাৰ পিঠিত উঠিয়েই যাত্ৰা মোৰ"। অৱসৰৰ পিছদিনাৰ পৰাই মই ১৯১২ চনতে গুৱাহাটীত প্ৰতিষ্ঠিত উত্তৰ পূৱ ভাৰতৰ প্ৰথমটো গৱেষণামূলক প্ৰতিষ্ঠান কামৰূপ অনুসন্ধান সমিতি (KAS) যাক ইংৰাজীত Assam Research Society নামেৰে জনা যায় তাৰ সম্পাদকৰূপে নিজকে অধিক নিয়োজিত কৰাৰ সুবিধা পাম। ইয়াৰ বাবেও মই মন বান্ধি লৈছো। আশাকৰো সমগ্ৰ দক্ষিণ কামৰূপৰ জনগণে অতদিনে আমাৰ শিৰত যি অকুণ্ঠ শুভাশিস বৰষিলে, তাৰ বলতেই মোৰ নতুন দায়িত্বও সুকলমে পালন কৰি সময়ৰ ধূলি মাকতিৰে নিষ্প্ৰভ হৈ পৰা এই প্ৰাচীনতম গৱেষণা মন্দিৰটো নকৈ সজাই পৰাই তুলিব পাৰিম। মই ভাবিবলৈ লৈছোঁ Life begins at sixty, নতুন কৰ্মজীৱনত পৰম মঙ্গলময়ে নিশ্চয়কৈ মোক পথ প্ৰদৰ্শন কৰিব—এই আশাৰেই মোৰ সুদীৰ্ঘকালৰ কৰ্মস্থলীৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ। কাৰ্য্যকালচোৱাত দায়িত্বৰ খাতিৰত যদি কেতিয়াবা আসনে-বসনে, বাক্যে বচনে কাৰোবাক কিবা প্ৰকাৰে আঘাত দিছো, তাৰবাবে সানুনয়ে ক্ষমা বিচাৰিছোঁ।

"জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়"।

পুনশ্চঃ ১৯৯৬ চনত আমাৰ মহাবিদ্যালয়খনে ঘাটি মঞ্জুৰি প্ৰাপ্ত কলেজৰ মৰ্যাদা পায় ক্ৰমে ক্ৰমে আগবাঢ়ি ২০০৫ চনৰ পৰা প্ৰাদেশিকীকৰণ হৈছে। কিন্তু স্থাপনাকাল ১৯৮৮ চনৰপৰাই সেই সময়ৰ সকলো নীতি নিয়মৰ মাজেদি পৰিচালনা সমিতিয়ে নিয়োগ কৰা এচাম শিক্ষক, কৰ্মচাৰীৰ চাকৰি আজিও প্ৰাদেশিকীকৰণ হোৱা নাই বাবে পৰিচালনা সমিতিয়ে দিয়া সামান্য পাৰিতোষিক লৈয়েই তেওঁলোকে সেৱা আগবঢ়াই আহিছে। বিশেষকৈ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ ৮ গৰাকী তেনে সহকৰ্মীয়ে অৱসৰৰ দিনা যাতে সুদাহাতে যাব নালাগে, তাৰ বাবে আমি এক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছো। এই মৰ্মে আমি নিয়মীয়া দৰমহা পোৱা শিক্ষকসকলে মুক্ত হস্তে দান দি এই আঠগৰাকীৰ প্ৰত্যেকৰে বাবে একোটা জীৱন বীমা পলিচি খুলি দিছো। তেওঁলোকৰ বছৰেকীয়া প্ৰিমিয়ামৰ ধনো কলেজৰ পৰাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰোপৰি প্ৰতিগৰাকীৰ বাবে পাঁচ হেজাৰ টকাৰ স্থায়ী সঞ্চয় কৰি দিয়া হৈছে। এনে ব্যৱস্থা আন কলেজৰ অধ্যক্ষ-অধ্যাপকসকলে কৰি দিয়াৰ তথ্য অদ্য পৰিমিত আমি লাভ কৰা নাই। চৰকাৰক এই হেগতে অনুৰোধ জনাওঁ যাতে এনেদৰে বিনা বেতনে কলেজখনলৈ সেৱা আগবঢ়োৱা কৰ্মচাৰী আৰু শিক্ষকসকলৰ প্ৰতি বিশেষ ব্যৱস্থাৰে হ'লেও আৰ্থিক নিৰাপত্তা আগবঢ়ায়।

ইতি-

বিনীত-

(ড° গজেন্দ্ৰ অধিকাৰী)

# ঃ সূচীপত্ৰ ঃ

## প্ৰবন্ধ শিতান ঃ


- পুৰণি কামৰূপৰ ৰজা নৰকাসুৰ আৰু ভগদত্ত ❑ টিমিকা ৰাভা- ১
- ইতিহাস ❑ চন্দামিতা শৰ্মা - ২
- হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসত নব্য ঔপনিবেশিকতাবাদ ❑ ড° জাহ্নৱী দেৱী - ৩
- Female Voices in the Fictions of R. K. Narayn ❑ Dr. Ranjan Bhuyan - ৯
- ভাৰতবৰ্ষৰ নিবনুৱা সমস্যাৰ ক্ষেত্ৰত কভিড-১৯ৰ প্ৰভাৱ ❑ ড° নিবেদিতা দেৱী - ১২
- জৈৱ-বৈচিত্ৰতা আৰু ইয়াৰ সংৰক্ষণ ❑ ড° মনশ্ৰী দাস - ১৪
- দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় ঃ অনুভৱৰ বাটেৰে কিছু কথা কৈ কিছু কথা থৈ ❑ অংগনা ঠাকুৰীয়া - ১৮
- অভিভাৱক সন্থাৰ সভাপতিৰ অনুভৱ ❑ হৰেশ্বৰ কলিতা - ২০
- আমাৰ মহাবিদ্যালয়ৰ এক সুকীয়া অনুভৱ ❑ জুৰি মহন্ত - ২১
- মোৰ দৃষ্টিত আত্মনিৰ্ভৰশীল ভাৰত ❑ টিনা তালুকদাৰ - ২২
- মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত গজেন্দ্ৰ অধিকাৰী ছাৰৰ সৈতে সাক্ষাৎকাৰ ❑ শিখাৰাণী ঠাকুৰীয়া, জিন্তি তালুকদাৰ - ২৪
- WOMEN EMPOWERMENT ❑ Nitumoni Das - ২৭
- মূল্যবৃদ্ধিৰ গ্ৰাসত আমিবোৰ ❑ প্ৰাণজিৎ শৰ্মা - ২৮
- CRYPTO CURRENCY ❑ Indrani Devi - ২৯
- উৰিষ্যা ভ্ৰমণৰ অভিজ্ঞতা ❑ মণিকংকনা দাস - ৩১
- শ্ৰীজগন্নাথ মহাপ্ৰভুৰ নৱকলেৱৰ অনুষ্ঠান ❑ জিনু দাস - ৩৩
- নাটক কৰিবলৈ মোৰ দিল্লী যাত্ৰা ❑ শিখাৰাণী ঠাকুৰীয়া - ৩৫
- নিৰল শৰ্মাৰ সৌৰৱণত ❑ স্মৃতি কলিতা - ৩৬
- Lal Bahadur Shastri : The Man of ...... ❑ Dr. Haren Ch. Kalita - ৩৭
- 'Vivekananda's Philosophy of Religion ❑ Mitali Goswami - ৩৯
- হোষ্টেলৰ এটি ভাল লগা অনুভৱ ❑ কবিতা দেৱী - ৪০


## কবিতা শিতান ঃ


- লকডাউন ❑ ড° জগন্নাথ বৰ্মন - ৪১
- যুগৰ আউল ❑ নমিতা শীল - ৪১
- হে ক'ৰোনা তুমি বিদায় লোৱা ❑ লভিতা দাস - ৪২
- হেঁপাহ ❑ প্ৰিয়ংকা দাস - ৪২
- ফাগুন ❑ দীপামণি দাস - ৪৩
- সপোনৰ ছবি ❑ দিম্পী চুলতানা - ৪৩
- পৰিণীতা ❑ মিছ্ মিনুৱাৰা বেগম - ৪৩
- ধৰ্ষণ ❑ কংকনা দাস - ৪৪
- মাঁ ❑ অৰ্চনা দাস - ৪৪

- এইয়া মোৰ অভিমান ❑ শিখাৰাণী ঠাকুৰীয়া - ৪৫
- দেউতা ❑ মণিকংকণা দাস - ৪৫
- ফাগুনৰ ভুৱক ❑ মধুস্মিতা ৰাভা - ৪৬
- মদ ❑ কনজীতা ৰাভা - ৪৬
- সময় ❑ নৱনীতা দাস - ৪৭
- জোনাকী ৰাতি ❑ ভনীতা শৰ্মা - ৪৭
- মৰম ❑ সীমা দাস - ৪৭
- শৈশৱৰ কথাবোৰ ❑ কৱৰী কলিতা - ৪৮
- ক'ৰোনা মহামাৰী ❑ দিম্পী চুলতানা - ৪৮
- অভি-নীল ❑ পূৰ্ণিমা পাঠক শৰ্মা - ৪৮
- সময়ৰ সোঁত ❑ লিনা দাস - ৪৯
- আমাৰ বিদ্যা মন্দিৰ ❑ মন্দিৰা দলৈ - ৪৯
- যান্ত্ৰিকতাৰ কবলত এই গাঁও ❑ হৰ্ষিতা গোস্বামী - ৫০
- নিঃসংগতা ❑ হিয়ামণি নাথ - ৪৯


## গল্প শিতান ঃ


- আঁউসীৰ এন্ধাৰ ৰাতি ❑ গায়ত্ৰী কলিতা - ৫১
- মৰ্মান্তিক বেদনা ❑ নিবেদিতা ৰাজবংশী - ৫৩
- সময়ৰ সোঁতত ❑ অঞ্জনা কলিতা - ৫৪
- সময় ❑ যমুনা মালী - ৫৬
- অক্ষম জীৱন এটাৰ উত্তৰাধিকাৰীকলৈ সপোন ❑ ধৰিত্ৰী কলিতা - ৫৭
- তেজ ❑ কুশল কলিতা - ৫৮


## শ্ৰীপঞ্চমী শিতান ঃ


- ডেকাৰ্টৰ দৰ্শন পদ্ধতি ❑ অলকা দাস - ৬৩
- পূজাৰ এক অনুভৱ ঃ বৰ্তমান আৰু অতীত ❑ লীলাৱতী চৌধুৰী - ৬৩
- দেৱী মা আহি আছে ❑ যমুনা মালী - ৬৪
- নৱকান্ত বৰুৱাৰ লঘু ৰচনাৰ পুথি ৰমণীয় ঃ এক পৰিচয় ❑ ড° জাহ্নৱী দেৱী - ৬৪
- নমামি সৰস্বত্যৈ ❑ ড° নিবেদিতা দেৱী - ৬৫
- স্মৃতিৰ সঁফুৰা খুলি ❑ কমলেশ্বৰ বৰা - ৬৫
- গতি ❑ মিনাক্ষী বৈৰাগী - ৬৬
- 'গামোচা'- মোৰ অনুভৱ ❑ ইন্দ্ৰাণী দেৱী - ৬৬
- যোগ শিক্ষাৰ প্ৰয়োজনীয়তা ❑ প্ৰাণজিৎ শৰ্মা - ৬৭
- চাকি বন্তি ❑ মিতালী গোস্বামী - ৬৭
- ডাঙৰপিতা আৰু এটা সঁচা জমনি ❑ কুশল কলিতা - ৬৮

মহাবিদ্যালয়ৰ ভিতৰচ'ৰা— ৬৯-১০৮


# প্ৰবন্ধ শিতান

- ঐতিহ্য
- সাহিত্য
- পৰিৱেশ
- অনুভৱ
- সজাগতা
- ভ্ৰমণ
- বিশেষ লিখনি
- জীৱনী

- এইয়া মোৰ অভিমান ❑ শিখাৰাণী ঠাকুৰীয়া - ৪৫
- দেউতা ❑ মণিকংকণা দাস - ৪৫
- ফাগুনৰ স্তৱক ❑ মধুস্মিতা ৰাভা - ৪৬
- মদ ❑ বনজীতা ৰাভা - ৪৬
- সময় ❑ নৱনীতা দাস - ৪৭
- জোনাকী ৰাতি ❑ ভনীতা শৰ্মা - ৪৭
- মৰম ❑ সীমা দাস - ৪৭
- শৈশৱৰ কথাবোৰ ❑ কৰবী কলিতা - ৪৮
- ক'ৰোনা মহামাৰী ❑ দিম্পী চুলতানা - ৪৮
- অভি-নীল ❑ পূৰ্ণিমা পাঠক শমা - ৪৮
- সময়ৰ সোঁত ❑ লিনা দাস - ৪৯
- আমাৰ বিদ্যা মন্দিৰ ❑ মন্দিৰা দলৈ - ৪৯
- যান্ত্ৰিকতাৰ কবলত এই গাঁও ❑ হৰ্ষিতা গোস্বামী - ৫০
- নিঃসংগতা ❑ হিয়ামণি নাথ - ৪৯


গল্প শিতান ঃ


- আঁউসীৰ এন্ধাৰ ৰাতি ❑ গায়ত্ৰী কলিতা - ৫১
- মৰ্মান্তিক বেদনা ❑ নিবেদিতা ৰাজবংশী - ৫৩
- সময়ৰ সোঁতত ❑ অঞ্জনা কলিতা - ৫৪
- সময় ❑ যমুনা মালী - ৫৬
- অক্ষম জীৱন এটাৰ উত্তৰাধিকাৰীকলৈ সপোন ❑ ধৰিত্ৰী কলিত
- তেজ ❑ কুশল কলিতা - ৫৮


শ্ৰীপঞ্চমী শিতান ঃ


- ডেকাৰ্টৰ দৰ্শন পদ্ধতি ❑ অলকা দাস - ৬৩
- পূজাৰ এক অনুভৱ ঃ বৰ্তমান আৰু অতীত ❑ লীলাবতী চৌধুৰী
- দেৱী মা আহি আছে ❑ যমুনা মালী - ৬৪
- নৱকান্ত বৰুৱাৰ লঘু ৰচনাৰ পুথি ৰমণীয় ঃ এক পৰিচয় ❑ ড°
- নমামি সৰস্বত্যৈ ❑ ড° নিবেদিতা দেৱী - ৬৫
- স্মৃতিৰ সঁফুৰা খুলি ❑ কমলেশ্বৰ ৰবা - ৬৫
- গতি ❑ মিনাক্ষী বৈৰাগী - ৬৬
- 'গামোচা'- মোৰ অনুভৱ ❑ ইন্দ্ৰানী দেৱী - ৬৬
- যোগ শিক্ষাৰ প্ৰয়োজনীয়তা ❑ প্ৰাণজিৎ শৰ্মা - ৬৭
- চাকি বন্তি ❑ মিতালী গোস্বামী - ৬৭
- ডাওৰপিতা আৰু এটা সঁচা জননি ❑ কুশল কলিতা - ৬৮

মহাবিদ্যালয়ৰ ভিতৰচ'ৰা— ৬৯-১০৮


# পুৰণি কামৰূপৰ ৰজা নৰকাসুৰ আৰু ভগদত্ত


❑ চিমিকা ৰাভা

*উঃ মাঃ, প্ৰথম বৰ্ষ*


অতি পুৰণি কালত অসম দেশৰ নাম আছিল প্ৰাগজ্যোতিষপুৰ বা কামৰূপ। সেই সময়ত দেশৰ ৰাজধানী আছিল। আজিকালিৰ গুৱাহাটীখনেই আছিল পূৰ্বৰ পুৰণি প্ৰাগজ্যোতিষপুৰ।

যোগিনী তন্ত্ৰ মতে পুৰণি কামৰূপ ৰাজ্যখন চাৰিভাগত বিভক্ত আছিল। ভাগকেইটা হ'ল— ৰত্নপীঠ (পূৰ্ববঙ্গৰ কৰতোৱা নদীৰ পৰা সোণকোষ নদীলৈ), কামপীঠ (সোণকোষ নদীৰ পৰা ৰূপহী নদীলৈ), স্বৰ্ণপীঠ (ৰূপহী নদীৰ পৰা ভৰালী নদীৰ সীমালৈ) আৰু সৌমাৰপীঠ (ভৰালী নদীৰ পৰা দিক্‌ৰাই নদীলৈ)। এই ভাগকেইটাৰে পুৰণি কামৰূপ গঠিত আছিল।

আমাৰ ৰাজ্যখনৰ নাম কামৰূপ হোৱাৰ অন্তৰালতো কিছুমান আখ্যান মুখে মুখে বহু বছৰ ধৰি চলি আহিছে। তেনে এক আখ্যান মতে এবাৰ হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ ইষ্ট দেৱতা শিৱ ঘোৰ তপস্যাত নিমগ্ন আছিল। তেতিয়া প্ৰেমৰ দেৱতা কামদেৱে নাৰীৰ বেশেৰে আহি মহাদেৱৰ তপস্যা ভঙ্গ কৰিছিল। তাতে মহাদেৱ ক্ৰোধান্বিত হৈ কামদেৱক পুৰি ভস্ম কৰি পেলাইছিল। কিন্তু কামদেৱৰ পত্নী ৰতিদেৱীৰ অনুনয়-বিনয়ত সন্তুষ্ট হৈ মহাদেৱে কামদেৱক পুনৰ পূৰ্বৰ ৰূপ ঘূৰাই দিছিল। এই ঠাইতে কামদেৱে নিজ ৰূপ পুনৰ লাভ কৰিছিল বাবে এই ৰাজ্যখনৰ নাম কামৰূপ হ'ল।

আনুমানিক ১১০০ খ্ৰীঃত এই পুৰণি কামৰূপ বা প্ৰাগজ্যোতিষপুৰতেই মহাপৰাক্ৰমী নৰকাসুৰ নামৰ ৰজা এজনে ৰাজত্ব কৰিছিল। নৰকাসুৰে মিথিলাৰ ৰজা এজনৰ ঘৰতে ডাঙৰ-দীঘল হয়। মাতৃ বসুমতীৰ অনুৰোধ মতে পিতৃ বিষ্ণুৱে তেওঁক কামৰূপ ৰাজ্যৰ অধিপতি পাতে আৰু অজেয় শক্তি লাভৰ বাবে বৰ প্ৰদান কৰে। নৰকাসুৰে কামৰূপত সোমাইয়ে কিৰাট নামৰ ৰজা এজনৰ লগত যুদ্ধত অৱতীৰ্ণ হয়। নৰকাসুৰে যুদ্ধত তেওঁক বধ কৰি কামৰূপ অধিকাৰ কৰে। বিষ্ণুৰ পৰা বৰ পায় অজেয় শক্তিশালী হোৱাত নৰকাসুৰ ক্ৰমে অত্যাচাৰী হ'বলৈ ধৰে। নৰকাসুৰে ইমানেই অত্যাচাৰী হ'বলৈ ধৰিলে যে তেওঁ স্বৰ্গৰ দেৱতাসকলৰ লগতো যুদ্ধত অৱতীৰ্ণ হয়। যুদ্ধত দেৱতাসকলক পৰাস্ত কৰি তেওঁ মণি পৰ্বতৰ গুহাত বন্দী কৰি থয়। নৰকাসুৰে দেৱতাসকলৰ মাতৃ অদিতিৰ কাণৰ কুণ্ডল যোৰ আৰু বৰুণৰ দুক্ৰটি বলেৰে কাঢ়ি লৈ আহে।

নৰকাসুৰ অত্যাচাৰী হ'লেও তেওঁ গুৱাহাটীৰ ওচৰৰ নীলাচল পাহাৰত থকা কামাখ্যা দেৱীৰ মন্দিৰ সজায়। প্ৰবাদ আছে যে, তেওঁ হেনো এনিশাৰ ভিতৰতে কামাখ্যা মন্দিৰলৈ উঠা শিলৰ খটখটি আৰু উঠা বাট নিৰ্মাণ কৰিছিল। লাহে লাহে নৰকাসুৰ অত্যন্ত অত্যাচাৰী হৈ উঠিল। তেওঁ ইষ্ট কামাখ্যা দেৱীক লাহে লাহে পূজালৈও অৱহেলা কৰা হ'ল। তেওঁৰ দিনত সন্ধ্যাচল পাহাৰত আশ্ৰম পাতি বশিষ্ঠ মুনিয়ে তপস্যা কৰিছিল। পিছত বশিষ্ঠ মুনিও নৰকাসুৰৰ দ্বাৰা অপমানিত হ'ব লগা হ'ল। অৱশেষত নৰকাসুৰৰ অত্যাচাৰৰ কথা ইন্দ্ৰ আৰু নাৰদে গৈ বিষ্ণুৰ আগত ব্যক্ত কৰিলে। অৰ্থাৎ নৰকাসুৰৰ বিনাশৰ কাৰণে শ্ৰীকৃষ্ণক প্ৰাৰ্থনা কৰে।

নৰকাসুৰৰ অত্যাচাৰৰ কথা শ্ৰীকৃষ্ণই শুনি তেওঁক বধ কৰিবৰ কাৰণে গৰুড় বাহনত উঠি দ্বাৰকাৰ পৰা কামৰূপলৈ আহে। উত্তৰ গুৱাহাটীৰ ওচৰত অশ্বক্লান্ত নামে ঠাইত শ্ৰীকৃষ্ণ আৰু নৰকাসুৰৰ ভীষণ যুদ্ধ লাগে। বৰ্তমান অশ্বক্লান্ত এখন অসমৰ ডাঙৰ তীৰ্থস্থান। এই যুদ্ধত শ্ৰীকৃষ্ণই সুদৰ্শন চক্ৰৰে নৰকাসুৰক বধ কৰে। তাৰ পিছত শ্ৰীকৃষ্ণই নৰকাসুৰৰ পুতেক ভগদত্তক কামৰূপৰ ৰজা পাতি দ্বাৰকালৈ উভতি যায়।

অশ্বক্লান্ত তীৰ্থত ঘোঁৰাৰ খোজৰ দৰে আজিও শিলত অসংখ্য চিন দেখা যায়। প্ৰবাদ মতে মানুহে এইবোৰ শ্ৰীকৃষ্ণৰ ৰথৰ ঘোঁৰাৰ চিন বুলি কয়। নৰকাসুৰৰ নামেৰে এটি ডাঙৰ গড় গুৱাহাটীৰ ওচৰত এতিয়াও আছে।

শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰি ভগদত্তক প্ৰাগজ্যোতিষপুৰৰ পিতৃ সিংহাসনত বহুৱাই আৰু আত্মৰক্ষাৰ বাবে বৈষ্ণৱ অস্ত্ৰ প্ৰদান কৰে। দেৱতা ইন্দ্ৰৰ লগত এওঁৰ বন্ধুত্ব আছিল। ভগদত্ত প্ৰতাপী ৰজা আৰু সুবিখ্যাত বীৰ আছিল। এওঁৰ ৰাজত্ব কালত আমাৰ ৰাজ্যৰ

সীমা বহল হয়। পশ্চিমে কৰতোৱা নৈলৈকে, উত্তৰে তিৰ্ব্বতলৈ, পূবে চীনৰ কিছু অংশলৈ আৰু দক্ষিণে সাগৰলৈ বিয়পি আছিল। ভগদত্তৰ জীয়েক ভানুমতীক কৌৰৱৰাজ দুৰ্যোধনলৈ বিয়া দিয়ে। দুৰ্যোধনে তেওঁক পাটৰাণী পাতে। বিখ্যাত কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত ভগদত্তই বহতো চীনা, কিৰাট সৈন্য আৰু অনেক হাতী লৈ জোঁৱায়েকৰ ফলীয়া হৈ ৰণত যোগ দিয়ে। তেওঁ প্ৰকাণ্ড হাতী এটাত উঠি অৰ্জুনৰ লগত যুদ্ধ কৰিছিল। ভগদত্তই কৌৰৱ পক্ষত যোগ দি অসীম বিক্ৰমে ভীমসেনক পৰাজিত কৰিছিল। মহাৰথী অৰ্জুনেৰে সৈতে দ্বৈৰথ যুদ্ধ লগাত ভগদত্তই পৈতৃক অব্যৰ্থ বৈষ্ণৱ অস্ত্ৰপাট অৰ্জুনৰ বধৰ বাবে নিক্ষেপ কৰে। শ্ৰীকৃষ্ণই বৈষ্ণৱ অস্ত্ৰপাট গা পাতি লোৱাতহে অৰ্জুন কোনোমতে ৰক্ষা পৰে। অৱশেষত শ্ৰীকৃষ্ণৰ কুটিল ছলনাত অৰ্জুনে ভগদত্তক বধ কৰে। ■

*(কিতাপৰ সহায় লৈ)*

# ইতিহাস


□ চন্দামিতা শৰ্মা

*স্নাতক, প্ৰথম ষাণ্মাসিক*




'**ইতিহাস**' যাক মানুহে হেমাহিৰ দৃষ্টিৰে চাই। যিটো বৰ্তমান মানুহৰ বাবে অতিকৈ আমনিদায়ক অথবা অবহেলিত বিষয় হৈ পৰিছে। ইয়াৰে প্ৰায় ১০০% ৰ ভিতৰত ৪০% লোকেহে এই বিষয়টোৰ ওপৰত গুৰুত্ব দিয়ে। কিয়নো ইয়াত অন্যান্য জাকজমকতা বা কোনো ৰসাল কাহিনী সন্নিবিষ্ট কৰা নাথাকে। ই আধুনিকতাৰ পৰা সম্পূৰ্ণ পৃথক।

কিন্তু মোৰ বোধেৰে ইতিহাসৰ প্ৰতি মানুহৰ এই ধৰণৰ ধাৰণা হোৱাতো অনুচিত। প্ৰকৃততে ইতিহাসে লিপি, মুদ্ৰা, সমল বিভিন্ন মূৰ্তি, স্থাপত্য-ভাস্কৰ্য্য, চিত্ৰকলাকে আদি কৰি পুৰণিকলীয়া সকলো ধৰণৰ ঘটনাকে সাঙুৰি লয়। ইতিহাসবিদ "টুৰ্গো"ৰ মতে ইতিহাস হ'ল "পুনৰুদ্ধাৰৰ অবক্ষয়ৰ বৈ অহা মানৱ জাতিৰ অনন্ত প্ৰবাহ"....।

কিছুমানে আকৌ "ইতিহাস" আৰু "বুৰঞ্জী"ৰ অৰ্থ একেটাই বুলি ক'ব খোজে। কিন্তু এই ধাৰণা সম্পূৰ্ণ ভুল। 'বুৰঞ্জী'ত কেৱল ৰজা-মহাৰজাৰ কথাহে উল্লেখ থাকে। যিটো ইতিহাসৰ লগত সম্পূৰ্ণ পৃথক। সৰল অৰ্থত ইতিহাসক বহুতো মিছাৰ মাজত সত্য অন্বেষণ কৰিব পৰা এবিধ কলা বুলিও ক'ব পাৰি। সকলোৰে এটা অতীত আছে আৰু এই অতীতৰ অধ্যয়নেই হৈছে ইতিহাস। মহাকাশ অভিযান চলাওঁতে, বিজ্ঞানৰ পৰীক্ষাগাৰত কোনো এটা পৰীক্ষা কৰোঁতে ইত্যাদি সকলো ক্ষেত্ৰতে অতীতত আহৰণ কৰা জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিহে কাম কৰা হয়। এইক্ষেত্ৰত এই অতীতৰ অধ্যয়নেই হৈছে ইতিহাস। অৰ্থাৎ ইতিহাসৰ জ্ঞান অবিহনে কোনো কাম কৰাটো সম্ভৱ নহয়। এনে লোক আছে যিয়ে ইতিহাসৰ প্ৰকৃত মূল্য বুজি নাপায়। এতিয়াও বহু ইতিহাস কেৱল এক পাঠ্যপুথিত সন্নিবিষ্ট থকা বিষয় নহয়। ইয়াৰ ওপৰতেই নিৰ্ভৰ কৰি বৰ্তমানৰ সমাজখন পৰিচালিত হৈ আছে। ইতিহাস অবিহনে মানৱ জীৱন অচল। উদাহৰণস্বৰূপে হৰপ্পা-মহেঞ্জোদাৰোৱেই দেখুৱাই দিছিল যে নলা-নৰ্দমা নিৰ্মাণ নকৰিলে কেনে ধৰণৰ সমস্যাৰ সন্মুখিন হোৱা যায়। হৰপ্পা-মহেঞ্জোদাৰোৰ বাহিৰেও সেই সময়ৰ গুহাবোৰৰ বিভিন্ন ছবি অংকন কৰি তাত নানা উপাংশৰে প্ৰাকৃতিক ৰঙো দিয়া হৈছিল, লগতে বিভিন্ন ধৰণৰ অট্টালিকা, মন্দিৰ, গাঁও পাতি বসবাস কৰা ইত্যাদিৰ আৰম্ভণি কিন্তু তেতিয়াই হৈছিল। যিহক অনুসৰণ কৰি বৰ্তমানৰ মানৱ সমাজ চলি আছে।

গতিকে ইতিহাস অবিহনে যে মানৱ জীৱন অচল এই কথা সকলোৱে বিশ্বাস কৰাতো উচিত। ইয়াক ভৱিষ্যতেও জীয়াই ৰখাৰ বাবে সমাজৰ জ্যেষ্ঠসকলে ইতিহাসৰ প্ৰয়োজনীয়তা সম্পৰ্কে উপলব্ধি কৰি আনক অৰ্থাৎ বৰ্তমানৰ নৱপ্ৰজন্মৰ মাজত ইতিহাস সম্পৰ্কে জ্ঞান দিয়াটো অতিকৈ গুৰুত্বপূৰ্ণ। ■



# হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসত নব্য ঔপনিবেশিকতাবাদ




□ ড° জাহ্নৱী দেৱী

*অসমীয়া বিভাগ*


(সদ্যপ্ৰয়াত হোমেন বৰগোহাঞিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে। — লেখিকা)



**ন**ব্য ঔপনিবেশিকতাবাদ হৈছে সাম্ৰাজ্যবাদৰে অন্য এটি ৰূপ। কোনো এখন দেশে ঔপনিবেশিক শক্তিৰ শোষণৰপৰা মুক্তি পাই স্বাধীনতা লাভ কৰিলেও এচাম দেশীয় শোষকে দেশৰ আৰ্থ-সামাজিক, ৰাজনৈতিক ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিয়েই থাকে, আৰু দেশৰ সাধাৰণ জনগণৰ বাবে পূৰ্বৰ পৰাধীন দেশৰ অৱস্থা-ব্যৱস্থাই প্ৰচলিত হৈ থাকে।

Altbach নামৰ সমালোচক এগৰাকীয়ে সেয়ে মন্তব্য কৰিছিল যে নব্য ঔপনিবেশিকতাবাদ হৈছে 'Continuation of the old practices.' [১] বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ৰচিত 'ৰাজপথে ৰিঙিয়ায়' (১৯৫৫) উপন্যাসৰ মূলমন্ত্ৰ 'য়ে আজাদী ঝুঠী হেই, দেশ কী জনতা ভুখী হ্যায়', 'আপোচৰ স্বৰাজ আমাক নেলাগে, লাগে আচল স্বৰাজ' আদি মন্ত্ৰধ্বনি (Slogan) সৃষ্টিৰ মূলতেই আছিল এনে নব্য ঔপনিবেশিকতাবাদী শোষণৰ বিৰুদ্ধে বিদ্ৰোহৰ প্ৰকাশ।

হোমেন বৰগোহাঞি ৰচিত 'পিতাপুত্ৰ' এখন বাস্তৱবাদী উপন্যাস; য'ত নব্য ঔপনিবেশিকতাবাদী চিন্তা-চেতনাৰো পৰিস্ফুৰণ ঘটা দেখা যায়। সূক্ষ্ম অনুভূতিশীল লেখকৰ তীক্ষ্ণ পৰ্য্যবেক্ষণত ধৰা পৰা শৈশৱ কৈশোৰৰ অভিজ্ঞতাৰ চিত্ৰণেৰে উপন্যাসৰ কাহিনী উপাদেয় হৈ উঠিছে। ইয়াত চিত্ৰিত হৈছে বিংশ শতিকাৰ মাজভাগৰ ঢকুৱাখানাৰ চাৰিকড়িয়া নৈৰ পাৰৰ ম'হঘুলি নামৰ পিছপৰা গাঁওখনৰ সামাজিক অৱস্থা-ব্যৱস্থাৰ যথাযথ বিৱৰণ। উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ শিৱনাথ ফুকনৰ পশ্চাদভূমিত অৱস্থান গ্ৰহণ কৰি উপন্যাসৰ কথকে কাহিনী আগবঢ়াই নিছে। গাঁওখনৰ খেতিৰ উপযোগী প্ৰায় সকলোখিনি মাটিৰ মালিক শিৱনাথ ফুকন এজন চিন্তাশীল ব্যক্তি। গাঁৱৰ স্কুলৰ পৰা 'ছাত্ৰবৃত্তি পাছ' কৰা শিৱনাথে উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা মাটি-সম্পত্তি চলাই সম্ভ্ৰান্ত জীৱন-যাপন কৰি আহিছিল। কিন্তু স্বাধীনতাৰ প্ৰাক্‌ক্ষণ আৰু অব্যৱহিত কালৰ পৰিবৰ্তনমুখী সামাজিক গাঁথনিয়ে পূৰ্বৰ সমাজবাদী ধ্যান-ধাৰণা আৰু সামাজিক কাঠামো ভাঙি পেলাবলৈ উদ্যত হোৱাত শিৱনাথ আৰু তেওঁৰ পৰিয়ালৰ স্বচ্ছল নিস্তৰঙ্গ জীৱনত যেন ধুমুহাৰ সৃষ্টি হ'ল। ১৯৪৭ চনৰ ১৪ আগষ্টৰ দিনটো ভাৰতবৰ্ষৰ বাবে এক বিশেষ গুৰুত্বপূৰ্ণ দিন আছিল। নিশা ১২ বজাৰ লগে লগে দেশে স্বাধীনতা লাভ কৰিব। এনে সময়তো অন্তৰ্মুখী স্বভাৱৰ চিন্তাশীল ব্যক্তি শিৱনাথে বাৰে বাৰে নিজক প্ৰশ্ন কৰিছে—

> *"...... সঁচাকৈয়ে কি মই কোনো ধৰণৰ আবেগ অনুভৱ কৰা নাই?....*
> *(পৃঃ ২৯৫, চাৰিটা দশকৰ ফচল ঃ উপন্যাস সমগ্ৰ)*

....

*..... দুই শতাব্দীৰ শৃঙ্খল দলিয়াই পেলাই কাইলৈ দেশ স্বাধীন হ'ব। এনে এটা মুহূৰ্ত্তত মই যিকোনো ধৰণৰ আবেগ অনুভৱ কৰা নাই? .... এনেকুৱা কোনো চিন্তাশীল মানুহ আছে- যিজনে এনে এটা ঐতিহাসিক আৰু যুগান্তকাৰী মুহূৰ্ত্তত কিবা নহয় কিবা এক ধৰণৰ আবেগ অনুভৱ নকৰাকৈ থাকিব পাৰে?.....*

*(পৃঃ ৩০১)*

উপন্যাসৰ আৰম্ভণিতে এনে প্ৰশ্নৰ অৱতাৰণাতেই লুকাই আছে স্বাধীনতা লাভৰ পিছত দেশৰ জনগণৰ আকাংক্ষিত 'ৰামৰাজ্য' স্থাপনৰ আশাভঙ্গৰ ইংগিত। উপন্যাসখনৰ কাহিনীৰ স্তৰে স্তৰে উন্মোচিত হৈছে পৰমুখাপেক্ষী, দৰিদ্ৰ, ভূমিহীন খেতিয়কৰ সৰু সৰু আশা, কল্পনা, শোষণ-বঞ্চনাৰ খবৰ। কৈৱৰ্ত্য গাঁৱৰ কতীয়াই দেৱীৰামৰ মাটিত আধিয়াকৈ খেতি কৰিবলৈ কৰা বন্দবস্তৰ কথা শিৱনাথৰ আগত কৈছে—

*'বন্দবস্ত আৰু কি দেউতা, পকা ধান দুৱিঘা দিম বুলি মুখেৰে কৈছে। এতিয়া কামত কি কৰে ক'ব নোৱাৰো। তেওঁৰ নিজৰেনো মাটি কিমান। খেতি কৰো বুলিলে এহাল গৰুৰ কাম। পিছে তেওঁৰ হ'ল গৰু দুহাল, মানুহটো হ'ল অকলশৰীয়া। সেই কাৰণেহে বাধ্যত পৰি তেওঁ মানুহ এটা ল'ব লগা হয়। দেৱীৰামৰ লগত খেতি কৰা বৰ টান দেউতা। খেতিৰ সময়ত তেওঁ যেহা মৰাই কাম আদায় কৰি ল'ব, কিন্তু ধান দিবৰ সময়ত বাচি বাচি পতনুৱা ধান কেইডৰাহে আগবঢ়াব।..... দেউতা গোসাঁইৰ নাম লৈ কৈছোঁ, আপোনাৰ ঘৰত যি তিনি বছৰ হাল বাইছিলো সেই কিবছৰতে ভাত-মুঠি সুখেৰে খালো। আপুনি যেদি দিবৰ পৰা মোৰ বৰ দুখ হৈছে দেউতা। অহা বছৰ আহৰ সময়ত মোক কিন্তু হাল এখন বাবলৈ দিবই লাগিব দেউতা।*

*(পৃঃ ৩০৩)*

দিনটোৰ এসাজ খাই দ্বিতীয় সাজৰ বাবে হামৰাও কাঢ়ি ফুৰিবলগীয়া অৱস্থাৰ কতীয়াইঁতৰ দৰে মানুহেও দেশৰ স্বাধীনতাক লৈ আশাবাদী। কিন্তু শিৱনাথ ফুকনৰ দৰে সম্ভ্ৰান্ত মানুহৰ মনত স্বাধীনতাৰ খবৰে মনত আবেগৰ সঞ্চাৰ নকৰা কথাটোৱে উপন্যাসৰ আৰম্ভণিত এক প্ৰশ্নৰ অৱতাৰণা কৰিছে। শিৱনাথৰ চৰিত্ৰটি নিৰ্মাণ কৰোতে লেখকে চৰিত্ৰটিক কোনো আদৰ্শস্থানীয়, অনুকৰণীয় ৰূপত উপস্থাপন নকৰি মানৱীয় দোষ-দুৰ্বলতা, বিষাদগ্ৰস্ততা, আত্মীক দ্বন্দ্বৰ লগতে তেওঁৰ হৃদয়ৰ সংকীৰ্ণতাকো সূক্ষ্মাতিসূক্ষ্ম ৰূপত চিত্ৰিত কৰিছে। এনে বৰ্ণনাত কোনো অতিৰঞ্জনৰ প্ৰলেপ নাই। চৰিত্ৰটিৰ বাহিৰৰ ৰূপৰ দৰেই অন্তৰ্জীৱনকো উদঙাই দেখুৱাইছে। এনেবোৰ যথাযথ বিৱৰণৰ বাবে উপন্যাসখনক বাস্তৱবাদী উপন্যাস বুলি অভিহিত কৰিব পাৰি। অৰ্থাৎ উপন্যাসখনত বাস্তৱৰ প্ৰতিফলন ঘটিছে।

স্বাধীনতাৰ পাকক্ষণত অসমৰ সমাজ জীৱন যেন বিকাৰগ্ৰস্ত হৈ পৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ নিয়ন্ত্ৰণহীন পৰিৱেশত গাঁও, চহৰ সকলোতে লাভখোৰ, দুৰ্নীতিপৰায়ণ ব্যৱসায়ী, সুবিধাবাদী এচাম লোকে ব্যক্তিগত লাভৰ স্বাৰ্থত জনগণক শোষণ কৰাই নহয়, কানি, ভাং, মদ আদি নিচাজাতীয় দ্ৰব্যৰ যোগান ধৰি সমাজক ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল।[২] গান্ধীবাদী ভলণ্টিয়াৰ সকলে এনে কু-অভিসন্ধি প্ৰতিহত কৰিবলৈ কৰা চেষ্টা হৈ পৰিছিল ফুটুকাৰ ফেন। 'পিতা-পুত্ৰ'ৰ প্ৰথম পৰ্বতেই বেৰ মহাজনৰ কীৰ্ত্তি-কলাপৰ বিৱৰণে তেনে এক বাস্তৱৰ ছবি দাঙি ধৰিছে—

*বেৰ মহাজন আচলতে চহৰৰ মানুহ। যুদ্ধৰ সময়তে 'হোলছেলাৰ' হৈ তেওঁ মৰিয়মঘুলিলৈ আহে। তাৰ পাছত তেওঁ আৰু ঘূৰি নগ'ল। চেনি, নিমখ আৰু কেৰাচিন তেলৰ চোৰাং কাৰবাৰ কৰি চাৰিওফালৰ মিছিং গাঁওবোৰত বহুতো কানীয়া মানুহ থকাৰ গম পাই তেওঁ কানিৰ চোৰাং ব্যৱসায়ো আৰম্ভ কৰিলে। তেওঁ আছিল বৃটিছ চৰকাৰৰ দাসানুদাস আৰু কংগ্ৰেছ ভলণ্টিয়াৰৰ ঘোৰ শত্ৰু। ৰামেশ্বৰহঁতে যেতিয়া কংগ্ৰেছৰ ভলণ্টিয়াৰ হৈ মৰিয়মঘুলি অঞ্চলত কংগ্ৰেছৰ সংগঠন আৰম্ভ কৰে, তেতিয়া বেৰ মহাজনে সিহঁতক টিটকাৰী দিয়াই নহয়, সৰ্বপ্ৰকাৰে সিহঁতৰ কামত বাধা দিবলৈ চেষ্টা কৰিছিল। থানাৰ দাৰোগাৰ ঘাই মন্ত্ৰী আছিল বেৰ মহাজন। গাঁৱৰ হজুৱা-চহা মানুহবোৰে যেতিয়া দিনৰ পাছত দিন নিমখ অকণ নোহোৱাকৈ ভাত খাব লগা হৈছিল, সেই সময়ত সিহঁতৰ প্ৰাপ্য নিমখৰ ভাগ বেৰ মহাজনে চহৰত বিক্ৰী কৰি দিছিল কল্পনা কৰিব নোৱাৰা চৰা দামত। এইবোৰ দুষ্কৰ্মৰ প্ৰতিকাৰ কৰোতা কোনো নাছিল।*

*(পৃঃ ২৮৫)*



উপন্যাসৰ কাহিনীত মৰিয়মঘুলি গাঁৱৰ হোজা মানুহবিলাকে দেশ স্বাধীন হ'ব বুলি খবৰ পাই সুখময় ভৱিষ্যতৰ সপোন দেখিবলৈ আৰম্ভ কৰিছিল। ৰাজনীতিৰ মেৰপেচ, অৰ্থনীতিৰ জটিলতাৰ ভু নোপোৱা সৰল গাঁৱলীয়া মানুহবোৰে স্বাধীনতা মানেই বুজি পাইছিল তাৎক্ষণিক পৰিবৰ্তন। অন্যায়, অত্যাচাৰ, শোষণৰ প্ৰতীক বেৰ মহাজনহঁতৰ প্ৰভাৱ প্ৰতিপত্তি অৱসান হ'ব, দুখীয়াৰ দুখ মোচন হ'ব। সকলো ফালে জয় জয় ময় ময় হ'ব বুলি ভাবি গাঁওখনৰ সহজ-সৰল মানুহবোৰ আনন্দিত হৈ পৰিছিল। সৰল বৰ্ণনা ভংগীৰে ঔপন্যাসিকে সমাজৰ খাটি খোৱা হোজা মানুহবোৰৰ মনৰ আকাংক্ষাৰ চিত্ৰণ কৰিছে—

*স্বাধীনতা আহিলে দেশত কি কি নতুন ঘটনা ঘটিব বা সিহঁতৰ নিজৰ জীৱনলৈ কি কি পৰিবৰ্তন আহিব, সেই সম্পৰ্কে ভোলা-ৰামেশ্বৰহঁতৰ স্পষ্ট ধাৰণা নাই; সিহঁতে কেৱল এটা কথাই ভালকৈ হৃদয়ংগম কৰি লৈছে যে পৰাধীনতা অপমানৰ কথা, স্বাধীন হ'ব পৰাটো গৰ্বৰ কথা। কিন্তু আন একো নহ'লেও এটা কথাৰ বিষয়ে সিহঁত নিশ্চিত হৈছে যে স্বাধীনতা আহিলে থানাৰ দাৰোগা আৰু বেৰ মহাজনে দৌৰাত্ম্য কৰি ফুৰিব নোৱাৰিব, আৰু চেনি-দাইল-নিমখকণ সকলোৱে যুক্তিসংগত দামত কিনিবলৈ পাব।....*

*(পৃঃ ২৮৫)*

স্বৰাজ লাভৰ লগে লগেই সুখৰ দিন আহিব বুলি কৈৱৰ্ত্য গাঁৱৰ কতীয়া, ৰামেশ্বৰহঁতৰ দৰে মূঢ় মানুহবোৰে আশা কৰিছিল। সিহঁতে ভাবিছিল— *'যিজন মানুহ এদিন স্বাধীন ভাৰতৰ ভাগ্য বিধাতা হ'ব সেই জৱাহৰলাল নেহৰুৱেতো কৈ থৈছেই- তেওঁ শাসন ক্ষমতা পালেই লাভখোৰ আৰু চোৰাং কাৰবাৰী কেইটাক প্ৰথমেই হাতৰ কাষতে পোৱা লেম্প পষ্টটোত ওলোমাই ফাঁচি দিব।' (পৃঃ ২৮৫)* কিন্তু বাস্তৱত তাৰ ওলোটা ছবিহে দেখা গ'ল, তেওঁলোকে দেখি থকা এই সপোন, সপোন হৈয়ে ৰ'ল। *'চোৰাং কাৰবাৰী বেৰ মহাজনেও কংগ্ৰেছত যোগ দিলে, অৰ্থাৎ দেশৰ গৰাকীসকলৰ লগত তেওঁ একে পাৰ্টি হ'ল। এতিয়াৰ পৰা পুলিচেও তেওঁক একো কৰিব নোৱাৰে।' (পৃঃ ৩০৪)* বেৰ মহাজনৰ দৰে সুবিধাবাদী, স্বাৰ্থপৰ অনেক লোকে ৰাতিটোৰ ভিতৰতে লুটিবাগৰ মাৰি ভণ্ড স্বদেশপ্ৰেমিকৰ মুখা পিন্ধি শোষণ-শাসন চলাই যোৱা বাস্তৱ ছবিখন লেখকে এনেদৰে অতি কম আয়াসতে উপস্থাপন কৰিছে। নামতহে দেশে স্বাধীনতা লাভ কৰিলে। শাসনৰ বাঘজৰী বগা চাহাবৰ হাতৰ পৰা এচাম দেশীয় শোষকৰ হাতলৈ গ'ল। শোষিতসকল শোষিত হৈয়ে ৰ'ল। স্বাধীনতা লাভৰ কেইঘণ্টামান আগতে কতীয়া কৈৱৰ্ত্তই কোৱা কথাই এই কথাকেই স্পষ্ট কৰে—

*... আপোনাৰ ওচৰতনো আৰু কি কথা লুকুৱাম দেউতা, কালি ৰাতি আমাৰ ঘৰত গোটেইবোৰৰে লঘোন গ'ল। কালি মোৰ খলহাৰ পৰা কোনোৱাই মাছ চুৰ কৰিলে। জানৰ পৰা ৰাতি খণ্ডে-বিৰে ঘূৰি আহি দোকানত ধান বিচাৰি যাবলৈ মন নগ'ল। বাৰীৰে কঁঠাল গছজোপাত কঁঠাল এটা আধা পকাহে থকা দেখিছিলো, সেইটোকে পাৰি আনি খাই শুই থাকিলো। এতিয়া ভোকত পেট জ্বলিব লাগিছে দেউতা। মোৰ ভাওৰ মানুহটোৰে এই অৱস্থা, ল'ৰা-ছোৱালী কেইটাই চাগৈ চেঙালুটি পাৰিব ধৰিছে ইমানপৰে। উঠোঁহে দেউতা।*

*(পৃঃ ৩০৫)*

আহাৰ মহীয়া বানপানী উঠি গাঁৱৰ সকলো মানুহৰ ঘৰৰ চোতাল, ভেটি তল গ'ল। গাঁৱৰ মানুহে এসাজ খাই তিনিসাজ লঘোনে থকা অৱস্থা। তেনে সময়তে কতীয়াই বজাৰত নতুন কথা শুনি আহি শিৱনাথক উৎসাহেৰে ক'লেহি—

*বেৰ মহাজনহঁতে এখন মিটিং কৰিছে, এইবাৰ বোলে বানপানীয়ে খেতি নষ্ট কৰা আৰু খাবলৈ নোহোৱা মানুহক কিবা চৰকাৰী বিলিফ দিব। এতিয়াহে বুজি পাইছো দেউতা- আপোনালোকৰ নিচিনা ডাঙৰ মানুহবোৰে কিয় 'স্বৰাজ লাগে' স্বৰাজ লাগে বুলি চিঞৰিছিল, ভলণ্টিয়াৰবোৰ কিয় জেললৈ গৈছিল। চৰকাৰে যদি বিপদৰ সময়ত এনেকৈ দুখীয়াবোৰক তাৰণ কৰে, তেন্তে স্বৰাজ হৈ ভালেই হৈছে বুলি ক'ব লাগে দেউতা।*

*(পৃঃ ৩৪১)*

বিলিফৰ চাউল ঠিকেই আহিল, ভাল-দৰিদ্ৰ খাবলৈ নোপোৱা লোকে চাউলৰ ওচৰলৈকে গৈ নাপালে। তেওঁলোকৰ চকুৰ আগেৰেই মেট মৰা ধানৰ ভঁৰাল থকা ধনী মানুহে বস্তাই বস্তাই ধান লৈ গ'ল। বেৰ মহাজন, কেশৱ মণ্ডলৰ মৰ্জি মতে বিলিফৰ বস্তু বিলোৱা হৈ গ'ল। কেশৱ মণ্ডলেও ৰাইজৰ মুখৰ পৰা কাঢ়ি দুবস্তা চাউল নিজৰ ঘৰলৈ লৈ গ'ল। এসময়ৰ চোৰাং বেপাৰী, কংগ্ৰেছী ভলণ্টিয়াৰৰ ঘোৰ শত্ৰু বেৰ মহাজন স্বাধীনতাৰ পিছত

মৌজা কংগ্ৰেছ আৰু পঞ্চায়ত সভাপতি হ'ল। কেশৱ মণ্ডলবো একেই চৰিত্ৰ। এইবোৰ দেখি-শুনি উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ শিৱনাথৰ উপলব্ধি হয়— *'স্বাধীনতাৰূপী ভোজৰ প্ৰথম পাতখন দেখোন বেৰ মহাজনৰ ভাগতহে পৰিল। অথচ দেশৰ স্বাধীনতা সংগ্ৰামত যোগ দিবলৈ কোটি কোটি মানুহক আহ্বান কৰোঁতে তেওঁলোকক দেখোন সম্পূৰ্ণ বেলেগ কথাহে কোৱা হৈছিল।'* এইবোৰ দেখি-শুনি খাবলৈ নাপাই ভোকত তত হেৰুওৱা মানুহৰ উপলব্ধি হৈছে- *'যিমানবোৰ মানুহ এসময়ত ভলণ্টিয়াৰ আছিল, এতিয়া সেই গোটেইবোৰ হ'ল চোৰ।'*

১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত মহাত্মা গান্ধীৰ অসম ভ্ৰমণ কালত অসমৰ কংগ্ৰেছী ভলণ্টিয়াৰসকল নৈতিকভাৱে উৎসাহিত হৈছিল। শিক্ষক, চব ডেপুটি কলেক্টৰ, কেৰাণী, ইন্সপেক্টৰ, চিৰস্তাদাৰ, পুলিচ কনিষ্টবল, মণ্ডল, মজুমদাৰ, গাঁওবুঢ়া আদিয়ে বৃটিছ চৰকাৰৰ চাকৰি ত্যাগ কৰি প্ৰত্যক্ষ কংগ্ৰেছকৰ্মী ৰূপে আন্দোলনত যোগদান কৰিছিল।[৩] দেশৰ মঙ্গলৰ বাবে ব্যক্তিগত স্বাৰ্থ জলাঞ্জলি দিয়া, লোভ-মোহৰ পৰা উৰ্দ্ধত উঠি প্ৰকৃত ত্যাগৰ নিদৰ্শন দাঙি ধৰা এই সকল লোক সেই সময়ৰ সমাজৰ শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰিছিল। কিন্তু স্বাধীনোত্তৰ কালত এইসকল লোকৰ মাজৰ এচামে ব্যক্তিগত লাভালাভ, স্বজন তোষণৰ বাবে অন্যায় পথ অৱলম্বন কৰা দেখি সাধাৰণ মানুহৰ আস্থা আৰু বিশ্বাস ভঙ্গ হৈছিল। উপন্যাসৰ কাহিনীত শিৱনাথৰ সহপাঠী কেশৱ মণ্ডলৰ চৰিত্ৰটি এনে ধৰণৰ। উপন্যাসখনত দেখুওৱা হৈছে কেশৱ মণ্ডলে পাঠশালা স্কুলত পঢ়ি থাকোঁতে শিক্ষকক মিছা কথা কৈ শাস্তিৰ পৰা বেহাই পাইছিল, পিছলৈও মণ্ডলৰ চাকৰি কৰি বেঁকা পথেৰে ধন-সম্পত্তি ঘটিছিল। আনকি বিধৱা দুখুনী বকুলিৰ বাৰীৰ ঢাপৰ এনল মাটি নৰামৰ নামত জালিয়াতিৰে নামজাৰি কৰাইছিল কেৱল টকা-পইচা আৰু গাই-দামুৰি এহালৰ লোভত। অসহযোগ আন্দোলনৰ সময়ত স্বদেশ প্ৰেমৰ আবেগ বিটোত সামাজিক পৰিবেশত প্ৰায় এঘৰীয়া হৈ পৰা সেই কেশৱ মণ্ডলে সেয়ে সমাজৰ আগস্থান পুনৰ লাভ কৰাৰ স্বাৰ্থত দেশপ্ৰেমিকৰূপী বগলি ভকত হৈ চাকৰি এৰি দেশৰ হকে যুঁজি কাৰাবৰণ কৰিছে। স্বাধীনতাৰ পিছত কেশৱ মণ্ডল পুনৰ পূৰ্বৰ লোভ-মোহৰ গৰাহত পৰি বেৰ মহাজনৰ সৈতে লগ-লাগি অন্যায় অনীতিৰ আশ্ৰয় লৈছে।

শিৱনাথৰ মাজু পুত্ৰ কালিনাথ আছিল নতুন পুৰুষৰ প্ৰতিনিধি। কানি, মদ, ভাং আদি নিচা সেৱনৰ অভ্যাসে ঘূণীয়া কৰি পেলোৱা সমাজখনক সংস্কাৰ কৰিবলৈ দেশ সেৱাৰ প্ৰথম খোজ হিচাবে তেওঁ চেষ্টা কৰিছে। নিজৰ ভায়েক লক্ষ্মীনাথৰ অধঃপতনে হতবাক কৰি পেলোৱা কালিনাথে তৃণমূল পৰ্য্যায়ৰ পৰা সমাজখনৰ কেৰোণ আঁতৰাবলৈ চেষ্টা কৰিছে। লগতে ককায়েক গৌৰীনাথৰ কাম-কাজে হতাশাগ্ৰস্ত কৰি পেলোৱা পিতৃক সকাহ দিয়াৰ উদ্দেশ্যে নিজৰ শিক্ষা সমাপ্ত নকৰাকৈয়ে চহৰৰ পৰা আহি ঘৰত পিতাকক সাহায্য প্ৰদান কৰিছে। গাঁৱত মদ নিবাৰণী সভা পাতি তথাকথিত দেশপ্ৰেমিক কেশৱ মণ্ডলৰ সহায় বিচৰাত মণ্ডলে মুখ পেলোৱা মাৰিছে।

কালিনাথৰ বন্ধু, গুৱাহাটীৰ যুৱক সৌমিত্ৰ বামপন্থী বিপ্লৱী আদৰ্শত বিশ্বাসী, নিজৰ আদৰ্শত দ্বিধাহীন। শ্ৰেণীহীন, শোষণহীন, মুক্ত সমাজ প্ৰতিষ্ঠা কৰিবলৈ সশস্ত্ৰ বিপ্লৱৰ পথ তেওঁ সমৰ্থন কৰে। ম'হঘুলি গাঁৱৰ হেমচন্দ্ৰ বোলা মানুহজন হৈছে কমিউনিষ্ট বিপ্লৱী। হেমচন্দ্ৰৰ প্ৰতিও কালিনাথৰ সহানুভূতি আছে। উপন্যাসৰ সামৰণিৰ ফালে দ্বিধা-দ্বন্দ্বত দোদুল্যমান কালিনাথে সৌমিত্ৰৰ লগত কথা পাতিছে। কি আদৰ্শৰে সমাজৰ মুক্তিৰ পথ সুগম হ'ব? কালিনাথে নিজৰ শংকা ব্যক্ত কৰিছে- সশস্ত্ৰ বিপ্লৱৰ পথলৈ যোৱাৰ আগতে... অন্যান্য সকলো বিকল্প পথ পৰীক্ষা কৰি চাব লাগিব। কালিনাথে নিজে কমিউনিষ্ট নহয়, *'কমিউনিষ্ট হোৱাৰ কথা এতিয়াও ভবা নাই।'* তেওঁ সমাজৰ মঙ্গল কামনা কৰে। কিন্তু কোনটো পথ শুদ্ধ ঠিৰাং কৰিব নোৱাৰা কালিনাথে সৌমিত্ৰক কৈছে- *'এটা কথাত তুমি মোতকৈ বেছি সুখী আৰু ভাগ্যবান। তোমাৰ কোনো অন্তৰ্দ্বন্দ্ব নাই। তুমি এটা পথ বিচাৰি পাইছা, আৰু আগ-পিছ নুগুনি সেই পথত আগবাঢ়িবলৈ প্ৰস্তুত।... কিন্তু মই হিচাপী, দ্বিধাগ্ৰস্ত আৰু অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত। চূড়ান্তভাৱে এটা পথ বাছি লোৱাৰ আগতে আন হাজৰটা পথ মই পৰীক্ষা কৰি চাব খোজোঁ, আৰু তাকে কৰোঁতেই হয়তো মোৰ গোটেই জীৱন শেষ হৈ যাব।'* (পৃঃ ৪৫৩) এনে পৰীক্ষাৰ অংশ ৰূপেই কালিনাথে ১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীৰূপে বিধান সভালৈ নিৰ্বাচিত হৈ মন্ত্ৰী পদ লাভ কৰিছে। উপন্যাসৰ সামৰণিৰ এনে অনাকাংক্ষিত পৰিণতিত অসন্তুষ্ট সমালোচকৰ মতে এনেদৰে 'পিতাপুত্ৰ'ৰ মাজেদি ঔপন্যাসিকে কেৱল সুবিধাবাদকেই ৰৰপীৰা পাৰি দিছে।[৪]

প্ৰকৃত সমাজবাদী লেখকে সমাজৰ কেৰোণ, দোষ-ত্ৰুটি আঙুলিয়াই, তাৰ কাৰণ উদ্ঘাটন কৰি নিৰাময়ৰ বাবে নিজ আদৰ্শমতে পথ নিৰ্দ্দেশ কৰে। হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ'ত সমাজৰ দোষ-দুৰ্বলতা আৰু মানৱীয় চৰিত্ৰৰ লোভ-মোহ, ক্ষমতা লিপ্সা, সামাজিক মৰ্য্যাদাৰ অহংকাৰ, আদৰ্শহীনতা আদি তাৰ কাৰণ ৰূপে আঙুলিয়াই দিছে যদিও এই সমস্যাসমূহ নিৰাময়ৰ কোনো ধৰণৰ আদৰ্শ পথৰ সন্ধান দিয়া নাই। মন কৰিবলগীয়া, বৰগোহাঞিৰ 'আত্মানুসন্ধান'ত ইয়াৰ উত্তৰ বিচাৰি পাব পাৰি। চব ডেপুটি কলেক্টৰ হিচাবে চাকৰিত যোগদান কৰাৰ আগলৈকে লেখকে সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰি আছিল 'তেওঁৰ হিচাবী বিষয় বুদ্ধিৰ বাবে'। চাকৰিত সোমাই তেওঁ বামপন্থী ৰাজনীতিৰ প্ৰতি সামান্য আকৃষ্ট হৈছিল। তথাপি মাৰ্ক্সবাদী আদৰ্শক মনে-প্ৰাণে গ্ৰহণ কৰিব নোৱাৰাৰ কাৰণ তেওঁ স্পষ্ট কৰিছে—

> *মানৱ জীৱনৰ অন্তহীন বৈচিত্ৰ, সম্ভাৱনা আৰু ৰহস্যময়তাক মাৰ্ক্সবাদে যিভাৱে এটা সীমাবদ্ধ ৰূপ দিবলৈ প্ৰয়াস কৰে, সেইটো মোৰ কাৰণে গ্ৰহণযোগ্য নহয়। মই বিশ্বাস কৰো যে মানৱ সভ্যতাৰ সন্মুখত আৰু বহু হাজাৰ পথ পৰি আছে। মই বিশ্বাস নকৰো যে মানৱ সভ্যতাৰ ইতিহাসত মাৰ্ক্সবাদেই শেষ কথা।.... মাৰ্ক্সবাদ পঢ়ি মোৰ ক'বৰ মন যায়— 'মই বিশ্বাস নকৰো যে জীৱন ইমান সৰল'।*[৫]

কালিনাথ আৰু বন্ধু সৌমিত্ৰৰ কথোপকথনত বামপন্থী বিপ্লৱী আদৰ্শৰ যুক্তিযুক্ততা সম্বন্ধে তৰ্কৰ অৱতাৰণা কৰি ঔপন্যাসিকে নিজৰ মনৰ মাজত থকা সংশয় আৰু সন্দেহৰ প্ৰতিচ্ছবি ৰূপায়িত কৰিছে।

স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ এইখনেই আছিল বাস্তৱ ছবি। পৰাধীনতাৰ শিকলি ছিঙি মুক্ত জীৱন উপভোগ কৰিবলৈ উদ্যত হোৱা এচাম খাটি খোৱা মানুহৰ সপোন আৰু আশাভঙ্গৰ করুণ চিত্ৰ উন্মোচিত হৈছে এই উপন্যাসত। বিদেশী বগা চাহাবৰ শাসনৰ সলনি স্বদেশী ক'লা শাসকৰ হাতত দেশৰ ভৱিষ্যত কুক্ষিগত হ'ল। কোটি কোটি মানুহৰ সপোনৰ ৰামৰাজ্য স্থাপন নহ'ল। ঔপনিবেশিকতাৰ সমাপ্তিৰ পিছত নব্য ঔপনিবেশিকতাৰ প্ৰবৰ্ত্তন হ'ল। পুৰণি সমাজ ব্যৱস্থায়েই নতুন সাজেৰে প্ৰবৰ্ত্তিত হৈ ৰ'ল। স্বৰাজোত্তৰ ভাৰতবৰ্ষত এনে ধৰণৰ অৰ্থনৈতিক শোষণে, দেশৰ স্বাধীনতাৰ বাবে জীৱন-যৌৱন উচৰ্গা কৰা প্ৰকৃত ত্যাগী স্বাধীনতা সংগ্ৰামীসকলক নিৰাশ কৰিলে। আলোচিত উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ দূৰদৰ্শী শিৱনাথে আগতীয়াকৈয়ে যেন দেশৰ স্বাধীনতাৰ নামত এনে প্ৰহসনৰ উমান পাইছিল; সেয়ে দেশে স্বাধীনতা লাভ কৰিব বুলি জানিও তেওঁ কোনো আবেগ অনুভৱ কৰা নাছিল।

প্ৰসিদ্ধ হিন্দী ঔপন্যাসিক ফণীশ্বৰ নাথ ৰেণু ৰচিত 'মৈলা আঁচল' (১৯৫৪) নামৰ উপন্যাসৰ কাহিনী ৰূপায়িত হৈছিল ১৯৪৫ চনৰপৰা ভাৰতৰ স্বাধীনতা লাভৰ ঠিক পিছলৈ। এই উপন্যাসতো ঔপনিবেশিক শক্তিৰ অপসাৰণৰ অন্তত উদ্ভৱ হোৱা নব্য ঔপনিবেশিক শোষণৰ কলঙ্কই ভাৰতমাতাৰ আঁচল 'মৈলা' কৰি পোলোৱাৰ কাহিনীৰ করুণ গাথা বিবৃত হৈছে। সত্যাগ্ৰহী ভলণ্টিয়াৰসকলক মাৰ-পিট কৰাৰ উপৰিও ভলণ্টিয়াৰসকলক জেলত ভৰাই ৰাখিবলৈ চৰকাৰক খৰচৰ যোগান ধৰা চালমল মাৰৱাৰী পুতেক সাগৰমল স্বাধীন ভাৰতৰ নৰপট নগৰ থানা কংগ্ৰেছৰ সভাপতি হৈ পৰিল। জুৱা-চোৰ, নাৰী কেলেংকাৰীৰ নায়ক দুলাৰচন্দ কটহা থানা কংগ্ৰেছৰ সম্পাদক নিযুক্ত হৈ পৰিল। প্ৰকৃত দেশপ্ৰেমিক, দেশৰ বাবে জীৱন-যৌৱন উচৰ্গা কৰা বাৱন দাস, বলদেৱহঁতে অনুভৱ কৰিছিল- 'ভাৰতমাতা অউৰ ভি, জ'ৰ-বেজ'ৰ ৰ' ৰহী হে।'[৬] স্বাধীনতাৰ পৰৱৰ্ত্তীকালত ভাৰতৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰত ছানি ধৰা নব্য ঔপনিবেশিকতাৰ এনে নিদৰ্শন অসমীয়াকে ধৰি বিভিন্ন ভাষাৰ কথা-সাহিত্যত প্ৰতিফলিত হোৱা দেখা যায়। হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসতো নব্য ঔপনিবেশিকতাবাদ স্পষ্ট ৰূপত ধৰা পৰিছে।

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জ্ঞানপীঠ বিজয়ী উপন্যাস 'মৃত্যুঞ্জয়'ৰ কাহিনী সমাপ্ত হৈছে এটা উত্তৰ বিহীন প্ৰশ্নেৰে। অনুপমাৰ সৈতে কথা পাতি থকাৰ মাজতে গোসাঁনীয়ে ভাবিছে- *'.... স্বাধীনতা পালে মানুহ আগতকৈ ভাল হ'ব নে বেয়া হ'ব?'*[৭] হোমেন বৰগোহাঞিৰ উপন্যাস 'পিতাপুত্ৰ'ক সেই একেটি প্ৰশ্নৰ উত্তৰৰ বাস্তৱিক বিশ্লেষণ বুলিব পাৰি। ■

---

পাদটীকা ঃ

১। Purohit, Vipin ; Post Colonial Theory ; Ritu Publication, Jaipur, 2014, p.3

২। Bhuyan, Arun (ed,) ; National Upsurge in Assam ; The Non-Cooperation Stir in Assam ; Bhuyan, Arun ; p. 155

৩। উক্ত গ্ৰন্থ ; পৃঃ ১৫৫

৪। শৰ্মা, শশী ; সাহিত্যত বাস্তৱৰ স্বপ্ন ; পৃঃ ১৬৯

৫। বৰগোহাঞি, হোমেন ; 'আত্মানুসন্ধান', পৃঃ ৩১

৬। ৰেণু, ফণীশ্বৰনাথ, 'মৈলা আঁচল', পৃঃ ১০৫

৭। ভট্টাচাৰ্য্য, বীৰেন্দ্ৰ কুমাৰ ; মৃত্যুঞ্জয় ; পৃঃ ২৬৮

প্ৰসঙ্গ পুথি ঃ
ঠাকুৰ, নগেন ; *এশ বছৰৰ অসমীয়া উপন্যাস*, জ্যোতি প্ৰকাশন, গুৱাহাটী, ২০০০ চন।
বৰগোহাঞি, নিৰুপমা ; *বিশ্বাস আৰু সংশয়ৰ মাজেদি* ; জ্যোতি প্ৰকাশন, গুৱাহাটী, ১৯৮৫ চন।
বৰগোহাঞি, হোমেন ; *চাৰিটা দশকৰ ফচল ঃ উপন্যাস সমগ্ৰ* ; ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, ১৯৯৮ চন।
বৰগোহাঞি, হোমেন ; *আত্মানুসন্ধান* ; ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, ১৯৯৬ চন (৫ম প্ৰকাশ)।
বৰগোহাঞি, হোমেন ; *ধুমুহা আৰু ৰামধেনু* ; ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, ২০০১ চন (চতুৰ্থ প্ৰকাশ)।
ভট্টাচাৰ্য্য, বীৰেন্দ্ৰকুমাৰ ; *মৃত্যুঞ্জয়* ; সাহিত্য প্ৰকাশ ; গুৱাহাটী, ১৯৮০ চন (দ্বিতীয় প্ৰকাশ)।
মণ্ডল, মদনকুমাৰ ; *আধুনিক বাংলা উপন্যাস ঃ ব্যষ্টি ও সমষ্টি*, এবং মুশায়েৰা, কলকাতা, ২০১৪ চন।
শইকীয়া, নগেন ; *আমাৰ ঐতিহ্য বিবেৰ আৰু পাশ্চাত্য প্ৰীতি*, চিন্তা আৰু চৰ্চা, ১৯৭৮ চন।
শৰ্মা, শশী ; *সাহিত্যত বাস্তৱৰ স্বপ্ন* ; জাৰ্ণাল এম্পৰিয়াম, নলবাৰী, ১৯৮৭ চন।
Bhuyan, Arun (ed,) ; *National Upsurge in Assam* ; Govt. of Assam ; Guwahati, 2000.
Purohit, Vipin ; *Post Colonial Theory* ; Ritu Publication, Jaipur, 2014.

O O O

## ডাকৰ বচন

- কুঁহিয়াৰ খেতিৰ বাবে উপদেশ মূলক বচন—

  *"বাৰ পু, তেৰ নাতি*
  *তেহে কৰিবা কুঁহিয়াৰ খেতি।"*

- কেতিয়াবা সততাৰ পথ ভ্ৰষ্ট হোৱা কথা বুজাবলৈ উপমা—

  *"হস্তিৰো পিছলে পাৱ*
  *সজ্জনৰো বুৰে নাও।।"*

- বৃক্ষৰোপণ, মঠ-মন্দিৰ নিৰ্মাণ, জলদান কৰা আদি কাৰ্যই উত্তম ধৰ্ম আৰু এই ধৰ্ম আচৰণকাৰীয়ে যে মৃত্যুৰ পাছত স্বৰ্গলাভ কৰে তাৰ উল্লেখ—

  *"অন্নজল জানা অধিক দান।*
  *তাত কৰি নাই শ্ৰেষ্ঠ যে আন।।*
  *ভাল দ্ৰব্যক যেখনে পাইব।*
  *দেৱতা দ্বিজক তেখনে দিব।।*
  *কালিৰ ভাগক ৰাখে বিজনে।*
  *প্ৰশংসেশে তাহাক বৰিব নন্দনে।।*
  *সোণাৰ তুল্য কন্যাৰ দান।*
  *ডাকে বোলে তাৰ স্বৰ্গেসে স্থান।।"*

- ধান খেতিৰ বাবে মাটি তৈয়াৰ কৰাৰ উৎকৃষ্ট সময় হৈছে আহাৰ-শাওণ।

  *"আহাৰ শাওণতে নকৰে বন।*
  *তাৰ কি আছে খেতিত মন।।"*

- অসমত তিনিবিধ ধান খেতি হয়। শালি, আহু আৰু বাও খেতি। এই তিনিওবিধ খেতিৰ কঠীয়া পৰা বা বোৱাৰ সময় বেলেগ বেলেগ।

  *"শাওণৰ কঠীয়া নহয় ধান।*
  *আহিনত কোৱা বিফল জান।।"*
  *"পুহতে আহু, জেঠত শালি।*
  *তেবেসে জানিবা গৃহস্থালি।।"*

- ধান খেতিৰ সৈতে বতৰৰ ওতপ্ৰোত সম্পৰ্ক আছে। ডাকৰ বচনত ধান-খেতিৰ বাবে প্ৰয়োজনীয় বতৰৰ সম্ভেদ।

  *"যদি বৰষে আহিন, কাতি।*
  *সোণ পৰে ৰাতি ৰাতি।।*
  *যদি বৰষে আঘোণ পুহ।*
  *ধান ওচি হয় তুঁহ।।*
  *যদি বৰষে মাঘৰ শেষ।*
  *ধন্য ৰজা ধন্য দেশ।।*
  *যদি বৰষে ব'হাগ চ'ত*
  *বাপে পোৱে বোলে ধান থ'ম ক'ত?"*

- যাত্ৰাৰ কালত সোঁ ভৰি আগতে খোজ দি যাত্ৰা আৰম্ভ কৰিলে সেই যাত্ৰা শুভ হয়।

  *"আগ কৰি দক্ষিণ পাঁও।*
  *যৈকে লাগে তৈকে যাওঁ।।"*



# Female Voices in the Fictions of R. K. Narayn

❑ Dr. Ranjan Bhuyan
*Vice - Principal*





R. K. Narayan, full name Rasipuram Krishnaswami lyre Narayanaswami. R is for Rasipuram, a taluqa in the district of Salem in Tamilnadu, his ancestral village, Krishnanswami lyre is his father's name and Narayanaswami is his own name. He is one of the three turners of English novels in India. The other two are Raja Rao and Mulk Raj Anand. These three contemporaries popularly called "Big Three" elevated the Indian English novels to a significant height. They strengthened the foundation of Indian English novel with their creative outputs both in quantity and quality. However, our attempt here would be to highlight on the portrayal of female characters in the novels of R. K. Narayan.

All the characters,whether male or female, major or minor are depicted and arranged under a common background of Narayan's fictional town Malgudi. He presents a leading section of Indian society whoattempt to live their daily life pursuingtheage old tradition.Through his fictional town,he has presented the culture and society which is an indispensable part of the country. His sincerity, dedication and deep perception of people and their psychology helped him to produce some excellent female characters. His characters are true children of Malgudi.

Narayan wrote fifteen novels and his fiction is remarkable for its simplicity of expression, wide coverage of experience, beautiful presentation of human relationships, and expression of the beauty and bounty of nature. Apart from all other aspects,his depiction of women characters forms the foundation of

his works. He has presented a wide variety of women characters reflecting the social reality and the plight of woman in Indian societyduring the pre and post- independence India.As he was born and brought up in a Hindu family, so had the chance tomark the plight of women in Indian society very minutely. Confinement in the house, depriving ofindependency, treatment as puppets were the common scenario of the time. However, after Independence, some social changes took place giving birth to a new class of woman breaking the barrier of the past and emerging as a new force in every fields of life marching from traditional to a modern and progressive one.

Narayan has portrayed a gallery of women characters. Sometimes they submit themselves to the dominating attitude of the society, and sometimes they favour inner strength in search of their self-identity.Some critics are of the opinion that Narayan wanted to develop a different set of law in his novels through which women of the society would be liberated from male domination. But question is how far this statement is right? How many women characters of Narayan break the traditionally accepted customs and rebuild a new status to establish themselves as human being in their own light? How many of them revolt against the male dominated society removing the barriers? He is realistic in portraying the women characters reproducing the age-old Indian conventional women.Nevertheless, predominantly, his female characters are stereotypical, obedient, caring, subservient,weak, fragile, orthodox and conventional in attitude signifying that Narayan is governed by patriarchal ideology and values.Their life is directed by rules and regulations but basically, they are clearheaded.

Entire works of Narayan can be divided into three phases: the early phase, middle phase and the later phase.In the early novels the character of women is depicted just as they were in the pre-independence era; illiterate, superstitious orthodox, simple, honest and so on. Even then, some of the women characters are very impressive and captivating. The novelist has depicted the women of this phase as traditionally deep-rooted in Hindu culture, for example- Swami's mother and Grandmother in "Swami and the Friends" are traditional - abiding, self- content, very obedient, cooperative. Chandran's mother in "The Bachelor of Arts"; Savitri and Janamma in "The Dark Room"; Srinivas's wife and Sampath's wife in "Margayya's wife"; Raju's mother in "The Guide", Nataraj's wife in "The Man-Eater of Malgudi"; Jagan's wife in "The Vendor of Sweets"; Sriram's Granny in "Waiting for the Mahatma", the ascetic's wife in "A Tiger for Malgudi", Raman's old aunt and the Bank Accountant's wife in "The Painter of Signs", Nagaraj's wife Sita and his mother in "The World of Nagaraj", Grandmother in Grandmother's Tale. All these female characters are projected as the protectors of their 'Custom and Reason'.In "The World of Nagaraj", the characterization of Nagaraj's mother, Charu, Sita and Saroja are four dimensions of the rational Hindu Brahmin womankind. They remain subordinate and obedient to the patriarchal norms of their society. Charu is possessive in nature towards her husband. Sita is mixture of all traditional qualities and so also is Saroja. In the novel "Waiting for the Mahatma" Sriram's Grandmother and Bhatai are that of the traditional and conventional Indian womanhood. They represent the stereotypical obedient, caring, subservient, orthodox and conventional Indian women. In 'Talkative Man' all the four women Sarasa, Girija, Station Master's wife and Girija's grandmother are just puppets in the social system of patriarchy. In "The Guide" the characterization of Raju's mother represents the orthodox Hindu and no attempt has been made by the novelist made to change this traditional image of a Brahmin mother. The characterization of Rosie is designed to represent and back up the Devadasi tradition, representing the woman as an object beauty and sexuality. The characterization of Velan's sister represents the typical image rustic womankind. In "The Man Eater of Malgudi" the study of characterization of women remains unchanged and made no reformationin women characters. Natrajan's grandmother, mother, aunts, wife, and Rangi are different dimensions of traditional womankind in India. They do not form any integral part of the narrative. They remain at the periphery and fill the structure of Indian society. In 'The vendor of Sweets'the novelist deals with the characterization of a couple of women who are no exception to the other women characters of the novelist.

In contrast to traditional characters, if we look at the middle and later phase of novels, we mark certain changesin his temperament while depicting the female characters. The women of these phases are characterized by of modern civilization,enthusiasm, desire for life and independence in the early novels the character of women was depicted just as they were in the pre-independence era. Nonetheless,modification and disagreement of tradition and acceptance of modernism is visible in the novels of the middle phase. In his laternovels' modernism has finally engulfed Malgudi and its people forsake the roots of tradition. New woman Narayan's women characters discover their identity in the Indian middleclass society. They possess the toughness, adventurousness and courage to manage their affairs by themselves. They are against the Legacy of orthodoxy and conservatism. Narayan in his novels Waiting for the Mahatma and The Painter of Signs defines the concept of new women. His women are against the orthodox roles and dominate over their male counterparts. They are ambitious and aspire to carve out an independent economic entity according to their talent. Bharati is the main character in the novel Waiting for the Mahatma. She is entirely different from other female characters of Narayan's earlier novels. She is a modem and educated woman, a time disciple of Mahatma Gandhi. The alteration of Narayan's women from Savitri of The Dark Room to Daisy of The Painter of Signs 'fortifies foregoing' statements. Narayan through his insight in human beings found women are more conventional than men.Savitri, the proud but staunch Hindu wife is quite different from the independent minded Rosie. Even the minor characters have a permanent imprint on the mind of the reader. Shanta Bai, the beautiful insurance canvasser, Rajam, the self-confident of Swami, Mari, the blacksmith-burglar— all these have been drawn with a convincing touch.

In spite the disapproval of the critics by pointing out the strength and weakness of Narayan in enactment of female characters, his power of observation of human beings, their psychology, temperamentis unique. His characters are lively and they not only represent the Southern province of India but the entire country.These characters make us to recollect them time and again. Narayan is the legend in Indian English fiction. ■

## REFERENCES:


1. R. K. Narayan's Novels
2. Gour K.K. Women in R.K. Narayan's Novels, Ed Amarnath Prasad, New Delhi: Sorup and Sons, 2000
3. Arora, Sudhik (2016), Indian novel in English, Bareilly Prakash
4. Dr. Anjana Das; Associate Prof. & Head Deptt. of English G. D. H. Girls College, Moradabad (Internet)
5. GudlaBalaswamy. M.A. Research Scholar, Dept. of English,yalaseema University, Andhra Pradesh (Internet)



# ভাৰতবৰ্ষৰ নিবনুৱা সমস্যাৰ ক্ষেত্ৰত কভিড-১৯ৰ প্ৰভাৱ

□ ড° নিবেদিতা দেৱী
অৰ্থনীতি বিভাগ



২০১৯ চনৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখে WHO অৰ্থাৎ বিশ্ব স্বাস্থ্য সংস্থাই জনাই যে চীন দেশৰ উহাণ চহৰত নিউমোনিয়াৰ দৰে এবিধ ৰোগে দেখা দিছে। ক'ৰোনা নামৰ এবিধ ভাইৰাছৰ আক্ৰমণত মানুহৰ মৃত্যু হোৱা বুলি চীন দেশৰ চৰকাৰে ২০২০ৰ ৭ জানুৱাৰীত আন এক প্ৰতিবেদন প্ৰকাশ কৰে। CO মানে ক'ৰোনা (Corona) VI ৰ অৰ্থ ভাইৰাছ (Virus) আৰু D হ'ল Disease অসুখ বা ৰোগবিধ। বিশ্ব স্বাস্থ্য সংস্থাই ২০২০ চনৰ ১১ মাৰ্চৰ দিনা COVID-19 ক এক অতিমাৰী বা pandemic হিচাপে ঘোষণা কৰে।

এনেই আৰম্ভণি, চীন দেশৰ পৰাই প্ৰথমে ইটালী আৰু ইউৰোপৰ আন আন দেশসমূহলৈ এই ৰোগৰ ধ্বংস লীলা চলিবলৈ ধৰিলে। পৃথিৱীৰ ডাঙৰ ডাঙৰ নগৰসমূহ স্থবিৰ হৈ পৰিল। আৰম্ভ হ'ল বন্ধ Lockdown, সকলো মানুহ গৃহবন্দী হ'ল। কেৱল হাস্পাতালৰ বিচনাসমূহ ভৰিবলৈ ধৰিলে। গণ কবৰ, শ' দাহ হ'বলৈ ধৰিলে। অতি কম সময়ৰ ভিতৰতেই আমেৰিকা আৰু ভাৰতবৰ্ষলৈকো ক'ৰোনাই আহি মানুহৰ জীৱন দুখ দুৰ্দশাৰে ভৰাই তুলিলে বৰ্তমানেও ক'ৰোনাৰ দ্বিতীয় ঢৌৰ কবলত বিশ্ববাসীয়ে বহুতো মানুহ হেৰুৱাব লগা হৈছে।

পৰিসংখ্যা অনুসৰি সমগ্ৰ পৃথিৱীত বৰ্তমানলৈকে এই ভাইৰাছৰ দ্বাৰা আক্ৰমণৰ বলি হোৱা মুঠ জনসংখ্যাৰ পৰিমাণ হ'ল— ১৯.৭ কোটি (২৫ এপ্ৰিল, ২০২১) আৰু মৃত্যু হোৱা লোকৰ সংখ্যা— ৪২ লাখ। আনহাতে ভাৰতবৰ্ষত এই অতিমাৰীৰ ফলত আক্ৰান্ত লোকৰ সংখ্যা— ৩.১৬ কোটি + ৪৪,২৩০ আৰু মুঠ মৃত্যুৰ সংখ্যা— ৪.২৩ লাখ + ৫৫৫। ক'ভিড মহামাৰীৰ ফলত ভাৰতবৰ্ষই আমেৰিকা যুক্তৰাষ্ট্ৰৰ পিছতে অধিকভাৱে আক্ৰান্ত দেশ হিচাপে পৰিগণিত হয়। ভাৰতবৰ্ষৰ মহাৰাষ্ট্ৰ, কেৰেলা, কৰ্ণাটক, উত্তৰ প্ৰদেশ আৰু তামিলনাডু এই পাঁচখন প্ৰদেশ অতি বেছিকৈ কভিড আক্ৰান্ত বুলি ঘোষণা কৰা হয়। আমাৰ অসম ৰাজ্যতো কভিডত আক্ৰান্তৰ সংখ্যা— ৫.৬৪ লাখ আৰু মৃত্যুৰ সংখ্যা ৫,২২১+২০ ৰ হোৱা দেখা গৈছে।

এই অশুভ সময়ছোৱাত ভাৰতবৰ্ষত অপ্ৰকাশিতভাৱে নিবনুৱা সমস্যাই গা কৰি উঠিছে। বিশেষকৈ বন্ধৰ সময়ছোৱাত ব্যক্তিগত খণ্ডত কৰ্মৰত মানুহখিনি বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। দুখীয়া খেতিয়ক, কাৰিকৰ, পশুধনৰ লগত জড়িত লোকসকল, উদ্যোগী স্বনিয়োজিত শ্ৰমিক সকলো ক্ষতিগ্ৰস্ত হৈছে।

সামাজিক অস্থিৰতা মহামাৰী, যুদ্ধ বিগ্ৰহ হৈছে নিবনুৱা সমস্যা সৃষ্টিৰ এটা প্ৰধান কাৰক। ২০২০ চনত দেখা দিয়া মহামাৰীৰ ফলত যি সামাজিক অস্থিৰতাই দেখা দিলে তাৰ ফল আজিও ভোগ কৰি থকা হৈছে।

সাধাৰণতে যিবোৰ প্ৰতিষ্ঠানত চুক্তিবদ্ধ মজুৰী ভিত্তিত নিয়োগ কৰা শ্ৰমিকৰ সংখ্যা ৭০ গৰাকী বা ততোধিক হয় সেইবোৰ খণ্ডক বিধিবদ্ধ (Formal) খণ্ড বুলি কোৱা হয়। শ্ৰমিক সংঘ (Trade Union) আৰু সামাজিক সুৰক্ষাৰ ব্যৱস্থা বিধিবদ্ধ খণ্ড অবিচ্ছেদ্য অংগ। এনেবোৰ খণ্ডতেই অধিকাংশ গুণগত শ্ৰমিক নিয়োজিত হয়। ২০১৯-২০ চনত ভাৰতবৰ্ষত বিধিবদ্ধ খণ্ডত কৰ্মৰত জনসংখ্যা আছিল- ২০২১ চনৰ জানুৱাৰীত ভাৰতবৰ্ষত নিবনুৱাৰ হাৰ হয় শতকৰা ৩ শতাংশ। এপ্ৰিল ২০২০ চনত নিবনুৱাৰ হাৰ প্ৰায় ২৪ শতাংশ হৈছিল। সেই সময়ত উৎপাদনকাৰীৰ মুঠ মূল্য সংযোজন (GVA) প্ৰায় ৯ শতাংশ লোকচান হৈছিল।

ভাৰতবৰ্ষত জানুৱাৰী ২০২১ত নিবনুৱাৰ হাৰ আছিল ৬.৫৩% আৰু ২০২০ৰ জানুৱাৰীত এই হাৰ আছিল ৭.২২% ; যিটো হাৰ ২০১৯ চনত ৫.২৭% আছিল। মহামাৰী আৰু লকডাউনে প্ৰত্যক্ষভাৱে কিছুমান ব্যৱসায় প্ৰতিষ্ঠানলৈ অন্ধকাৰ নমাই আনিলে। উদাহৰণ স্বৰূপে বায়ু পৰিবহণ খণ্ড, তৈল উদ্যোগ, বস্ত্ৰ উদ্যোগ, বিভিন্ন হস্ত শিল্প, শিক্ষণ প্ৰশিক্ষণ উদ্যোগ, ফুল যোগান উদ্যোগ, হীৰা, স্বৰ্ণ উদ্যোগ, লো-তীখা উদ্যোগ, চিমেণ্ট উদ্যোগ ইত্যাদি।

বৰ্তমান ২০২১ চনৰ জুন মাহৰ হিচাপ অনুসৰি ভাৰতবৰ্ষত নিবনুৱাৰ হাৰ কিছু ভাললৈ অহা পৰিলক্ষিত হৈছে। ২০২১ ৰ জুন মাহত নগৰ অঞ্চলত নিবনুৱাৰ হাৰ ১০.০৭ শতাংশ যিটো মে' ২০২১ত ১৪.৭৩ শতাংশ আছিল। ২০২০ চনৰ তুলনাত ২০২১ চনত অৰ্থনীতি কিছু টনকীয়াল হোৱাত নিবনুৱাৰ সংখ্যাও কিছু নিম্নগামী হৈছে।

কভিড-১৯ মহামাৰীয়ে কিছু উদ্যোগক পুনৰ ঠন ধৰি উঠাত সহায়হে কৰা দেখা গৈছে। উদাহৰণস্বৰূপে ইলেক্ট্ৰনিক বজাৰ বা E Marketing ৰ বহু পৰিমাণে লাভ হোৱা পৰিলক্ষিত হৈছে। আমাজান (Amazon) নামৰ অনলাইন কাৰিকৰী প্ৰতিষ্ঠানটোৰ এই বছৰত সৰ্বাধিক লাভ অৰ্জন কৰিবলৈ সক্ষম হৈছে। ২৯,৫৮৫ মিলিয়ন ডলাৰ তেওঁলোকে ২০২১ ৰ জানুৱাৰীৰ পৰা মাৰ্চলৈ সংগ্ৰহ কৰিলে। ইয়াৰ উপৰিও ঔষধ প্ৰতিষ্ঠান, ভেক্‌চিন উৎপাদনকাৰীসকল, চিকিৎসা সামগ্ৰী নিৰ্মাতা সকল, হাস্পাতাল উদ্যোগ, অক্সিজেন গেছ চিলিণ্ডাৰ উদ্যোগ, খাদ্য সামগ্ৰী প্ৰস্তুত উদ্যোগ, আয়ুৰ্বেদিক প্ৰতিষ্ঠানসমূহ, ইলেক্ট্ৰনিক সামগ্ৰী যেনে কম্পিউটাৰ, মোবাইল ফোন ইত্যাদি নিৰ্মাতাসকল লাভৱান হোৱা পৰিলক্ষিত হয়। এতিয়া বিশ্বত ৰবট নিৰ্মাতা সকলে উঠি পৰি লাগিছে। ৰবটৰ দ্বাৰা অধিকাংশ কাম সম্পাদন কৰাৰ প্ৰচেষ্টা চলিছে। এয়া এক নৱজাগৰণৰ আৰম্ভণি হ'ব ধৰিছে যেন অনুমান হয়। ক'ভিডৰ পিছৰ পৃথিৱীখনত নিশ্চয় বহুতো পৰিৱৰ্তন আহিব। গীতা শাস্ত্ৰতো কৈছে যে 'পৰিৱৰ্তনেই সংসাৰৰ নিয়ম"। মানৱ জাতিয়ে নতুন উপলব্ধিৰ দ্বাৰা পৰিৱৰ্তন আনিব আৰু পৰিৱৰ্তনে নতুনক গঢ় দিব। আমাৰ সমাজৰ একাংশেই আধুনিকতাকো অতিক্ৰম কৰি এক 'উত্তৰ আধুনিক' যুগত প্ৰৱেশ কৰিছে। বহুতে আকৌ ধৰ্মীয় আচৰণ, সাম্প্ৰদায়িক চিন্তা আৰু কেতবোৰ অতীতমুখী চিন্তাত আদিম মানুহৰ দৰেও কৰ্ম কৰি দেখুৱাইছে। কিন্তু নৱ প্ৰজন্মই আচৰিত ধৰণে সকলো কথাৰ উমান পাইছে। তেওঁলোকে যেন বাস্তৱ সমাজখনত পুৰণি প্ৰজন্মকহে বাট দেখুৱাব লগা হৈছে। যিসকলে উন্নত প্ৰযুক্তিৰ অৱলম্বন কৰি বাস্তৱ জীৱনৰ অধিকাংশ উন্নয়নমূলক কাম কাজ কৰি আছে তেওঁলোকৰ দৃষ্টিভংগীও উন্নত আৰু আধুনিক। ১৯৫২ চনত জন্ম হোৱা আমেৰিকাৰ ফ্ৰান্সিছ ফুকুয়ামা নামৰ উত্তৰ আধুনিক দাৰ্শনিকজনে লিখি উলিয়াইছে "Post Human Future" অৰ্থাৎ "মানৱোত্তৰ ভৱিষ্যৎ" গ্ৰন্থখনত আজিৰ যুগত প্ৰগতিশীল আৰু উন্নত প্ৰযুক্তিৰ বিষয়ে বহু কথা সন্নিবিষ্ট হৈ আছে। মানুহে কৰিবলগীয়া কামসমূহ ৰবটে বা যন্ত্ৰ মানৱে কৰিব বুলি উল্লেখ কৰা হৈছে। আনকি তেওঁ লিখিছে যে মানুহে জৈব প্ৰযুক্তিৰে কোষীয় মানৱ জন্ম দিব। তেন্তে ৰবটৰ পৃথিৱীখনত মানুহৰ কৰ্মসংস্থাপনৰ বিষয়টো কি হ'ব? এইটো এটা ডাঙৰ প্ৰশ্ন।

ভাৰতবৰ্ষৰ ভিতৰত হাৰিয়ানা ৰাজ্যত নিবনুৱাৰ পৰিমাণ বেছি। ২০২১ চনৰ হিচাপ মতে এই ৰাজ্যত ২৬.৪ শতাংশ মানুহ নিবনুৱা। আনহাতে গুজৰাটৰ এই পৰিমাণ ৩.৪ শতাংশ যিটো ভাৰতৰ ভিতৰতে সৰ্বনিম্ন। ভাৰতবৰ্ষৰ জুলাই ৩১ তাৰিখ ২০২১ৰ মতে নিবনুৱাৰ হাৰ ৬.৪৬ শতাংশ আৰু অসম (Assam)ৰ নিবনুৱাৰ হাৰ ২০২১ চনৰ মাৰ্চ মাহত ১.১ শতাংশ। গতিকে কভিড-১৯ এ জুৰুলা কৰা অসম ৰাজ্যত গুজৰাটতকৈ নিবনুৱাৰ হাৰ কম বাবেই সৰ্বনিম্ন নিবনুৱা সমস্যাৰ ৰাজ্য বুলি পৰিগণিত হৈছে। ২০১৮-১৯ ৰ এই হাৰ আছিল ৬.৭ শতাংশ। ২০২১ ৰ জানুৱাৰী, ফেব্ৰুৱাৰীত নিবনুৱা লোকৰ সংখ্যা ২ লাখ আছিল আৰু ২০২০ কভিড-১৯ৰ ভয়াবহতাৰ সময়ত ৯.৬ শতাংশ আছিল। অসমত এক বুজন পৰিমানৰ কৰ্মৰত জনসংখ্যা অবিধিবদ্ধ (Informac) খণ্ডত নিয়োজিত বহুতো সংখ্যক লোকে কৃষি খণ্ডত নিয়োজিত হৈ থাকে। অসমত ঋতুগত নিবনুৱাৰ পৰিমানহে সাধাৰণতে বেছি হোৱা দেখা যায়। কভিড ৰোগৰ প্ৰাদুৰ্ভাৱৰ পিছতো আমাৰ ৰাজ্যত বহুতো লোক স্ব-নিয়োজন হোৱাৰ বাবে আগবাঢ়ে। মৎস্য পালন, কুকুৰা, গাহৰি পালন, শাক-পাচলিৰ ব্যৱসায়, ফুলৰ খেতি, বাঁহ-বেতৰ কাম কৰি গ্ৰাম্যাঞ্চলত বহুতো লোকে জীৱন নিৰ্বাহ কৰি আছে। ইয়াৰ উপৰিও MGNREGA ৰ অধিনত বহুতো লোক নিয়োজিত হৈছে। অসমত চৰকাৰী আঁচনিসমূহৰ সফল ৰূপায়ন হোৱাৰ ফলত এই ভয়ানক সমস্যাৰ পৰা ৰাজ্যখনে সকাহ পাইছে। কিন্তু কভিড মহামাৰীৰ সময়ত দিন হাজিৰা কৰা লোক, ৰিক্সা চালক, ঠেলা চালক, অ'টো চালকসকল সৰ্বতো প্ৰকাৰে ক্ষতিগ্ৰস্ত হৈছে। এই ক্ষেত্ৰত প্ৰশাসনে আৰু অসমৰ জনসাধাৰণে সহায়ৰ হাত আগবঢ়াই আহিছে।

২০১৯ চনত আৰম্ভ হোৱা প্ৰধানমন্ত্ৰী শ্ৰমযোগী মানধন (পি.এম.এছ.ৱাই.এম) যোজনাৰ অধীনত দেশৰ অসংগঠিত খণ্ডৰ উন্নয়নৰ বাবে প্ৰয়াস কৰা হৈছে। উল্লেখযোগ্য যে দেশৰ অসংগঠিত খণ্ডত ৪২ কোটিতকৈও অধিক শ্ৰমিক বৰ্তমান নিয়োজিত হৈ আছে বুলি ধাৰণা কৰা হৈছে। ইয়াৰ ভিতৰত যিসকলৰ মাহিলি উপাৰ্জন ১৫,০০০ টকা বা তাতোকৈ কম আৰু ১৮-৪০ বছৰ বয়স গোটৰ, তেওঁলোকেই এই আঁচনিৰ বাবে হিতাধিকাৰী হোৱাৰ যোগ্য। এই কৰ্মীসকলৰ ভিতৰত প্ৰধানকৈ ঘৰুৱা কৰ্ম, পথত বহা দোকানী, মধ্যাহ্নভোজনৰ কৰ্মী, ইয়াৰ কাম কৰা লোক, মুচী, ধোবী, ৰিক্সা চালক, ভুমিহীন শ্ৰমিক, হস্ততাত কৰ্মীসকল, চামৰাৰ কৰ্ম কৰা শ্ৰমিক, নিৰ্মাণ কাৰ্যত জড়িত শ্ৰমিক ইত্যাদি অন্তৰ্ভুক্ত হ'ব। ■



# জৈৱ-বৈচিত্ৰতা আৰু ইয়াৰ সংৰক্ষণ



□ ড° মনশ্ৰী দাস
অৰ্থনীতি বিভাগ

বৰ্তমান সময়ত সম্ভৱত আটাইতকৈ বেছিকৈ উচ্চাৰিত শব্দকেইটা হৈছে জৈৱ-বৈচিত্ৰতা আৰু ইয়াৰ সংৰক্ষণ। পৃথিৱীত পোৱা সকলো ধৰণৰ গছ-লতা, তৰু-তৃণ, জীৱ-জন্তু আৰু ক্ষুদ্ৰাতি-ক্ষুদ্ৰ জীৱৰ অৱস্থিতিক জৈৱ-বৈচিত্ৰতা বোলে। জৈৱ-বৈচিত্ৰতাই জীৱৰ জন্মগত লক্ষণ কঢ়িয়াই নিয়া জীন আৰু ই যি পৰিৱেশ তন্ত্ৰ সৃষ্টি কৰে তাকো সামৰি লয়। একোটা প্ৰজাতিৰ ভিতৰত একে জন্মগত লক্ষণ কঢ়িয়াই নিয়া কিছুমান সাধাৰণ জীনৰ উপৰিও কেতবোৰ অসাধাৰণ জীনৰ অৱস্থিতি বিদ্যমান। জৈৱ-বৈচিত্ৰতাই পৰিৱেশতন্ত্ৰৰ স্থিৰতা উন্নত কৰে আৰু বায়ুমণ্ডল স্বাস্থ্যসন্মত কৰি ৰাখে। জৈৱ-বৈচিত্ৰতা এটা গতিশীল প্ৰক্ৰিয়া। ইয়াৰ ফলস্বৰূপে হাজাৰ হাজাৰ বছৰ ধৰি প্ৰকৃতিত নতুন নতুন প্ৰজাতিৰ উৎপত্তি হৈছে আৰু এনেদৰে জৈৱ-বৈচিত্ৰতা সম্পদশালী আৰু উন্নত হয়। আনহাতে ইয়াৰ বিপৰীতে, প্ৰজাতিৰ বিলুপ্তিৰ দ্বাৰা জৈৱ-বৈচিত্ৰতা হ্ৰাস হয়। জৈৱ-বৈচিত্ৰতাৰ সংৰক্ষণৰ বাবে লাগে প্ৰকৃতি প্ৰদত্ত জীৱৰ বাবে অনুকূল পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ যিয়ে বহনক্ষম পৰিৱেশতন্ত্ৰৰ উন্নয়ন সাধন কৰে।

জৈৱ-বৈচিত্ৰতাৰ তিনিটা স্তৰ থাকে।

১। বংশগত (জেনেটিক) বৈচিত্ৰতা
২। প্ৰজাতিৰ বৈচিত্ৰতা
৩। পৰিৱেশতন্ত্ৰৰ বৈচিত্ৰতা



### ১। বংশগত (জেনেটিক) বৈচিত্ৰতা ঃ

বংশগত বৈচিত্ৰতা একে প্ৰজাতিৰ মাজত দেখিবলৈ পোৱা যায়, যাৰ দ্বাৰা প্ৰত্যেক জীৱক এটাৰ পৰা আনটো পৃথক কৰিব পৰা যায়। উদাহৰণ স্বৰূপে মানৱ প্ৰজাতিৰ প্ৰতিটো মানৱ স্বকীয় বৈশিষ্ট্যৰ অধিকাৰী-শাৰীৰিকভাৱে আৰু মানসিকভাৱে। ঠিক তেনেদৰে জীৱ-জন্তুবোৰো এটাৰ লগত আনটো নিমিলে। জীনৰ এই বৈচিত্ৰতা উন্নতমানৰ প্ৰজাতিৰ সৃষ্টিৰ বাবে প্ৰয়োজন। অন্যথা কেতবোৰ বৈশিষ্ট্য লোপ পাবলৈ ধৰে আৰু এনেদৰে একোটা প্ৰজাতি প্ৰকৃতিৰ বুকুৰ পৰা বিলুপ্ত হৈ যাবলৈ ধৰে। বনৰীয়া প্ৰজাতিসমূহৰ বৈচিত্ৰতাই এনেদৰে কেতবোৰ 'জীন পুলৰ' সৃষ্টি কৰে আৰু নতুন একোটা প্ৰজাতিৰ সৃষ্টি হয়। এনেদৰে হাজাৰ হাজাৰ বছৰৰ মূৰত আমাৰ পোহনীয়া জীৱ-জন্তুৰ লগতে বিভিন্ন খাদ্য শস্যসমূহ আমি লাভ কৰিছো। আজিকালি গৱেষণাগাৰত এনে জীনৰ পৰস্পৰ সংমিশ্ৰণত বিভিন্ন প্ৰজাতিৰ শস্য আৰু জীৱ-জন্তুৰ সৃষ্টি সম্ভৱ হৈ উঠিছে। আধুনিক জৈৱ-প্ৰযুক্তিয়ে আকৌ জীনৰ বংশগত দোষ-গুণ সালসলনি কৰি উন্নতমানৰ দৰৱ পাতি আৰু বিভিন্ন ঔদ্যোগিক সামগ্ৰী সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

### ২। প্ৰজাতিৰ বৈচিত্ৰতা ঃ

প্ৰজাতিৰ বৈচিত্ৰতাই, বিভিন্ন প্ৰজাতিৰ মাজত থকা ভিন্নতাৰ কথাকে কয়। ইয়াৰ তিনিটা উপাংশ আছে।

১। এক নিৰ্দিষ্ট সীমাত থকা প্ৰজাতিৰ সংখ্যা
২। এক নিৰ্দিষ্ট প্ৰজাতিত থকা সদস্যৰ সংখ্যা
৩। বিভিন্ন প্ৰজাতিৰ মাজত থকা সম্পৰ্ক

প্ৰজাতি বৈচিত্ৰতাত বিষুবীয় অঞ্চল পৃথিৱীৰ আন অঞ্চলতকৈ বেছি সম্পদশালী। প্ৰজাতিৰ বৈচিত্ৰতা প্ৰাকৃতিক বনাঞ্চলত অধিক। উদ্ভিদৰ ক্ষেত্ৰত, উদ্ভিদ ৰোপণ বা কৃষি কৰ্মটো দেখা যায় যদিও বনানিকৰণতকৈ কোনো ধ্বংসাত্মক কাৰ্য নথকা প্ৰাকৃতিক পৰিৱেশত প্ৰজাতিৰ বৈচিত্ৰতা অধিক বিদ্যমান। ধ্বংসাত্মক কাৰ্য নথকা প্ৰাকৃতিক পৰিৱেশত প্ৰাকৃতিক বনাঞ্চলে থলুৱা লোকক বিভিন্ন ফল-মূল, ইন্ধনৰ বাবে সৰু সৰু গছৰ ঠাল-ঠেঙুলি, সাৰ, প্ৰাকৃতিক আঁহ, উদ্ভিদৰ পৰা নিঃসৰিত এঠা, বাকলি আৰু বিভিন্ন ঔষধি গছ-গছনি যোগান ধৰে। আনহাতে পৰম্পৰাগত বহুমুখী কৃষি প্ৰণালীত আধুনিক কৃষি প্ৰণালীতকৈ বেছি প্ৰজাতিৰ বৈচিত্ৰতা দেখা যায়। বৰ্তমান সময়লৈ বৈজ্ঞানিকসকলে পৃথিৱীত প্ৰায় ১.৮ মিলিয়ন প্ৰজাতি আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে আৰু এতিয়াও বহুত আৱিষ্কাৰ নোহোৱাকৈ আছে।

প্ৰজাতি বৈচিত্ৰতাত সম্পদশালী অঞ্চলসমূহক বৈচিত্ৰতাৰ হটস্পট (hotspots of diversity) বুলি জনা যায়। পৃথিৱীৰ এনে ১৫ খন দেশৰ ভিতৰত আমাৰ ভাৰতবৰ্ষও অন্যতম।

### ৩। পৰিৱেশ তন্ত্ৰৰ বৈচিত্ৰতা ঃ

পৃথিৱীত বিভিন্ন পৰিৱেশতন্ত্ৰ আছে য'ত জলবায়ু আৰু জলচক্ৰৰ লগতে জীৱ-জন্তু, গছ-বিৰিখৰ মাজত যথেষ্ট বৈচিত্ৰতা পৰিলক্ষিত হয়। একোটো পৰিৱেশত আকৌ বিভিন্ন পৰস্পৰ নিৰ্ভৰশীল প্ৰজাতি থাকে। পৰিৱেশতন্ত্ৰৰ বৈচিত্ৰতা একোটা ভৌগোলিক আৱেষ্টনী বা ৰাজনৈতিক আৱেষ্টনীৰ ভিতৰত যেনে একোখন দেশ, ৰাজ্য বা একোটা সৰু অঞ্চলৰ বাবেও প্ৰযোজ্য হয়। এই বৈচিত্ৰতা সমতল অঞ্চল যেনে বনাঞ্চল, ঘাঁহনি অঞ্চল আৰু মৰুভূমি, পৰ্বত-পাহাৰ, জলাশয় যেনে নদ-নদী, হ্ৰদ, সাগৰ ইত্যাদিত দেখা যায়। এই অঞ্চলসমূহত অৱশ্যে মানুহৰ দ্বাৰা সৃষ্ট কেতবোৰ পৰিবৰ্তিত অঞ্চলো দেখা যায় যেনে কৃষি পাম বা ঘাঁহনি অঞ্চল।

এটা পৰিৱেশ তন্ত্ৰ প্ৰাকৃতিক হৈ থাকে যেতিয়ালৈকে ই মানুহৰ ক্ৰিয়া-কৰ্মৰ দ্বাৰা প্ৰভাৱিত নহয় আৰু পৰিৱৰ্তিত হ'ব যেতিয়া ই কৃষি পাম বা চহৰ অঞ্চললৈ ৰূপান্তৰিত হয়। যেতিয়া প্ৰাকৃতিক পৰিৱেশ তন্ত্ৰ অতিপাত বা ত্ৰুটিপূৰ্ণভাৱে ব্যৱহাৰ হয়, ইয়াৰ উৎপাদনশীলতা কমি আহে আৰু তাকে অৱক্ষয় (degradation) বোলে। আমাৰ ভাৰতবৰ্ষ পৰিৱেশ তন্ত্ৰৰ বৈচিত্ৰতাতো বিশেষভাৱে সম্পদশালী।

পৃথিৱীত ৫ ৰপৰা ১০০ মিলিয়ন (এক মিলিয়ন দহ লাখৰ সমান) বিভিন্ন প্ৰজাতি আছে। এতিয়ালৈ মাত্ৰ ১.৯ মিলিয়নহে আৱিষ্কাৰ আৰু শ্ৰেণীভুক্ত কৰা হৈছে। পৃথিৱীত সৰ্বমুঠ ৩৪ জৈৱ-বৈচিত্ৰতাৰ হটস্পট অঞ্চল আছে। পৃথিৱীৰ সৰ্বমুঠ উদ্ভিদৰ শতকৰা ৪৪.৪ আৰু মেৰুদণ্ডী জীৱৰ শতকৰা ৩৫.৩ এই হটস্পট অঞ্চলসমূহত পোৱা যায়।

আমাৰ ভাৰতবৰ্ষ, পৃথিৱীৰ সৰ্বমুঠ জৈৱ-বৈচিত্ৰতাৰ শতকৰা ১২.৫৩ অংশ আগুৰি ব্যতিক্ৰমীভাৱে জৈৱ-বৈচিত্ৰতাত সম্পদশালী। দেশখনৰ মাটিকালিৰ ৩.৯ শতাংশ ঘাঁহনি, ২ শতাংশ মৰুভূমি, ৪.১ মিলিয়ন হেক্টৰ জলাশয়ৰে পৰিৱেশ তন্ত্ৰ গঢ়ি উঠিছে। ভাৰতবৰ্ষৰ ১০ টা জৈৱ-ভৌগোলিক ক্ষেত্ৰ আৰু ২৫ টা জৈৱ-প্ৰদেশক আগুৰি সকলোখিনি জৈৱ-বৈচিত্ৰতা বিদ্যমান। এই ক্ষেত্ৰসমূহ বিশেষকৈ হিমালয়ৰ পাদদেশ অঞ্চল, পূৰ্বঘাট, পশ্চিমঘাট আৰু উত্তৰ-পূৱৰ পাহাৰীয়া অঞ্চলসমূহত বিয়পি আছে। শুনিবলৈ আচৰিত যে আমাৰ দেশত প্ৰায় ১,৩৯,০০০ প্ৰজাতিৰ উদ্ভিদ, জীৱ-জন্তু আৰু ক্ষুদ্ৰাতি-ক্ষুদ্ৰ জীৱ আছে। তাৰ ভিতৰত ৪৫০০০ ৰ অধিক উদ্ভিদ আৰু ৮৯০০০ ৰ অধিক প্ৰজাতিৰ জীৱ-জন্তু আছে। তাৰোপৰি এতিয়াও প্ৰায় ৪ লাখ প্ৰজাতি চিনাক্ত কৰিবলৈ বাকী আছে।

### জৈৱ-বৈচিত্ৰতাৰ গুৰুত্ব আৰু উপকাৰিতা ঃ

জৈৱ-বৈচিত্ৰতাৰ গুৰুত্ব কি বুলি ক'লে একেবাৰে ক'ব

লাগিব জৈৱ-বৈচিত্ৰতাই আমাৰ জীৱন ধাৰণৰ আধাৰ নিৰ্ণয় কৰে। সেই হেতু আমি জৈৱ-প্ৰজাতিসমূহ বিলুপ্তি হোৱাৰ পৰা সংৰক্ষণ কৰিব লাগে। কাৰণ—

১। প্ৰজাতিসমূহে বিভিন্ন দ্ৰব্য প্ৰত্যক্ষভাৱে মানৱ জাতিলৈ যোগান ধৰে যেনে ঃ খাদ্য, ঔষধ, কাঠ, আঁহ ইত্যাদি।

২। প্ৰজাতিসমূহে পৰম্পৰে দ্ৰব্য বা সেৱাৰ যোগান ধৰে। যেনে-বংশ বৃদ্ধিত সহায় কৰে, পৰিপুষ্টি চক্ৰ সম্পূৰ্ণ কৰে, বতৰ আৰু জলবায়ু নিয়ন্ত্ৰণ কৰে। উদাহৰণ স্বৰূপে মৌ মাখিয়ে উদ্ভিদৰ বংশ বৃদ্ধিত বিশেষ ভূমিকা গ্ৰহণ কৰে। প্ৰতিটো প্ৰজাতি পৰস্পৰ নিৰ্ভৰশীল আৰু এনেদৰে পৰিৱেশ তন্ত্ৰ ভাৰসাম্য কৰি ৰাখে। সেইবাবে এটা প্ৰজাতিৰ বিলুপ্তিয়ে গোটেই পৰিৱেশ তন্ত্ৰক অশান্ত কৰাৰ লগতে কম উৎপাদনশীল কৰে।

৩। মানৱ সভ্যতাৰ অগ্ৰগতি বনৰীয়া প্ৰজাতিৰ লগত জড়িত। বিভিন্ন ধৰ্মগ্ৰন্থসমূহত এইবোৰ পোৱা যায়। তদুপৰি বিভিন্ন মানসিকতাৰে সাংস্কৃতিক বৈচিত্ৰতাৰ লগত প্ৰজাতিসমূহ বিভিন্নভাৱে জড়িত হৈ আহিছে।

### জৈৱ-বৈচিত্ৰতা সংৰক্ষণৰ প্ৰয়োজনীয়তা ঃ

মানৱ জাতিৰ সীমাহীন অভাৱ আৰু লক্ষ্য পূৰণৰ হেতু পৃথিৱীৰ বিভিন্ন প্ৰজাতিসমূহৰ জীৱন বৰ্তমান সংকটত। বৰ্ষাৰণ্যৰ লগতে আন সকলো প্ৰকাৰৰ অৰণ্য ধ্বংসৰ ফলত অসংখ্য জৈৱ-প্ৰজাতি বিলুপ্তি ঘটিছে। গতিকে যিখিনি বাকী আছে তাক ৰক্ষা কৰিবলৈ ইয়াৰ অধ্যয়ন আৰু সংৰক্ষণ অতিকে প্ৰয়োজনীয়। ইয়াৰ বাবে প্ৰয়োজনীয়—

১। জল-সম্পদসমূহৰ সংৰক্ষণ, ভূমি সংগঠন আৰু সংৰক্ষণ, খনিজ লৱণৰ মজুতকৰণ আৰু বিতৰণ, সকলো ধৰণৰ প্ৰদূষণ ৰোধ।

২। গছ-গছনিয়ে সকলো স্তৰতে জলবায়ুৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। বনাঞ্চলে বৰষুণৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে। গছ-গছনিয়ে জলীয়বাষ্প পুনৰ বায়ুমণ্ডললৈ পঠিয়াই বায়ুমণ্ডলীয় চাপৰ সৃষ্টি কৰে। জনসংখ্যা বৃদ্ধিয়ে বনাঞ্চলসমূহলৈ বসবাস বৃদ্ধি ঘটাই বহুমূলীয়া গছ-গছনিৰ পৰিমাণ কমাই অনাৰ ফলত বায়ুত কাৰ্বন-ডাই-অক্সাইডৰ ($CO_2$) পৰিমাণ বৃদ্ধি পাইছে। ইয়াকে সেউজ-গৃহ পৰিণাম বোলে। কেৱল মাত্ৰ গছ-গছনিয়েহে $CO_2$ শোষণ কৰিব পাৰে আৰু $CO_2$ আৰু অক্সিজেনৰ ($O_2$) ভাৰসাম্যতা বৰ্তাই ৰাখে।

৩। জীৱন ধাৰণৰ বাবে প্ৰাণী আৰু উদ্ভিদৰ পৰস্পৰ সম্পৰ্ক বৰ্তাই ৰখাটো অতি আৱশ্যক। এটাৰ অনুপস্থিতিয়ে গোটেই প্ৰণালীটো অশান্ত কৰি তোলে। গছ থাকিলেহে মানুহ থাকিব প্ৰকৃতিপ্ৰেমীসকলে শ্লোগান দিয়েই আছে।

৪। প্ৰকৃতিৰ লগত মানুহৰ আৱেগিক আৰু আধ্যাত্মিক সম্পৰ্কও আছে। তদুপৰি লোক সংস্কৃতি বিভিন্ন ধৰণে গছ-গছনি, জীৱ-জন্তুৰ লগত জড়িত।

৫। জৈৱ-বৈচিত্ৰতাৰ নান্দনিক আৰু অৱসৰ বিনোদনৰ মূল্য অপৰিসীম। প্ৰকৃতিৰ ৰূপৰাজিয়ে আমাৰ মনত অপাৰ আনন্দৰ সৃষ্টি কৰে। প্ৰকৃতি প্ৰদত্ত ৰূপৰাজিৰ দৰ্শনৰ বাবে অহা ভ্ৰমণকাৰীৰ বাবে বহুত সেৱা কাৰ্য সৃষ্টি হৈছে আৰু এনেদৰে মানুহৰ উপাৰ্জনৰ পথ মুকলি হৈছে।

৬। জৈৱ-বৈচিত্ৰতা বহুতো গৱেষণামূলক কামৰ তথ্যৰ উৎস।

৭। এইটো সত্য যে মানুহৰ যেনেদৰে জীয়াই থকাৰ জন্মগত অধিকাৰ আছে ঠিক তেনেদৰে প্ৰত্যেক জীৱৰ আছে। প্ৰকৃতিৰ বুকুত থকা প্ৰত্যেক জীৱক নিজস্বভাৱে জীয়াই থাকিবলৈ দিয়াটো নীতিগত আৰু নৈতিক দায়িত্ব সকলোৰে আছে।

### জৈৱ-বৈচিত্ৰতাৰ প্ৰতি ভাবুকি ঃ

অনিচ্ছাকৃত বা ইচ্ছাকৃতভাৱেই হওঁক, জীয়াই থকাৰ তাড়নাত আজি জীৱ শ্ৰেষ্ঠ মানুহে প্ৰকৃতিৰ ওপৰত মাধমাৰ সোধাবলৈ কুণ্ঠাবোধ কৰা নাই যাৰ ফলস্বৰূপে বৰ্তমান এক বৃহৎ সংখ্যক প্ৰজাতিৰ বিলুপ্তি ঘটিছে আৰু কেতবোৰ বিলুপ্তিৰ পথত। নতুন প্ৰজাতিৰ উৎপত্তি মানুহৰ বাবে প্ৰয়োজনত অহা প্ৰাকৃতিক সম্পদ নহ'বও পাৰে কিন্তু এটা প্ৰজাতিৰ বিলুপ্তিয়ে গোটেই পৰিৱেশতন্ত্ৰত প্ৰতিকূল প্ৰভাৱ পেলায়। মহাত্মা গান্ধীয়ে কৈছিল- 'ধৰিত্ৰী আইয়ে আমাৰ অভাৱ পূৰণ কৰিবলৈ সকলো দিছে কিন্তু আমাৰ ইচ্ছা মতে ব্যৱহাৰ কৰিবলৈ কোৱা নাই'। আজি মানুহৰ ইচ্ছা মতে ব্যৱহাৰ কৰাৰ ফলত জৈৱ-বৈচিত্ৰতা বিপদাপন্ন। জৈৱ-বৈচিত্ৰতাৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ মুখ্য কাৰণবোৰ হ'ল—

১। অৰ্থনৈতিকভাৱে ব্যৱহৃত প্ৰজাতিসমূহৰ অতিপাত ব্যৱহাৰ বা অসৎ ব্যৱহাৰে জীৱকুলৰ প্ৰতি বিলুপ্তিৰ ভাবুকি আনিছে। জীৱ-জন্তুসমূহ হত্যা কৰা হয় সিহঁতৰ বহুমূলীয়া দাঁত, নোম, ছাল বা চৰ্ম, খৰ্গ, হাড় আৰু আন আন অংগ-প্ৰত্যংগৰ বাবে। কিন্তু



নক'লেও হ'ব যে ইয়াৰ বেছি ভাগৰ চাহিদা অন্ধবিশ্বাসৰ ফল। আনহাতে বহুত বনাঞ্চলৰ গছ-গছনিৰ ধ্বংসৰ মূল কাৰণ হ'ল কাঠ ভিত্তিক উদ্যোগ।

২। বনাঞ্চল ধ্বংসই জীৱকুলৰ বসতি ধ্বংস কৰিছে। ফলত মানুহৰ বসতিত প্ৰৱেশ কৰি দুয়ো প্ৰজাতিৰ জীৱন বিপদাপন্ন বা হেৰুৱাব লগাত পৰিছে।

৩। বনাঞ্চল ধ্বংসই সকলো ধ্বংসৰ মূল। ৰাস্তা-ঘাট নিৰ্মাণ, বৃহৎ জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ, উদ্যোগ স্থাপন, বাসস্থান নিৰ্মাণ (জনসংখ্যাৰ বৃদ্ধি) আদিয়ে বৃহৎ মাত্ৰাত বনাঞ্চল ধ্বংস কৰিছে।

৪। তদুপৰি বৃহৎ ভূমি সৰু সৰু খণ্ডত বিভক্ত হোৱাৰ ফলত সীমা বিবাদৰ সৃষ্টি হৈ জীৱকুলৰ বিচৰণত অসুবিধাৰ সৃষ্টি কৰিছে।

৫। বনাঞ্চল ধ্বংসই গোলকীয় উষ্ণতা বৃদ্ধিৰ মূল কাৰণ। ই মেৰু অঞ্চলৰ বৰফ গলাই সাগৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি কৰিছে ফলস্বৰূপে উপকূলীয় অঞ্চলসমূহত বানপানীৰ তাণ্ডৱৰ সৃষ্টি হৈছে। আনহাতে বৰষুণৰ অভাৱত কেতবোৰ অঞ্চলত খৰাং বতৰৰ সৃষ্টি হৈছে। বতৰৰ এনে পৰিৱৰ্তনে জীৱ জগতলৈ ভাবুকিৰ সৃষ্টি কৰিছে। পৰিভ্ৰমী পক্ষীকুলৰ বিচৰণত বাধাৰ সৃষ্টি হৈ সিহঁতৰ জনসংখ্যা বৃদ্ধিত প্ৰতিকূল প্ৰভাৱ পৰিছে।

### জৈৱ-বৈচিত্ৰতাৰ সংৰক্ষণ ঃ

কেনেদৰে জৈৱ-বৈচিত্ৰতা ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিব পাৰি? এইটো সঠিক যে যেনেদৰে প্ৰকৃতি তন্ত্ৰৰ পৰিৱৰ্তনে কেতবোৰ প্ৰজাতিৰ বিলুপ্তি ঘটাইছে বা জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে ঠিক তেনেদৰে জীৱ-শ্ৰেষ্ঠ মানুহৰ জীৱনলৈও ভাবুকিৰ সৃষ্টি হ'ব বা আৰম্ভ ইতিমধ্যে হৈছেই। গতিকে জৈৱ-বৈচিত্ৰতাৰ সংৰক্ষণ এতিয়া এক ডাঙৰ প্ৰত্যাহ্বান।

জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ প্ৰাথমিক বা প্ৰয়োজনীয় দ্ৰব্য সামগ্ৰীৰ প্ৰতি চাহিদা বৃদ্ধি হয়। এই দ্ৰব্য সামগ্ৰীসমূহ তৈয়াৰ কৰিবলৈ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰা হয়। প্ৰাকৃতিক সম্পদ দুই প্ৰকাৰৰ ঃ পুনৰনৱীকৰণ আৰু অনৱীকৰণ। যিবোৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰাৰ পিছত পুনৰ উৎপাদন কৰিব পাৰি তাক পুনৰনৱীকৰণ বোলে। আনহাতে যিবোৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰাৰ পিছত পুনৰ উৎপাদন কৰিব নোৱাৰি তাক অনৱীকৰণ বোলে। সৌৰ শক্তি, বায়ু শক্তি, জল শক্তি, কৃষি উৎপাদন আদি পুনৰনৱীকৰণ সম্পদ। অনৱীকৰণ সম্পদসমূহ হ'ল- খনিজ সম্পদ যেনে- খাৰুৱা তেল, বিবিধ খনিজ দ্ৰব্য যেনে- সোণ, লো, চূণ, মাইকা, কয়লা, ইউৰেনিয়াম ইত্যাদি।

মানৱ সভ্যতাৰ অগ্ৰগতিৰ মূল্যায়নৰ এক মাপকাঠি হ'ল অৰ্থনৈতিক উন্নয়ন। জৈৱ-বৈচিত্ৰতাৰ সংৰক্ষণে বহনক্ষম-উন্নয়ন বুলি এটা নতুন ধাৰণাৰ সৃষ্টি কৰিছে। যি উন্নয়নত, ব্যৱহৃত সম্পদসমূহ ভৱিষ্যত প্ৰজন্মৰ বাবে শেষ হৈ নাযায় বা পুনৰ উদ্ধাৰ কৰিব পৰা যায় তাক বহনক্ষম-উন্নয়ন বোলে। বহনক্ষম-উন্নয়নত পুনৰনৱীকৰণযুক্ত সম্পদসমূহৰ ব্যৱহাৰত গুৰুত্ব প্ৰদান কৰি প্ৰকৃতি তথা পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্যতা বজাই ৰাখিবলৈ চেষ্টা কৰা হয়।

### সামৰণি ঃ

জৈৱ-বৈচিত্ৰতাৰ মূল্যায়ন বৰ্তমান সময়ৰ এক প্ৰত্যাহ্বান। ইতিমধ্যে বিলুপ্তি হোৱা বা হ'ব ধৰা প্ৰজাতিসমূহৰ বিলুপ্তিৰ কাৰণ আৰু উদ্ধাৰৰ উপায় প্ৰকৃতি প্ৰেমীৰ বাবে এক আন্দোলন হিচাপে পৰিগণিত হৈছে। জৈৱ-কাৰিকৰী অধ্যয়নে বহুত প্ৰাকৃতিক দ্ৰব্য ইতিমধ্যে উৎপাদন কৰিবলৈ সক্ষম হৈছে আৰু বাকী আছে। প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ আন্তৰ্জাতিক সংগঠন (International Union for the Conservation of Nature and Natural resources IUCN) য়ে প্ৰজাতিসমূহৰ সংৰক্ষণ বিভিন্ন স্তৰত ভাগ কৰি এখন তালিকা প্ৰস্তুত কৰি ৰেড ডাটা বুক (Red Data Book) প্ৰকাশ কৰিছে। ■

উৎস ঃ ইন্টাৰনেট

## ডাকৰ বচন

◌ মাগুৰ মাছ হালধি, জলকীয়া, হিং দি ৰন্ধা সুস্বাদু ব্যঞ্জন ৰন্ধন প্ৰকাশ সম্পৰ্কে —

*"মাগুৰ মাছৰ চিৰ কুটিয়া।*
*হালধি মৰিচ হিংগক দিয়া।।*
*তৈল লোণ দিয়া কৰিব পাক।*
*ভাল ব্যঞ্জন বোলয় তাক।।"*

◌ কাৰৈ মাছ কিদৰে ভাজি খাব পাৰি তাৰ দিহা এইদৰে দিছে—

*"কাৰৈ মাছক চিৰকুটিয়া।*
*নিকটু দিয়া তৈলে ভাজিয়া।।*
*ওলট পালট কৰিবা পিট।*
*খায়া পাইবা ভোজন মিঠ।।"*



# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় ঃ অনুভৱৰ বাটেৰে কিছু কথা কৈ কিছু কথা থৈ


□ অংগনা ঠাকুৰীয়া

*প্ৰাক্তন ছাত্ৰী, অৰ্থনীতি বিভাগ*




*৩২ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ নাৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰ: প্ৰাণোজ্জ্বল, যৌৱনাদ্দীপ্ত আৰু একতাৰ এক পৰিচয় দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়।।*

একতা আৰু স্নেহৰ এনাজৰীৰে বান্ধি ৰখা আমাৰ জ্ঞানৰ ঠিকনা, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়লৈ মোৰ এবুকু মৰম ও শ্ৰদ্ধা জ্ঞাপন কৰিলো। চিৰসেউজীয়া মহাবিদ্যালয়খনত কটোৱা ক্লান্তিহীন সোণালী দিনবোৰ মোৰ মন ডায়েৰীত সদায় সজীৱ হৈ আছে; আচলতে মনত সদায় দোলা দি থাকে মহাবিদ্যালয়ৰ সেই মধুৰ স্মৃতিবোৰ....। সেইদিনা আছিল ২০১২ চনৰ পহিলা আগষ্ট, মহাবিদ্যালয় জীৱনৰ মোৰ প্ৰথম দিন। দুচকুত নতুন সপোন, মনত কিছু টুকুৰা-টুকুৰ অভিজ্ঞতাক সাৱটি এক নতুন অভিজ্ঞতাৰ দিশে আগবাঢ়ি যোৱাৰ হাবিয়াস, বুকুৰ মাজত লাজ আৰু ভয়ৰ ধপ্‌ধপনি, এই সমস্তবোৰেই আছিল মোৰ প্ৰথম দিনটোৰ সাৰথি। সেইদিনাখন পাঠদানৰ পূৰ্ব নিৰ্ধাৰিত সময়ত, নিৰ্দ্দিষ্ট নতুন সাজযোৰ পিন্ধি মহাবিদ্যালয়ত উপস্থিত হৈ মই আপ্লুত হৈ পৰিছিলো মহাবিদ্যালয়ৰ চৌহদৰ অনুপম সৌন্দৰ্য্য দেখি। পলকতে আপোন হৈ পৰিছিল চৌদিশে বলি থকা ভক্তি প্ৰেমৰ বতাহজাক আৰু জাক জাক ছাত্ৰীৰ চঞ্চল হাঁহিয়ে প্ৰতিধ্বনিত কৰা সেই ব্যস্ত পৰিৱেশটো শ্ৰেণীকোঠাৰ সন্মুখৰ বাগিচাত ফুলি থকা ফুলবোৰেও মহাবিদ্যালখনৰ সৌন্দৰ্য্য বৰ্ধনত কেতিয়াও ক্ৰটি ৰখা নাছিল। শিক্ষাৰ বাবে উৎকৃষ্ট এক নিস্তব্ধ আবেষ্টনীৰ মাজত অৱস্থিত মহাবিদ্যালয়খনৰ সদাব্যস্ত শ্ৰেণীকোঠা, পুথিভঁৰাল, প্ৰশাসনিক ভৱনকে আদি কৰি ছাত্ৰী জিৰণি কোঠালৈকে প্ৰত্যেকৰ বাবে একেই কঠোৰ নিয়ম, অনুশাসন প্ৰযোজ্য। এইখন মহাবিদ্যালয়ৰ আলংকাৰিক সৌন্দৰ্যক আপোন কৰি ল'বলৈ পাই আজি নিজকে আত্মসন্তুষ্টিৰ শীৰ্ষত ৰাখিবলৈ সক্ষম হৈছো।

দৈনিক পাঠ্যক্ৰমৰ মাজেৰেই অতি কম সময়ৰ ভিতৰতে সহপাঠী আৰু শিক্ষাগুৰুবৃন্দৰ লগতে অনা-শিক্ষক কৰ্মচাৰীবৃন্দৰ সৈতেও এক নিভাঁজ আপোনভাৱ গঢ়ি উঠিছিল। এই সম্পৰ্ক আৰু অধিক গাঢ় কৰিছিল "নৱাগত আদৰণি সভা", "মহাবিদ্যালয় সপ্তাহ" আদিৰ দৰে অনুষ্ঠানবোৰৰ মাজেৰে। পাঁচ বছৰত আনকি বৰ্তমানলৈও পিতৃ-মাতৃ সদৃশ শিক্ষাগুৰুসকলৰ পৰা পোৱা অগাধ মৰম আৰু আশীৰ্বাদ, সহপাঠী কিম্বা জ্যেষ্ঠ-কনিষ্ঠসকলৰ লগত সহায়-সহযোগিতা আৰু হাঁহি-ধেমালিৰে অতিবাহিত কৰা মধুৰ স্মৃতিবোৰ পাহৰিব নোৱাৰা এক অলিখিত দস্তাবেজ। এই সমস্তবোৰ মোৰ সদায় মন কাগজত লিখা থাকিব।

কেতিয়াবা মনলৈ কিছু প্ৰশ্ন আহে যেনে, প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় পৰ্যন্ত মই বহু লোকৰ সান্নিধ্য লাভ কৰাৰ সুযোগ পাইছো; কিন্তু মহাবিদ্যালয়ৰ পৰিয়ালটো মোৰ বাবে সদায় বিশেষ হৈ থাকিব কিয় (?); কিয় প্ৰতিজনী ছাত্ৰীয়ে মহাবিদ্যালয়ৰ পাহৰিব নোখোজা স্মৃতিবোৰৰ সৈতে ইমান আবেগিক হৈ থাকে (?), ইত্যাদি বহুতো....। নিজৰ মাজত বিচাৰি পোৱা উত্তৰবোৰৰ উত্তৰ শব্দৰে প্ৰকাশ কৰাৰ ধৃষ্টতা হয়তো মোৰ নাই; মই শব্দৰ ভঁৰালেৰে ইমান চহকীও নহয় যে মহাবিদ্যালয়ৰ পৰা পোৱা মৰম আৰু আস্থাৰ পৰিধিৰ বিশালতা, অন্তৰৰ মাজত সৃষ্টি হোৱা আৱেগৰ চূড়ান্ত উচ্চতা, শ্ৰদ্ধাৰ গভীৰতা আৰু আশীৰ্বাদৰ ওজন শব্দৰে জুখিব পাৰিম। কাৰ্যতঃ মই মাথোঁ অনুভৱ কৰো অধ্যক্ষ মহোদয় তথা বিভাগীয় শিক্ষাগুৰুসকলৰ কষ্ট আৰু ত্যাগৰ সংমিশ্ৰণেৰে নিৰ্মাণ কৰা এখন অদৃশ্য সাঁকো; যাৰ দ্বাৰা ছাত্ৰীসকলে বগাব পাৰে শূন্যতাৰ পৰা পূৰ্ণতালৈ, হতাশাৰ পৰা প্ৰথিতযশালৈ। কোনো ছাত্ৰীয়ে শ্ৰেণীকোঠাত নুবুজাটো নিৰ্ভয়ে বিভাগসমূহত গৈ বুজি ল'ব পৰাকৈ শিক্ষাগুৰুসকলে আন্তৰিকতাৰে এক বন্ধুসুলভ সম্পৰ্কৰ গঢ় দিয়ে যাতে ছাত্ৰীসকলে কোনোধৰণৰ আসোঁৱাহ নথকাকৈ প্ৰতিটো বিষয়ৰে সম্পূৰ্ণ জ্ঞান আয়ত্ব কৰিব পাৰে। যাৰ ফলস্বৰূপে মেট্ৰিকত দ্বিতীয় বা তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰীজনীও উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত প্ৰথম বিভাগ, ষ্টাৰ মাৰ্কচ্ আদি পোৱাৰ ইতিহাসেৰে মহাবিদ্যালয়খন জিলিকি আছে। স্বাভাৱিকতে শিক্ষাগুৰুসকলৰ পৰা পোৱা দিগদৰ্শন, সহায় আদিৰ বাবেই ছাত্ৰীসকলে বিভিন্ন ক্ষেত্ৰত নিজস্ব প্ৰতিভা প্ৰদৰ্শনৰ উপৰিও পৰীক্ষাৰ প্ৰাপ্ত নম্বৰৰ শতাংশৰ হাৰ ক্ৰমবৰ্ধমান হাৰত বৃদ্ধি কৰিবলৈ সক্ষম হয়। এই বৃদ্ধিৰ হাৰ অব্যাহত থাকক।

দায়িত্ববোধ আৰু সময়ানুবৰ্তিতাৰ ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ বিশেষকৈ অৰ্থনীতি বিভাগৰ শিক্ষাগুৰুসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম। তেওঁলোকৰ পৰা পোৱা অনুপ্ৰেৰণা আৰু তাগিদাৰ বাবেই সকলো সময়তে মই সক্ৰিয় হৈ থাকি কষ্ট আৰু সাধনাৰে সফলতাৰ দিশে আগবাঢ়ি যাবলৈ শিকিছিলো। এদিন বিশেষ কাৰণ এটাত বিভাগীয় শ্ৰীযুতা ইন্দ্ৰাণী বাইদেউ আৰু ড° নিবেদিতা বাইদেৱে মোক একেমুখে কোৱা সেই কথাষাৰ বুকুত বান্ধিয়ে আজিও খুঁজাৰ সাহস গোটাও। তেওঁলোকে মোক কৈছিল, "পৰিস্থিতি যিয়ে নহওক, সমস্যা যি ৰূপেই নাহক তোমাৰ কৰ্তব্য তুমি সদায় পালন কৰি যোৱা; কেতিয়াও সমস্যাক দোহাই দি কৰ্তব্যৰ পৰা বিচলিত নহ'বা"। মাতৃসদৃশ দুগৰাকী শিক্ষাগুৰুৱে দিয়া এই উপদেশ সদায় পালন কৰিবলৈ চেষ্টা কৰিম। মহাবিদ্যালয়ৰ প্ৰথম দিনাৰ প্ৰথম শ্ৰেণীত ইংৰাজী বিভাগৰ ড° মালবিকা বাইদেৱে কোৱা কথাষাৰ আজিও মনত আছে "Now or never" উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ শ্ৰেণীত এদিন জিনু বাইদেৱে কোৱা কথাষাৰ কাণত বাজি উঠে এতিয়া। তেওঁ আমাক কৈছিল, "জীৱন গঢ় দিয়াটো আমাৰ একমাত্ৰ উদ্দেশ্য নহয়, সমাজ গঢ় দিয়াটো আমাৰ লক্ষ্য হোৱা উচিত"। নৱাগত আদৰণি সভাৰ দিনা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰী মহোদয়ৰ ভাষণ শুনাৰ পৰাই প্ৰতিটো খোজ খুব সাৱধানে আগুৱাই দি আগবাঢ়ি যাবলৈ প্ৰয়াস কৰিছিলো। তথাপিও যদি মোৰ অজ্ঞাতসাৰে ক'ৰবাত ভুল হৈ গৈছে সেয়া মোৰ বাবে অজ্ঞেয়। তেখেতে ভাষণত কৈছিল যে কেৱল মহাবিদ্যালয়ৰ সাঁজযোৰ পিন্ধিলেই আমাক এই মহাবিদ্যালয়ৰ ছাত্ৰী বুলি চিনি পালে নহ'ব; আমাৰ শালীনতাত চিনি পাব লাগিব, আমাৰ কথা-ব্যৱহাৰত চিনি পাব লাগিব যে আমি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী। এজন পিতৃসদৃশ শিক্ষাগুৰুৰ এই কথাষাৰ প্ৰতিজনী ছাত্ৰীৰ বাবে অমূল্যবাণী, এই কথাষাৰৰ ব্যৱহাৰিক প্ৰমাণ দিয়াটো প্ৰতিজনী ছাত্ৰীৰ দায়িত্ব হোৱা উচিত। কিয়নো মহাবিদ্যালয়খন যেনেকৈ আমাৰ ব্যক্তিগত জীৱনৰ এক সুকীয়া পৰিচয়; তেনেকৈ আমিয়ে মহাবিদ্যালয়খনৰ প্ৰধান পৰিচয়। এতেকে প্ৰতিজনী ছাত্ৰীৰ কৰ্ম আৰু ফলাফলৰ ওপৰতে মহাবিদ্যালয়খনৰ অস্তিত্ব জড়িত হৈ আছে বুলি ভাবো। সঁচাকৈ, পৰীক্ষাৰ নম্বৰ প্ৰাপ্তিত সহায় নকৰা এনেবোৰ সৰু সৰু জ্ঞান হৈছে মহাবিদ্যালয়ৰ পৰা পোৱা মোৰ শ্ৰেষ্ঠ উপহাৰ। ড° ৰঞ্জন ভূঞা ছাৰ, ড° জগন্নাথ বৰ্মন ছাৰ, ড° জাহ্নৱী বাইদেউ, মিনাক্ষী বৈৰাগী বাইদেউ, যমুনা বাইদেউ, ড° মনশ্ৰী বাইদেউ আদি শিক্ষাগুৰুসকলৰ সহজ শিক্ষণ পদ্ধতিয়ে মোক শিকাৰ বাবে আগ্ৰহী কৰি তুলিছিল। এইসকল শিক্ষাগুৰুৰ চৰণত মোৰ কোটি কোটি প্ৰণাম। এবাৰ 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে অনুষ্ঠিত কৰা সাহিত্য বিভাগৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ড° লীলাৱতী বাইদেউ আৰু কমলেশ্বৰ বৰা ছাৰে মোক মাতি নি জোৰ কৰি কাগজ কলম হাতত তুলি নিদিয়াহেঁতেন মোক লাজ আৰু ভয়ে আজি এনেদৰে মনৰ অনুভৱবোৰ শব্দৰে প্ৰকাশ কৰিব নিদিলেহেঁতেন। তেনে বহু স্মৃতি আৰু মোৰ ব্যক্তিগত জীৱনৰো হাঁহি-কান্দোনৰ সাক্ষী হৈ আছে মহাবিদ্যালয় চৌহদটো, শ্ৰেণীকোঠাবোৰ। ডায়েৰীৰ পৃষ্ঠা লুটিয়ালেই সেই স্মৃতিবোৰে দুচকুত ধৰা দি আমনি কৰে। কিন্তু পাঁচ বছৰীয়া মহাবিদ্যালয়ৰ জীৱন যাত্ৰা কেইটামান শব্দৰে লিখি প্ৰকাশ কৰা অসম্ভৱ। মাথোঁ অনুভৱৰ বাটেৰে আগুৱাই গৈছো কিছু কথা কৈ কিছু থৈ।

শেষত মোৰ শ্ৰদ্ধাৰ সকলো শিক্ষাগুৰুলৈ আগন্তুক 'শিক্ষক দিবস'ৰ শুভেচ্ছা জ্ঞাপন কৰিলো। আপোনালোকলৈ মই কৰযোৰে কৰা প্ৰণাম গ্ৰহণ কৰে যেন। আপোনালোক আটাইৰে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু অন্তৰেৰে কামনা কৰিলো। এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপে মহাবিদ্যালখনৰ শৈক্ষিক মানদণ্ডৰ আৰু অধিক উন্নতিৰে অসমৰ চুকে-কোণে মহাবিদ্যালখনৰ নাম জিলিকি থকাটো সদায় কামনা কৰো। এই ক্ষেত্ৰতে মই অধ্যক্ষ মহোদয়লৈ এটি অনুৰোধ কৰিব বিচাৰিছো। বৰ্তমান ছাত্ৰীসকলে, বিশেষকৈ প্ৰাক্তন ছাত্ৰীসকলে আত্মনিৰ্ভৰ হোৱাৰ উদ্দেশ্যে বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা হয়। এতেকে মই মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যদি সম্ভৱ হয় কম্পিউটাৰ আৰু বিউটীচীয়ানৰ প্ৰশিক্ষণৰ নিচিনাকৈ Banking, APSC, SSC আদিৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰয়োজনীয় Course সমূহ অন্তৰ্ভুক্ত কৰিব পাৰিলে ছাত্ৰীসকল প্ৰকৃতাৰ্থত উপকৃত হ'ব। আমি বিচাৰো দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় যুগান্তকাৰী ইতিহাস ৰচনা কৰক। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় দীৰ্ঘজীৱী হওঁক, শেহতীয়াকৈ জন্ম লোৱা "সেউজ ধৰণী" দীৰ্ঘজীৱী হওঁক। চিৰসেউজীয়াৰে আৱৰি থকা মহাবিদ্যালয়খন "সেউজীয়াৰ দেশ" ৰূপে পৰিচিত হওঁক। ■

# অভিভাৱক সন্থাৰ সভাপতিৰ অনুভৱ

❑ হৰেশ্বৰ কলিতা
সভাপতি, অভিভাৱক সন্থা



২০১৯ ইং বৰ্ষৰ ১৪ চেপ্তেম্বৰ তাৰিখে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অভিভাৱক সন্থাৰ বাৰ্ষিক সাধাৰণ সভাত যিসকল সদাশয় ব্যক্তিয়ে মোক সভাপতিৰ আসনত উপৱিষ্ট কৰিলে সেইসকল ব্যক্তিক পোনপ্ৰথমে মই কৃতজ্ঞতা জ্ঞাপন কৰি দু-আষাৰ কোৱাৰ প্ৰয়াস কৰিলো।

এটি মহান শিক্ষানুষ্ঠান সুকলমে পৰিচালিত হ'বলৈ হ'লে অভিভাৱকৰ দায়িত্ব অপৰিসীম। আৰু সেই উদ্দেশ্যেৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়তো অভিভাৱক সন্থাটো গঠন কৰা হয়। এই সন্থাটিৰ জৰিয়তে ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ মাজত মহান সম্পৰ্ক গঢ় লৈ উঠে।

দক্ষিণ কামৰূপৰ স্ত্ৰী শিক্ষাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰসাৰ আৰু বিকাশ লাভ কৰাৰ বাবে অভিভাৱক সন্থাই যথাসাধ্য সহযোগিতা আগবঢ়াই আহিছে। মোৰ কাৰ্য্যকালৰ প্ৰথমখন বৈঠকত এই মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আৰু স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত যিসকল ছাত্ৰীয়ে সৰ্বোচ্চ নম্বৰ লৈ উত্তীৰ্ণ হ'ব সেইসকল ছাত্ৰীলৈ অভিভাৱক সন্থাৰ ফালৰ পৰা পুৰস্কাৰ বখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

অভিভাৱক সন্থাৰ এটি স্থায়ী কাৰ্যালয়ৰ অভাৱ অনুভৱ কৰি এই সন্থাৰ জমা পুঁজিৰে এটি স্থায়ী কাৰ্য্যালয় নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু সেই মৰ্মে বৰ্তমান ইয়াৰ নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। তদুপৰি ইয়াৰ আগেও বান সাহায্য হিচাপে মুখ্যমন্ত্ৰী সাহায্যপুঁজিলৈ ১৫,০০০ (পোন্ধৰ হেজাৰ) টকা আগবঢ়োৱা হৈছিল।

অভিভাৱক সন্থাৰ সভাপতি হিচাবে অধ্যক্ষ মহোদয়ৰ নিমন্ত্ৰণ ক্ৰমে বিশ্ব পৰিৱেশ দিৱসত ছাত্ৰী নিবাসৰ চৌহদত বৃক্ষৰোপণৰ সুযোগ লাভ কৰো।

অভিভাৱক সন্থাই মহাবিদ্যালয়ৰ শৈক্ষিক দিশ উন্নত কৰাৰ বাবে ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু অভিভাৱকৰ মাজত সঘনে সভা অনুষ্ঠিত কৰিবলৈ প্ৰয়াস কৰিছিলো যদিও বৰ্তমান কোভিড মহামাৰীৰ বাবে এই কাৰ্য্য কৰিব পৰা নগ'ল। পৰিৱেশ পৰিস্থিতি অনুকূল হ'লে সময়ে দিয়া আহ্বান সন্থাৰ তৰফৰ পৰা কাৰ্যকৰী কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হ'ব।

শেষত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, সমূহ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰী আটাইৰে সু-স্বাস্থ্য আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰিলো। ■



# আমাৰ মহাবিদ্যালয়ৰ এক সুকীয়া অনুভৱ



❑ জুৰি মহন্ত
উঃ মাঃ, দ্বিতীয় বৰ্ষ

আমাৰ সকলোৰে জীৱন পথ উপচাই তোলাত আশা-আকাংক্ষাৰে অনেক উৎসাহ, প্ৰেৰণা আৰু সাহস দিয়া আমাৰ সেই উচ্চ শিক্ষানুষ্ঠানখনেই হ'ল 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'। এইখনেই আমাৰ বিদ্যামন্দিৰ, য'ত হেজাৰ হেজাৰ ছাত্ৰীৰ জীৱনৰ ভৱিষ্যত গঢ় লোৱাৰ এখন মুখ্য অখলা। যাৰ জৰিয়তে সকলো ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি ভৱিষ্যতে এগৰাকী সু-নাগৰিক হিচাপে গঢ় দিব পাৰে। এই মহাবিদ্যালয়খনৰ প্ৰধান উদ্দেশ্যই হৈছে ছাত্ৰীসকলক জীৱনৰ সফল পথ দেখুৱাই দিয়া। কাৰণ বৰ্তমান সমাজত শিক্ষা অবিহনে কোনো মূল্য নাই। সেইবাবেই আমাক সকলোকে শিক্ষাৰ পোহৰেৰে গঢ় দিবলৈকে সৃষ্টি হৈছে আমাৰ ছোৱালী মহাবিদ্যালয়। আমাৰ এই মহাবিদ্যালয় তথা জ্ঞানৰ আলয়খন স্থাপিত হয় "১৯৮৮" চনত। যাক বৰ্তমান স্বীকৃতি দিয়া হৈছে 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়' নামেৰে।

এই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অৰ্থাৎ যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু সাধনাৰ ফলত এই জ্ঞানৰ মন্দিৰ স্থাপিত হৈছিল, সেই ব্যক্তিসকলৰ অৱদান কেতিয়াও পাহৰিব নোৱাৰি। কাৰণ তেওঁলোকৰ অসীম বলিদানৰ মূলতে আজি আমাৰ ছোৱালী মহাবিদ্যালয়খনে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লাভ কৰিবলৈ সক্ষম হৈছে। যিখন মহাবিদ্যালয় বৰ্তমানত এখন বৃহৎ মহাবিদ্যালয় হিচাপে পৰিগণিত হৈ পৰিছে। কিয়নো আমাৰ ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠিত হোৱাৰ পিছৰেপৰা বহু ছাত্ৰীয়ে আমাৰ এই সমাজখনলৈ সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই মহাবিদ্যালয়খনে ধনী-দুখীয়া সকলো ছাত্ৰীৰে সপোন পূৰণত সঁহাৰি জনাই আহিছে। যাৰবাবে এতিয়া 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়' শিক্ষাৰ এক প্ৰাণকেন্দ্ৰস্বৰূপ।

যিসকলৰ বলিদানেৰে আমাৰ এই ছোৱালী মহাবিদ্যালয়খন গঢ় লৈ উঠিছে। অৰ্থাৎ বিদ্যামন্দিৰ দিনৰ পিছত মাহ আৰু মাহৰ পিছত বছৰ ধৰি কোনো দিনে কেতিয়াও যিকোনো ক্ষেত্ৰতে বাধাৰ সন্মুখীন হ'লেও স্থবিৰ নাইবা বিফলতাৰ পথে যোৱা নাই, বৰ্তমান উজ্জ্বলিয়েই আছে। যাৰবাবে এই মহাবিদ্যালয়খন চৰকাৰী হিচাপেও স্বীকৃতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। যাক লৈ আমি গৌৰৱান্বিত। মহাবিদ্যালয়খনৰ কৰণীয় দায়িত্ব আৰু কামৰ প্ৰতি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে ইমানেই সতৰ্ক আৰু আগৰণুৱা হৈ আগবাঢ়ি কামবোৰ কৰিছে যাৰবাবে মহাবিদ্যালয়খন উন্নতিৰ পথে গতি কৰি গৈ আছে। কৰিবলগা আৰু বহুতেই আছে, যাতে বৰ্তমানতকৈ ভৱিষ্যতে বেছি উন্নতিৰ জখলাৰে বগাই গৈ বহুত বেছি জাকত-জিলিকা হৈ পৰে তাৰবাবে আমি সকলোৱে শিক্ষাগুৰুসকলৰ লগত মিলি একতাৰ এনাজৰীৰ ডোলেৰে সঁহাৰি জনাই কামবোৰ কৰিব লাগিব। তাৰবাবে মইও সদায় আগ্ৰহী হৈ আছো।

সকলোৰে জ্ঞাত যে, শিক্ষা হ'ল- মানৱ জীৱনৰ এক অন্যতম পথপ্ৰদৰ্শক আৰু এক অন্যতম জ্যোতি। এই জ্যোতিৰ আৰম্ভণি হয়, মা-দেউতাৰ পৰা। পিছত মানৱ জীৱনৰ আদিৰ পৰা শেষলৈ অন্যান্য দিশৰ সোঁতে আমাৰ আদিপাঠৰ জ্ঞান দিয়ে। যি আৰম্ভণি হয় এখন মহাবিদ্যালয়ৰ শিক্ষা অৰ্জনৰ পৰা। আমাৰ 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'খনত মই শিক্ষা গ্ৰহণ কৰিবলৈ পাই বহুত সুখী আৰু গৌৰৱান্বিত। কিয়নো মই অধিক বছৰ নহ'লেও সুদীৰ্ঘ দুটা বছৰ অতিবাহিত কৰিব পাৰিলো এই ছোৱালী মহাবিদ্যালখনত। কেৱল মাত্ৰ দুটা বছৰতেই আমাৰ এই মহাবিদ্যালখন মোৰ বাবে বহুত আপোন হৈ পৰিছে। তাৰোপৰি মোৰ জীৱনৰ পথপ্ৰদৰ্শক শ্ৰদ্ধাৰ ছাৰ-বাইদেউ সকলৰ পৰা যিমান মৰম আৰু সঁহাৰি পাইছো মোৰ কাৰণে সেয়া বহু মূল্যবান। কিয়নো তেওঁলোকৰ পৰা কিতাপৰ বাহিৰেও বহু নজনা জ্ঞান আহৰণ কৰিছোঁ। তদুপৰি কৰ্মচাৰীবৃন্দৰ সহায় আৰু বহু মৰম পাইছোঁ। এয়াই মোৰ শিক্ষানুষ্ঠান 'দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'ৰ এক সুকীয়া অনুভৱ।

*"হে মোৰ জ্ঞানৰ আলয়*
*তোমাৰ পোহৰেৰে,*
*আলোকিত কৰা*
*ছাত্ৰীসৱৰ ভৱিষ্যত"* ■

# মোৰ দৃষ্টিত আত্মনিৰ্ভৰশীল ভাৰত

□ টিনা তালুকদাৰ
*স্নাতক, ষষ্ঠ ষাণ্মাসিক*



মোৰ দৃষ্টিত এখন সমাজ বা দেশৰ উন্নতি সাধন কৰিবলৈ হ'লে তাৰ নাগৰিকসকলে যি লক্ষ্য আৰু উদ্দেশ্য গ্ৰহণ কৰে সেই উদ্দেশ্য সফল কৰি তুলিবলৈ ভৱিষ্যতৰ নাগৰিকসকলক সু-শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। সু-শিক্ষাৰ মাধ্যমৰ জৰিয়তে নাগৰিকসকলৰ দক্ষতা বৃদ্ধি হ'ব। আত্মনিৰ্ভৰশীল হ'বলৈ হ'লে প্ৰথমে আমি সমাজৰ পৰা নিবনুৱা সমস্যা দূৰ কৰিব লাগিব। তেতিয়াহে সমাজ বা দেশখন সমৃদ্ধিশালী হ'ব আৰু পৰিবৰ্তনৰ ক্ষেত্ৰত আগুৱাই যাব পাৰিব।

আধুনিক শিক্ষা ব্যৱস্থা মাত্ৰ ভাল চাকৰি আৰু বাচকবনিয়াসকলৰ বাবে বুলি ধৰা হয়। এই ধাৰণাৰ বৰ্তমান পৰিৱৰ্তন আহিছে যদিও ই বোধগম্য আৰু মনোগ্ৰাহী হোৱা নাই। অধিক সংখ্যক জনগণেই দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু অৰ্ধভাগ জনজাতি আৰু অনুসূচীত জাতিৰ লোক। উচ্চ শিক্ষাৰ দ্বাৰাহে যে এজন ব্যক্তি সফল হ'ব পাৰিব তেনে কোনো কথা নাই। কোনোৱে ঘৰৰ আৰ্থিক অৱস্থাৰ সন্মুখীন হৈ শৈক্ষিক জীৱন হয়তো আধাতে সামৰিব লগা হয়। শিক্ষাই যে এজন ব্যক্তিৰ জীৱনত সকলো তেনেকুৱা কথা ভবা অনুচিত। শিক্ষা থাকিলেও এজন ব্যক্তি জীৱনত সফল হ'ব নোৱাৰিব পাৰে যদিহে তেওঁৰ জ্ঞান, বুদ্ধি, কৰ্তব্য পৰায়ণতা নাথাকে। শিক্ষা থাকিলে জ্ঞান নাথাকিবও পাৰে আৰু শিক্ষা নাথাকিলে জ্ঞান থাকিবও পাৰে। কৰ্মৰ দ্বাৰা ব্যক্তি চিনিব পাৰি। আত্মনিৰ্ভৰশীল হ'বলৈ হ'লে আমি প্ৰথমে নিজকে প্ৰস্তুত কৰি তুলিব লাগিব। এনেধৰণৰ বহুতো পদক্ষেপ আমাৰ হাতত আছে যাৰ দ্বাৰা ব্যক্তি এজনে জীৱনত সফল হোৱাৰ দিশ প্ৰতিফলিত হৈছে সেয়া হ'ল— মীন পালন, গো পালন, এৰি মুগা পাট শিল্প, বাঁহ-বেতৰ আচবাব তৈয়াৰ কৰা, জালুক নিমপাত তামোলৰ ব্যৱসায়, কলগছ, আনাবস, চন্দন, অগৰু আদি বিবিধ মূল্যবান গছৰ ব্যৱসায়, থলুৱা খাদ্যৰ ব্যৱসায়, অসমীয়া সংস্কৃতিৰ প্ৰতীক গামোচা, জাপি তৈয়াৰ কৰা ইত্যাদি।

মীন পালন — আজিকালি প্ৰায়ভাগ মানুহে মীন পালন কৰা দেখিবলৈ পোৱা যায়। গ্ৰাম্য অঞ্চলত ইয়াৰ প্ৰাধান্য অধিক। এচাম নিবনুৱাই এনেধৰণৰ কাম কৰি নিজৰ লগতে আপোন ঘৰখনৰো প্ৰতিপালন কৰিবলৈ সক্ষম হ'ব পাৰে।

মীন পালন এনে এটা পদ্ধতি যাৰ জৰিয়তে পানীৰ ভিন্ন স্তৰত খাদ্য গ্ৰহণ কৰা ভিন্ন প্ৰজাতিৰ মাছ একেটা পুখুৰীতে একেলগে পালন কৰা হয়। বিভিন্ন প্ৰজাতিৰ মাছে নিজৰ সহজাত প্ৰকৃতি, খাদ্যভাস আৰু খাদ্যৰ প্ৰাচুৰ্যতাৰ ওপৰত ভিত্তি কৰি পানীৰ ভিন্ন স্তৰত অৱস্থান গ্ৰহণ কৰে। এই পদ্ধতিৰ ফলত পুখুৰীৰ জলৰাশিৰ বিভিন্ন স্তৰত অৱস্থান গ্ৰহণ কৰা মাছবোৰে পুখুৰীত উপলব্ধ সকলো প্ৰাকৃতিক খাদ্যৰ উপযুক্ত ব্যৱহাৰ কৰিব পাৰে। এইদৰে এটা পুখুৰীৰ সমগ্ৰ খাদ্য উপযুক্তভাৱে ব্যৱহাৰ কৰাৰ ফলত কম খৰচতে অধিক উৎপাদন কৰিব পাৰি। সেইবাবে এই পদ্ধতি অৰ্থনৈতিক ভাৱে অতি লাভদায়ক। ইয়াৰ দ্বাৰা আত্মনিৰ্ভৰশীল হৈ বহুতে নিজৰ লগতে দেশৰো উন্নতি সাধন কৰিছে।

গো-পালন— দেশৰ ক্ৰমবৰ্ধমান জনসংখ্যা আৰু সংকুচিত কৃষিভূমিৰ পৰিপ্ৰেক্ষিতত তথা নিবনুৱা সমস্যাই গা- কৰি উঠাৰ সময়ত পশুপালনে এক বিশেষ গুৰুত্ব লাভ কৰিছে। অতীজৰে পৰা পশুপালনে গ্ৰাম্য অৰ্থনীতিত এক বিশেষ ভূমিকা পালন কৰি আহিছে। গ্ৰাম্য অঞ্চলৰ অৰ্থনৈতিক আৰু আত্মনিয়োজনৰ এক বিশেষ আহিলা হিচাপে গো-পালনেও অপৰিহাৰ্য ভূমিকা ল'ব পাৰে বুলি ভাবো। অসমৰ উৎপাদনক্ষমহীন গো সম্পদ উন্নয়নৰ কাৰণে উন্নত জাতৰ গৰুক গ্ৰহণ কৰা হৈছে।

জনামতে গো-পালন দুটা পৰিকল্পনা হাতত ৰাখি কৰা হয়- গাখীৰ উৎপাদন আৰু কৃষিকাৰ্যত জড়িত কাম। গাখীৰ উৎপাদন কিছু পৰিমাণে নিৰ্ভৰ কৰে গাইৰ দুগ্ধ কালৰ ওপৰত। গো-পালনৰ দ্বাৰা মানুহে বহুখিনি লাভবান হয়। গৰুৰ গোবৰ শস্যৰ বাবে অতি উত্তম সাৰ। ইয়াৰোপৰি জৈৱিক গেছৰ জৰিয়তে ইন্ধনো প্ৰস্তুত কৰিব পাৰি। অনেক শ্ৰেণীৰ লোকে এনেধৰণৰ কাম কৰি আত্মনিৰ্ভৰশীল পথত আগবাঢ়ি যোৱা দেখা গৈছে।



এৰি মুগা পাট শিল্প— অসমৰ ৰেচম শিল্পৰ এক সমৃদ্ধ আৰু গৌৰৱময় ধাৰা আছে। এৰি মুগা আৰু পাট এই তিনিওটা অসমৰ পৰম্পৰাগত ৰেচম শিল্প। এৰি পলু পোহাৰ পৰম্পৰা সমগ্ৰ এৰি শিল্পটোৰ সৈতে জড়িত কৰ্ম-কাণ্ডৰ এটি অংশহে মাথোন। এৰি বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত তিনি-চাৰি বছৰমান আগলৈকে সমৃদ্ধ হৈ থকা অসমৰ এটা অঞ্চল হৈছে দক্ষিণ কামৰূপৰ মিৰ্জা, ছয়গাঁওৰ পৰা বকোলৈকে থকা বিস্তৃত এলেকাটো এৰি শিল্পৰ বাবে বিখ্যাত আছিল আৰু শিপিনীসকলে দিনটোত চাৰি-পাঁচ ঘণ্টাকৈ কাপোৰ বৈ এযোৰ এৰিয়া চাদৰত পাঁচ হাজাৰ পৰ্যন্ত টকা উপাৰ্জন কৰিছিল। এৰি পলু পোহাৰ কামটো সাধাৰণতে ৰাভা অথবা গাৰো জনগোষ্ঠীৰ লোকসকলে কৰে আৰু তেওঁলোকৰ পৰা লেটাবোৰ অন্য লোকে ক্ৰয় কৰি লৈ টাকুৰীত সূতা কাটি, কাপোৰ বৈ বজাৰত বিক্ৰী কৰে। এনেধৰণৰ বিভিন্ন উন্নয়নমুখী কামৰ দ্বাৰা বহুতো মানুহৰ আত্মনিৰ্ভৰশীল পথ আমি চিন্তা কৰিব পাৰো সাম্প্ৰতিক সময়ত।

থলুৱা খাদ্যৰ ব্যৱসায়— অসম এখন কৃষি প্ৰধান ৰাজ্য। ইয়াত সকলোৱে নিজৰ জনগোষ্ঠী অনুসৰি খাদ্যভাস গ্ৰহণ কৰে। বিভিন্ন ধৰণৰ পৰম্পৰাগত উৎসৱ-পাৰ্বনত ইয়াৰ বিকশিত ৰূপ দেখা যায়। অসমীয়া মানুহৰ যেনেকৈ লাড়ু, পিঠা, সান্দহ, চিৰা সকলোৰে পৰিচিত ঠিক তেনেকৈ আন আন জনগোষ্ঠীৰ মাজতো দেখা যায়। এই সকলোবোৰ সুস্বাদু আৰু সুষম খাদ্য। বাহিৰা চাউমিন, মেগী আদি খোৱাতকৈ এই খাদ্যবোৰ খালে একো অনিষ্ট নকৰে বৰং শৰীৰৰ উপযোগী কৰি অৰ্থনৈতিকভাৱে স্বচ্ছল হ'ব পাৰে। এইক্ষেত্ৰত চৰকাৰৰ মনোযোগ অত্যন্ত গুৰুত্বপূৰ্ণ কাৰণ প্ৰস্তুত কৰ্তাৰ বজাৰখন চৰকাৰে নিৰ্ধাৰণ কৰি দিব লাগিব।

জালুক, নিমপাত আৰু তামোলৰ ব্যৱসায়— জালুক, নিমপাত আৰু তামোল অতি মূল্যবান গছ। এইবোৰ ঘৰতে ৰোপন কৰি সৰু সৰু পেকেট বনাই বজাৰত বিক্ৰী কৰিব পাৰি। ইয়াৰ দ্বাৰাও মানুহে বহুখিনি লাভবান হ'ব পাৰিব বুলি ভাবো।

কলগছ, আনাবস, চন্দন, অগৰু গছ— কলগছ, আনাবস আদি ৰোপন কৰি মানুহে উন্নতিৰ পথত আগবাঢ়িব পাৰে। খাদ্য হিচাপে গ্ৰহণ কৰিলেও মানুহৰ স্বাস্থ্যৰ বাবেও ভাল। চন্দন, অগৰু আদি বিবিধ মূল্যবান গছৰ ব্যৱসায় কৰি মানুহে যথেষ্টখিনি উপকৃত হ'ব পাৰে। চন্দনৰ পৰা যেনেকৈ সেন্দুৰ প্ৰস্তুত কৰিব পাৰি ঠিক তেনেকৈ অগৰুৰ পৰা সুগন্ধি পাৰফিউম, চেণ্ট আদি প্ৰস্তুত কৰিব পাৰে।

অসমীয়া সংস্কৃতিৰ প্ৰতীক— অসমীয়া সংস্কৃতিৰ প্ৰতীক জাপি আৰু গামোচা তৈয়াৰ কৰি অনেক লোকে বিক্ৰী কৰি বা তাঁতশালত বৈ জীৱিকা অৰ্জনৰ লগতে দেশৰ নাম উজ্জ্বল কৰিছে। গামোচা অবিহনে অসমীয়া জাতি অসম্পূৰ্ণ। ভিন্ন ৰঙৰ উপৰি ৰঙা ৰঙত ৰঙা, সেউজীয়া ফুল তোলা গামোচাখনীয়ে অসমীয়া সমাজৰ লগতে বিভিন্ন জনসমাজক জাতীয়তাবোধৰ মান্যতা দি আহিছে। বৰ্তমান অসমৰ বিধান সভাত এতিয়াৰে পৰা আধুনিক খাদ্যৰ পৰিবৰ্তে অসমৰ পৰম্পৰাগত খাদ্য লাড়ু, পিঠা আদি খাদ্যৰ নাম অন্তৰ্ভুক্ত কৰিছে। এনেদৰে বিভিন্ন কামৰ দ্বাৰা মানুহে আত্মনিৰ্ভৰশীল পথত আগবাঢ়ি যাব পাৰিব। লগতে নিজৰ দেশখনো বহুতো উন্নয়নশীল দিশত অগ্ৰসৰ ভূমিকা পালন কৰা দেখা যাব। পৰৱৰ্তী সময়ত আমি আমাৰ দেশখনক আত্মনিৰ্ভৰশীল দেশ হিচাপে অইন দেশৰ আগত চিনাকি দিবলৈ ভৱিষ্যতে সক্ষম হ'ম বুলি ভাবো। ■

## বহুমূলীয়া বাণী

১ "যি সাহিত্যই আমাৰ চিন্তাক জাগ্ৰত নকৰে, মানসিক আৰু আত্মিক তৃপ্তি নিদিয়ে, গতি আৰু শক্তি নিদিয়ে, প্ৰলুব্ধ নকৰে, সৌন্দৰ্য্যৰ প্ৰতি আমাৰ মাজত সৃষ্টি নকৰে সংকল্প আৰু কঠোৰতাক জয় কৰাৰ দৃঢ়তা, তেনে সাহিত্য আজি প্ৰয়োজনহীন আৰু পদবাচ্য হোৱাৰ অনুপযুক্ত।

আমি সাহিত্যিকসকলৰ পৰা এইটোৱেই আশাকৰোঁ যে তেওঁলোকে তেওঁলোকৰ প্ৰজ্ঞা আৰু চিন্তাৰ দ্বাৰা আমাক জাগ্ৰত কৰিব।"

*— প্ৰেমচন্দ*

১ "শ্ৰমিক শ্ৰেণীৰ মানৱতাই একমাত্ৰ প্ৰকৃত মানৱতা। বৰ্তমান জগতৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ ভিত্তিমূলক পৰিবৰ্তন সাধনৰ মহান কৰ্তব্য পালনৰ দায়িত্ব গ্ৰহণ কৰিছে শ্ৰমিক শ্ৰেণীয়ে। যি দেশত শ্ৰমিক শ্ৰেণীয়ে নিজৰ হাতত ক্ষমতা গ্ৰহণ কৰিছে, সেই দেশত আমি প্ৰত্যক্ষ কৰিছো জনসাধাৰণৰ মাজত কি বিপুল শক্তি সুপ্ত হৈ আছিল, কিমানবোৰ প্ৰতিভা জাগি উঠিছে এই জনতাৰ মাজৰ পৰা। দেখিছো শ্ৰমিক শ্ৰেণীয়ে নতুন আবেগেৰে কিমান দ্ৰুততাৰে নিজৰ জীৱনৰ আধাৰৰ পৰিবৰ্তন ঘটাইছে।"

*— মেক্সিম গৰ্কী*

# মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত গজেন্দ্ৰ অধিকাৰী ছাৰৰ সৈতে সাক্ষাৎকাৰ

প্ৰশ্ন নং ১ ঃ এক সুদীৰ্ঘ কাল আপুনি কলেজখনৰ গুৰু দায়িত্ব বহন কৰাৰ পিছত এতিয়া অৱসৰৰ দিশে আগবাঢ়িছে। গতিকে, ছাৰ আপোনাৰ কাৰ্যকালত হোৱা বহুবোৰ গঠনমূলক কামৰ ভিতৰত কোনটোৱে আপোনাক বেছি আনন্দিত কৰে?

মতামত ঃ এক কথাত এইটো ক'বলৈ টান। কিয়নো প্ৰতিটো কামতে মোৰ শ্ৰম, চিন্তা, কল্পনা নিহিত হৈ আছে। কিন্তু বিশেষভাৱে মহাবিদ্যালয়ৰ সংগ্ৰহালয়টোৰ কথা ক'ব পাৰি। এয়া ২০০৫ চনত স্থাপিত হৈছিল। মহাবিদ্যালয় এখনত এটা সংগ্ৰহালয় স্থাপনৰ প্ৰয়োজনীয়তা, ইয়াৰ গুৰুত্ব তথা ইয়াৰ জৰিয়তে সমগ্ৰ অঞ্চলৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক চেতনাৰ ধাৰণাটো প্ৰথমে আমি মানুহৰ মাজত বিচৰণ কৰি দিবলৈ পাৰিছো, সেই হেতুকে মই নথৈ সুখী অনুভৱ কৰোঁ। তাৰোপৰি মই 'বিজ্ঞান শাখা'ৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিলো আৰু আজি সেয়া ৫০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। আকৌ পূৰ্বতে মহাবিদ্যালয়ত প্ৰশাসনিক ভৱন নাছিল। যাৰ ফলত আমাৰ শিক্ষকসকলে এটা কোঠাত এখন টেবুলত পঢ়িছিল, জিৰণি লৈছিল। গতিকে শ্ৰেণী কোঠাৰ আগক্ষণলৈ শিক্ষক সকলৰ যি পঢ়াৰ মানসিক প্ৰস্তুতি, সেয়া নাছিল। কিন্তু; বৰ্তমানে প্ৰতিটো বিষয়ৰ প্ৰতিটো স্বকীয় বিভাগ কৰি দিব পাৰিছো, প্ৰত্যেককে একোটা কম্পিউটাৰ দিব পাৰিছো, তাৰোপৰি প্ৰতিটো বিভাগত নিজ নিজ পুথিভঁৰাল দিব পাৰিছো, লগতে স্মাৰ্ট ক্লাছৰ ব্যৱস্থা, অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা আৰু গুৱাহাটীৰ পৰা গোৱালপাৰালৈকে আমিয়েই কেৱল একমাত্ৰ ছোৱালী মহাবিদ্যালয়। গতিকে মই এই সপোনটো ৰূপায়ন কৰিবলৈ চেষ্টা কৰিছিলো আৰু এইক্ষেত্ৰত আমি কিছু পৰিমানে সফল হোৱা বুলি গৌৰৱ কৰিব পাৰো।

প্ৰশ্ন নং ২ ঃ মহাবিদ্যালয়খন স্থাপনৰ দিনৰে পৰা আজিৰ তাৰিখলৈ বিভিন্ন ক্ষেত্ৰত সুনাম আছে। কিন্তু ছাৰ শৈক্ষিক ক্ষেত্ৰত পৰীক্ষাৰ ফলাফল একেধৰণৰ হৈ থাকে। ইয়াৰ কাৰণ আপুনি কি বুলি ভাবে ছাৰ?

মতামত ঃ মই এই কথাটোৰ লগত একমত নহয় যদিও প্ৰতিবাদো নকৰো। কিয়নো শিক্ষাদান আৰু শিক্ষা গ্ৰহণ এক পাৰস্পৰিক প্ৰক্ৰিয়া। কিন্তু এক বাস্তৱ সত্য স্বীকাৰ কৰিবলগীয়া যে, প্ৰায় ভাগৰে আমাৰ মহাবিদ্যালয়খন প্ৰথম লক্ষ্য নহয়। তথাপিও আমাৰ মাজৰ পৰা আমাৰ ছাত্ৰী শিল্পীসুধা গোস্বামী, পদ্মা সৰকাৰ এওঁলোকেও উঃ মাঃ চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰত স্থান পাবলৈ সক্ষম হৈছিল, কিয়নো তেওঁলোকৰ প্ৰথম পচন্দ আমাৰ মহাবিদ্যালয়েই আছিল। গতিকে, যিসকল ছাত্ৰীৰ শ্ৰদ্ধা তথা ভক্তি নাথাকে, নামভৰ্তিৰ সময়ত শতাংশৰ পৰিমানো কম থাকে তেনেকুৱা একাংশ ছাত্ৰীৰ ফলাফল নিম্নমানৰ হোৱা পৰিলক্ষিত হয়। গতিকে, আমাৰ শিক্ষকসকলে ছাত্ৰীসকলৰ ভালৰ বাবে যথেষ্ট কষ্ট কৰে, গতিকে সেই ধৰণে ফলাফলৰ মানদণ্ড নিম্নমানৰ হয় বুলি স্বীকাৰ নকৰোঁ। বীজ ভাল হ'লে প্ৰডাকচন ভাল হ'ব। যদি আমি বেয়া বীজৰ পৰা ভাল প্ৰডাকচন কৰিব পাৰিছো, তেন্তে আমি নিশ্চয় ভাল খেতিয়ক।

প্ৰশ্ন নং ৩ ঃ মহাবিদ্যালয়ৰ ছাৰ-বাইদেউসকলৰ বাবে আপোনাৰ কিবা ক'বলগীয়া আছে নেকি? ছাৰ, আপোনাৰ কাৰ্যকালত তেওঁলোকৰ পৰা সম্পূৰ্ণ সহযোগ পাইছিল নে?

মতামত ঃ নিশ্চিতভাৱে পাইছিলো। কিয়নো কলেজ এখন চলোৱাটো এখন ফুটবল খেলৰ দৰে। এইক্ষেত্ৰত এটা ফকৰা যোজনাই আছে- দহো আঙুলিয়ে খাই কিন্তু বুঢ়াৰ নাম হয়। গতিকে, নামটো বুঢ়াৰ হয় কিন্তু কাম সকলোৱে কৰে। আমাৰ শিক্ষকসকলৰ মাজত পাৰস্পৰিক সন্মান, বিশ্বাস আৰু সদ্‌ভাৱৰ অভাৱ হোৱা নাই। যেতিয়াই মোৰ দৰকাৰ হৈছে তেতিয়াই মই ওচৰত পাওঁ। গতিকে, কলেজখনৰ প্ৰতি দায়বদ্ধতা মোৰ সহকৰ্মীসকল, কৰ্মচাৰী, লাইব্ৰেৰীয়ানসকল আদি আটাইৰে যথেষ্ট আছে।

তাৰোপৰি মই এইখন মহাবিদ্যালয়ৰ পৰা নাতি ছাত্ৰীও লাভ কৰিছোঁ। গতিকে অন্য ছাত্ৰী সকলকো মই এইটো কথাই কম যে- মহাবিদ্যালয়লৈ আহোতে পবিত্ৰ মনেৰে নিজৰ ঘৰ হিচাপে আহক, শ্ৰদ্ধা সহকাৰে আহক। আমাৰ



কলেজৰ পৰা ওলাই গৈয়ো যাতে নিজকে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী বুলি গৌৰৱ অনুভৱ কৰিব পাৰে, তাৰবাবে সেই পৰিৱেশ, সেই মানসিকতা গঢ়ি উঠক।

অসমৰ লব্ধ প্ৰতিষ্ঠিত সাহিত্যিক-শিল্পীসকল নৱকান্ত বৰুৱা, হিতেশ বৰুৱা, গীতিকাৰ কেশৱ মহন্ত, খগেন মহন্ত, কৃষ্ণমণি চুতীয়া, তৰালি শৰ্মা, দিগন্ত ভাৰতী, জিনা ৰাজকুমাৰী ইত্যাদি বৰেণ্য ব্যক্তিসকলৰ পদধূলি পাইছোঁ। তাৰোপৰি আমাৰ মহাবিদ্যালয়ৰ সামূহিক পুথিভঁৰালটোত বহুতো গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বহুত গৱেষক ছাত্ৰ-ছাত্ৰী আহে। তথ্য সংগ্ৰহ তথা অধ্যয়ন কৰে তেওঁলোকে। এই বিশিষ্ট ব্যক্তিসকলৰ চৰণ ধূলি পৰি পবিত্ৰ হোৱা আমাৰ মহাবিদ্যালয়ৰ মাধুৰ্যতা, এই গৌৰৱখিনি আমি অক্ষুণ্ণ ৰাখিব লাগিব। এইখিনি আমি ল'ব পাৰিব লাগিব, লগতে ল'বলৈ চেষ্টাও কৰিব লাগিব, এয়াই মোৰ অনুৰোধ।

প্ৰশ্ন নং ৪ ঃ ছাৰ, আমাৰ মহাবিদ্যালয়ত আগৰে পৰা দেখি অহা বা আপোনাৰ চকুত পৰা কিবা দোষণীয় কাম আছে নেকি?

মতামত ঃ বিশেষভাৱে ৰাজনৈতিক পৃষ্ঠপোষকতাৰ অভাৱ আমাৰ মহাবিদ্যালয়খনত। জালুকবাৰীৰ পৰা পশ্চিমে গোৱালপাৰালৈ সমগ্ৰ বিধান সভা সমষ্টি কেইটাৰ বিধায়কখিনিয়ে অসম মন্ত্ৰী সভাত অন্তৰ্ভুক্তি হোৱা নাই। ফলত চৰকাৰী কেবিনেটৰ পৰা বিষয়াসকলৰ পৰা আদায় কৰিব পৰা বিভিন্ন সা-সুবিধা তথা আঁচনিৰ পৰা আমি বঞ্চিত হৈছো। ৰাজনৈতিকভাৱে সচেতন পুৰুষ-মহিলা আমি তৈয়াৰ কৰিব পৰা নাই। গতিকে সক্ৰিয় নেতৃত্ব ল'ব পৰা ব্যক্তি উদ্ভাৱনৰ ক্ষেত্ৰত আমি কিছু পৰিমানে হ'লেও সফল। পঞ্চায়তৰ সভাপতি, সভাসদ আমাৰ প্ৰাক্তন ছাত্ৰী। গতিকে, তেওঁলোকে নিজৰ কলেজখনৰ বাবে নহ'লেও নিজ অঞ্চলৰ বাবে কিবা এটা কৰিছে। ইয়াৰ অন্যথা মই অন্য ত্ৰুটি দেখা নাই।

প্ৰশ্ন নং ৫ ঃ মহাবিদ্যালয়ৰ ইতিহাস সংগ্ৰহালয়ৰ বিষয়ে কিবা ক'ব নেকি ছাৰ?

মতামত ঃ হয়। আমাৰ সংগ্ৰহালয়ত বিভিন্ন আপুৰুগীয়া সম্পদ যেনে ঃ দোলা (পুৰুষ, মহিলাৰ), কলগাহান, নেওথনি, পহুৰ শিং, সাচিপাত, তুলাপাত, হৰপ্পা সভ্যতাৰ মুখা আৰু খেলনা সামগ্ৰী, লুকি ৰজাৰ বাসগৃহৰ ইটা, শিলালিপি, তাম্ৰলিপি, বাঁহ-বেতৰ বিভিন্ন সামগ্ৰী, পাট-সূতাৰ বিহা, ৰূপৰ, তামৰ আৰু সাম্প্ৰতিক যুগৰ মুদ্ৰা, ১৯৮৮ চনৰ পৰা বৰ্তমানলৈ সংৰক্ষিত 'দৈনিক অসম' আৰু "The Assam Tribune", ধোঁৱা খোৱা, চন্দুক, পিতলৰ হাৰিকেন লেম্প, মান খেদা তৰোৱাল, শিলৰ কাঁহী, হাতী দাঁতৰ খৰম ইত্যাদি বহুতো বস্তু মজুত হৈ আছে। কিন্তু ইয়াক সংৰক্ষণৰ বাবে আমাৰ উন্নতমানৰ ভৱন নাছিল। এটা আহল-বহল শ্ৰেণী কোঠাত ৰাখিছিলো আজুতীয়াকৈ। কিন্তু দুজন শুভাকাংক্ষী ক্ৰমে নিৰঞ্জন দাস আৰু মৃগেন দাসৰ উদাৰ অনুদান, কলেজ পুঁজি, পৰীক্ষা পুঁজি আৰু আন আন উৎসৰ পৰা ধন যোগাৰ কৰি সংগ্ৰহালয় ৩০/৩০ জোখত তিনিমহলীয়া ভৱনৰ কাম পূৰ্ণ গতিত চলি আছে। গতিকে, এই ভৱন নিৰ্মাণৰ অন্তৰালত আমাৰ তিতা-

মিঠা অভিজ্ঞতা আছে যদিও এতিয়া সম্পূৰ্ণতাৰ পথত।

**প্ৰশ্ন নং ৬ ঃ** ছাৰ, ছাত্ৰীসকলৰ আচাৰ ব্যৱহাৰ নিয়মানুৱৰ্তিতা তথা শৃংখলাবদ্ধতাৰ বিষয়ে ক'ব নেকি?

**মতামত ঃ** আমাৰ মহাবিদ্যালয়লৈ অহা অধিকাংশ ছোৱালীয়েই ভিতৰুৱা গাঁও এলেকাৰ কৃষক পৰিয়ালৰ পৰা অহা। গতিকে, তেওঁলোকে স্কুলৰ চাৰিবেৰৰ মাজৰ পৰা কলেজলৈ আহি হঠাৎ পোৱা মুকলিমূৰীয়া পৰিৱেশৰ সৈতে নিজকে খাপ খুৱাই লোৱাত একাংশ ছাত্ৰী সহজ হ'ব নোৱাৰে। গতিকে, এনে পৰিস্থিতিত কেতিয়াবা বিপথে যোৱা দৃষ্টিগোচৰ হ'লেই আমি ছাত্ৰী একতা সভা, দক্ষিণ কামৰূপ ছাত্ৰ সন্থা, কলেজৰ অভিভাৱক সন্থাৰ সহায়ত কৌশলপূৰ্ণভাৱে সমস্যা সমাধান কৰিছো। তেওঁলোকে কৰা ভুলৰ বাবে শাস্তি প্ৰদান কৰিবলৈ আমি পক্ষপাতি নহয়। কিন্তু তেওঁলোকক শুধৰণি কৰিবলৈ আমি সদায়েই প্ৰস্তুত।

**প্ৰশ্ন নং ৭ ঃ** ছাৰ, মহাবিদ্যালয় এৰাৰ সময়ত আপোনাৰ আটাইতকৈ কি কাৰণত বেয়া লাগিব বা দুখ লাগিব?

**মতামত ঃ** বেয়া মোৰ নালাগে। মোৰ ব্যক্তিগত দৰ্শনটো হ'ল এইটো যে, মই শৰণ লোৱাৰ পিছত মোৰ গুৰুৱে কৈছিল— বিছনাৰ পৰা প্ৰথম যেতিয়া আমি মাটিত খোজ দিও তেতিয়াই প্ৰথমেই এবাৰ মৰো, আমি মানসিকভাৱে মৰি যাওঁ। গতিকে, মহাবিদ্যালয়ত প্ৰথম কৰ্মজীৱনৰ পাতনি মেলা দিনটোতেই মই মানসিকভাৱে প্ৰস্তুত যে এদিন মই কলেজ এৰি যাবই লাগিব। সেয়ে কৰ্মজীৱনৰ প্ৰত্যেকটো দিনকেই জীৱনৰ শেষ দিন বুলি ভাবিছিলো। মহাবিদ্যালয়ৰ যিকোনো কাম আগবঢ়াই নিয়াত মই ত্ৰুটি কৰা নাই। যিমান পাৰো চেষ্টা কৰিছো আৰু কৃতকাৰ্যতা পোৱা বুলি অনুভৱ কৰোঁ। কলেজৰ পৰা মই লৈ যাম প্ৰাক্তন অধ্যক্ষৰ এক পৰিচয়, অভিজ্ঞতা, মই নামৰ প্ৰতিচ্ছবি। লগতে কলেজখনত মই থৈ যাব লাগিব কৃতিত্বৰ চিন, উত্তোৰণৰ ধাৰা যাতে ই চিৰপ্ৰবাহমান হয়। পূৰ্বৰ প্ৰাক্তন অধ্যক্ষসকলে বীজটো মাটিত পুতিছিল, ডাঙৰ হৈছিল, তাত মই সাৰ-পানী দি আৰৌ লহপহকৈ ডাঙৰ হোৱাত সহায় কৰিলোঁ, আৰু মোৰ পিছত পৰৱৰ্তীসকলে যিমান সম্ভৱ ফল-ফুল লগাই থাকিব। মই য'তেই নাথাকো কিয় এই গছৰ ছাঁত মইয়ো জিৰাম, ফলটো মইয়ে খাম। গতিকে, মোৰ দুখৰ মাত্ৰা কম।

**প্ৰশ্ন নং ৮ ঃ** ছাৰ, আপোনাৰ ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে জনাব নেকি?

**মতামত ঃ** হয়, তিনি ধৰণে কৰিছো। প্ৰথমতে মই ল'ৰা দুটাক সময় দিব লাগিব। দ্বিতীয়তে, বেছিকৈ পঢ়া-শুনা তথা লিখা-মেলাৰ লগত জড়িত হ'ব লাগিব। গৰিয়সী, সাতসৰী ইত্যাদিত লিখনি পঠিয়াব লাগিব। আৰৌ অসমৰ প্ৰথম গৱেষণামূলক অনুষ্ঠান কামৰূপ অনুসন্ধান সমিতিৰ আজিৰ তাৰিখত মই সম্পাদকৰ দায়িত্বত আছো। কিন্তু বিভিন্ন কাৰণত মই সময় দিব পৰা নাছিলোঁ, গতিকে অৱসৰৰ পিছত বেছিকৈ সময় দি অনুষ্ঠানটিক আগবঢ়াই নিব লাগিব।

তৃতীয়তে, মই পৰীক্ষামূলকভাৱে ধনুৱা সামগ্ৰীৰ ব্যৱসায় কৰিব বিচাৰিম। যেনে ঃ উহা চাউল, বৰা চাউল ইত্যাদি। য'ত গাঁৱৰ মহিলাসকলক নিয়োগ কৰিম বুলি ভাবিছো। কিমান দূৰ সফল হ'ব পাৰো নাজানো কিন্তু চেষ্টা কৰিবলৈ প্ৰস্তুত আছো। আশা কৰোঁ, শিখা, জিন্তি তোমালোকেও মোক সহযোগ কৰিবা।

সদৌ শেষত ক'বলৈ বিচাৰিছো আমি এজন প্ৰগতিশীল অধ্যক্ষ হেৰুৱাম। আপোনাৰ কৰ্মময় জীৱন এনেদৰেই গতিশীল হওঁক। আপোনাৰ ভৱিষ্যত জীৱন সুখময় হওঁক, ঈশ্বৰে আপোনাক নিৰোগী দীৰ্ঘজীৱন প্ৰদান কৰক। ■

সাক্ষাৎ গ্ৰহণ—


শিখাৰাণী ঠাকুৰীয়া
*স্নাতক, ষষ্ঠ ষাণ্মাসিক*

জিন্তি তালুকদাৰ
*স্নাতক, তৃতীয় ষাণ্মাসিক*






# WOMEN EMPOWERMENT


❑ **Nitumoni Das**
*B.A. 4th Semester*




Women Empowerment is a widely discussed term in today's society and talks about the upliftment of the female gender. First, it is a long term and revolutionary protest against discrimination based on sex and gender. Women empowerment refers to educating women and helping them build an identity of their own.

In our patriarchal society, women are expected to mould themselves according to the wishes of the man who "feed them". They are not allowed to have an individual opinion or an independent identity. Empowering women involves encouraging them to be financially, culturally and socially independent. A woman must be entitled to pursue what she loves and develop into a fully functioning human. Her individuality must be nurtured and acknowledged. Women empowerment has lead millions of women across the globe to pursue their dreams. They are steadily moving forward in life with strong determination, respect and faith.

However, we must realize that despite the efforts being made to uplift women, most of them still suffer under patriarchy and suppression. Domestic violence is extremely common in countries like India. The society has always tried to curb the freedom of a woman because it is afraid of a woman who is strong and independent. We must recognize the ingrained misogyny in our society and work towards removing it. For example, we must teach both girls and boys to respect each other. Women fall victim to atrocities because men feel that they have the birthright to assert their power and authority over women. This can only be resolved by teaching boys from the very begining that they are in no way superior to girls, and they have no right to touch a woman without her consent. The future is not a female. The future is equal and beautiful.

Women can be empowered in various ways. It can be done through government schemes as well as on an individual basis. The Government has come up with various schemes such as **Beti Bachao Beti Padhao Yojana, Mahila-E-Haat, Mahila Shakti Kendra, Working Women Hostel, Sukanya Samriddhi Yojana, Mahila Police Volunteers, NIRBHAYA, Women Helpline Scheme** etc. to empower women. At the individual level, we should start respecting women and start giving them opportunities equal to men. We should promote and encourage them to take up jobs, higher education, business activities, etc. We as individuals can also empower women by abolishing social evils like the Dowry System, Child Marriage, Sex-Selective Abortion etc. These small steps will change the situation of women in society and make them feel empowered. ■

# মূল্যবৃদ্ধিৰ গ্ৰাসত আমিবোৰ



❑ প্ৰাণজিৎ শৰ্মা
*অসমীয়া বিভাগ*

বৰ্তমান সময়ৰ সমস্যাসমূহৰ ভিতৰত মূল্যবৃদ্ধিও এটা জ্বলন্ত সমস্যা। ইয়াক সাধাৰণতে অস্বাভাৱিক গতি এটা প্ৰদান কৰিলে ক'ৰোণাই। ক'ৰোণাকালত দোকান-পোহাৰ, বজাৰ-ব্যৱসায় বন্ধ হৈ থকাৰ সুযোগ লৈ একশ্ৰেণীৰ ব্যৱসায়ীয়ে নিজাববীয়াকৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি কৰিলে।

মূল্যবৃদ্ধিয়ে দুখীয়া ৰাজ্য অসমত বাৰুকৈ প্ৰভাৱ পেলাইছে। এই সমস্যাই কেৱল দুখীয়া শ্ৰেণীকে নহয় মধ্যবিত্ত, উচ্চ নীচ শাসক বিৰোধী সকলোকে আৱৰি ধৰা দেখা গৈছে। চৰকাৰে উচিত মূল্য নিৰ্ধাৰণ কৰাত বা অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত নজৰ দিয়াটো তেওঁলোকৰ এটা নৈতিক দায়িত্ব বুলি ক'ব পাৰি। ইয়াত কোনোধৰণৰ ৰাজনৈতিক বা ব্যক্তিগত মুনাফাৰ কথা ভবা উচিত নহয়।



মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ জনসাধাৰণৰ ওপৰত সাধাৰণতে প্ৰভাৱ বিস্তাৰ কৰে। যেনে দৈনিক হাজিৰা কৰা মানুহে নিজৰ পৰিয়াল পোহ-পাল দিয়া আৰু ঘৰত ব্যৱহাৰ কৰা কেইপদমান বস্তু কিনোতে তেওঁৰ উপাৰ্জনৰ টকাখিনি খৰচ হোৱা দেখা যায়। বিলাসৰ সামগ্ৰীবোৰ নহ'লেও লাগতিয়াল বস্তুখিনি নহ'লে আমিবোৰ জীয়াই থাকিব নোৱাৰো। সঁচাকৈয়ে সাধাৰণ পাচলি, গেলামাল আৰু অন্যান্য সামগ্ৰীত চৰকাৰীভাৱে কিছুমান নিৰিখ লগালে বোধহয় এই সমস্যা সামান্য পৰিমানে লাঘৱ কৰিব পৰা যাব।

অসমত বৰ্তমান যি ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু ৰেচন কাৰ্ডৰ যি ব্যাপক অনিয়ম হৈ আছে, তাৰ ফলতো মূল্যবৃদ্ধি হোৱাৰ আশংকা বৃদ্ধি পাইছে। অধিক লাভৰ আশাত এচাম লাভপ্ৰিয় অসাধু ব্যৱসায়ীয়ে নিত্য প্ৰয়োজনীয় সামগ্ৰী বিলাকৰ অবৈধভাৱে মজুত কৰি বজাৰত কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিছে। ফলত চাউল, দাইল, আলু, পিঁয়াজ, মিঠাতেল আদিৰ দাম বজাৰত বৃদ্ধি পাইছে। আজিৰ বজাৰত প্ৰায় খাবলা তেল এশৰ দেওনা পাৰ কৰো কৰো। ইয়াৰ ফলত উদ্যোগজাত সামগ্ৰীৰ উৎপাদন আৰু পৰিবহন খৰচ বৃদ্ধি হোৱা দেখা গৈছে।

চৰকাৰৰ নানা কল্যাণমূলক আঁচনিসমূহৰ দ্বাৰা হিতাধিকাৰীৰ কেনেকুৱা লাভ হ'ব ক'ব পৰা নাযায়। বৰঞ্চ হিতাধিকাৰীৰ আঁচনিৰ নামত যি ব্যয় কৰা হৈছে সেয়া ৰাজ্যৰ উৎপাদন প্ৰক্ৰিয়াত কোনো ধৰণৰ সহায় হ'ব বুলি ভাবিব নোৱাৰি। অৱশ্যে তাৰ কিছুমান কৰ্মসংস্থাপন আৰু জনকল্যাণমূলক আঁচনিও আছে। তাক নুই কৰিব নোৱাৰি। বিভিন্ন আঁচনি উদ্ভাৱনৰ দ্বাৰা সদায় সামগ্ৰীসমূহৰ দাম বৃদ্ধি হোৱা দেখা গৈছে।

কৃষিখণ্ডত বিভিন্ন উন্নতমানৰ খেতি পদ্ধতি কৰাৰ উপৰিও গাঁও অঞ্চলবো যুৱক-যুৱতীসকল কৃষিখণ্ডৰ লগতে বিভিন্ন কামৰ দ্বাৰা আত্মনিৰ্ভৰশীল হ'বলৈ শিকিব লাগিব। তাৰ ভিতৰত মীন পালন, হাঁহ-কুকুৰা, গো-পালন আদিবোৰ নকৰিলে মূল্যবৃদ্ধি ৰোধ কৰাটো অসম্ভৱ। জনসংখ্যাৰ বৃদ্ধিও বজাৰত বস্তুৰ চাহিদা বৃদ্ধি কৰিছে। সেয়েহে চৰকাৰে জাতি বৰ্ণ নিৰ্বিশেষে সকলোকে জনসংখ্যাৰ নীতি কিছুমান নিৰ্ধাৰণ কৰিব লাগে, নহ'লে এই মূল্যবৃদ্ধি আৰু এটা নতুন ৰূপ ল'ব।

ইন্ধনজাত সামগ্ৰী পেট্ৰ'ল-ডিজেল, ঘৰুৱা গেছ ছিলিণ্ডাৰৰ মূল্যবৃদ্ধি আদিবোৰৰ দ্বাৰা চৰকাৰে দিয়া আঁচনিসমূহৰ দ্বাৰা উৎপাদন ক্ষমতা আৰু স্থায়ী কৰ্মসংস্থাপন হ'ব নে সেইটোৰে চিন্তাৰ বিষয় হৈ থিয় দিছে।

চৰকাৰে খাদ্য নিগম, যোগান বিভাগ আদিৰ নিয়মিত সম্পৰ্ক ৰক্ষা কৰি মূল্যবৃদ্ধিৰ ওপৰত বৃহৎ পদক্ষেপ ল'ব লাগে। গাঁৱে-ভূঁৱে থকা দোকানসমূহলৈ চালে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যৰ তাৰতম্য কিয় হৈছে, তাক চাবলৈ পৰিদৰ্শকো নাই। তাৰ সুবিধা লৈছে আমাৰ অসাধু ব্যৱসায়ীবোৰে।

সেয়েহে কিছুমান সৰ্বসাধাৰণে সম্পৰ্ক কৰিব পৰা হেল্পলাইন নম্বৰ বা পৰামৰ্শ দিব পৰা অনুষ্ঠান গঢ়াই তুলিলে অতি সহজে চৰকাৰে ইয়াৰ এটা শুভ ফলাফল পাব বুলি ক'ব পাৰি। তাৰ কাৰণে কিন্তু জনসাধাৰণে গাঁও-নগৰত সজাগতা সৃষ্টি কৰিলে মূল্যবৃদ্ধি ৰোধ কৰা আৰু সমাজত চলি থকা অনিয়মবোৰো আঁতৰ কৰিব পৰা যাব। ■





# CRYPTO CURRENCY



❑ **Indrani Devi**
*Associate Professor, Dept. Of Economics*

Merely 13 tears ago,on 31st Oct,2008, a person named Santoshi Nakamoto published a paper on the internet. Santoshis main motive was clearly evident from the first line of the paper—A version of electronic cash that would allow payments to be sent directly from one party to another party without going through a financial institution.

The idea of Santoshis concept was that he imagined Bit coin or Crypto currency as an alternative financial system which would be based on software technology and would be outside the control of third party.

At the time of global economic meltdown of 2008, Crypto currency were born right after the scenerio.

Crypto currency is a digital asset over which central banks or other financial institutions have no control or regulation. Bit coin was the first to arrive and then many other Crypto currencies surfaced, like Ethereum, Litecoin, ripple etc. Now more than 2000 Crypto currencies were available on the internet.

To understand how does Crypto technology work , one need to have knowledge of advanced mathematics and computer science.

But to start investment or trading, basic knowledge is sufficient.

Let us take the example of Bit coin. There is one public account in digital form of all the Bit coin transactions- that is called "ledger". A copy of the ledger exists on all the systems that are a part of the Bit coin network.

Those that run the system are called " Miners". The job of the miners is to verify transactions.

Say, A has to transfer 2 Bit coins to B's account. Miners will have to confirm whether A actually does have 2 bit coins in his account or not. To complete the transactions, miners will have to solve a complicated mathematical equation. Every Bit coin has a unique variable. The job of the miners is to find the variable and to calculate it. all these calculations are carried out on the computers automatically because they are extremely complicated and their combinations run in crores.

So miners require computers with very complex and high processing power. Once the equation is solved , the computers within the network confirm it and the transaction is added to the chain.

a block of transactions gets created and hence the technology is calleg ' block chain'

The miners get the most valuable things – bitcoins in exchange for this. This system is called "Proof of work". The miners have to prove the computation work they do in order to get awarded the bit coins in return. currency and it has no inherent value of its own. As you cannot physically touch it

The main use of Crypto currency and bit coins at present is like an investment. We invest money in crypto currency hoping for a higher return in the future. Thus it has become a "store of value", just like gold . So Bit coins are also called 'Digital Gold".

but just like other investment, this too involve risk. And so those who critise it as a form of investment say that Bitcoin is a digital currency and it has no inherent value of its own. As you cannot touch physically it like gold or silver or if you buy a house as an investment, it will be physically available to us.

Crypto currency is not a medium of exchange which can be used to buy eggs or bread

from nearby shop. But this trend might change in the future because in the western countries there are several hotels and restaurants that have begun to accept Bit coins as an alternative form of payment.

The technical challenge that makes it difficult to use Bitcoins as a medium of exchange in day today life is that the Bitcoin transaction s on the block chain takes. around ten minutes, to get confirmed.

But there are some present day use cases for Bit coins where they work better than our traditional ways.

The best example of this is our Foreign fund transfer. When we have to transfer money from one country to another, the banks deduct a lump sum in the name of foreign transfer fees and a lot of time to transfer. But Bit coin do not charge any transfer fees in such transfer and 10 minutes is a much lesser time as compared to 1 to 2 days that the banks take. So Bit coins are more economical in this case.

· A similar thing applied to the credit cards fees.

That is why banks, credit cards companies and remittance companies have been against the Crypto currency. But in the last few months of 2020, especially due to the covid pandemic, situation have changed. While several industries and mutual fund have been struggling, the value of Crypto currencies like Bit coins and Ethereum has been on the rise.

From the 1st of March,2020 until November30, the value of Bit coins has risen more than 120%, that is , it has more than double ed in value.

PayPal, the world's largest digital payment company , has introduced the feature of crypto transactions in November,2020. The CEO of J P Morgan who said that it was a fraud has opened corporate accounts for famous crypto exchanges like Coinbase and Gumini trust.An open mindness is being observed with regard to cryptocurrency in the general public and the financial industry.

Talking about India, a change of attitude has been observed from the last year as well. In April, 2018, the RBI has frozen out the crypto industry from the banking system via a circular to desist from dealing in crypto related platforms or transactions .RBI had blocked the banking access of the crypto ecosystem. So the public could not deal in INR, that is, in Indian rupees on crypto platforms.

The RBI took such steps as crypto currency has some negative points as well that are mainly related with money laundering and security.

In India, Crypto Exchanges, i.e., platforms where you can invest in crypto currency and convert rupees into Bit coins had been operational since 2013.Some exchange founders decided to challenge the banking ban in courts. They got a chance to explain how the crypto technology and block chain works to the government and the RBI.

They are of the opinion that the negative points pertaining to crypto currency are also valid on other assets, classes as well.

There can be money laundering over property, fake notes can be printed, there are many fraud schemes that operates in a lot of other things. The software of banks or stock exchanges can also be hacked. So the problems that exist with bit coins also exist with other things as well.

The case which the Supreme Court, and in January, 2020 a three bench judge heard the case and the court accepted the stance of the exchanges and conceded that the ban of the RBI was "disproportionate" because the RBI was not able to proof in the court that the crypto investment and trading had negatively hampered the financial system or banks. Therefore it was a historic day on 4th March, 2020 for the Indian crypto industry. The court said that this business is legal and the RBI would have to ripple its banking ban. So we can freely invest in crypto currency if we wish to.

After the decision of the Supreme Court, several exchanges have burgeoned and this process has become extremely straight forward in India.

Overall it can be said that crypto currencies and bit coin can play an important role in the future of finance in the world. ■

**REFERENCE:-** Basedon YouTube vide of Dhruv Rathee https://www.youtube.com/watch?v=sh7jXV3nwUo.



# উৰিষ্যা ভ্ৰমণৰ অভিজ্ঞতা

□ মণিকংকনা দাস
*স্নাতক, তৃতীয় ষাণ্মাসিক*



দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মই এগৰাকী ছাত্ৰী। দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ দ্বাৰা আয়োজন কৰা শিক্ষামূলক ভ্ৰমণত মইয়ো যোৱাৰ সুবিধাকণ পালো। সকৰে পৰা মোৰ নতুন ঠাই চোৱাৰ হেঁপাহ। সেয়ে ২০২০ চনৰ ফেব্ৰুৱাৰী মাহৰ ০৬-০২-২০২০ ইং তাৰিখে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ পৰা ৰাতিপুৱা প্ৰায় ৪.৩০ বজাত ছাৰ-বাইদেউৰ লগতে মোৰ বান্ধৱী, বা সকলৰ লগত বাছত উঠি ৰে'ল ষ্টেচনলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। মনত অলেখ সপোনে লুকা-ভাকু খেলিবলৈ ধৰিলে। হিয়াত আনন্দই উখল-মাখল লগালে। কাৰণ মই কল্পনা কৰিব নোৱাৰা, ইমান সকতে জগন্নাথ পুৰী দৰ্শন কৰিবলৈ পাম। প্ৰায় ৫.২০ বজাত আমিবোৰে ৰে'ল ষ্টেচন পালো। আৰু তাত আমাৰ অৰ্থনীতি বিভাগৰ বাইদেউ সকলক লগ পালো। ৰে'লত আগতে উঠিছো যদিও ইমান দূৰ যাত্ৰা কৰি পোৱা নাছিলো। সেয়ে প্ৰথমবাৰৰ বাবে ইমান দূৰলৈ ৰে'লেৰে যাত্ৰা কৰিব লৈছো। ভয় লাগিছে যদিও বহুত ভালো লাগিছে। ৬.২০ বজাত আমি আমাৰ যাত্ৰা ৰে'লেৰে আৰম্ভ কৰিলোঁ পল্টন বজাৰ ৰে'ল ষ্টেচনৰ পৰা আমি ভুবনেশ্বৰ ৰে'ল ষ্টেচনলৈ গুৱাহাটী S.C. Express নামৰ ৰে'লখনত গৈ থাকিলোঁ। ৰে'লত উঠাৰ কিছুসময় পিছতে বাইদেউসকলে আমাক ব্ৰেকফাষ্ট কৰিব দিলে। আমি খাই লৈ আনন্দমনে আগবাঢ়ি গৈ থাকিলোঁ। নতুন নতুন ঠাই প্ৰাকৃতিক পৰিবেশ চাই চাই গৈ থাকিলোঁ। লাহে লাহে দিনটো পাৰ হৈ আহিছে। ঘৰৰ পৰা মাইঁতে খোৱা বস্তু দি পঠিয়াইছিল আমি গোটেই কেইজনী বান্ধৱী মিলি খোৱা লোৱা কৰিলোঁ। খাই লৈ ৰাতি বান্ধৱীসকলৰ লগত কথা পাতি হাঁহি-ধেমালি কৰি শুই দিলো। ৰে'লত যোৱা কথা শুনেও অলপ ভয় ভয় লাগি আছিল। তেনেকে ৰাতিটো পাৰ হৈ পুৱা হ'ল। চাহ খাই ঠিক ০৯-০২-২০২০ ইং তাৰিখে ৯ মান বজাত ৰাতিপুৱা ভুবনেশ্বৰ ষ্টেচন পায় গ'লো। ভুবনেশ্বৰ ৰে'ল ষ্টেচনৰ পৰা আমি ট্ৰেভেলাৰত উঠি পুৰীলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। ভুবনেশ্বৰ পোৱাৰ লগে লগে মনটোত এক বুজাব নোৱাৰা অনুভূতি। কেতিয়া গৈ পাওঁ তেনেকুৱা লাগিছে। এনেকৈ গৈ গৈ আমি পুৰীত উপস্থিত হ'লো। তাত VIP নামৰ Hotel এখনত ছাৰ-বাইদেউহঁতে থকাৰ সুবিধা কৰি দিলে। হোটেলত গৈ আমি গা-পা ধুই লৈ আমি আকৌ সূৰ্য পাহাৰ চাবলৈ ওলালোঁ। কোণাৰ্কত অৱস্থিত সূৰ্য্য মন্দিৰ চাবলৈ গৈ বহুতে ভাল লাগিব। কাৰণ তাত ভাস্কৰ্য্য কলাৰে নিৰ্মিত মূৰ্ত্তিসমূহ দেখি আহোমৰ ৰজাসকলৰ কথা মনত পৰি গৈছিল কিতাপত পায় অহা। সূৰ্য মন্দিৰ চাই আমি সাগৰৰ পাৰ চাবলৈ গৈছিলো। বংগোপসাগৰ দেখি মন বান্ধিব পৰা নাই। কি কৰো কি নকৰো অনুভৱ হৈছে। উটত উঠিছো প্ৰথমবাৰৰ বাবে উঠি ভয় লাগিছে যদিও বহুত ভালো লাগিছে। তাৰপিছত আমি পুৰীৰ হোটেললৈ উভতি আহিলো।

০৮-০২-২০২০ তাৰিখে আকৌ আমি ৪.০০ টা বজাত গা-পা ধুই ৫.০০ বজাত জগন্নাথ মন্দিৰলৈ গৈ দৰ্শন কৰিলো। ৰাতিপুৱাই মন্দিৰ দৰ্শন কৰি সঁচাকৈয়ে বহুত আনন্দিত হৈছিলো। মন্দিৰ পোৱাৰ লগে লগে এজন পাণ্ডাই আমাক মন্দিৰ দৰ্শন কৰাত সহায় কৰিলে। তাত শাৰী পাতি যোৱাৰ নিয়ম নাই সেইবাবে অলপ



ভয় লাগিছিল। কিন্তু মোৰ বান্ধৱী কেইজনীৰ লগতে ছাৰ-বাইদেউৰ লগত আগবাঢ়িলোঁ। হেতা-ওপৰা লাগিছিল। বহুত মানুহ লগ পাইছিলো বেলেগ বেলেগ। পাণ্ডাজন আগে আগে আমি পিছে পিছে। কোনোমতে আমি আমাৰ মনৰ আশাবোৰ পূৰ কৰিবলৈ জগন্নাথ মহাপ্ৰভু, বলোভদ্ৰ আৰু ভগ্নী সুভদ্ৰাক দেখিবলৈ পায় আমি সেৱা আৰু লগত নিয়া মালাবোৰ দি পুৰোহিতক সেৱা কৰিলো। তাত বহুত মূৰ্ত্তি আছে, বহু মন্দিৰ আছে। পাণ্ডাই লৈ গৈ আমাক তাত সেৱা এটা ল'বলৈ সুযোগ কৰি দিছে। মন্দিৰ দৰ্শন কৰি আহি ৰাতিপুৱাৰ আহাৰ খায় আকৌ আমি সাগৰৰ পাৰত গা ধুবলৈ গ'লো। গা- ধুবলৈ ভয় লাগিছিল বহুত। পানীৰ ঢৌৱে যেন উটুৱাই নিব তেনেকুৱা লাগিছিল। লাহে লাহে ভয়বোৰ আঁতৰি গ'ল আওৰাই গৈ গা ধুলো, ফটো উঠিলো বান্ধৱী কেইজনীৰ লগত এনেই অলপ ফূৰ্তি কৰিলোঁ। তাৰপৰা বাহিৰে বাহিৰে আমি আকৌ জগন্নাথ মন্দিৰলৈ গ'লো। গৈ পোৱাৰ পিছত আকৌ মন্দিৰ কেইটামান দেখুৱায় আমাক জগন্নাথ মন্দিৰৰ আহাৰ প্ৰসাদ খাবলৈ দিলে। খায় লৈ মন্দিৰৰ ওপৰত পতাকা উঠোৱা দৃশ্যটো চাব পায় মই বহুত সুখী অনুভৱ কৰিলো। তাৰ পৰা আহি অলপ জিৰণি লৈ আকৌ ২ ঘণ্টামান পিছত গুচৰৰে এখন সাগৰৰ পাৰৰ বজাৰ চাবলৈ গৈছিলো। বজাৰখন সঁচাই চাবলগীয়া। সকলো বস্তু আছে। বজাৰত ভজা মাছ, মাংস খাই চালো। ঘৰৰ কাৰণে কিবা কিবি কিনিলো। ৰুম পাওঁতে গধূলি হৈছিল। আমি অলপ জিৰণি লৈ ৰাতিৰ আহাৰ খাই শুই থাকিলো।

০৯-০২-২০২০ ইং তাৰিখে আকৌ আমি ৰাতিপুৱাৰ আহাৰ খাই ভুবনেশ্বৰলৈ গৈ ভুবনেশ্বৰ মন্দিৰ দৰ্শন কৰিলো। দুপৰীয়াৰ আহাৰ খাই আকৌ গাড়ীত উঠিলো। তাৰ পৰা আমি এখন পাৰ্ক চাই এখন চিৰিয়াখানা চাবলৈ গৈছিলো। গৈ বহুতো নেদেখা জীৱ-জন্তু, চৰাই-চিৰিকটি, বিভিন্ন ধৰণৰ সাপ আদি দেখিবলৈ পাইছিলো। তাৰ পৰা আহি আমি ভুবনেশ্বৰত ৰাতি হোটেলত থাকি ১০-০২-২০২০ ইং তাৰিখে আৰু ঘৰৰ ফালে ৰাওনা হ'লো।

এয়াই মোৰ আছিল উৰিষ্যা যোৱাৰ এটি ভাল লগা যাত্ৰা।

অৱশেষত এই যাত্ৰাটোৰ পৰা মোৰ বহুখিনি অভিজ্ঞতা আৰু বহুতো নজনা কথা জানিব পাৰিলো। গতিকে এই যাত্ৰাই মোক বহুখিনি জ্ঞান দিছে বুলি মই ভাবো। এইক্ষেত্ৰত মই মোৰ শিক্ষাগুৰু, কমলেশ্বৰ বৰা ছাৰ, ড° বিপুণ দলে ছাৰ, ড° নিবেদিতা দেৱী বাইদেউ, ইন্দ্ৰাণী দেৱী বাইদেউ, জিনু দাস বাইদেউ আপোনালোকক সকলোকে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু আশাকৰোঁ পিছলৈয়ো যাতে এনেকুৱা ধৰণৰ সুবিধা আমাৰ হাতত আহে। এইখিনি কৈ মই মোৰ লিখনিৰ সামৰণি মাৰিলোঁ। ■

## বহুমূলীয়া বাণী

- "এটা জাতিৰ চৰিত্ৰ নিৰ্দ্ধাৰণ কৰা হয়, সেই জাতিৰ শ্ৰমকাৰী সাধাৰণ মানুহৰ অৱস্থাৰ দ্বাৰাহে।"

  — *পল ৰৱচন*

- "মোৰ বাবে এনে কোনো ধাৰণা নাই, যাৰ স্থিতি মনুষ্য ব্যতীত। মোৰ মতে মানুহ, একমাত্ৰ মানুহেই হৈছে সমস্ত বস্তু আৰু ধাৰণাৰ স্ৰষ্টা। মানুহ এক অভিনৱ কৰ্মী আৰু ভৱিষ্যতে তেৱেঁই হ'ব প্ৰকৃতিৰ সকলো শক্তিৰ অধিকৰ্তা।"

  — *মেক্সিম গৰ্কী*

- "প্ৰকৃত মূল্যবান কোনো কথাই আকাংক্ষা কিম্বা কেৱল দায়িত্ববোধৰ পৰা উৎপন্ন হ'ব নোৱাৰে। ই অংকুৰিত হয় মানৱজাতি আৰু বস্তুচয়ৰ প্ৰতি নিবেদিত ভালপোৱা আৰু ত্যাগৰ পৰা।"

  — *এলবাৰ্ট আইনষ্টাইন*

- "অসমীয়া সমাজত অন্ধবিশ্বাস বা কুসংস্কাৰ ঘটোৱা অপায় অমংগল আদি খণ্ডাবলৈ অশিক্ষিত মানুহক জ্ঞানৰ মোহৰেৰে তত্ত্ব দেখুৱাই দি সমাজ সংস্কাৰ সাধিবলৈ সুযোগ বিচৰা প্ৰয়োজন।"

  — *পদ্মনাথ গোহাঞিবৰুৱা*

- "যিখিনি সাংস্কৃতিক বস্তুক আমি নতুন দিনৰ জীৱন্ত আহিলা হিচাবে নাপাওঁ, সি যিমানেই মৰমৰ নহওঁক লাগিলে তাক এৰিব লাগিব। আমাৰ অতি মৰমৰ মানুহৰ জীৱ নাইকিয়া হ'লে, দেহটোৰ মায়া ত্যাগ কৰি যেনেকৈ শটো পুৰি পেলাও বা পুতি থওঁ, সেইদৰে পুৰণি সংস্কৃতিৰ প্ৰাণ নথকা বস্তুখিনিকো আমি তাৰ মায়া এৰি যাদুঘৰত থ'ব লাগিব।"

  — *জ্যোতিপ্ৰসাদ আগৰৱালা*



# শ্ৰীজগন্নাথ মহাপ্ৰভুৰ নৱকলেৱৰৰ অনুষ্ঠান

□ জিনু দাস
*অৰ্থনীতি বিভাগ*





শ্ৰীজগন্নাথ পুৰী ভাৰতৰ ভিতৰত এক সৰ্বশ্ৰেষ্ঠ আৰু পবিত্ৰ ধাম। হিন্দু শাস্ত্ৰমতে শ্ৰীবিষ্ণু সত্যযুগত নাৰায়ণৰূপে বদ্ৰীনাথত, ত্ৰেতাযুগত ৰামচন্দ্ৰৰূপে ৰামেশ্বৰমত, দ্বাপৰ যুগত শ্ৰীকৃষ্ণৰূপে দ্বাৰকাধামত আৰু কলিযুগত দাৰুব্ৰাহ্ম অৰ্থাৎ কাঠৰে নিৰ্মিত শ্ৰীজগন্নাথৰূপে পুৰীধামত পূজিত হয়। ভগৱান শ্ৰীবিষ্ণুৱে বদ্ৰীনাথ ধামত স্নান কৰে দ্বাৰকাধামত শৃংগাৰ কৰে, পুৰীধামত ভোজন কৰে আৰু ৰামেশ্বৰমত শয়ন কৰে বুলি শাস্ত্ৰত পোৱা যায়। শ্ৰীক্ষেত্ৰ বা শ্ৰীজগন্নাথ ধামত স্বয়ং মহালক্ষ্মী অন্নদাত্ৰী বিৰাজমান হোৱা হেতুকে এই ধামক শ্ৰীশব্দটো আগত লিখি শ্ৰীজগন্নাথ আৰু ক্ষেত্ৰখনক শ্ৰীক্ষেত্ৰৰূপে পৰিচিত হয়।

সাধাৰণতে আমি মন্দিৰ সমূহত দেখা পোৱা সকলো বিগ্ৰহৰ সৈতে মানুহৰ সামাঞ্জস্য দেখিবলৈ পাওঁ। অৰ্থাৎ সকলো বিগ্ৰহৰে হাত, কাণ, ভৰি আদি থাকে। কিন্তু শ্ৰীজগন্নাথ বিগ্ৰহ এই ক্ষেত্ৰত ব্যতিক্ৰম। মহাপ্ৰভুৰ কোনো হাত নাই, ভৰি নাই আৰু কাণ নাই। ইয়াৰ তাৎপৰ্য হ'ল ঈশ্বৰৰ হাত নাই কিম্বা দিবলৈ, ভৰি নাই ক'ৰবাত যাবলৈ আৰু কাণ নাই কিবা শুনিবলৈ, কেৱল দুটা ডাঙৰ ডাঙৰ চকু আছে তাকো চকুৰ কোনো পলক বা পতা নাই। চকু দুটাৰ এটাই সূৰ্য্যৰ প্ৰতীক যিয়ে দিনক প্ৰতিনিধিত্ব কৰে আৰু আনটো হ'ল চন্দ্ৰৰ প্ৰতীক যিয়ে ৰাতিক প্ৰতিনিধিত্ব কৰে। মহাপ্ৰভুৱে কেৱল সাক্ষীৰূপে মনুষ্যৰ সকলো কৰ্ম অপলক নেত্ৰে নিৰীক্ষণ কৰি থাকে।

শ্ৰীজগন্নাথ মহাপ্ৰভুৰ আন এটি উল্লেখনীয় মনকৰিবলগীয়া দিশ হৈছে ৰত্নসিংহাসনত জ্যেষ্ঠ ভাতৃ বলোৰাম, মাজত ভগ্নী সুভদ্ৰাক লৈ বিৰাজমান হৈছে। তাৰোপৰি বিশ্ব বিখ্যাত ৰথ যাত্ৰা অনুষ্ঠানত তিনিখন ৰথত তিনিওগৰাকী অধিষ্ঠিত হৈ যাত্ৰা কৰাটোৱে সমস্ত মানৱ জাতিক পৰিয়ালৰ লোকসকল একগোট হৈ মিলা-প্ৰীতি, সুখশান্তিৰে জীৱন অতিবাহিত কৰাৰ নিদৰ্শন দেখুৱাইছে যিটো কলিযুগত পোৱাটো বিৰল হৈ পৰিছে। পুৰী ধামৰ আন এটা দৰ্শনীয় দিশ হ'ল মন্দিৰত প্ৰয়োজন হোৱা সকলোবোৰ সামগ্ৰী স্থানীয়ভাৱে উৎপাদন হোৱা হ'ব লাগিব। স্থানীয় দ্ৰব্য সামগ্ৰীৰ প্ৰসাৰ আৰু প্ৰচাৰ লাভ কৰাই হ'ল এই ব্যৱস্থাৰ মূল উদ্দেশ্য।

শ্ৰীজগন্নাথ মহাপ্ৰভু মনুষ্য জাতিৰ নিচিনা কৰ্ম কৰে। ৰাতিপুৱা শুই উঠাৰ পিছত দাতোন ব্যৱহাৰৰ পৰা ৰাতি পালেঙত শোৱালৈ সকলো মানুহৰ দৰেই কৰে। ইয়াৰ তাৎপৰ্য হ'ল প্ৰতিজন মানুহেই ঈশ্বৰ, ঈশ্বৰ সকলো মানুহৰ আত্মাত বিৰাজমান। তাৰোপৰি

মানুহে যিদৰে পুৰণা বস্ত্ৰ ত্যাগ কৰি নতুন বস্ত্ৰ পৰিধান কৰে তেনেদৰে জীৱাত্মাই পুৰাতন দেহা ত্যাগ কৰি নতুন শৰীৰত প্ৰৱেশ কৰে। শ্ৰীজগন্নাথ মহাপ্ৰভুৱেও মানুহৰ এই কাৰ্য্যৰ পুনৰাবৃত্তি কৰে নিজৰ পুৰণি দেহ সলনি কৰি নতুন দেহ ধাৰণ কৰে। এই প্ৰক্ৰিয়াক নৱকলেৱৰ বুলি কোৱা হয়। মহাপ্ৰভুৱে মানুহৰ নিচিনাকৈ জন্মগ্ৰহণ কৰে আৰু নিজ দেহ ৰক্ষা কৰে। আত্মা চিৰন্তন আত্মাৰ মৰণ নাই। আত্মাই যেনেদৰে পুৰণি দেহ ত্যাগ কৰি নতুন দেহত প্ৰৱেশ কৰে ঠিক তেনেদৰে শ্ৰীজগন্নাথ মহাপ্ৰভুৰো হৃদয়ত আত্মা বা ব্ৰহ্ম থাকে। সেই ব্ৰহ্ম পুৰণি দেহৰ পৰা আনি নতুন বিগ্ৰহত স্থাপন কৰা হয়। এই প্ৰথা বৰ আচৰিত আৰু ৰহস্যৰে. পৰিপূৰ্ণ। শাস্ত্ৰমতে যিটো বছৰৰ আহাৰ মাহত দুটাকৈ পূৰ্ণিমা পৰে অৰ্থাৎ মলমাহ হয় সেই বছৰটোত এই নৱকলেৱৰ অনুষ্ঠানটি অনুষ্ঠিত হয়। ১৯০৪, ১৯৩২, ১৯৫০, ১৯৯৬ আৰু ২০১৫ ইং বৰ্ষত নৱকলেৱৰ অনুষ্ঠিত হৈছিল। মন্দিৰৰ জ্যোতিষীসকলে গণনা কৰি দিন ঠিক কৰে আৰু তেতিয়াৰ পৰাই নতুন বিগ্ৰহ নিৰ্মাণৰ বাবে নিম গছ আন্বেষণ পৰ্ব আৰম্ভ হয়। এই নিমগছ নিৰ্বাচনত দেৱী মঙ্গলাৰ দ্বাৰা স্বপ্নদৃষ্ট হোৱাৰ পিছতহে সেৱকসকলে নিমগছ বিচাৰি পাবলৈ সক্ষম হয়। নিৰ্দিষ্ট নিমগছ জোপাত শংখ, চক্ৰ, গদা, পদ্ম এই চাৰিবিধ চিন থাকিব লাগিব তেতিয়াহে গছজোপা বিগ্ৰহ নিৰ্মাণৰ বাবে উপযোগী হ'ব। গছজোপা কাটি কাঠ উলিয়াই বলোৰাম, সুভদ্ৰা আৰু শ্ৰীজগন্নাথৰ বিগ্ৰহ সজা হয়। বিগ্ৰহ নিৰ্মাণৰ পিছত নিৰ্দিষ্ট সময়ত পুৰণি বিগ্ৰহৰ পৰা ব্ৰহ্ম আনি নতুন বিগ্ৰহত স্থাপন কৰা হয়। ই এক অতি গোপন ব্যৱস্থা। সেই সময়ত সমগ্ৰ পুৰী চহৰৰ বিদ্যুৎ কৰ্তন কৰা হয়। আমাৰ পাণ্ডাজনে জনোৱামতে ঠিক মানুহৰ হৃদপিণ্ডৰ নিচিনাই সেই ব্ৰহ্ম, যাৰ স্পন্দন বিগৰাকী দইতাপতিয়ে (মূল পুৰোহিত) মহাপ্ৰভুক স্পৰ্শ কৰে তেওঁ সেই স্পন্দন অনুভৱ কৰে। ব্ৰহ্ম পৰিবৰ্তনৰ সময়ত চকুত ডাঠ কাপোৰ বান্ধি, হাতত মখমলৰ কাপোৰ ডাঠকৈ বান্ধিহে ব্ৰহ্ম স্পৰ্শ কৰি আনি নতুন বিগ্ৰহত স্থাপন কৰা হয়। এইটো এটা গুপ্তনীতি। পাণ্ডাজনে কোৱামতে ব্ৰহ্ম পৰিবৰ্তন কৰা দইতাপতি সেৱকজন বেছি দিন জীৱিত অৱস্থাত নাথাকে। এইয়া চাগে ঈশ্বৰৰ মহিমা। ব্ৰহ্ম পৰিবৰ্তনৰ পিছত পুৰণিজনাক মন্দিৰৰ চৌহদতে থকা কোইলি বৈকুণ্ঠ নামৰ ঠাই ডোখৰত সমাধিষ্ঠ কৰা হয়। নিম কাঠ অতি তিতা হোৱাৰ বাবে পোক পৰুৱাই সহজতে অনিষ্ঠ কৰিব নোৱাৰে। পাণ্ডাজনে কোৱামতে পুৰণি বিগ্ৰহ সমাধিষ্ঠ কৰাৰ সময়ত মাটিৰ তলত আগৰজনাৰ কোনো অৱশিষ্ট কোনেও পোৱা নাই। ক'ত যায়, কি হয় সেই ৰহস্য আজিলৈ উদ্ঘাটন হোৱা নাই। আন এটি ৰহস্যও পাণ্ডাৰ মুখে শুনিলো। সেইটো হ'ল জেঠ মাহৰ পূৰ্ণিমাৰ পৰা আহাৰ মাহৰ অমাৱস্যালৈ ১৫ দিন মহাপ্ৰভুৰ স্নান যাত্ৰাৰ বাবে জ্বৰ উঠে। সেইকেইদিন মহাপ্ৰভুৱে কাকো দৰ্শন নিদিয়ে। সেই সময়ত দইতাপতি সেৱকসকলে গোপনীয় নীতি মানি বনৌষধি আৰু অন্যান্য সেৱা পূজাৰ দ্বাৰা মহাপ্ৰভুৰ জ্বৰ উপশম কৰে। মানুহৰ জ্বৰ হ'লে নিজ শৰীৰটো যেনেদৰে গৰম হয় মহাপ্ৰভুৰ শৰীৰটোও সেইদৰে গৰম হয়। সেৱকসকলে শ্ৰীজগন্নাথ মহাপ্ৰভুৰ শুশ্ৰূষাৰ সকলোখিনি তদাৰক কৰে। পুৰীৰ শ্ৰীজগন্নাথ মন্দিৰ আৰু মহাপ্ৰভুৰ দৰ্শন লাভ কৰাটো অতি ভাগ্যৰ কথা। ৫৬ বিধ ব্যঞ্জনেৰে স্বয়ং লক্ষ্মী দেৱীয়ে ৰন্ধা খাদ্যৰ সোৱাদ লাভ কৰাটোও আমাৰ বাবে নিৰ্মালীস্বৰূপ। মহাপ্ৰভুৰ সমস্ত ক্ৰিয়া-কলাপ যেনে- জন্ম, মৃত্যু, দৈনন্দিন কাম কাজ সকলোখিনি মানৱ জীৱনৰ বাবে নিদৰ্শনস্বৰূপ। কলিযুগৰ জীৱন্ত মহাপ্ৰভুৰ চৰণত কোটি কোটিবাৰ প্ৰণাম জনাই সমগ্ৰ মানৱ জাতিৰ সংসাৰ সুখেৰে তৰাবলৈ গুৰুজনাৰ ষোষাফাকিৰে কাতৰে গোহাৰি জনালোঁ।

*"জগন্নাথ অনাথক থাপিয়ো চৰণে*
*তোমাক বান্ধৱমানি পশিলো শৰণে।।"*

সহায়ক গ্ৰন্থ ঃ শ্ৰীক্ষেত্ৰ মাহাত্ম্য- ভগবান পুষ্পালক।

## বহুমূলীয়া বাণী

➲ "আমাক সেই শিক্ষাহি লাগে যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শক্তি বাঢ়ে, মেধা বৃদ্ধি পায় আৰু মানুহে নিজৰ ভৰিত থিয় দিব পাৰে।"

— *স্বামী বিবেকানন্দ*

➲ "মানুহ হৈছে সপোন দিঠকলৈ পৰিণত কৰা শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্পীৰ সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনী।"

— *জ্যোতিপ্ৰসাদ আগৰৱালা*

➲ "সত্যক জানিবলৈ চেষ্টা কৰা। ই তোমাক মুক্তি দিব। দুখ ভোগ নকৰাকৈ কোনেও একো কাৰ্য্য কৰিব নোৱাৰে।"

— *মহাত্মা গান্ধী*

➲ "এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'বলৈ হ'লে লাগে অফুৰন্ত কৰ্মশক্তি, সংযত বিবেক আৰু সেৱাৰ মনোভাৱ।"

— *ৰাজা ৰামমোহন ৰায়*



# নাটক কৰিবলৈ মোৰ দিল্লী যাত্ৰা



❑ শিখাৰাণী ঠাকুৰীয়া
*স্নাতক, ষষ্ঠ ষাণ্মাসিক*

হঠাৎ এদিন গধূলি এটা ফোন। তেওঁ হ'ল মৰমৰ ৰূপম দা। তেওঁ ক'লে 'তই ফেব্ৰুৱাৰীত ফ্ৰি আছনে?' মই ক'লো 'এতিয়াই কেনেকৈ কওঁ'। কিয়নো তেওঁ যেতিয়া ফোন কৰিছিল তেতিয়া অক্টোবৰ মাহ আছিল। গতিকে বহুত আগতীয়াকৈ ক'বলৈ কিছু অসুবিধা হয় তথাপিও ক'লো 'ক চোন কি? থাকিম দে ফ্ৰী'। তেওঁ ক'লে দিল্লীত ২১তম ভাৰত ৰং মহোৎসৱ আছে, আৰু তাত আমাৰ নাটক 'মণিমুগ্ধ'ই অসমৰ পৰা নিৰ্বাচিত হৈছে। গতিকে ক' কৰিবি নে? মই আনন্দতে ক'লো হ'ব কৰিম। নাটকখনৰ নাট্যকাৰ হ'ল শ্ৰদ্ধাৰ হিমাংশু প্ৰসাদ দাস। তেওঁ পিছদিনা মোৰ নথি-পত্ৰসমূহৰ ফটোকপি দিবলৈ ক'লে আৰু মই পিছদিনা দি থৈ আহিলো।

তেনেকৈয়ে সময়বোৰ গৈ থাকিল আৰু অৱশেষত ফেব্ৰুৱাৰী মাহ আহি পালে। আমি যাত্ৰা আৰম্ভ কৰাৰ ৫ দিন মান আগতে আকৌ এটি ফোন আহিল যে 'কালিৰ পৰা নাটকৰ ৰিহাৰচেল আছে গধূলিৰ পৰা, গতিকে আহিবি'। তেনেকৈয়ে ২/৩ দিন ভালকৈ ৰিহাৰচেল হ'ল। যিহেতু হিমাংশু প্ৰসাদ দাসৰ নাটকৰ শিবিৰটো (গুৱেৰ্ণিকা আৰ্টিষ্ট ফেক্টৰী) আমাৰ ঘৰৰ ওচৰত গতিকে ৰাতি ৰিহাৰচেল হ'লেও মোৰ কোনো অসুবিধা নহয়। অৱশেষত অপেক্ষাৰ অন্ত পৰিল আৰু আমি আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ ১৬ ফেব্ৰুৱাৰী (২০২০) তাৰিখে ৰাতিপুৱা ৫.৩০ বজাত বৰিহাটিস্থিত গুৱেৰ্ণিকাৰ পৰা গুৱাহাটীৰ.পল্টনবজাৰ ৰেল ষ্টেচনলৈ। কিয়নো আমাৰ ট্ৰেইন আছিল ৰাতিপুৱা ৭ বজাত। এনেকৈয়ে আমাৰ গোটেই নাট্য দলটোৱে (১৮ জন মানুহ) ভিন্ন কথা, কবিতা, গান, ধেমেলীয়া কথাৰ মাজেৰে ৰাজধানী এক্সপ্ৰেছেৰে যাত্ৰা কৰি পিছদিনা অৰ্থাৎ ১৭ ফেব্ৰুৱাৰী তাৰিখে ৰাতিপুৱা ১০.৩০ মান বজাত দিল্লীৰ ৰেল ষ্টেচন পালোগৈ। ৰেলৰ পৰা ষ্টেচনত থিয় হোৱাৰ লগে লগেই দেখিলো দিল্লী ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ কৰ্মকৰ্তাই ৰৈ আছে আমাৰ কাৰণে। গতিকে আমাক গাড়ীখনে হোটেলত নমাই দিলে। হোটেল পালোঁ ১২ মান বজাত গতিকে সকলোৱে গা পা ধুই, খোৱা-বোৱা কৰি আমি গ'লো এনেয়েই খোজ কাঢ়ি ফুৰিবলৈ। আহোঁতে কিনি আনিলো তাৰ বজাৰৰ পৰা বহুতো কাপোৰ। লগতে ৰাস্তাতে বিভিন্ন খাদ্যৰ জুতি ল'লো। সন্ধিয়া আকৌ দিল্লী ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ চৌহদত হোৱা খাদ্যমেলা তথা সাংস্কৃতিক অনুষ্ঠানবোৰ উপভোগ কৰি, বহুতো ব্যক্তিৰ লগত মেহফিল কৰিলো, আৰু নিশা ফুটপাথৰ দোকানতেই ন-ন খাদ্যৰ জুতি লৈ সেই স্থানৰ পৰা হোটেললৈ খোজ কাঢ়িলো সকলোৱে একমাত্ৰ মনৰ আনন্দত। মুখত ন-পুৰণি বহুতো গান, মাজে মাজে ৰাস্তাৰ দাঁতিত চিএৰ, কথাৰ আড্ডা, হাঁহিৰ খিলখিলনি, ফটো পৰ্ব, তেনেকৈ আহি আহি নিশা ১ মান বজাত হোটেল পালোঁ।

পিছদিনা ১৮ ফেব্ৰুৱাৰী তাৰিখে নতুন দিল্লীৰ চণ্ডৰ হাসমি ৰোডৰ শ্ৰীৰাম চেণ্টাৰত নিশা ৮ বজাত আমাৰ নাটক আছিল 'মণিমুগ্ধ'। গতিকে ৰাতিপুৱা উঠি, হোটেলত ব্ৰেক ফাষ্ট কৰি আমি গ'লো NSD ৰ চৌহদলৈ। তাত দিনতেই সকলোৱে মঞ্চখনত নিজৰ নিজৰ স্থানবোৰ মিলাই ল'লো। পোহৰৰ দায়িত্বত থকা দাদা জনে পোহৰ মিলালে। তেনেকৈয়ে দিনটো পাৰ কৰি দুপৰীয়াৰ সাজ বাহিৰত খাই আকৌ আবেলিপৰত হোটেললৈ উভতিলো। হোটেলত কিছু জিৰণি লৈ সন্ধিয়া আমি গোটেই নাট্য.দলটোৱে আকৌ নাট মঞ্চস্থ হ'বলগীয়া ঠাইকণলৈ গ'লো। বহুতো প্ৰবাসী অসমীয়াৰ লগতে বিভিন্ন গণ্য মান্য ব্যক্তিৰ সৈতে আমাৰ সাক্ষাৎ হ'ল। নাটক শেষ হোৱাৰ পিছত আমাৰ একাংশই বাহিৰত নিশাৰ সাজ খালে আৰু আমি ছোৱালী কেইজনীয়ে NSD ৰ কেণ্টিনত নিশাৰ সাজ খাই হোটেললৈ আহিলো নিশা ২ মান বজাত।

পিছদিনা ১৯ ফেব্ৰুৱাৰী। গোটেইবোৰে ৰাতিপুৱা হোটেলত আহাৰ গ্ৰহণ কৰি আমি দিল্লীৰ বিভিন্ন ঐতিহ্যপূৰ্ণ ঠাই ঘুৰিলো। যেনে- লালকিল্লা, কুটুবমিনাৰ, ৰাষ্ট্ৰপতি ভৱন, Lotus Temple, ইণ্ডিয়া গেট ইত্যাদি চাই আমি উভতিলো আকৌ হোটেললৈ। হোটেলত খোৱা লোৱা কৰি ১৯ ফেব্ৰুৱাৰী তাৰিখে ৩.৩০ বজাত আমি ষ্টেচনলৈ আহিলোঁ আৰু ৫.৩০ মান বজাত আমি ৰাজধানী এক্সপ্ৰেছ যোগে ঘৰলৈ উভতিলো। আমি আমাৰ মাজতেই ইমানেই আনন্দ ফূৰ্তি কৰিছিলো যে অইন দবাৰ পৰা বিভিন্ন লোকে আমাক চাবলৈ আহিছিল। তেওঁলোকেও আমোদ লাভ কৰিছিল আৰু আমাৰ সৈতে সহযোগ কৰিছিল। এনেকৈয়ে আহি আহি ২০ ফেব্ৰুৱাৰী তাৰিখে ৰাতিপুৱা ৯ মান বজাত আমি গুৱাহাটী পল্টনবজাৰ ৰেল ষ্টেচন পাইছিলো। তাৰ পিছত আমি এখন গাড়ীৰে ষ্টেচনৰ পৰা ঘৰ আহি পাইছিলো। এইখিনিয়ে আছিল মোৰ নাটকীয় যাত্ৰাৰ এক অনন্য অভিজ্ঞতা। যি সদায় মোৰ মানসপটত চিৰসেউজ হৈ ৰ'ব।

■ ■ ■

## মুখ্য কাৰ্যালয় সহায়ক

# নিৰল শৰ্মাৰ সোঁৱৰণত




❑ স্মৃতি কলিতা

*স্নাতক, ষষ্ঠ ষাণ্মাসিক*


যোৱা ১৯ অক্টোবৰ, ২০২০ ইং তাৰিখে আমাৰ মহাবিদ্যালয়ৰ মুখ্য কাৰ্যালয় সহায়ক নিৰল শৰ্মাই দৈহিক অসুস্থতাৰ বাবে মৃত্যুক আকোঁৱালী ল'ব লগা হয়। তেখেতৰ মৃত্যুৰ সংবাদে আমাৰ মহাবিদ্যালয়ৰ প্ৰতিজন সদস্যকে মৰ্মাহত কৰি তুলিছে।

১৯৬৪ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰামপুৰৰ বাজিৰিপাৰাত তেখেতৰ জন্ম হৈছিল। পিতৃ প্ৰয়াত হংসদেৱ শৰ্মা আৰু মাতৃ আছিল প্ৰয়াত ভদ্ৰেশ্বৰী দেৱী। তেখেতে বাজিৰিপাৰা প্ৰাথমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰি ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰে আৰু ১৯৮২ চনত দক্ষিণ কামৰূপ মহাবিদ্যালয়ত নামভৰ্ত্তি কৰি ১৯৮৫ চনত এই মহাবিদ্যালয়ৰ পৰাই ৰাজনীতি বিজ্ঞান বিভাগত সন্মানসহ বি.এ.পাছ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত এম.এ.পঢ়াৰ বাবে নামভৰ্ত্তি কৰিছিল যদিও আৰ্থিক অনাটনৰ বাবে পঢ়া আধাতে এৰি ১৯৮৮ চনত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাত তেখেতে এই মহাবিদ্যালয়ত কাৰ্যালয় সহায়ক হিচাবে কৰ্মজীৱন আৰম্ভ কৰে।

তেখেত আছিল কৰ্মপটু ব্যক্তি। মহাবিদ্যালয়ৰ সকলো কাম তেখেতে সু-পৰিকল্পিত ভাৱে কৰিছিল। যিকোনো কামৰে নিয়ম নীতিৰ ক্ষেত্ৰত তেওঁৰ অনুশাসন আছিল কঠোৰ। সেয়েহে সকলো কাম সময়মতে হৈ উঠিছিল।

তেখেতে সামাজিক অনুষ্ঠানত কাম কৰি ভাল পাইছিল। মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাত ৰাষ্ট্ৰীয় সেৱা আঁচনি (N.S.S)ৰ স্বেচ্ছাসেৱক হৈ মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু সৰ্বভাৰতীয় বিশ্ববিদ্যালয় শিবিৰত অংশগ্ৰহণ কৰিছিল। অসম সাহিত্য সভাৰ হিতৈষী সভ্য, পলাশবাৰী সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক (দুটা কাৰ্যকাল), পলাশবাৰী ৰঙালী বিহু সন্মিলনৰ সভাপতি, ৰামপুৰ আঞ্চলিক ৰাস পূজাৰ স্মৰণিকা আৰু মহা হীৰক জয়ন্তীৰ স্মৰণিকা 'কৌমুদীৰ' সম্পাদক আছিল। পলাশবাৰী সাহিত্য সভাৰ প্ৰতিনিধি হিচাবে অসম সাহিত্য সভাৰ বহুকেইখন অধিবেশনত তেখেতে প্ৰতিনিধিত্ব কৰিছিল।

মৃত্যুৰ সময়লৈকে কৰ্মৰত নিৰল শৰ্মাৰ মৃত্যু আমাৰ মহাবিদ্যালয়ৰ কাৰণে অপূৰণীয় ক্ষতি। পত্নী আৰু একমাত্ৰ কন্যাও নিঠৰুৱা হৈ পৰিল। শেষত তেখেতে ইহ সংসাৰত এৰি থৈ যোৱা পৰিয়ালৰ মঙ্গল কামনা কৰি তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

।। ওঁম শান্তি।।



# Lal Bahadur Shastri : The Man of Action Prime Minister in continuing and strengthering the Socio-Economic base for Nation Building after Independence




❑ **Dr. Haren Ch. Kalita**

*Dept. Political Science*


"We believe in peace and peaceful development, not only for ourselves but for people all over the world".

*-Lal Bahadur Shastri*

Known as the 'Man of Peace', Lal Bahadur Shastri, was born on 2nd October, 1904 in Mughalsarai of Varanasi in Uttar Pradesh. Following the foot steps of his idol, Mahatma Gandhi, he wanted to work for the upliftment of the weak and poor on society. Shastri firmly opposed the caste system and to show his determination against the caste system, he even decided to abandon his surname of Srivastava. 'Shastri' was a title he got on completing his graduation at Kashi Vidyapeeth in 1928. Shastri was hated the dowry sysstem, and is said to have accepted only five yards of Khadi and a spinning wheel on the insistence of his father-in-law to accept something.

## Background of Prime Ministership

There had been a serious debates on what would happen to India after Nehru. And, when Nehru died in May, 1964 many intellectuals from India and abroad were sure that the newly growing Indian Political System would be adversely affected, some even opined that it could even collapse. However, there was no such furmoil, a smooth succession of Nehru took place.

The syndicate (1963) of Congress Party guided Shastri to the Prime Minister's past after Nehru. The choice was between Morarji Desai and Shastri. Having the upperhand of being mild, soft-spoken and flexible even though a man of integrity and of incorruptible nature, Shastri was chosen the next Prime Minister of India.

## Shastri's Prime Ministership

Shastri assuming the ones of Prime Ministership on 9th June, 1964, Kept with himself the portfolios of external affairs and atomic energy. In his first broadcast to the nation said, "Our way straight and clear the building up of a socialist democracy at home with freedom and prosperity for all, and the maintenance of world peace and friendship with all nations."

Shastri was a secularist and he was very much against the religion based politics. He said, "The unique thing about our country is that we have Hindus, Muslims, Christians, Sikhs, Parsis and

people of all other religions."

### Facing the Three Great Challenges

Shastri's short tenure, the country saw many challenges. But Shastri showed no weakling-had a broader vision of his own besides being capable of taking tough decisions quickly.

His Government faced three big challenge- violent anti-Hindi demonstrations in Madras (Presently Tamil Nadu), the widespread food shortages, and the second war with Pakistan. Shastri with his firm personality solved all the three problems, setting an example of unity among the Indians at the time of chaes. Shastri said, "Perhaps due to my being small in size and soft in tongue, people are apt to believe that I am not able to be very firm....I think I am internally not so weak," His words and actions has shown that Shastri was the Prime Minister of action, not of mere words.

### The Forernnner of Economic Reform

Shastri was forerunner to decentralise the governance by moving decision-making on projects from the Planning Commission to the concerned ministries dealing with economic subjects. Shastri was in favour of economic reform through modernisation and allowing more private sector freedom. Even, the decision to devalue the rupee was taken in principle by Shastri though the actual steps was implemented by Indira Gandhi. As P.N. Dhar says that Shastri pursued those agenda of economic reform, was taken up twenty five years later (under the Finance Minister Manmohan Singh and Prime Minister Narasimha Rao).

### Bringing Green Revolution and White Revolution

Shastri laid the foundations of the Green Revolution, although, the credit was given to Indira Gandhi. The Green Revolution involved technological, economic and organisational development of agriculture. Shastri was in favour of infroducing high yielding wheat varieties develped by Norman Borlong's team in Mexico. To higher the food production, Shastri approved to import of 250 tonnes of wheat seeds in 1965. With the initiatives of Shastri, the Agriculture Prices Commission (APC) and the Food Corporation of India (FCI) came into existence in 1965.

Shastri was also instrumental bringing White Revolution in the country- a national compaign to raise the production and supply of milk. Shastri with the help of Verghese Kurien (General Manager of Amul) spread the revolution across the country with the support of National Dairy Development Board (1965)

### Indo-Pakistan War and Shastri's Mysterious Death

Shastri, as Prime Minister showed his strength of mind during the Indo-Pak war of 1965. Replying to the attack by Pakistan, the Indian forces launched a threefold attact with their move aiming at Lahore and Sailket. But eventually, United Nations intervened and a ceasefire was done by both sides on September 23, 1965.

A South Asian Peace conference was held in January, 1966 at Tashkent which was sponsored by the Soviet President Alexei Kosygin, through which Pakistani President Ayub Khan and Shastri met and signed the Tashkent Declaration on January 10, 1966 to restore normal and peaceful relations between the two Countries. Early in the morning of January 11, 1966, the morning following the signing of the Tashkent Declaration, Shastri died of a heart attack. There was a controversy over the death, with rumours floating that Shastri had been poisoned. The Controversy has still not ended as RTIs asking for relevant information have been after turned by the Government.

■ ■ ■





# 'Vivekananda's Philosophy of Religion



❑ Mitali Goswami
*Deptt. of Philosophy*

The religious concepts of Vivekananda are much broad in attitude. He puts that religion is not talk or doctrines or theorics. It in not sectarianism. According to him Religion is religion between soul and god. Religion camol find in books or in any organizations. It is realization.

According to him Religion is not in the doctrines or dogmas Religion is the Mani festation of the Divinity which is ahcady include in human being. According to Vivekanda Man Must realize god, feel god, talk to god. That is religion. Vivekananda holds that there are in the study of the diffrent religious of the world, three various stages of ideas with regard to the sould or god. We can feel the very exislince of another eternal being possesses no end god above all of us above this eternal nature.

Vivekananda accepted all religions that were in the past, and worshipped with them all. He workshipped god with every are of them. The Bible, the Vedas, the Koran and all other sacred books are but so may pages and and infinite number of pages remain yet to be workshipped with them all. We stand in the present, but open ourselnes to the infinite futer. We take in all that has been in the part, enjoy the light of the present and open every window of the heart for all that will come in the future.

Religion that can be claimd as dynamic in nature hopes man's absolute sincerity and dedication to our destined aim. Man canot both walk alaey the ridge of the spirit and worship flexh and Mamman Simu I tonously, with wise Man camot both serve the spirit within, the sparle of conseience and satisfy our Ego-desires. One will have to abandan are for the other.

We may have, if is a thorough going study of the essential points of all the religious of the world, similar picture in religion too the human minds are view the nessels mutiaed hue above, and each are of men is making adumpt to arrive at the realization of god.

According to Vivekananda god is omnipreset, and we does not has to resort to rites or rituale or my particular form of religion Swami Vivekananda was religious, but never a subonstitious person. According to him religion is the Manifestation of god. His teaching and philosophy applied this reinter pretation to various aspects of Education faith, character building as well as social issues pertaining to India and also instrumantal in introducing yogo to the west. Religion plays a central role in this Man Making, starting "to preach upto manlived their divinity, and how to make is manifest in every movement of life.

According to him religion is the idea which is raising the brute into man, and man into god.

Religion was his main focus after self relization. He was a major force in the revival of Hinduism in India.

Vivekananda considured Hinduism to be the mother of all religious. He showed that vedic religion had influenced Buddhism, which again was instrumental in influency Christianity. He told that all the religion of the world have the same value and importance. He told that we told that though the paths are different for different religians, but the goal is same. He attached great importance to the unity of all religions and their furian into one minersal religion.

Swami Vivekananda was a great lover of vedantic philosophy. He be lieved in Monisam. He had told that as water of different rivers Mingle in the sea, Similarly every religion finds itself at the feet of god Vivekananda discovered this idea as exemplified in the life and teaching of his master Sri-Ram Krishna Paramahansa. ■

o o o

# হোষ্টেলৰ এটি ভাল লগা অনুভৱ


❑ কবিতা দেৱী

*প্ৰাক্তন হোষ্টেল আবাসী (স্নাতকোত্তৰ শ্ৰেণী)*




'হোষ্টেল' এটি শব্দ নহয় ই এক মিঠা অনুভূতি। ঘৰৰ পিছতে আন এখন আপোন ঘৰ। য'ত বিচাৰি পাওঁ ভালপোৱাৰ মিঠা আবেগ। হাজাৰজনী বান্ধৱী আৰু হাজাৰ হাজাৰ ভাল লগা কথাৰ আমেজ আৰু গোটেই জীৱনত থাকি যোৱা এসোপা তিতা মিঠা স্মৃতিৰ সোৱাদ। হোষ্টেলৰ চাদত বহি আঁকা হেঁপাহৰ ৰামধেনু লগৰ জনীৰ লগত চাই থোৱা আকাশৰ সন্ধিয়াৰ তৰাটো।

মই যেতিয়া হোষ্টেলত প্ৰথম আহিছিলো মোৰ খুউব বেয়া লাগিছিল ক'ত আহিলো, ৰুমত গৈ কান্দিছিলো বহুত ঘৰৰ কথা মনত কৰি। কিন্তু যেতিয়া আন লগৰবোৰক লগ পালো আৰু নজনাকৈয়ে কেনেকৈ আপোন হৈ পৰিল দুবছৰ মোৰ বাবে হৈ পৰিল দুদিন। গোটেই ৰাতি লগৰবোৰৰ লগত আড্ডা, ৰাতিপুৱা দেৰিকৈ উঠা আৰু সময়ত ক্লাছ নোপোৱা, ক্লাছ বাং কৰি ৰেষ্টোৰেণ্টত খাব যোৱা, জ্বৰৰ বাহানা কৰি ঘৰলৈ যোৱা, মনে মনে ৰুমৰ কেটলি আনি মেগি খোৱাৰ আমেজ ইত্যাদি কিমান যে পাহৰিব নোৱাৰা ক্ষণ আৰু যেতিয়া চিৰবিদায় দিছিলো হোষ্টেলক এজনীয়ে আনজনীক সাবটি ধৰি কন্দা কটা কৰা। হোষ্টেলৰ ৰুমবোৰ অকল ৰুম নহয় হাজাৰ হাজাৰ স্মৃতিৰে ভৰপূৰ একো একোটা স্বৰ্গ স্বৰূপ ঠাই।

পাহৰিব নোৱাৰো কেতিয়াও হোষ্টেলৰ কেনভাছ। কৈ শেষ কৰিব নোৱাৰো হোষ্টেলৰ বিষয়ে শেষত এটায়ে কম Hostel Life is a great event that teaches us about the difficulties of life.



# কবিতা শিতান

Religion was his main focus after self relization. He was a major force in the revival of Hinduism in India.

Vivekananda considured Hinduism to be the mother of all religious. He showed that vedic religion had influenced Buddhism, which again was instrumental in influency Christianity. He told that all the religion of the world have the same value and importance. He told that we told that though the paths are different for different religians, but

o

# হোষ্টেলৰ এটি


□ কৰ্
প্ৰাক্তন হোষ্টেল আব




'হোষ্টেল' এটি শব্দ নহয় ই এক মিঠা অনু
পাওঁ ভালপোবাৰ মিঠা আবেগ। হাজাৰজনী বান্ধ
গোটেই জীৱনত থাকি যোৱা এসোপা তিতা মিঠ
ৰামধেনু লগৰ জনীৰ লগত চাই যোৱা আকাশৰ স
মই যেতিয়া হোষ্টেলত প্ৰথম আহিছিলো মো
বহুত ঘৰৰ কথা মনত কৰি। কিন্তু যেতিয়া আন লগ
হৈ পৰিল দুবছৰ মোৰ বাবে হৈ পৰিল দুদিন। গোটে
আৰু সময়ত ক্লাছ নোপোৱা, ক্লাছ বাং কৰি বেষ্টো
মনে কাৰেণ্টৰ কেটলি আনি মেগি খোৱাৰ আমেজ
চিৰবিদায় দিছিলো হোষ্টেলক এজনীয়ে আনজনীৰ
কম নহয় হাজাৰ হাজাৰ স্মৃতিৰে ভৰপূৰ একো এ
পাহৰিব নোৱাৰো কেতিয়াও হোষ্টেলৰ কে
এটায়ে কম Hostel Life is a great event th



# লকডাউন


□ ড° জগন্নাথ বৰ্মন
অসমীয়া বিভাগ


সীমাত আবদ্ধ সৰ্বব্যাপীৰ আৰাধ্য স্থল শূন্য
পৰিত্যক্ত।
চৌপাশত দশমীৰ বিফল সন্ধ্যাৰ বিপন্ন
অন্তহীন ছাঁ, মৃত্যু শীতল নীৰৱতা

স্বয়ম্ভু দেৱদূতৰ হাতত নাই আকালৰ ভাতৰ
নিচিনা নিদানৰ মাত
পাঁচ সন্ধ্যা, দহ প্ৰসঙ্গ বীজগণিতৰ এক্স
হজ, তীৰ্থ, মেলা, সমাগম, ধৰ্ম বজাৰত
অচল টকা

নৈবোৰ তথাপি বৈ আছে
বজা নাই ঘণ্টা, শুনা নাই আৱতি আজান
কিম্বা প্ৰাৰ্থনা। দেখা নাই ভোকাতুৰ ভক্তৰ
ভক্তিৰ হাহাকাৰ

ধৰ্ষণ মুক্ত নাৰীৰ প্ৰশান্তি প্ৰভাৱে উজ্জ্বল
নৈবোৰৰ ওঁঠত ওম্ শান্তি ওম্ শান্তি।

নিজান নৈৰ ওঁঠত প্ৰথম প্ৰেমৰ আদিম
অনুভৱ, ৰাতি দুপৰলৈ এৰাতি তৰাৰ জাক
জাক ৰূপালী চুমা

চৰাইবোৰ আহিছে ৰৱযুণ ভালপোৱা গান
কবিতাৰ ডাল বিচাৰি
বৈ থকা নৈবোৰ বৈছে এখন্তেক
গা ধিৰ ধিৰ ছাঁ বিচাৰি

তোমাৰ বন্ধ দুৱাৰৰ বাহিৰত নিৰ্ভয়
ঋতুমতী পথাৰ লাই হালে জালে...
চৰাই ফুল গছ
কেৱল উৰ্ ফুল্ উঠ্

মই প্লাষ্টিকৰ ফুল এপাহিত পৰা এটা
পখিলা অথবা ভোমোৰা। অৰ্থহীন। মিথ্যা
আৰু কিবা। ■



# যুগৰ আউল


□ নমিতা শীল
উঃ মাঃ, দ্বিতীয় বৰ্ষ


আমাক এটা মাত লাগে,
বহুৱা মাত নিমাত কৰা বিহুৱা মাত।
আমাক এটা সুৰ লাগে,
উমি উমি জ্বলি থকা অসুৰ বিনাশী সুৰ।
আমাক এটা কণ্ঠ লাগে,
জীৱন মন্থনত সৰণ পাৱত নবীন নীলকণ্ঠ
আমাক এখিলা সাঁচিপাত লাগে,
কোমল গীতেৰে যুগৰ বাট ভঙা সাঁচিপাত
আমাক এটা বাঁহী লাগে,
পঞ্চমে, সপ্তমে সোঁত সলনিৰ সোঁত বোৱা বাঁহী
আমাক এজন মানুহ লাগে,
কথাই কামে সেৱা ৰস সিঁচা মানুহ।
আমাক এটা যুগ লাগে,
যি যুগত নাথাকিব কোনো ধৰণৰ আউল।। ■

# হে ক'ৰোনা তুমি বিদায় লোৱা


□ লভিতা দাস

*উঃ মাঃ, দ্বিতীয় বৰ্ষ*

*(পুৰণি ছাত্ৰী)*


গোটেই পৃথিৱী স্তব্ধ আজি
মানৱ জাতি নীৰৱ নিস্তব্ধ
কাল ক'ৰোনাই বিষাক্ত কৰিলে এই পৃথিৱী
মানৱৰ কান্দোনৰ ৰোল মাথোঁ কান্দোনৰ ৰোল
পিতৃহাৰা মাতৃহাৰা, পুত্ৰহাৰা আজি,
মা, জননীৰ কোলাত
সকলো আজি নীৰৱ নিস্তব্ধ
দুখিতাৰ চকুপানী
অনাহাৰে জীৱন পাৰ কৰিছে মানৱ জাতি।।
হে কাল ক'ৰোনা তুমি বিদায় লোৱা,
কিমান আৰু কষ্ট দিয়া মানৱ লোকক।
সেউজীয়া পৃথিৱীখনক
আকৌ হাঁহি বিৰিঙাই দিয়া
নামঘৰত বাজিব দিয়া
হৰি নামৰ ধ্বনি
তাল খোলৰ শব্দ
হে ক'ৰোনা
হাত যোৰ কৰিছো তুমি বিদায় লোৱা। ■





# হেঁপাহ


□ প্ৰিয়ংকা দাস

*স্নাতক, তৃতীয় ষাণ্মাসিক*


"দুহাতেৰে কুঁৱলি ফালিছো
বিচাৰিছো এটি সৰু বাট,
আগুৱাই যোৱা অদম্য হেঁপাহত।
সঁচাই, কুঁৱলি বহুত গভীৰ...
দিগন্তৰ সিপাৰত
জোনাকীৰ দেশ..."
"কালৰ বুকুত থিতাপি লোৱা
এজাক শীতল ধুমুহা তই
আজিও হৃদয়ত অহৰহ ৰোৱা
ফাগুনৰ এখনি নীৰৱ নৈ..."
"স্বপ্ন ভংগৰ বেদনাত
হেৰাই যায় পাৰ্থক্য
দিন আৰু ৰাতিৰ
হৃদয়ত জিলিকি উঠে
এখন মৰিশালি
কুমলীয়া সপোনৰ..." ■





# ফাগুন


□ দীপামণি দাস

*স্নাতক, প্ৰথম ষাণ্মাসিক*


তুমি আহিলা আকৌ।
ভালে হ'ল,
মই তোমাক বৰ ভাল পাওঁ
তুমি আহিবা বুলি
পদূলি মুখৰ বকুল তলত
সদায় বাট চাওঁ।
তুমি আহিলে মোৰ মন
চঞ্চলা পখিলাজনীৰ দৰে হয়।
তোমাৰ শুকান, কৰ্কশ মাতত
মই বিচাৰি পাওঁ নিজক।
যেতিয়া তুমি পানী পানী
বুলি চিঞৰা তেতিয়া.....
মোৰ হৃদয় ব্যাকুল হৈ পৰে,
তোমাক পানী দিবলৈ।
ফাগুন তুমি এৰি থৈ
নাযাবা.......
তুমি কঢ়িয়াই অনা শুকান
বতাহজাকো মোৰ ভাল লাগে
কিয়নো, মোৰো তোমাৰ দৰে
একেই অৱস্থা।।

সেয়ে তুমি মোৰ ওচৰৰ পৰা
আঁতৰি নাযাবা....। ■

# সপোনৰ ছবি


□ দিম্পী চুলতানা

*স্নাতক, দ্বিতীয় ষাণ্মাসিক*


এটা শব্দ আছিল
মোৰ মনত ভাহি
স্বপ্নবোৰেও এটা কথাকে
কৈ আছিল হাঁহি হাঁহি।
নিশাৰ আকাশত হাজাৰ বিজাৰ তৰা
জুমি চাও বাৰে বাৰে
সপোনৰ এটি ছবি
কিজানিবা উঠে ভাহি।
মোৰ মন আকাশত
হেৰোৱা ছবিৰ সুবাস বিচাৰি। ■

# পৰিণীতা


□ মিছ মিনুৰাৰা বেগম

*উঃ মাঃ, দ্বিতীয় বাৰ্ষিক*


তুমি কলৈ গুচি গ'লা ?
তোমাৰ অবিহনে মোৰ জীৱন আধৰুৱা
তুমি যেন এজাক ধুমুহা বতাহ,
যে আহিয়েই মোৰ মন উৰুৱাই নিয়া।
নীলা আকাশৰ পিনে চালে
তোমাকে দেখা পাওঁ
মুকুতামণিহে উজ্বলি থাকা।
সাগৰৰ ঢৌবোৰে
তোমাৰ কথা মনত পেলাই,
ব'তে আছা তুমি উভতি আহা।
নাজানো আৰু তোমাক
লগ পামনে নাপাম!
কিন্তু হৃদয়ত তোমাৰ স্থান সদায়েই খোলা।। ■

# ধৰ্ষণ

❑ কংকনা দাস
*স্নাতক, ষষ্ঠ ষাণ্মাসিক*

তিনিটা আখৰযুক্ত এটা শব্দ 'ধৰ্ষণ'
শুনিবলৈ কি সৰু শব্দ
নহয় জানো ?
কিন্তু কিমান জটিল আৰু গধুৰ এই শব্দ
এগৰাকী ধৰ্ষিতা নাৰীক সুধি চাওকচোন
এবাৰ সুধি চাওকচোন সেই নগ্নশৰীৰেৰে
পেলাই থোৱা সেই মৃত শৰীৰটোক।
তেতিয়া নিশ্চয়কৈ বুজি উঠিব এই সমাজে
ধৰ্ষণ কি আৰু ধৰ্ষিতা কি ?
মই জনাত,
ধৰ্ষণকাৰীয়ে এগৰাকী নাৰীক ধৰ্ষণ কৰি
ওলোমাই থয়।
ঠিক সেইদৰে আৰক্ষীয়ে দোষীক বিচাৰ কৰি
গ্ৰেপ্তাৰ কৰে।
কিন্তু কিহৰ বাবে ?
মাত্ৰ ছয়-সাত বছৰৰ কাৰাদণ্ডৰ বাবে,
নে সিহঁতৰ ভয় দূৰ কৰি লগত আকৌ
দহজন প্ৰস্তুত কৰিবলৈ।
ৰাক্ষসৰূপী মানৱকেইটা আকৌ আহিব।
আজিৰ পাঁচটা কালিলৈ দহটা হৈ ওলাব।
আকৌ এগৰাকী নাৰীক ধৰ্ষিতা নামেৰে
পৰিচিত কৰিব।
জীৱনবোৰ আকৌ অন্ধকাৰলৈ
গতি কৰিব।
সেয়েহে,
হে, অন্ধ সমাজৰ দেৱতুল্য মানৱ আত্মাসকল
উঠক, আৰু সেই দেৱীৰূপী নাৰী জীৱন

এই ধ্বংসকাৰী ধৰ্ষণ শব্দৰ পৰা
মুক্ত কৰক।।
মুক্ত কৰক।।
মুক্ত কৰক।। ■



# माँ

❑ अर्चना दास
*बि.ए, 2य षाण्मासिक*

तेरी ममता कि आँचल में पला
तेरी चाव मे बड़ा हुआ
तेरी परचाई हू मे माँ॥
जब आखें खुलि तो,
पेहली बार तेरा ही सेहरा देखा।
जीवन में आगे बढ़ना
तुम से ही सिखा माँ।
गिरकर सम्भालना तुमने ही सिखाया।
पहले जब में रोती थी,
आपको भी तो तकलिफ होती थी ना माँ॥
जब में बिमार पड़ती थी तो,
खुद ना सोकर मुझे सम्भालती थी।
आज भले ही में बड़ी हो गई हु,
पर तेरी बताई हर एक राह पर चलती हु।
क्योकी आज भी में तेरी बच्ची हु माँ। ■



# এইয়া মোৰ অভিমান

❑ শিখাৰাণী ঠাকুৰীয়া
*স্নাতক, ষষ্ঠ ষাণ্মাসিক*

মইয়েই সেই অবহেলিত জন
মোৰেই সেই সেমেকিত মুখ
নিৰৱে সহা অভিমানৰ
নেদেখিব কোনেও
মনত অলপ সুখ।

প্ৰত্যাখ্যানৰ পিছতে উভতি যাওঁ নিজৰ দেশলৈ
অকলে উদ্‌যাপন কৰি যাওঁ প্ৰেমৰ উৎসৱ।
মোক গ্ৰহণ নকৰাৰ বাবে কিনো অভিমান দেখুৱাম।

উত্তপ্ত শিলত হৃদয়খন পুৰি গৈছিল এদিন।
চলাহী কথাত
তীক্ষ্ণ কাঁড়েও বিন্ধা নাছিল।
তোমাৰ প্ৰত্যাখ্যানত
উদ্‌যাপন তোমাৰ প্ৰেমৰ উৎসৱ
দেখিয়ো দুখৈৰ পৰাই উভতি যোৱা
মই সেই প্ৰত্যাখ্যান।

মই যে নিমাত
এইয়াও মোৰ অভিমান।

মাটিৰে নিৰ্মিত মোৰ
এই শৰীৰ,
মইনো কি অভিমান দেখুৱাম
জলন্ত হৃদয় উত্তাপত
মেঘাচ্ছন্ন দুচকুৰ বৰষুণেই
মোৰ শেষ অভিমান।
খহি খহি যেন এই শৰীৰ
সেই বাটে অন্ধকাৰ
এইয়াই মোৰ অভিমান। ■



# দেউতা

❑ মণিকংকণা দাস
*স্নাতক, দ্বিতীয় ষাণ্মাসিক*

মোৰ মৰমৰ দেউতা
মোক কৰা মৰমবোৰত
নাই তোমাৰ স্বাৰ্থ, নাই তোমাৰ অভিমান
সকলো পৰা আঙুলিত ধৰি
খোজ কঢ়াব শিকোৱাৰ পৰা বৰ্তমানলৈ
তোমাৰ নিস্বাৰ্থ মৰমে মোক দিছে
বহুতো প্ৰেৰণা, বহুতো মৰম বহুতো অভিজ্ঞতা
তোমাৰ বাবে মই আজি এই স্থানত থিয় হ'ব পাৰিছোঁ।
তুমি বিনে যেন মোৰ জীৱন আধৰুৱা
তুমি সঁচাই মোৰ এজন ভাল বন্ধু।
লগতে তুমি মোৰ অতি মৰমৰ, অতি চেনেহৰ,
মৰমৰ প্ৰেৰণা।
যাক মই কাৰো সৈতে তুলনা কৰিব নোৱাৰো
তুমিয়ে মোৰ আশাৰ ভাণ্ডাৰ।
যাক লৈ মই গৌৰৱান্বিত
যাক লৈ সপোন দেখিব পাৰো। ■



# মদ

□ বনজীতা ৰাভা
*স্নাতক, তৃতীয় ষাণ্মাসিক*

মদ মদ মদ
চাৰিওফালে মদ
যিজনে খায় মদ
সিয়েই হয় লম্পট।
বাটে বাটে বকি ফুৰে
যাকে তাকে দম্ভালি মাৰে
বাৰটাৰ পিছত ঘৰত সুমে
তিৰি চলিক কোব মাৰে
নাই পইচা নাই ভাত
তিৰিক ক'ব কুলক্ষণী জাত।
নিজে বিখিনি পইচা পাই
মদ খাই দিয়ে উৰাই।
নাই শিক্ষা নাই দীক্ষা
দুদিনৰ পিছত মাগিব ভিক্ষা।
তিৰিৰো ভুল মতাৰো ভুল
তিৰিয়ে নিচিনিলে মদ
মতানো পাব ক'ত ?
বাপেক চাই পুতেক হ'লে
পুতেকেও যাব একে বলে
মদৰ ধান্দাত লীন গৈ
ছোৱালী আনিব পলুৱাই লৈ।
চাকৰি নাপালে মদ খাই
এনে স্বভাৱত নগজিব লাই।
হিৰোহোন্দাখন লৈ
ইফালে সিফালে গৈ
পিছত থাকিব ছোৱালী উঠি
ঘৰৰ তিৰিয়ে মৰিব হাজিৰা কৰি।
এজনী থাকিও দুজনী লাগে
খুৱাব নোৱাৰি দুখত ভাগে।
হায় হায় হায় কি হ'ব কি হ'ব
আমাৰ সমাজখন এনেকুৱাই চাগে!! ■

# ফাগুনৰ স্তৱক

□ মধুস্মিতা ৰাভা
*উঃ মাঃ, দ্বিতীয় বৰ্ষ*

ফাগুনৰ বতাহত
পখিলা যুৰি হেৰাল,
দুখৰ পাহাৰত ঠেকা খাই সিহঁতে,
আকাশত সাজিলেনে স্বপ্নৰ কাবেং .
সজা-ভংগৰ সেই হিচাপ
কোনেও নল'লে....
স্বপ্নবোৰ হেনো এনেকুৱাই...
সুন্দৰ পৃথিৱীখনি,
সোণতৰা হ'ল তৰা
চাৰ গগনৰ পৰা।
নিষ্প্ৰভ হ'ল যেন অৰুণ পোহৰ
কাণে কাণে কৈ গ'ল
সমুদ্ৰৰো পাৰ আছে
পাৰে পাৰে 'মানুহ' আছে
মানুহবোৰ এটি এটি তৰা
আকাশলঙ্ঘী এক
দুৰ্বাৰ আশালৈ ফুৰা... ■



# সময়

□ নৱনীতা দাস
*উঃ মাঃ, দ্বিতীয় বাৰ্ষিক*

সময় বৈ আছে অবিৰাম গতিত
সময়ৰ লগত আগবাঢ়ে জীৱন !
সুখ-দুখ হাঁহি কান্দোনৰ মাজেৰেই
জীৱনে মোট সলাইছে
মাথোঁ স্তব্ধ হৈ ৰৈছে স্মৃতিবোৰ।
সময়তে আৰম্ভ হৈ সময়তেই শেষ
হয় এয়াই আমাৰ জীৱন।
ভিন্ন অভিজ্ঞতাৰে জীৱনত আগবাঢ়িবলৈ
বাস্তৱৰ মুখামুখী হ'বলৈ শিকোৱা
একমাত্ৰ মাধ্যমটোৱেই হ'ল 'সময়'।
তাৰপিছতো আমি সময়ক দোষাৰোপ কৰি কওঁ
'সময় তই বৰ নিষ্ঠুৰ'
প্ৰকৃততে নিষ্ঠুৰ আমি
যিয়ে জীৱ শ্ৰেষ্ঠৰ আখ্যা লৈ
লিপ্ত হয় বিভিন্ন অপকৰ্মত। ■

# জোনাকী ৰাতি

□ ভনীতা শৰ্মা
*স্নাতক, দ্বিতীয় ষাণ্মাসিক*

জোনাকী জোনাকী ৰাতি
জোনাকে আনিলে নিশাৰ জ্যোতি
কোনে কঢ়িয়াই এই সপোনৰ নিশা
জোনাকে কঢ়িয়াই আনে এই নিশা
জোনাক, জোনাক, জোনাক
তুমি হ'লা সপোনৰ জোনাক
তুমি অনা সকলোৰে বাবে চকুৰ সপোন
কৈ যোৱা যে ৰাতিৰ কথোপকথন
জোনাকে কঢ়িয়াই সকলোৰে মৰম
তুমি যে আনিলা হিয়াৰ ৰং। ■



# মৰম

□ সীমা দাস
*উঃ মাঃ, দ্বিতীয় বাৰ্ষিক*

এটি নিশা য'ত চৌদিশে প্ৰাচুৰ্য্যৰ সুৰ
জীৱনৰ অমিয়া ৰংবোৰে কৈ যায়
প্ৰতিটো জটিলতাৰ কথা।
দি যায় মৰমৰ এনাজৰী ডাল,
থৈ যায় মাথোঁ অভিমানৰ চাপ,
আঁকোৱালি লয় সকলো দুখ যন্ত্ৰণা,
কিন্তু দি যায় সকলোবোৰ হাঁহিৰ কিৰণ।
প্ৰীতিভৰা জীৱনত পালো কেৱল
পবিত্ৰতাক প্ৰেমৰ সুবাস।। ■



# শৈশৱৰ কথাবোৰ

□ কৰবী কলিতা
উঃ মাঃ দ্বিতীয় বৰ্ষ

আবেলি পৰত পথাৰলৈ দৌৰি গৈ
খেলিছিলো কতো খেল,
সন্ধিয়া আইতাৰ কোলাত বহি
পাতিছিলো, সাধু কথাৰ মেল।
চুৰা-চুৰি, লুকা-ভাকু
আৰু পাত অনা-নিয়া,
দৰা-কইনা সাজি ধেমালিতে
পাতিছিলো বিয়া।
গছত ধুলনি সাজি ধুলিছিলো
সকলোৰে লগত
কিমান আনন্দ, ধেমালি স্ফূৰ্তি
আছিল যে আমাৰ মাজত।
ডাঙৰ হৈ আহিলো
সকলোৰে লগত মিলিলো,
এতিয়াহে জানিলো স্বাৰ্থপৰ
মানুহৰ খোজত খোজ মিলালো। ■

# ক'ৰোনা মহামাৰী

□ দিল্পী চুলতানা
স্নাতক, তৃতীয় ষাণ্মাসিক

এটি সপোন আছিল
যি শেষ হৈ গ'ল
ক'ৰোনা মহামাৰীত
বহুতৰেই জীৱন গ'ল।
জীয়াই থকাৰ আশা
ক'ৰবাত যেন হেৰাই গ'ল
মৃত্যুৱেও যেন জনাইছে আহ্বান
তেনে লগা হ'ল।
সকলোৱে যুঁজিছে যুঁজাৰু হৈ
ক'ৰোনা মহামাৰীক হৰুৱাবলৈ।। ■

# অভি-নীল

□ পূৰ্ণিমা পাঠক শৰ্মা
স্নাতক, প্ৰথম ষাণ্মাসিক

হে মৰমৰ অভি-নীল দা
তোমালোক দুয়োজন ক'ত আছা ?
চাই আছানে এই নিষ্ঠুৰ...
পৃথিৱীখনৰ মহিমা।
পৃথিৱীৰ মানুহবোৰ বৰ নিষ্ঠুৰ,
নুবুজে কাৰো দয়া মমতা।
হেজাৰ চিঞৰিলা....তথাপিও
নুশুনিলে কোনেও মাত
মন যায় নে ?
পুনৰ জনম ল'বলৈ
এই পৃথিৱীৰ মায়াত।
আহিছিলা দুয়োজন আইৰ কোলাত,
ক'তনো সপোন লৈ
নিষ্ঠুৰ নিয়তিয়ে সপোন ভাঙিলে
আইৰ চকুপানী হৈ।



# সময়ৰ সোঁত

□ লিনা দাস
স্নাতক, দ্বিতীয় ষাণ্মাসিক

ক'লি হৈ ওলালো
সকলোকে মোহিলো,
অহাই যোৱাই চাই মোক বাটৰুৱাই
কিমান নো বাঢ়িলো।

সময়ৰ সোঁতত গৈ ভৰি দিলো এদিন
ৰঙে ৰূপে ভৰপুৰ মোহময়ী ৰূপত,
মোৰ মোহময়ী ৰূপত যেন
মুগ্ধ হয় সমস্ত পৃথিৱী,
মোৰ সুগন্ধিত যেন
বিলীন হৈ যায় সকলো,
নিজৰ সমস্ত বাদ দি যেন
গুচি আহিব মোৰ এই মোহময়ী পৃথিৱীলৈ।

আকৌ,
সময়ৰ সোঁতত গৈ ভৰি দিলো এদিন
শুকান নিৰস মোৰ কুৎসিত ৰূপত,
নাই মোৰ এতিয়া সেই মোহময়ী-ৰূপ
নাই মোৰ এতিয়া সেই সুগন্ধি।

বিলাই দিছিলে যিয়ে মোৰ সুগন্ধি চৌদিশে
কোবাইছে এতিয়া মোক সেই বতাহ জাকে,
পাইছিলো যাৰ পৰা শক্তি মই
ৰসহীন কৰি পেলাইছে যেন এতিয়া
সেই সূৰ্যই মোক।

ওলাইছিলো ক'লি হৈ যি জোপা গছত
প্ৰয়োজনহীন হৈ পৰিছো এতিয়া সেই জোপা গছত,
ৰ' লাগি চোৱা বাটৰুৱাইও যেন এতিয়া
গচকিছে মোক।

এই পৃথিৱীতে জন্মিছিলো প্ৰকৃতিৰ সৌন্দৰ্য্য হৈ,
এই পৃথিৱীতে মৰি যাম প্ৰকৃতিৰ আৱৰ্জনা হৈ।

হয়তো এয়াই সময়ৰ সোঁত
যি কাৰো বাবে নৰয়। ■



# আমাৰ বিদ্যা মন্দিৰ

□ মন্দিৰা দলৈ
স্নাতক, দ্বিতীয় ষাণ্মাসিক

জ্ঞান সাগৰৰ হে বিদ্যা মন্দিৰ
তুমিয়ে এখনি নাও
তোমাৰ গতিত গতিমান
আমি সকলো আগবাঢ়ি যাওঁ।
নানা শিক্ষা নানা জ্ঞান
তোমাৰ বুকুতে যেন আমি পাওঁ
সাগৰৰ গভীৰতাত মুকুতা বিচৰা দি
আমি সকলোৱে আগবাঢ়ি যাওঁ।
এই বিদ্যা মন্দিৰৰ বুকুতে আমি
পান কৰিম অমৃত জল
তোমাৰ মানেৰে মান ৰাখি
দেখুৱাম এদিন আমি মহা সুফল।
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়। ■

# যান্ত্ৰিকতাৰ কবলত এই গাঁও

□ হৰ্ষিতা গোস্বামী
*উঃ মাঃ, দ্বিতীয় বৰ্ষ*

নাই কোনো শৰতৰ পুৱাত
শেৱালিৰ গোন্ধ।
নাই কোনো আলি-পদূলিত
মাটিৰ গোন্ধ।
নাই কোনো শীতকালিত
শীতৰ গোন্ধ।
নাই কোনো পথাৰত
শইচৰ গোন্ধ।
অহ..., ইয়াতেই বাস কৰে যান্ত্ৰিকতা/আধুনিকতা।

অ'ই ককাই, শুনচোন....
আমি যে ব'হাগৰ বিহুটিত
মাহ্-মথাৰে গৰু ধুৱাইছিলো,
লাও-বেঙেনা খুৱাইছিলোঁ,
গৰুৰ গাত সনা তেল
আমি গাত সানিছিলো।
আস...., কি যে মধুৰ....।
ডাঙৰক সেৱা জনাইছিলোঁ,
আয়ে তাঁতত বোৱা ন-আন দিছিলোঁ।
বিহু বুলি সকলোৰে ঘৰে ঘৰে
জলপান (দৈ-চিৰা, সান্দহ...) খাইছিলোঁ।
সাত বিহুৰ দিনা সাত শাকি খাইছিলো।
তই যে মই শাক নাখাওঁ বুলি ক'লে গালি পাৰিছিল,
হা.হা.হা....... মনত আছে নে তোৰ।

আমাৰ যে খেৰি ঘৰৰ বাটচ'ৰাটো
আয়ে যে কিমান আটোমটোকাৰীকৈ ৰাখিছিল।
ঘৰত থকা গাই-গৰু, গৰু গাড়ী, ছাগলী, হাঁহ, পাৰ...
এইবোৰে যে পৰিবেশটো
কিমান মনোমোহা কৰি ৰাখিছিল।
পিতায়ে ঘৰৰ বাৰীত কৰা শস্য,
সৰু কাইটিয়ে পথাৰত কৰা ধান খেতি...
এইবোৰে যেন ঘৰৰ সৌন্দৰ্য্য
আৰু দুগুণে বঢ়াই ৰাখিছিল।
আৰু....
আৰু তইঁতে যে মনে মনে গৈ
ৰমলা পেহীৰ ঘৰত বহি লেতেকু খাইছিলি,
মই গম পাই কমখন কান্দিছিলো নে....।
গৰমৰ আবেলিবোৰত কেঁচা আলিত খোজ কঢ়া,
সেই কেঁচা আলিয়ে, নিৰন্বিৰ কৈ বলি থকা মলয়া জাকে
আৰু সেই গছবোৰে আমাৰ স'তে যেন কথা পাতে,
কিবা যেন কৈ যায়।
এইবোৰে যেন আমাক বিঙিয়াই মাতিছিল।

অ'ই ককাইদেউ......, আজি বৰকৈ মনত পৰিছে অ'।
সেই নষ্টালজিক কৰি তোলা শৈশৱে আজি দোলা দিছে মনৰ মাজত।
নিজকে অতীতৰ মধুৰ স্মৃতিবোৰৰ মাজত
বিলীন কৰি দিব মন গৈছে অ' আজি।

গাঁও নোহোৱা হ'ল, খেতিয়কও নোহোৱা হ'ল,
গাঁওখন গাঁৱৰ মানুহবোৰ চহৰমুখী হ'ল অ',
অসমীয়াই নিজস্বতাক হেৰুৱাবলগীয়া হ'ল।
আমাৰ পৰম্পৰা ও ৰসাতলে গ'ল।

আজিৰ সমাজখন বৰ যান্ত্ৰিক হ'ল অ' ককাই....
বৰ যান্ত্ৰিক......
বৰ যান্ত্ৰিক......। ■

# নিঃসংগতা

□ হিয়ামণি নাথ
*উঃ মাঃ, দ্বিতীয় বৰ্ষ*

সোণাৰু ফুলবোৰে হালধীয়াৰ কথা ক'লে
হালধীয়াই ক'লে বিষাদৰ কথা
তুমি ক'লা,
বিষাদবোৰ কেৱল মোৰ বাবে।
তোমাৰ বাবে নহয়
পিছে,
বিষাদত বুৰ গৈ থকা তোমাৰ কবিতাত
সোণাৰু ফুলিল থোপা-থোপে,
যাৰ হালধীয়াত
ওপঙি আছিলোঁ মই..... ■



# গল্প শিতান

# যান্ত্ৰিকতাৰ কবলত এই গাঁও

❑ হৰ্ষিতা গোস্বামী
উঃ মাঃ, দ্বিতীয় বৰ্ষ

নাই কোনো শৰতৰ পুৱাত
শেৱালিৰ গোন্ধ।
নাই কোনো আলি-পদূলিত
মাটিৰ গোন্ধ।
নাই কোনো শীতকালিত
শীতৰ গোন্ধ।
নাই কোনো পথাৰত
শইচৰ গোন্ধ।
অহ..., ইয়াতেই বাস কৰে যান্ত্ৰিকতা/আধুনিকতা।

অ'ই ককাই, শুনচোন....
আমি যে ব'হাগৰ বিহুটিত
মাহ-মথাৰে গৰু ধুৱাইছিলো,
লাও-বেঙেনা খুৱাইছিলোঁ,
গৰুৰ গাত সনা তেল
আমি গাত সানিছিলো।
আস...., কি যে মধুৰ....।
ডাঙৰক সেৱা জনাইছিলোঁ,
আয়ে তাঁতত বোৱা ন-আন দিছিলোঁ।
বিহু বুলি সকলোৰে ঘৰে ঘৰে
জলপান (দৈ-চিৰা, সান্দহ...) খাইছিলোঁ।
সাত বিহুৰ দিনা সাত শাকি খাইছিলো।
তই যে মই শাক নাখাওঁ বুলি ক'লে গালি পাইছিল,
হা.হা.হা....... মনত আছে নে তোৰ।

আমাৰ যে খেৰি ঘৰৰ বাটচ'ৰাটো
আয়ে যে কিমান আটোমটোকাৰীকৈ ৰাখিছিল।
ঘৰত থকা গাই-গৰু, গৰু গাড়ী, ছাগলী, হাঁহ, পাৰ...
এইবোৰে যে পৰিৱেশটো
কিমান মনোমোহা কৰি ৰাখিছিল।
পিতায়ে ঘৰৰ বাৰীত কৰা শস্য,
সৰু কাইটিয়ে পথাৰত কৰা ধান খেতি...
এইবোৰে যেন ঘৰৰ সৌন্দৰ্য্য
আৰু দুগুণে বঢ়াই ৰাখিছিল।
আৰু.....
আৰু তইঁতে যে মনে মনে গৈ



# আঁউসীৰ এন্ধাৰ ৰাতি



❑ গায়ত্ৰী কলিতা
স্নাতক, তৃতীয় ষাণ্মাসিক



আজি বহুদিনৰ মূৰত সেই সপোনটোৱে তাক আকৌ আমনি কৰিব ধৰিলে। প্ৰণৱে বিছনাতেই চটফটাব ধৰিলে, যেন কোনোবাই তাৰ ডিঙিটো চেপি তাক মাৰি পেলাব! হঠাৎ সাৰ পাই সি তাৰ অন্ধকাৰ হৈ থকা কোঠাটোলৈ এবাৰ চকু ফুৰালে। নাই সি তাত নিৰ্জনতাৰ বাদে আন একো আৱিষ্কাৰ কৰিবলৈ সক্ষম নহ'ল। ওচৰত থকা টেবুলখনলৈ হাত ফুৰাই পানী এঢোক খাই আকৌ শুই পৰিল। পিছদিনা খোৱা-লোৱা কৰি আনদিনাৰ দৰে কামলৈ গ'ল আৰু নিশা কামলৈ আহি ভাত-পানী খাই আকৌ শুই পৰিল। চকু মুদাৰ লগে-লগেই কোনোবা নাৰীয়ে যেন ইনাই-বিনাই তাক মাতিছে, এনেতে সি দেখিলে; তাইৰ গভীৰ চকু জুৰিৰে বৈ অহা তেজৰ চকুপানীবোৰ, যেন তাই বুকুত এটা ডাঙৰ বোজা হে কঢ়িয়াই লৈ ফুৰিছে! তাইৰ চকুপানী দেখি তাৰ মনটোও সেমেকি উঠিল। হঠাৎ কুকুৰবোৰৰ চিঞৰত তাৰ টোপনি ভাগিল। এইবাৰ তাৰ বিছনাখনলৈ যাবও ভয় লগা হ'ল, আগফালৰ খিৰিকীখন খুলি জোনটিলৈ এবাৰ চালে, জোনৰ পোহৰে চাৰিওপাশ আমোল-মোলাই আছিল। মাজে মাজে ডাৱৰবোৰে জোনটিক ঢাকি ধৰে, তেতিয়া তাৰ ডাৱৰবোৰলৈ খুব খং উঠে। এনেতে দৰ্জাখনত কোনোবাই তাৰ নাম লৈ টুকুৰিয়াবলৈ ধৰাত সি উচপ খাই উঠিল, ঘড়ীটোলৈ এবাৰ চকু ফুৰোৱাত দেখিলে ১.৩০ বাজিছে। ইমান ৰাতি কোন আহিব পাৰে, নে কোনোবাৰ কিবা আপদ-বিপদ হোৱাৰ বাবে তাৰ সহায় বিচাৰি আহিছে, মনত নানা ধৰণৰ প্ৰশ্নই দোলা দিবলৈ ধৰিলে। অৱশেষত বহু ভাবি-চিন্তি দৰ্জাখন খুলি দেখিলে তাত কোনো নাই। সি আচৰিত হৈছিল অলপ আগত দৰ্জা টুকুৰিওৱা মানুহজন গ'ল ক'লৈ? সি ইফালে-সিফালে এবাৰ চাই দৰ্জাখন বন্ধ কৰিবলৈ লওঁতেই তাৰ চকু পৰিল তেতেলী গছজোপাৰ ওচৰত থকা বগা চাদৰখনলৈ। কোনোবাই যেন দৰ্জাত টুকুৰিয়াই তাত লুকাই আছে! কোন হ'ব পাৰে বাৰু? এনেকৈ ৰাতি কোনে তাৰ সৈতে ধেমালি কৰিব পাৰে? কিন্তু সিও ঠিৰাং কৰিলে যে মানুহজনক সি ধৰিবই। সি গছজোপাৰ ওচৰলৈ আগুৱাই গ'ল, কিন্তু গছজোপাৰ ওচৰ পোৱাত সি অলপ শংকিত হ'ল, ক্ষন্তেক আগতে থকা মানুহজন দেখোন তাত নাই। ৰাতিৰ জোনটিক মেঘে আৱৰি থকাত চাৰিওফাল আন্ধাৰ হৈ পৰিছিল। এনেতে অলপ দূৰত বগা চাদৰখন বতাহত উৰি থকা দেখিবলৈ পালে। কিছু আগবাঢ়ি দেখিলে একোছা দীঘল চুলি, ভৰিত পায়েলৰ ৰুণুক-জুনুক শব্দ আৰু বগা শাৰীখনেৰে খুউব আকৰ্ষণীয় এগৰাকী নাৰী। প্ৰণৱৰ চকু জুৰি অধীৰ হৈ পৰিছিল এবাৰ তাইক চোৱাৰ বাবে। এনেতে পায়েলৰ ৰুণুক-জুনুক শব্দেৰে তাই কিছু দূৰ আগবাঢ়িছে, সিও তাইক অনুসৰণ কৰি গৈ থাকিল। এনেকৈ গৈ গৈ সি এখন হাবি পালে, চাৰিওপাশে আছিল কেৱল নিৰ্জনতা। ওখ গছবোৰৰ পাতে জোনৰ পোহৰ অহাত বাধা দিছিল, অন্ধকাৰ পৰিৱেশটোৱে হাবিখন গভীৰ কৰি তুলিছিল। এনেতে ছোৱালীজনী ৰৈ গ'ল, প্ৰণৱৰ ওঁঠত বিৰিঙি উঠিল এটা সন্তুষ্টি ভৰা মিঠা হাঁহি। বহু কষ্টৰ অন্তত এবাৰ তাইক চাবলৈ সি ব্যাকুল হৈ আছিল। মনত বহু হেঁপাহ লৈ আগবাঢ়িছে, কিন্তু সি লক্ষ্য কৰিলে সি যিমানেই আগবাঢ়িছে ছোৱালীজনী ক্ৰমে ওখ হৈ গৈছে। অৱশেষত সি দেখিলে এনে এক দৃশ্য যিটো সি কাহানিও কল্পনা কৰা নাছিল। ক্ষন্তেক আগতে দেখা সেই পৰী যেন ছোৱালীজনী পৰিৱৰ্তন হ'ল এটা নৰকংকাললৈ। তেতিয়া দেখা তেজ মঙহৰ ছোৱালীজনীৰ এই মুহূৰ্তত গাত ছাল বুলিবলৈ একোৱেই নাই আছে মাথোঁ হাড়, চকু জুৰি ক'লা আৰু ভিতৰলৈ সোমাই যোৱা, তাতোকৈও দেখিবলৈ কুৎসিত আছিল তাইৰ দীঘল দাঁতবোৰ আৰু তাৰ মাজেৰে ফুটি উঠা বিকট খিলখিলিয়া হাঁহিটো। সেই দৃশ্যবোৰ দেখি তাৰ ভৰি-হাত কঁপিবলৈ ধৰিলে, তাৰ আৰু তাত অলপ সময়ো ৰ'বলৈ সাহস নহ'ল। নিজৰ জীৱন ৰক্ষাৰ হেতু তাৰপৰা দৌৰিবলৈ ধৰিলে, সি দৌৰিছে কেৱল, কিন্তু কোনফালে যাব একো ভাবি

পোৱা নাই, চাৰিওফালে কেৱল হাবি। এনেতে কিছু দূৰত এটা জুপুৰি দেখি তাৰ চকু জুৰি উজ্জ্বল হৈ পৰিল, এইফালে দৌৰি-দৌৰি অঠ-কণ্ঠ শুকাই গৈছিল। মনত বহু হেঁপাহ লৈ সি আগবাঢ়িল জুপুৰিটোৰ পিনে। দৰ্জাখনত টুকুৰিয়াত এগৰাকী বৃদ্ধা ওলাই আহি দৰ্জাখন খুলি আকৌ ভিতৰলৈ সোমাই ওলাই আহি দৰ্জাখন খুলি আকৌ ভিতৰলৈ সোমাই গ'ল। প্ৰণৱ কিছু আচৰিত হয়, কিয়নো এজন অচিনাকী মানুহক একো নোসোধাকৈয়ে যে আহিবলৈ অনুমতি দিলে। এনেতে সি অনুভৱ কৰিলে, পিয়াহত তাৰ ডিঙিটো শুকাই গৈছে। গতিকে কথা পতাৰ আগেয়ে বৃদ্ধাগৰাকীক পানী খুজিলে, তেওঁ গ'ল ভিতৰলৈ। এনেতে ঘৰটোৰ চৌদিশে সি এবাৰ চকু ফুৰালে, ঘৰটো বহু বছৰ পুৰণি যেন লাগে ইয়াৰ প্ৰমাণ দিয়ে বেৰবোৰৰ খহি যোৱা মাটিৰ চপৰাবোৰে। এনেতে ঘৰটোৰ আন এটা কোঠালী লৈ তাৰ চকু পৰিল; কিবা অদ্ভুত যেন লাগিল সেই কোঠাটো দেখি। বুঢ়ী নহাৰ সুযোগতে এবাৰ দৌৰ মাৰিলে কি আছে চাবলৈ, কিন্তু সেয়া কি! তাৰ মগজুৱে একো ঢুকি পোৱা নাছিল। সি দেখি প্ৰায় অচেতন হৈ পৰিল, তাত পৰি আছে শ শ মানুহৰ জকা আৰু লাওখোলা। আকৌ এটা অদ্ভুত গোন্ধে চাৰিওপাশ বিয়পাই আছিল যেন কেঁচা তেজৰ হে গোন্ধ সেয়া। তাৰ আৰু তাত এক মুহূৰ্তও থাকিবলৈ সাহস নহ'ল, দৰ্জাখন খুলি দৌৰিবলৈ লওঁতেই কোনোবাই তাক পিছফালৰপৰা টনা যেন অনুভৱ হ'ল। সি যিমানেই আগলৈ যাব চেষ্টা কৰে, সিমানেই আকৌ কোনোবাই তাক পিছলৈ টানে। ভয়তে তাইৰ সৰ্বশৰীৰ কঁপিবলৈ ধৰিলে, সি ভয়তে কুচি থকা চকু জুৰিৰ এটা চকু মেলি পিছলৈ চাওঁতে দেখিলে, অলপ আগত দেখা বৃদ্ধা গৰাকী পৰিৱৰ্তিত হৈছে সেই নৰকংকাললৈ, মুখত আছিল এটা বিকট ভৰা কুৎসিত হাঁহি আৰু আছিল লোভ তাক হেঁপাহ পলুৱাই খোৱাৰ। ■

## কৌতুক

এজন নলবৰীয়া বেপাৰীয়ে মধুৰিয়াম লৈ বজাৰত বহি আছিল। বেপাৰীজনে ভাবি আছিল, এটা মক্কেল পালে এইখিনি বেচি যাব পাৰিলো হয়....! এনেতে ছোৱালী এজনী আহি বেপাৰীজনক সুধিলে ঃ

| | | |
|---|---|---|
| ছোৱালী | ঃ | দাদা মধুৰিয়াম খালে কি হয়? |
| বেপাৰী | ঃ | মগজু হয়... |
| ছোৱালী | ঃ | কি প্ৰমাণ আছে আপোনাৰ? |
| বেপাৰী | ঃ | তুমি এটা কথা কোৱাচোন, ১ কিলো চাউলত কিমান চাউল থাকে? |
| ছোৱালী | ঃ | নাজানো দাদা....! |
| বেপাৰী | ঃ | তাকেটো, তোমাৰ মগজু বোলা বস্তুৱেই নাই... |
| | | লোৱা এটা মধুৰিয়াম খাই চোৱা |
| বেপাৰী | ঃ | এতিয়া কোৱাচোন ১ দৰ্জন কলত কেইটা কল থাকে? |
| ছোৱালী | ঃ | ১২ টা দাদা। |
| বেপাৰী | ঃ | চোৱা তোমাৰ মগজু কিমান কাম কৰি আছে। |
| ছোৱালী | ঃ | বাঃ বাঃ দাদা ভাল বস্তু দেই... গোটেইখিনি দি দিয়ক। |

■ হিমাশ্ৰী দাস
*স্নাতক, তৃতীয় ষাণ্মাসিক*





# মৰ্মান্তিক বেদনা



□ নিবেদিতা ৰাজবংশী
*উঃ মাঃ, দ্বিতীয় বৰ্ষ*

কামৰূপৰ এখন সৰু পাহাৰ যিখন উত্তৰ-দক্ষিণ কামৰূপত পৰে। পাহাৰখনৰ ওচৰতে এখন সৰু গাঁও। যিখন গাঁৱৰ ওচৰেদি বৈ গৈছে ব্ৰহ্মপুত্ৰ। গাঁৱত এটা জুপুৰি ঘৰত থাকে মিহিৰামহঁত, এটা দুখীয়া পৰিয়াল। মিহিৰাম আৰু তেওঁৰ পৰিবাৰেও কঠোৰ পৰিশ্ৰম কৰি ঘৰখন চলাই কিন্তু সিহঁত দুজনৰ পইচাৰে ঘৰখন নচলে। দিনে দিনে বৃদ্ধ হৈ আহিছে মিহিৰামহঁত, কাম কৰিব নোৱাৰা হৈ আহিছে তথাপিও উপাই নাই। সিহঁতৰ দুজন ল'ৰা ডাঙৰজন কমল আৰু সৰুজন হিৰক। থকাত ল'ৰা দুজনে কিন্তু একো কামত নাই, দিনৰ দিনটো অ'ত-ত'ত ঘূৰি মদ-ভাং খাই আহি ঘৰ সোমাই। দুয়োজনে দুজনী ছোৱালী পলুৱাই আনিলে। কিন্তু কি হ'ব একো কৰি খাব নোৱাৰে, মাক-দেউতাকৰ পইচা কেইটাৰে সিহঁত দুটাক ভাগ লাগে। নিদিলে উৎপাত কৰে, সিহঁত দুটাৰ কাৰণে ঘৰত মানুহ থাকিব নোৱাৰা অৱস্থা হয়। মিহিৰামে সিহঁতক গালি পাৰিলেও সিহঁত দুটাৰ মূৰতে নোসোমায়। বেচেৰী বুঢ়ীয়ে একোৱে নকয়, হাজাৰ হ'লেও নিজৰ সন্তান। সকলো নিৰৱে সহ্য কৰি যায়। সিহঁতৰ এসাঁজ ভাতৰ বাবে বহু কষ্ট কৰিব লগা হয়। কেতিয়াবা নোখোৱাকৈও থাকিব লগাত পৰে। পুতেকহঁতৰ ঘৈণীয়েকহঁতবো বৰত অভাৱ খাবলৈ-পিন্ধিবলৈ নাই। সিহঁতৰ ল'ৰা-ছোৱালী কেইটাই মাথোঁ এসাঁজ ভাতৰ অপেক্ষাত বৈ থাকে ঘৰে ঘৰে খোৱা বস্তু খুজিব লগাত পৰে। ঘৈণীয়েকহঁতকো ক'তো কাম কৰিব যাব নিদিয়ে আৰু যদি যায় সিহঁতক মাৰ সোধায় আৰু কয় "বুঢ়া বুঢ়ী কি কৰিব আছে দিব নহয় আমাক" এই বৃদ্ধ কালত মাক-দেউতাক অৱসৰ লোৱাৰ সময়ত সিহঁতে দিনৰ দিনটো হাৰভঙা কষ্ট কৰিও ভালকৈ এসাঁজ খাবলৈ নাপায়।

আন এদিনৰ কথা বুঢ়া নৰিয়াত পৰিল বহুদিন কামলৈ যাব পৰা নাই। এইফালে আৰু বুঢ়ীয়েও পাবলগা ধন হাতত আহি পৰা নাই, তেনে অৱস্থাত ঘৰ চলে কেনেকৈ, বুঢ়াই বেমাৰী দেহাৰে ঘৰে ঘৰে শাক বিক্ৰী কৰিবলৈ যায় কেতিয়াবা বিক্ৰী হয় কেতিয়াবা নহয়। সিহঁতে পেটৰ ভোক সহ্য কৰিব নোৱৰা হৈ আহিছে। তাতে আকৌ পুতেক দুজনে মদ খাবলৈ নোপোৱা বাবে অত্যাচাৰ দিনে দিনে বাঢ়ি গৈ থাকিল। সিহঁত দুটাৰ বাবে ওচৰৰ মানুহ বিলাকেও শান্তিত শুব নোৱাৰে, ল'ৰা-ছোৱালীয়ে পঢ়িব নোৱাৰে। মিহিৰামক আহি কয়, কিন্তু কি কৰিব বেচেৰা বুঢ়াৰ কথা শুনিলেহে পুতেকহঁতে, ঘৰৰ চাল বেৰ ভাঙি তহিলং কৰিছে। ঘৰৰ সকলোকে মাৰ-ধৰ কৰে দুৰ্ভগীয়া মিহিৰামে একো কৰিবও নোৱাৰে। ঈশ্বৰৰ ওপৰতে সকলো এৰি দিছে। এদিন ৰাইজ আৰু গাঁওবুঢ়া মাতিলে, বহুতে বহুত আদেশ দিলে পিছত পুলিচ মাতিলে সিহঁত দুটাক বন্দী কৰি লৈ গ'ল। অলপ সময়ৰ বাবে পৰিবেশ শান্ত হ'ল যদিও বুঢ়ীৰ মাত-বোল নাই। কান্দিয়া লাগি থাকোঁতে খোলে বুঢ়ীৰ মূৰত এটা ইটা লাগিছিল আৰু মাৰ-ধৰ কৰা কথাটো ক'বই নালাগে, বহুত চেষ্টা কৰিও বুঢ়ীক বচাব নোৱাৰিলে, চিৰদিনৰ বাবে সকলোকে এৰি যাব লগা হ'ল পুতেকহঁতৰ অত্যাচাৰৰ বলি হ'ব লগা হ'ল বুঢ়ী। মাকৰ হত্যাকাৰী পুতেকহঁত বুলি ক'লেও ভুল কোৱা নহ'ব, মিহিৰাম অকলশৰীয়া হ'লগৈ কিবা ক'বলগা থাকিলেও এতিয়া যেন ক'বলৈ কোনো নাই। বহুত সপোন আছিল মিহিৰামৰ। ভাবিছিল "সিহঁত ডাঙৰ হ'ব আৰু তাতে দুজনে ল'ৰা আমাৰ সুখে সুখ হ'ব। এদিন সিহঁতে আমাৰ সোণৰ সপোনত মালা গুঠিব। কিন্তু সেই আশা আশা হৈয়ে ৰ'ল সুখৰ কথাটো ক'বই নালাগে এতিয়া মিহিৰামৰ দুখৰ সীমা নাই। এই বেদনাৰে প্ৰকাশ কৰিব নোৱাৰা এক হিয়া ভগা কান্দোন, এক সহিব নোৱাৰা মৰ্মান্তিক বেদনা।

তিনিমাহ হৈ গ'ল পুতেকহঁত কাৰাগাৰৰ পৰা ওলাই আহিল। ভাবিছিল ভাল হৈ আহিব কিন্তু নাই একো সলনি নহ'ল। আহিয়েই মাকৰ কি হ'ল ক'ত গ'ল সোধা দূৰৰে কথা ওলোটাই আৰু মিহিৰামে কিয় কাৰাগাৰৰ পৰা উলিয়াই আনিব নগ'ল তাৰবাবে টানি টোঁচৰাই নি ঘৰৰ পৰা একেবাৰে উলিয়াই দিলে। যি ল'ৰাক লৈ মিহিৰামে সপোন ৰচিছিল, সেই ল'ৰাই আজি ভাবিব নোৱাৰা কাম কৰিলে। এতিয়া মিহিৰাম ক'ত যায় ক'ত থাকিব। ছোৱালী এজনী থকা হ'লে শেষ আশ্ৰয় হ'ল হৈ মিহিৰামে এতিয়া ছোৱালীৰ অভাৱ বৰকৈ অনুভৱ কৰিছে। মিহিৰামৰ এতিয়া কোনো নাই মাত্ৰ মৃত্যুলৈ বাকী। মৃত্যুৰ পিছতো যেন এই বেদনাৰ চকুলো শেষ নহ'ব। ■

# সময়ৰ সোঁতত



❑ অঞ্জনা কলিতা
*উঃ মাঃ, দ্বিতীয় বৰ্ষ*

উচ্চ শিক্ষাৰ বাবে গাঁৱৰ বহুত ল'ৰা-ছোৱালীয়ে চহৰলৈ আহে মনত বহু সপোন লৈ। আন আন ছোৱালীবোৰৰ দৰে আন এজনী ছোৱালী আছিল পংখী। পংখীয়ে মেট্ৰিক পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে উচ্চ স্থান পাইছে। তাইক পঢ়াবলৈ সংগঠন এটাই দায়িত্ব লৈছে। পংখীৰ দেউতাক এজন সাধাৰণ কৃষক আৰু মাক এজনী নাম থকা শিপিনী। পংখীৰ এজনী ভনীয়েক আৰু এজন ভায়েক আছিল। তাই ঘৰৰ ডাঙৰ ছোৱালী হৈ ইমান ডাঙৰ নাম কৰাৰ বাবে মাক-দেউতাকৰ বহুত আনন্দ। পংখী এজনী কামে-কাজে পাকৈত ধুনীয়া মৰম লগা ছোৱালী। স্কুলৰ সকলো বন্ধু-বান্ধৱীৰ লগত মিলি-জুলি থাকিব পাৰিছিল। হাঁহি-ধেমালিৰে তাই গোটেই ঘৰখন ভৰাই ৰাখিছিল।

যেতিয়া পংখীয়ে উচ্চ শিক্ষাৰ বাবে মাক-দেউতাকৰ পৰা আঁতৰি আন এঠাইলৈ যাব লগা হৈছিল মনে মনে বহুত বেজাৰ কৰিছিল। অচিনাকী ঠাই, অচিনাকী মানুহৰ লগত গাঁৱৰ এজনী সহজ-সৰল ছোৱালীয়ে কেনেকৈ থাকিব ঘৰৰ মানুহবোৰৰ পৰা আঁতৰি। কেনেকৈ আঁতৰি থাকিব তাই গাঁৱৰ মুকলি-মুৰীয়া পৰিবেশ আৰু বন্ধু-বান্ধৱীবোৰৰ পৰা। জাক-জমকতাৰে ভৰা এখন বিশাল চহৰত কেনেকৈ চলাব তাই নিজকে আদি বহু কথাই প্ৰতিদিনেই জুমুৰি দিয়ে পংখীৰ মাক-দেউতাক।

পংখীৰ চহৰলৈ অহা বহু দিনেই হ'ল। সময় আৰু পৰিস্থিতিত তাইৰ মনোভাৱো সলনি হৈছিল। তাই চহৰৰ আন আন ছোৱালীবোৰৰ দৰে স্মাৰ্ট ছোৱালী হৈ পৰিল। তাইৰ সাজ-পাৰ, কথাৰ চাল-চলন সকলো সলনি হৈ গ'ল। এদিন যিজনী ছোৱালীয়ে গাঁৱত থকা মাক-দেউতাক, ভায়েক-ভনীয়েক, বন্ধু-বান্ধৱী গাঁৱৰ মুকলি-মুৰীয়া পৰিবেশৰ কথা ভাবি প্ৰতিদিনে কান্দিছিল সেইজনীয়ে আজি সেই সকলোবোৰ পাহৰিলে। আনফালে পংখীৰ মাক-দেউতাকে পংখীক সেই সহজ-সৰল পংখীৰ মনোভাৱেৰে ভাবি থাকিছিল। তেওঁলোকে জনাই নাই যে তেওঁলোকৰ ছোৱালী তাহানিৰ পংখী এতিয়া যে নাই। তাই এতিয়া যে আধুনিকতাৰ পৃথিৱী এখনত সোমাই পৰিল সেই কথা তেওঁলোকে জনাই নাই। পংখীয়ে আগৰ দৰে তাইৰ গাঁৱত থকা মাক-দেউতাকলৈ দিনটো এবাৰো ফোন নকৰে; সপ্তাহত বা পষেকত এদিন ফোন কৰে। সেয়াও ক্ষন্তেকীয়া। মাক-দেউতাকে ভাবে তাই চাগে পঢ়াৰ কিবা কামত ব্যস্ত হৈ থাকে। তাকে ভাবি তেওঁলোকে মনে মনে ৰং পায়।

এদিন হঠাৎ পংখী মাক-দেউতাকৰ ওচৰলৈ আহিল। মাক-দেউতাকে তাইৰ সাজ-পাৰ দেখি বৰ আচৰিত হৈছিল। তেওঁলোকে পংখীক তেওঁলোকৰ পংখী বুলি ভাবিবয়ে পৰা নাছিল। যিজনী ছোৱালী ঘৰৰ পৰা ওলাই যাওঁতে পৰম্পৰাগত সাজ মেখেলা-চাদৰ পিন্ধি গৈছিল সেইজনী ছোৱালীয়ে আধুনিক সাজ পিন্ধি তেওঁলোকৰ ওচৰ চাপিছে। তাই শৈশৱৰ বন্ধু-বান্ধৱীবোৰৰ লগতো ভালদৰে মাত-বোল কৰা নাই। কেৱল মোবাইল ফোনটোতেই ব্যস্ত। মাকে বহুদিনৰ পিছত পংখী ঘৰলৈ অহা বাবে বৰ আদৰেৰে তাইৰ প্ৰিয় খাদ্য বনায়। কিন্তু তাই মাকক ভালকৈ বনাব নাজানে বুলিহে কথা শুনায়। ঘৰৰ মানুহৰ লগত অহাৰ দিনৰে পৰা তাই সন্তুষ্ট হোৱা নাই। তাইৰ বাবে মাকে যিমান যতনেৰে নাৰান্ধক কিয় কেতিয়াও তাই সন্তুষ্ট নহয়। পংখীৰ আচৰণত মাক-দেউতাকে মনত দুখ পাইছিল। কিন্তু তেওঁলোকে উপায় হিচাপে কৰিব কি? মনৰ দুখবোৰ মনতে ৰাখি থৈছে। দুদিনমান যোৱাৰ পিছত এদিন হঠাৎ পংখীলৈ ফোন আহিল। মাকক জৰুৰী কিবা এটা কাম ওলাল বুলি কৈ পংখী ততাতৈয়াকৈ চহৰলৈ গ'ল। মাকে তাইক দুদিনমান থাকিবলৈ জোৰ কৰিছিল কিন্তু তাইক ৰখাব নোৱাৰিলে। তাইৰ বাবে যেন সেই বিশেষ কামটোহে তাইৰ বাবে জৰুৰী। দেউতাকেও তাইক জোৰ কৰিছিল কিন্তু ক'ত মানিব তাই। শেষত দেউতাকে তাইক কলেজৰ কিবা কাম ওলাল নেকি বুলি সোধাত হয় বুলিয়ে ক'লে। কথাটো কিমান সত্য তাক জানিবলৈ দেউতাকে গাঁৱৰ এজন আগৰ্শাৰীৰ ল'ৰা অভিজিতক গোপনে তাইৰ ওপৰত চকু ৰাখিবলৈ পঠালে। আনফালে পংখীৰ মাক শোকত ভাগি পৰিছিল। কেতিয়াও ভবা নাছিল ছাগে তেওঁলোকৰ সহজ-সৰল পংখীজনী এদিন অবিশ্বাসী হৈ পৰিব বুলি। সঁচাকৈ কোন মাক-দেউতাকেনো ভাবে নিজৰ ল'ৰাটো বা ছোৱালীজনী তেনে হোৱাটো।



অভিজিতে পংখীৰ দেউতাকে কোৱাৰ দৰে পংখীৰ ওপৰত চোকা নজৰ দি আছিল। পংখীয়ে ঘৰৰ পৰা কিছুদূৰ অহাৰ পিছত এজন ল'ৰাৰ বাইকত বহিল। ল'ৰাজন দেখিবলৈ অভিজিতে বৰ এটা ভাল নাপালে তাৰ চাল-চলন। বহুত জোৰেৰে বাইকখন চলাইছে। পংখী যাতে অভিজিতক চিনিব নোৱাৰে তাৰ বাবে সি হেলমেট এটা পিন্ধি ল'লে। পংখী এখন ঘন জংঘলৰ ফালে ল'ৰাজনৰ লগত সোমাই গ'ল তাৰ পিছে পিছে অভিজিতো সোমাই গৈ থাকিল। তাত সি দেখিবলৈ পালে যে পাঁচজন ল'ৰা আৰু তিনিজনী ছোৱালীয়ে সিহঁতলৈ বাট চাই আছে। পংখীহঁত গৈ পোৱাৰ পিছত পংখীৰ লগতে আন পাঁচজনে গোপনে কথা পাতি তাৰ পৰা আঁতৰি আহিল। গছৰ আঁৰে আঁৰে অভিজিৎ। পংখীয়ে খৰ-খৰকৈ গৈ তাইৰ কমৰ পৰা এটা বেগত কিবা বস্তু আনি এখন গাড়ীত সেই বেগটো থৈ গাড়ীৰ চিটত বহিল। কিছু সময়ত পিছত আন-আনবোৰেও এজন এজনকৈ আহি গাড়ীত বহিল। কিছুসময়ৰ পিছত গাড়ীখন চলিবলৈ আৰম্ভ কৰিলে। সিহঁতৰ গাড়ীৰ পিছত গোপনে অভিজিৎ গৈ গৈ গাড়ীখন অসমৰ সীমা পাৰ হওঁ হওঁ অৱস্থাত পুলিচে গাড়ীখন জব্দ কৰিলে আৰু পংখীৰ লগতে আন পাঁচজন ল'ৰাক এৰেষ্ট কৰি আন বাকী ছোৱালী তিনিজনীক উদ্ধাৰ কৰিলে। অভিজিৎ তাত গৈ উপস্থিত হ'ল। পুলিচে সেই সময়ত গাড়ীখনত তালাচী আৰম্ভ কৰিছিল। গাড়ীখনত পুলিচে এটা বেগ পাইছিল। যিটো বেগ পংখীয়ে গাড়ীখনত দিছিল। অভিজিতৰ ককায়েক বনজিতও এজন আৰক্ষী আছিল। অভিজিতে তাৰ পুলিচ বিষয়াজনক পৰিচয় দিওঁতে বিষয়াজনে অভিজিতক থানালৈ নিমন্ত্ৰণ জনালে। অভিজিতে থানালৈ গৈ দেখে যে পংখী ল'কআপত। আৰক্ষী বিষয়াজনে পংখীৰ বেগৰ পৰা বহু নিচাযুক্ত দ্ৰব্য, পিষ্টল, চোকা অস্ত্ৰ দুখন, লগতে প্ৰায় ৫০ লাখ টকা উদ্ধাৰ কৰিছিল। অভিজিতে পোনপ্ৰথমে পংখীৰ পৰিচয় নিদি আৰক্ষী বিষয়াজনক মূল কথা সোধাত বিষয়াজনে ক'লে যে পংখীৰ লগতে আন পাঁচজন ল'ৰাই হেনো আলফাত যোগদান কৰিছে আৰু আন কেইজনী ছোৱালীক সিহঁতে অপহৰণ কৰিছে। আৰক্ষী বিষয়াজনৰ পৰা সকলো কথা জানি অভিজিৎ আচৰিত হৈ গ'ল আৰু সি ততাতৈয়াকৈ ককায়েক বনজিতক ফোন কৰি সকলো কথা বিৱৰি ক'লে। অভিজিতৰ পৰা কথাবোৰ শুনা মাত্ৰকে বনজিৎ আহি আৰক্ষী বিষয়াজনক পুনৰ সকলো কথা বিৱৰি ক'বলৈ ক'লে। বিষয়াজনৰ পৰা আচল সত্যবোৰ জনাৰ পিছত অজিতে মনত বহুত দুখ পাইছিল। সকলোবোৰ কথা জনাৰ পিছত বনজিতৰ জানিবলৈ বাকী নাথাকিল যে পংখীক বিনা বিচাৰে কেতিয়াও মুকলি কৰি নিদিয়ে।

পিছদিনাখন পংখীহঁতক আদালতলৈ লৈ গ'ল। আদালতত বিচাৰকে পংখীহঁতক দুমাহ জেলত ৰাখিবলৈ ৰায় দিলে। দুমাহ পিছত সিহঁতক পুনৰ আদালতত হাজিৰ কৰালে। আদালতত অপহৰণ কৰাৰ অপৰাধত, নিচাযুক্ত দ্ৰব্য ৰপ্তানিৰ অপৰাধত, লাইচেঞ্চ নোহোৱাকৈ পিষ্টল হাতত থকাৰ অপৰাধত আৰু আলফাত যোগদান কৰাৰ অপৰাধত পংখীৰ লগতে আন পাঁচজনক ফাঁচী দিয়াৰ হুকুম দিলে। সেইদিনাখন বনজিতৰ মূৰত আকাশ খহি পৰা যেন লাগিছিল। উপায়বিহীন হৈ অভিজিৎ আৰু বনজিতে পংখীহঁতৰ ঘৰলৈ গৈ পংখীৰ মাক-দেউতাকক ঘৰৰ পৰা বেলেগ এখন ঠাইলৈ লৈ গ'ল। তাত সকলো কথা কৈ দিলে। কথাখিনি শুনা মাত্ৰকে মাক মাটিত ঢলি পৰিল আৰু ভায়েক-ভনীয়েকে চিএৰি চিএৰি কান্দিবলৈ ধৰিলে; কিন্তু দেউতাকে ধৈৰ্য্য ধৰিলে, কিয়নো এদিন এনেকুৱা এটা দিন আহিব বুলি তেখেতে আগতেই আকাৰ-ইংগিত পাইছিল। ঢলি পৰা মাকক বনজিতে গাড়ীৰ পৰা পানী আনি মুখত ছটিয়াই দিয়াৰ পিছত মাক সুস্থ হ'ল। মাকক বনজিৎ, অভিজিৎ আৰু দেউতাকে বহু বুজনি দিয়াৰ পিছত মাকে শেষবাৰলৈ এবাৰ পংখীক চাব বিচাৰিলে। বনজিতহঁতে মাকক লৈ পংখী থকা জেললৈ বাওনা হ'ল। পংখীয়ে মাক-দেউতাক, ভায়েক-ভনীয়েক সকলোকে দেখি চিএৰি চিএৰি কান্দিবলৈ ধৰিলে। মাকে পংখীক বহু কথা ক'লে যিবোৰ তাই এদিন মাকক ক'বলৈ বাধ্য কৰাইছিল। প্ৰায় ৪-৫ ঘণ্টা মানৰ পিছত মাক-দেউতাক, ভায়েক-ভনীয়েক, বনজিৎ আৰু অভিজিৎ বাহিৰলৈ ওলাই আহিল পংখীক বিদায় জনায়।

এদিন দুদিনকৈ সময়বোৰ গৈ থাকিল। কেতিয়াও ভবা নাছিল চাগে পংখীয়ে এনেকুৱা এটা কাম কৰিব গৈছিল বুলি যিটো ঘটনাই এদিন গোটেই ঘৰখন জোকাৰি যাব। গাঁৱৰ সহজ-সৰল ছোৱালী এজনী কেনেকৈ যে এনেকুৱা এটা পৰিস্থিতিত গ'ল তাকে ভাবি সকলোৰে বাবে যেন এক সাঁথৰ। পংখী জেলত যাবৰ দিনাখন বনজিৎ আৰু অভিজিৎ গৈছিল। আচলতে বনজিতে পংখীক সৰুৰে পৰা ভাল পাইছিল। সি ভাবিছিল যে লাহে লাহে তাৰ মনৰ কথা পংখীক ক'ব। কিন্তু ক'বলৈ নাপাওঁতে এনেকুৱা পৰিস্থিতি আহি পৰিল। যিটো কোনো দিনেই কল্পনা কৰা নাছিল। হৈ যোৱা ঘটনাবোৰ পাহৰি লাহে লাহে বনজিতে নিজকে চম্ভালিলে। বনজিতে নিজৰ কৰ্তব্যৰ লগতে পংখীহঁতৰ ঘৰখনৰ দায়িত্ব লৈছে। প্ৰকৃততে হৈ যোৱা ঘটনাবোৰে মানুহৰ মনত বহুত দুখ দি যায়। কিন্তু সেইবোৰকে ভাবি আহিবলগীয়া দিন দুখেৰে ভৰপূৰ নকৰি সুখবোৰ আদৰি লোৱাটোৱেই বেছি সুন্দৰ। ■

# সময়





□ যমুনা মালী
*অসমীয়া বিভাগ*

কোনো আগজাননী নিদিয়াকৈ কেতিয়া যে বেমাৰটোৱে আহি মিছেজ চৌধুৰীৰ দেহত খোপনি পুতি ল'লে তেওঁ অলপো অনুমানেই কৰিব পৰা নাছিল। শাৰীৰিক দুৰ্বলতাই দিনে দিনে তেওঁক গ্ৰাস কৰিব ধৰিলে। বহুত চিকিৎসা কৰিও সুফল নোপোৱাত অৱশেষত হস্পিতালৰ বিচনাৰ আলহী হ'ব লগা হ'ল।

এনেকুৱা এটা দুৰাৰোগ্য বেমাৰ কি কাৰণে তেওঁৰ দেহত হ'বলৈ পালে এই কথাটোকে তেওঁ গুণাগথা কৰিব ধৰিলে। মানুহে কয় যে কিবা পাপ কাম কৰিলেহে হেনো, তেওঁৰ দেহত কঠিন বেমাৰ হয়। তেওঁ মনত পেলাব ধৰিলে, তেওঁ কিবা পাপ কাম কৰিছিল নেকি ?

এগৰাকী উচ্চ পদস্থ পুলিচ বিষয়াৰ পত্নী হিচাবে তেওঁৰ অহংকাৰ নথকা নহয়। সকলোৰে পৰাই তেওঁ জেদী আৰু অহংকাৰী মনৰ। কাৰো ওচৰত হাৰ মানিব নোখোজে। কাৰোবাৰ ক্ষতি কৰি হলেও নিজক সদায় সকলোৰে উৰ্দ্ধত ৰাখিব বিচাৰিছিল। তাৰ কাৰণে বহুতৰ সমালোচনাৰো পাত্ৰী হৈছিল।

বিয়া হোৱাৰ পিছত তেওঁৰ মদগৰ্বী আৰু অহংকাৰৰ ৰূপটো আৰু বেছি প্ৰকট হৈ উঠিল। কাৰণ পুলিচ মানুহক সকলোৱে ভয় কৰে। সেইবাবেই তেওঁ আৰু পিচলৈ চাব লগা হোৱা নাই। আনকি শহুৰৰ ঘৰৰ মানুহখিনিৰ প্ৰতি দেখুৱাব লগা সৌজন্যতাখিনিও তেওঁ সময়ত ৰাখিব নোৱাৰিলে।

এবাৰ কাম কৰা ল'ৰা হৰিমোহনক বিনা দোষতেই ক্ষাণতলীয়া চৰ শোধাইছিল। অতি নিৰ্জু প্ৰকৃতিৰ ল'ৰা হৰিমোহনে এই কথাটোত বৰ আঘাত পাইছিল আৰু কান্দি কান্দি দুদিন ভাতপানী নোখোৱাকৈ সেইখন ঘৰ ত্যাগ কৰিছিল। এতিয়া মিছেজ চৌধুৰীৰ এনেকুৱা ভাৱ হয় যে সেই ল'ৰাজনেও কিবা অভিশাপ দিব পাৰে নেকি ?

মিছেজ চৌধুৰীয়ে যিখন অফিচত কাম কৰিছিল তাৰ কথাবোৰো লাহে লাহে মনত পৰিব ধৰিলে। নতুনকৈ কামত জইন কৰা ছোৱালীজনীৰ প্ৰতি ক'ব নোৱাৰা ঈৰ্ষা এটাই মূৰ দাঙি উঠিছিল। সেয়ে সুবিধা পালেই তাইক যিকোনো কথা ক'বলৈ কুণ্ঠাবোধ কৰা নাছিল। সেই ছোৱালীজনীৰ আত্মসন্মানৰ কথা তেওঁ কোনোদিনেই ভবা নাছিল। বৰং আত্মসন্মানত আঘাত দি কথা ক'লেহে তেওঁ আত্মতৃপ্তি পাইছিল। বেচেৰীয়ে সন্মানৰ খাতিৰত কোনোদিনেই প্ৰতিবাদ কৰা নাছিল। কাৰণ মিছেজ চৌধুৰীৰ স্বভাৱৰ কথা অফিচত জইন কৰিয়ে গম পাইছিল। গতিকে ভয়ত নহয়, লাজ সন্মানৰ কথা চিন্তা নকৰি কাজিয়া কৰিব বিচৰা স্বভাৱটোৰ কথা ভাবিহে মনে মনে আছিল। মিছেজ চৌধুৰীয়ে ভিতৰি ভিতৰি আত্মতৃপ্তিৰ হাঁহি মাৰিছিল। কাৰণ তেওঁক সকলোৱে ভয় কৰে। কিয়নো তেওঁৰ স্বামী এগৰাকী পুলিচ বিষয়া।

বোৱাৰীৰ ওপৰতো তেওঁ নিৰ্যাতন নকৰা নহয়। মাজে সময়ে তেওঁ ডাঙৰ ডাঙৰ মিটিংবোৰত ভাষণ দিবলৈ যায়। নাৰী-নিৰ্যাতন, নাৰীসবলীকৰণ আদিৰ বিষয়ে বক্তৃতা দি সমাজৰ পৰা প্ৰশংসা পায়। কিন্তু ঘৰত জানো পালন কৰিছে সেইবোৰ ? তেওঁৰ ভয়ত বোৱাৰীয়ে কঁপি থাকে। এবাৰ চকু পেলোৱাকৈ চাওঁতে বোৱাৰীৰ হাতৰ পৰা চাহৰ কাপেই তললৈ পৰি গৈছিল। এইবোৰ দৃশ্যই তেওঁক সন্তুষ্টি দিয়ে। কাৰণ তেওঁক ভয় কৰি চলিলেহে তেওঁৰ ভৱিষ্যৎ সুৰক্ষিত হ'ব বুলি মিছেজ চৌধুৰীয়ে ভাবি লয়। চুবুৰীয়া সকলেও তেওঁক ভাল নাপায় বুলি তেওঁ জানে। দুই এঘৰে ভালপোৱা ভাৱ দেখুৱালেও সেয়া হয়তো অন্তৰৰ পৰা ওলোৱা মৰম নহয়। কাৰণ পুলিচৰ মানুহ, সময়ত হয়তো প্ৰয়োজন হ'ব। সেই বুলিহে তেওঁলোকে ভালপোৱাৰ অভিনয় কৰে।

বিৰামহীনভাৱে কাম কৰা মানুহজনীয়ে এইবোৰ কথা ভাবিবলৈ ইমানদিনে সময়েই পোৱা নাছিল। এতিয়া তেওঁ যথেষ্ট সময় পাইছে। মনলৈ অৱসাদৰ ভাৱ আহিছে তেওঁৰ। এই পৃথিৱীত ধন-সম্পত্তি, ৰূপ-যৌৱন, শিক্ষা-দীক্ষা আদিক লৈ কৰা গৌৰৱ সকলো মিছা। ইমানদিনে অহংকাৰী মনটোৱে হয়তো পাপ-পুণ্য, ন্যায়-অন্যায় আদিৰ বিচাৰ কৰিবলৈ সময়েই পোৱা নাছিল।

'বাইদেউ আপোনাক ইনজেকচন দিয়াৰ সময় হৈছে।' নাৰ্চজনীৰ মাতত তন্ময়তা ভাঙিল মিছেজ চৌধুৰীৰ। এটা দীঘল হুমুনিয়াহ ওলাই আহিল। তেওঁৰ ভিতৰৰ মানুহজনীয়ে যেন সকীয়াই দিলে এৰা । সময় হ'ল। এই পৃথিৱীৰ মোহ এৰি যোৱাৰ বাবে প্ৰস্তুত হ'বলৈ হয়তো তেওঁৰ সময় হ'ল। ■



# অক্ষম জীৱন এটাৰ উত্তৰাধিকাৰীকলৈ সপোন

□ ধৰিত্ৰী কলিতা
*স্নাতক, প্ৰথম ষাণ্মাসিক*

এজন বেমাৰী মানুহ তেওঁ জানে যে এইখন পৃথিৱীত মাত্ৰ এদিন-দুদিনৰ আলহি। তেওঁৰ বেমাৰ অসমত চিকিৎসা কৰিব নোৱাৰে। তেখেতৰ এটা ল'ৰা সন্তান আছে তাৰ নাম ৰবিন। তেখেতে কাম কৰিব নোৱাৰে তেওঁৰ পত্নী গাঁৱৰে এখন স্কুলত ভাত ৰান্ধনীৰ কাম কৰে আৰু তেওঁলোকৰ ল'ৰাটো গাঁওৰ সেইখন স্কুলতে পঢ়িছিল। ল'ৰাটোক স্কুলখনৰ প্ৰধান শিক্ষকজনে পঢ়া খৰচ পাতি দি থাকে। কাৰণ ল'ৰাটো পঢ়াত চোকা আৰু ৰবিনে যেতিয়ালৈকে পঢ়ি থাকিব তেতিয়ালৈকে তেওঁ খৰচ পাতি দি থাকিব। এদিনাখন দেউতাকে ল'ৰাটোক ক'লে— বাবা তুমি এজন ভাল ডাক্তৰ হ'ব লাগিব। কাৰণ মই এজন বেমাৰী মানুহ, গুৱাহাটীৰ ডাক্তৰেও মোক চিকিৎসা কৰিব নোৱাৰিলে বাহিৰৰ ডাক্তৰৰ ওচৰলৈ নিব লাগিব বুলি ক'লে আৰু আমাৰ হাতত বাহিৰলৈ যাবৰ বাবে টকা-পইচা নাই। মই দুদিন মানৰ আলহী। বাবা আমাৰ দৰে এইখন অসমত বহুত মানুহ আছে যিয়ে টকা-পইচাৰ বাবে চিকিৎসা কৰিব নোৱাৰি মোৰ নিচিনা এনেদৰে বিছনাত পৰি আছে। বাবা তই এজন ভাল ডাক্তৰ হবি আৰু অসমৰ বাহিৰত যাব নলগাকৈ বেমাৰৰ ভাল চিকিৎসা কৰিবি। মই তোৰ পৰা এয়াই বিচাৰো। সি ক'লে— দেউতা মই এজন ভাল ডাক্তৰ হ'ব চেষ্টা কৰিম বুলি তোমাক কথা দিছোঁ। ৰবিনক কথাখিনি কোৱাৰ দুদিনমান পাছতে দেউতাকৰ মৃত্যু হ'ল। দেউতাকৰ বেমাৰৰ পৰাই মাকে ঘৰখন বহু কষ্ট কৰি অভাৱ অনাটনৰ মাজেৰে চলাই আছিল।

সি মেট্ৰিক পাছ কৰিলে। তাক কলেজত এডমিশ্যনৰ বাবে টকা-পইচা গাঁৱৰ স্কুলখনৰ প্ৰধান শিক্ষকজনে দিছিল। তাৰ এজনী কলেজত ভাল বান্ধৱী আছিল। তাইৰ নাম ৰিমা। তাইৰ মাক নাই, সৰুৰে পৰাই দেউতাকৰ লগত ডাঙৰ দীঘল হৈছিল। ৰবিন ৰিমাহঁতৰ ঘৰলৈ গৈছিল আৰু তাৰ দেউতাক যে ঢুকাইছে এই কথাষাৰ ৰিমাৰ দেউতাকে জানে। ৰবিনে ৰিমাৰ দেউতাকক খুৰা বুলি মাতে। সেইদিনা ৰিমাৰ দেউতাকে ৰবিনক ক'লে— তুমি মোক দেউতা বুলি মাতিবা মইতো তোমাৰ দেউতাৰ নিচিনায়ে। সি ক'লে— থিকে কৈছে, মই আপোনাক আজিৰ পৰা দেউতা বুলি মাতিম। ৰবিন তুমি তোমাৰ মাক আমাৰ ঘৰলৈ লৈ আহিবা দেই। এদিনাখন সি মাকক ৰিমাহঁতৰ ঘৰলৈ লৈ আহিলে। দেউতাকৰ লগত চিনাকী হ'ল আৰু ৰবিনৰ মাকে ৰিমাৰ দেউতাকক ক'লে— কিয়নো আমি এটা ভাল সম্পৰ্ক কৰো আপোনাৰ ছোৱালী ৰিমাক মোৰ ল'ৰা ৰবিনৰ বাবে বিয়া দিব নেকি ? দেউতাকে ক'লে— মোৰ কোনো আপত্তি নাই কাৰণ তাই সৰুৰে পৰাই মাক নোহোৱাকৈ ডাঙৰ হৈছে তাই মাকৰ মৰম পোৱাটোহে বিচাৰে। ৰিমাই যি কয় সেয়াই হ'ব বুলি ক'লে দেউতাকে। ৰবিনে মাকক ৰিমাক নিজে সুধিবৰ বাবে ক'লে আৰু তাৰ মাকে সেইদিনাই দুয়োটাক বহাই লৈ সুধিলে— ৰিমা মোৰ ল'ৰাৰ বিয়াৰ বাবে তোমাক মই পচন্দ কৰিছোঁ তোমাৰ কিবা আপত্তি আছে নেকি ? ৰিমাই ক'লে— মোৰ কোনো আপত্তি নাই দেউতাই যি ভাৱে যি সিদ্ধান্ত লয় সেয়াই হ'ব। তোমাৰ দেউতাক মই সুধিছোঁ তেওঁৰ কোনো আপত্তি নাই। তেতিয়া হ'লে আমি পঢ়া শেষ নোহোৱালৈকে আঙুঠি পিন্ধাই থ'ব পাৰে বুলি ৰিমাৰ দেউতাকক ক'লে। এমাহমান পাছত দুয়োৰে আঙুঠি পিন্ধোৱা পৰ্ব শেষ হ'ল।

এদিন ৰবিনৰ মাক ক'ৰবাত গৈছিল আৰু গাড়ীখনৰ দৰ্জাৰ মুখতে বহিছিল। এখন দ্ৰুতবেগী গাড়ী আহি যিখন গাড়ীত ৰবিনৰ মাক আছিল সেইখন গাড়ীত খুন্দা মাৰিছিল লগে লগে গাড়ীখনৰ দৰ্জাখন খুলি মাক গাড়ীৰ পৰা ওলাই আহি ৰাস্তাত ছিটিকি পৰিছিল। মাকক বেলেগ মানুহে মেডিকেললৈ লৈ গৈছিল। তথাপি ডাক্তৰে ৰবিনৰ মাকক বচাব নোৱাৰিলে মাকৰ মৃত্যু হ'ল। ৰবিনে খবৰটো পাই দৌৰা-দৌৰিকৈ মেডিকেললৈ যায় কিন্তু তেওঁ মাকৰ মাত নাপালে। মাকৰ ওচৰত বহি ক'লে— মা এতিয়া কাক মা বুলি মাতিম তুমি মোৰ ৰিমাক গতাই গুচি গ'লা। সি পঢ়া শেষ কৰি এজন ডাক্তৰ হ'ল আৰু সেইদিনা মাক, দেউতাকক ক'লে— মই আজি তোমালোকৰ আশা পূৰণ কৰিলো। সেইদিনা সি তাক পঢ়া খৰচ পাতি দি থকা প্ৰধান শিক্ষকজনৰ ঘৰলৈ গৈছিল আৰু সি ক'লে— মই গোটেই জীৱন আপোনাৰ ধাৰ সুজিব নোৱাৰো। মই এটা কাম কৰিম আপোনাৰ ল'ৰাজনক মই গোটেই জীৱন চিকিৎসা কৰি থাকিম, শিক্ষকজনৰ ল'ৰাটো আছিল বিকলাংগ। আপুনি জানেনে মোৰ আঙুঠি পিন্ধা হৈ গৈছে। মই অহা মাহত বিয়াখন পাতিম— আপুনি মোক সহায় কৰি দিব লাগিব। অৱশেষত সিহঁত দুয়োৰে বিয়াখন হ'ল। ৰবিনে বহুটো দুখ-কষ্টৰ মাজেৰে এইখিনি সুখৰ মুহূৰ্ত তেওঁৰ জীৱনলৈ আহিছে বুলি ভাবি জীৱনৰ বাটত খোজ দিলে। ■

# তেজ



□ কুশল কলিতা
*কাৰ্যালয় সহায়ক*

পৰ্দাখন হাতেৰে লাহেকৈ আঁতৰাই ন-কইনাৰ সাজেৰে এখোজ দুখোজকৈ তেজ মোৰ শোৱনি কোঠাৰ ভিতৰলৈ সোমাই আহিল। হাতৰ মুঠিত তাইৰ জ্বলা ধূপৰ কাঠীদুডাল। দুওঁঠেৰে ওৰণিখন চেপি ধৰি সোঁ হাতখনেৰে ধূপৰ কাঠি দুডাল লৰাই লৰাই বাওঁ হাতখনেৰে ধূপৰ ধোঁৱাবোৰ কোঠাটোৰ চাৰিওফালে সিঁচি দিছে তাই। তাইৰ ভৰিৰ নূপুৰ আৰু হাতৰ খাৰুৰ ৰুণুক-জুনুক শব্দ, ঘৰত বোৱা কপাহৰ মেখেলাৰ খম খম শব্দ একাকাৰ হৈ কিবা এক অচিন সুৰ হৈ বাজি উঠিছে। বাথৰুমৰ পৰা এইমাত্ৰ ওলাই অহা তেজৰ গাৰ গোন্ধ আৰু ধূপৰ ধোঁৱাৰ গোন্ধে গোটেই কোঠাটো ভৰাই তুলিছে। ধূপ দুডাল বেৰত খুচি থৈ ওৰণিখন টানি ইফালে-সিফালে চাই তেজ এইবাৰ মোৰ বিছনাৰ ওচৰলৈ এখোজ-দুখোজকৈ কাষ চাপি আহিল। আহিয়েই তাই কাজল সনা কোমল চকুযুৰি লাহেকৈ মেলি এবাৰ মোৰ ফালে চালে। মই টোপনিত থকা বুলি অনুমান কৰি মোৰ ওচৰৰ পৰা সাৰ-সুৰ নকৰাকৈ ওলাই যাবলৈ লৈছিল তাই। মই তেজৰ সোঁ হাতখনত খাপমাৰি ধৰিলো নিমিষতে। তাইৰ হাতৰ খাৰুবোৰ চাতকৈ যেন গীতাৰৰ তাঁৰত আঙুলি বুলোৱা সুৰৰ দৰে বাজি উঠিল। তেজৰ হাতখন এইবাৰ মই মোৰ গাৰ ফালে টানি আনিলো। ওৰণিখন ইতিমধ্যে সুলকি পৰিল তাইৰ। খিৰিকীৰে বৈ অহা এজাক শীতল বতাহে তেজৰ অবিনষ্ট চুলিবোৰ উৰুৱাই আনি মোৰ গাল-মুখ মেৰিয়াই ধৰিলে। মৰ্মান্তিক কপালত ডাঙৰকৈ লোৱা তাইৰ সেন্দুৰৰ ফোঁটটো যেন পূৰ্ণিমাৰ জোন হৈ মোৰ কপালৰ ক্ৰমে ক্ৰমে কাষ চাপি আহিল। আহি আহি এই যেন লাগো - এই যেন লাগো । "মায়ে দেখিব" - তেজে বাওঁ হাতখনৰ জেটুকা বুলোৱা লিহিৰী আঙুলিকেইটাৰে মোৰ শুকান দুওঁঠত ঢাকি ধৰি, কঁপা কঁপা মাতেৰে ঘন ঘনকৈ উশাহ টানি মোৰ কাণৰ কাষত সৰু সৰুকৈ ক'লে। "বাবা ন বাজিল, তই আজি নুঠিবিয়েই নেকি?" মুহূৰ্ততে মাৰ মাতত মোৰ তন্দ্ৰা ভাঙিল। তাৰমানে মই সপোন দেখি আছিলো। ছেঃ মাইনো এনে সময়ত মাত দিব পাইনে? চকু দুটি মোহাৰি ঘড়ীটোলৈ চাই দেখো ন বাজি কেতিয়াবাই গৈছে। খিৰিকীৰ পৰ্দাৰ ফাঁকেৰে উৰি অহা ৰ'দবোৰ কোঠাৰ যেনিতেনি পৰিছে। অফিচলৈ নাযাওঁ বুলি যোৱাকালিয়েই ছুটীৰ দৰ্খাস্ত দি আহিছো। গতিকে অফিচৰ টেনশ্বন নাই এই সময়ত। এতিয়া কি কৰা যায়। এনেয়েই চকুযুৰি জপাই তেজৰ কথাকে ভাবি আছো। হঠাৎ সপোনৰ পৰীৰ দৰে মোৰ কাষ চাপি আহি, মৰমসনা কোমল হাতদুখন আগবঢ়াই, আলফুলে তাইক লগ পোৱা সেই দিন কেইটিলৈ মোক হাতত ধৰি টানি লৈ গ'ল তাই।

ফেব্ৰুৱাৰী মাহৰ কোনোবা এটা দিন। কামৰ হেঁচাত মুৰ তুলি চাব পৰা নাই মই সেইদিনা। ফেব্ৰুৱাৰী মাহত এনেয়েও কামৰ বোজা বহুত বেছি। এইবাৰ কিবা এটা হিচাপৰ খেলি-মেলিৰ বাবে সি যেন দুগুণে চৰিছে। কেতিয়া যে দুই বাজিল টলকিৱেই নোপাবিলো। পিয়াহত ডিঙিটো শুকাই গৈছে মোৰ। পিয়নজন বিচাৰি বেলটো বজাই দিলো। বহু সময়লৈ দেখা-দেখি নাই তেওঁৰ। বোধহয় কিবা কামত ব্যস্ত আছে। খং কৰিও লাভ নাই। কামৰ তুলনাত কৰ্মচাৰীৰ সংখ্যা বহুত কম অফিচত। উপায় নাপাই চাহৰ আশা বাদ দি বেগটোৰ পৰা পানীৰ বটলটো উলিয়াই যিমান পাৰি সিমান পানীকে খালোঁ। হঠাৎ কিৰিং কিৰিংকৈ ম'বাইল ফোনটো বাজি উঠিল। পলকতে বুকুখন চিৰিংকৈ গ'ল মোৰ। যোৱা পৰহি ৰাতিপুৱাৰ পৰা মাৰ অসুখ। পেটৰ বিষ আৰু বমি। অফিচৰ পৰা ঘৰ পাওঁতে প্ৰায় আঠটা বাজে। ডাক্তৰৰ ওচৰত নিয়া নহ'ল আৰু সেই ৰাতি। ওচৰৰ ফাৰ্মাচীৰ পৰা কৈ-মেলি দুটা দৰৱ আনিলো যদিও সি বিশেষ কাম নিদিলে। ভাগ্যে যোৱাকালি অফিচ বন্ধ আছিল। ৰাতিপুৱা দহমান বজাত মাক আমাৰ চ'কতে বহা ডাক্তৰজনৰ ওচৰলৈ লৈ গ'লো। তেওঁ চাই-মেলি চিন্তাৰ বিশেষ কাৰণ নাই বুলি কৈ কিবা-কিবি দৰৱ-পাতি দিলে। সেইমতে ফাৰ্মাচীৰ পৰা দৰৱ আনি খুৱাইছো। বমি কিছু কমিছে যদিও পেটৰ বিষটো ৰাতিপুৱালৈ কিছু আছে। অফিচলৈ নাহিলেও নহয়। মাক তেনেভাগে থৈ লৰালৰিকৈ অফিচলৈ গুছি আহিলো। ম'বাইল ফোনটো বজাতহে মোৰ সংজ্ঞা আহিল। কিবাকৈ মাৰ অসুখ বেছি হোৱা নাইটো? ঘৰৰ পৰা ফোন আহিছে। খুৰাৰ ল'ৰা বীতুৰ ফোন। পলম নকৰি ফোনটো তৎক্ষণাৎ ধৰিলো। মোৰ অনুমানেই সঁচা। মাৰ অসুখ বেছি হৈছে। পেটৰ উৎকত বিষ আৰু ক'লা বমি। তাৰ কথা শুনি মোৰ মুখৰ মাত হেৰাল। ডিঙিটো শুকাই গ'ল। তৎক্ষণাৎ গাড়ী এখন বিজাৰ্ভ কৰি মাক গুৱাহাটীলৈ অনাৰ কথা ক'লো তাক।

অফিচৰ কামবোৰ তেনেদৰে পেলাই থৈ মই ডাইৰেক্টৰ ছাৰৰ ওচৰলৈ দৌৰি যোৱা দি গৈ সকলো ক'লো। ছাৰে মোৰ সমস্ত দায়িত্ব চমজি লৈ তৎক্ষণাৎ বিলীজ কৰি দিলে। ফাইল-পত্ৰবোৰ তেনেভাগে থৈ মই বাছ ষ্টপেজলৈ খৰধৰকৈ খোজ ল'লো। ক'ত খোজ দিছো ক'ব নোৱাৰো। কিছু অপেক্ষাৰ অন্তত বাছ এখন অহাত কোনোমতে সেইখনত উঠি নাৰ্ছিংহোম ওলালোগৈ। মাইঁত তেতিয়ালৈ আহি পোৱা নাই। বুকুৰ ধপ্‌ধপনি মোৰ বাঢ়ি গৈ আছে। মাটিত পৰি যাওঁ পৰি যাওঁ যেন লাগিছে। কিবাকৈ পৰ্কী বেৰ এখনত ভেজা দি থিয় দি আছো। এটা সময়ত মাইঁত আহি ওলাল।

মাৰ মুখত কোনো মাত-বোল নাই। নাৰ্ছিংহোমৰ ট্ৰলি এখনত শোৱাই লৈ ৱাৰ্ডবই কেইজনে মাক ইমাৰ্জেন্‌ছি ৰুমলৈ লৈ গ'ল। কেইজনমান জুনিয়ৰ ডাক্তৰ আহি মাক চাই-মেলি আই.চি.ইউত ভৰ্ত্তি কৰাৰ কথা ক'লে। মই লৰালৰিকৈ গৈ কাউণ্টাৰত পইচা-পাতি জমা দি আহিলো। মাক লগে লগে আই.চি.ইউত সুমাই দিয়া হ'ল।

মাৰ লগত মোৰ লগ দ্বীপ, খুৰাৰ ল'ৰা বীতু, ৰবমা আৰু খুৰীমাও আহিছে। আমি আটায়ে এটেন্‌ডেন্ট ৰুমত বহি আছো। সকলোৰে মুখবোৰ গহীন, চকুবোৰ চল্‌চলীয়া। কিবা অবুজ ভয় আৰু আশংকাত মোৰ শৰীৰ দুৰ্বল হৈ পৰিছে। চকুপানীৰে গাল মোৰ তিতি গৈছে। দ্বীপ আৰু বীতুয়ে মোক সান্ত্বনা দি আছে। মই কোনোমতে শান্ত হ'ব পৰা নাই। তেনেতে নাৰ্ছ এজনী আহি মোক মাতি লৈ গ'ল। মই ভিতৰলৈ সোমাই গ'লো। মোৰ পিছে পিছে দ্বীপ আৰু বীতু। ডাক্তৰে একদাম ঔষধ লিখি দিলে। বীতুয়ে সেইবোৰ আনিবলৈ খৰধৰকৈ তললৈ নামি গ'ল। মই আৰু দ্বীপে ছী নিয়ৰ ডাক্তৰ এজনৰ ওচৰলৈ গৈ মাৰ অৱস্থাৰ বুজ ল'লো। তেখেতে বিশেষ একো নকৈ পৰীক্ষা-নিৰীক্ষাবোৰৰ অন্তত সকলো ক'ব পৰা যাব বুলি চমু উত্তৰ দিলে। তেখেতৰ উত্তৰে মোক আৰু বেছি দুৰ্বলহে কৰিলে।

দ্বীপ আৰু বীতুয়ে মোক বাৰে বাৰে কেণ্টিনলৈ গৈ কিবা এটা খোৱাৰ কথা খাটনি ধৰি আছে। ৰাতিপুৱাৰ পৰা মই একো এটা মুখত দিয়া নাই। মোৰ পিছে ভোক-পিয়াহ সকলো হেৰাই গৈছে ইতিমধ্যে। সিহঁতৰো সেই একে অৱস্থা। দুই তিনি ঘণ্টা আমি একো এটা মুখত নিদিয়াকৈয়ে তেনেদৰেই বহি থাকিলো এটেন্‌ডেণ্ট ৰুমত। প্ৰায় ছয় মান বজাত নাৰ্ছ এজনী আহি পুনৰ আমাক মাতি লৈ গ'ল। ভয়ে ভয়ে আমি পুনৰ ভিতৰলৈ সোমাই গ'লো ।

"আপোনাৰ মাক মেডিছিনে অকণ ৰেস্পণ্ড কৰিছে। দুই এটা পৰীক্ষা-নিৰীক্ষা আৰু কৰিবলগীয়া আছে যদিও আমি ভাবো, বৰ এটা ডিফিকাল্টিছ হ'ব নালাগে।" - ছিনিয়ৰ ডাক্তৰজনে মোৰ ফালে চাই অভয় দিয়াৰ সুৰত ক'লে। মই তেখেতক হাতযোৰ কৰি মাক ভাল কৰি দিবলৈ কাকুতি-মিনতি কৰিলো। "সকলো ঈশ্বৰৰ হাতত। আমি যিমান পাৰো চেষ্টা কৰিম।" - কথাখিনি কৈ মোৰ পিঠিত থপৰিয়াই ছিনিয়ৰ ডাক্তৰজন আঁতৰি গ'ল।

মাৰ তেতিয়াও সংজ্ঞা অহা নাই। মই মাতিবলৈ বহুত চেষ্টা কৰিলো। চকু মেলি কাৰোফালে নাচালে তেওঁ। মই এবাৰ এনেয়ে মুখখনত হাত বুলাই দিলো। বুকুখন মোৰ হাহাকাৰ কৰি উঠিল। গোটেই শৰীৰ যেন মোৰ চেঁচা পৰি গ'ল। দ্বীপ আৰু বীতুয়ে জোৰ কৰি মোক বাহিৰলৈ উলিয়াই আনিলে।

নিশা আঠমান বজাত ৰবমা, খুৰীনাৰ লগতে দ্বীপ আৰু বীতু ঘৰলৈ যাবলৈ ওলাল। মা যিহেতু এতিয়া কিছু সুস্থ হৈছে, ময়ো সিহঁতক যাবলৈ মানা নকৰিলো। ন মান বজাত মই কেণ্টিনলৈ গৈ কিবা-কিবি অলপ খাই আহিলো। ৰাতি কিছু হৈছিল যদিও ভালেখিনি এটেন্‌ডেণ্ট তেতিয়াও বৈ আছিল এটেন্‌ডেণ্ট ৰুমটোত। মোৰ নিচেই সন্মুখতে প্ৰায় বাইশ-তেইশ মান বছৰ বয়সৰ গাভৰু ছোৱালী এজনীয়ে কিতাপ এখন পঢ়ি আছিল। মোৰ চকু কিছু সময় তাইৰ চকু-মুখত নিবদ্ধ হ'ল। তাই চকুযুৰি মেলি লাহেকৈ এবাৰ মোৰ ফালে চাই আকৌ তন্ময় হৈ কিতাপখনত মগ্ন হ'ল। আন দহজনী ছোৱালীতকৈ তাই যেন কিবা এটাত বেলেগ, এনে লাগিল মোৰ। কিন্তু সকলো সৌন্দৰ্য্য আৰু বৰ্ণ বিবৰ্ণ যেন হৈ পৰিছে আজিৰ এই মুহূৰ্তত। চকুযুৰি আপোনা-আপুনি আঁতৰি আহিল তাইৰ মুখৰ পৰা মোৰ।

কোনোপধ্যে আজি ৰেবিন এটা পোৱা নগ'ল। গোটেই ৰাতিটো এটেন্‌ডেণ্ট ৰুমতে বহি পাৰ কৰিব লাগিব। ঠাণ্ডা বিশেষ নাই যদিও মহ কিছু পৰিমাণে আছে। কষ্ট হ'লেও উপায় নাই। অহাকালি যেনিতেনি ৰেবিন এটা ল'ব লাগিব। বেছি ৰাতি হোৱা নাই যদিও চকীখনতে হেলান দি অলপ জিৰাবলৈ চেষ্টা কৰিলো। কিছু সময়ৰ অন্তত নাৰ্ছ এজনী খৰধৰকৈ সোমাই আহি মোক আই.চি.ইউৰ ভিতৰলৈ মাতি লৈ গ'ল। গৈ দেখো মাৰ মুখত অক্সিজেন ফিট কৰা আছে। মাৰ হেনো আকৌ বমি হৈছে। ক'লা বমি। গতিকে ইমিডিয়েট তেজ লাগে। ব্লাড বেংকত তেজ ষ্টকত আছে যদিও 'এ' পজিটিভ তেজ নাই। মোৰ নিজৰ তেজো মাৰ লৈতে নিমিলে। ইতিমধ্যে বিভিন্ন ঠাইত নাৰ্ছিংহোমৰ পৰা যোগাযোগ কৰিছে, কিন্তু ক'তো 'এ' পজিটিভ তেজ পোৱা হোৱা নাই। কি কৰা যায় এতিয়া? মই ভিতৰৰ পৰা ওলাই আহি য'তে ত'তে ফোন কৰিছো। গুৱাহাটীত মোৰ ভালেমান বন্ধু আছে। কিন্তু কাৰো তেজ নিমিলে। ঘৰলৈও ফোন কৰিলো- কিন্তু ঘৰৰ পৰা মানুহ অহালৈ যথেষ্ট পলম হ'ব। "যিমান পাৰে সোনকাল কৰক" - নাৰ্ছজনী আহি আকৌ মোক উনুকিয়াই গ'ল। কি কৰো এতিয়া? হাত-ভৰি মোৰ কঁপিবলৈ ধৰিলে। কোঠাটোত মই ছাটিফুটি আছো।

দুই-তিনিজনী মান নাৰ্ছও মোৰ লগতে ব্যস্ত হৈ আছে। ভালেখিনি সময় ইতিমধ্যে পাৰ হৈ গ'ল। মই আৰু থিৰেৰে ব'ব নোৱাৰিলো। কান্দি কান্দি চকী এখনত বহি পৰিলো মই। কি হৈছে বুলি প্ৰশ্ন কৰি ভালেমান এটেন্‌ডেন্ট আহি মোক ঘেৰি ধৰিলেহি। বহুতে মোক সান্ত্বনাও দি আছে। কোনোবা এজন আহি মোৰ মুখত অকণ অকণকৈ পানীও দিছে। ইতিমধ্যে ভালেখিনি সময় পাৰ হৈ গ'ল ।

"দাদা, তেজ মই দিম।" ঘূৰি চাই দেখো অলপ আগতে মোৰ সন্মুখত বহি থকা সেই ব্যতিক্ৰমী ছোৱালীজনী। "মোৰ তেজ 'এ' পজিটিভ - বলক সোনকাল কৰক।" এইবুলি নাৰ্ছকেইজনীৰ সৈতে ভিতৰলৈ সোমাই গ'ল তাই। পিছে পিছে ময়ো সোমাই গ'লো। নাৰ্ছকেইজনীয়ে তাইক আন এটা কোঠালিলৈ লৈ গ'ল। বোধহয় প্ৰথমতে তাইৰ তেজৰ গ্ৰুপ পৰীক্ষা কৰি ল'ব। সকলো ঠিক থকাৰ অন্তত তাইৰ পৰা তেজ লোৱা হ'ল। ছিনিয়ৰ ডাক্তৰজন মোৰ ফালে কাষ চাপি আহি সন্তুষ্টিৰে ক'লে - "ভেৰি লাকি ইউ আৰ।" তাৰ পাছত তেওঁ খৰখৰকৈ ভিতৰলৈ সোমাই গ'ল। এটা দীঘলকৈ উশাহ টানি মই বাহিৰলৈ ওলাই আহিলো। ৰাতি বাৰ বাজিল। এটেন্‌ডেন্ট ৰুমত মাত্ৰ মই অকলে। কাৰোবাৰ ভৰিৰ শব্দ পালেই যেন মোৰ বুকুখন কঁপি উঠে। কিছু সময়ৰ অন্তত সঁচাকৈ নাৰ্ছ এজনী ভিতৰৰ পৰা ওলাই আহিল। মই খৰখৰকৈ তেওঁৰ কাষ চাপি গ'লো। তেওঁ সকলো ঠিকে-ঠাকে থকা বুলি ক'লে। গোটেই ৰাতিটো মই উদ্বিগ্নতাৰে এবাৰ চকীত বহি এবাৰ থিয় দি কটালো। মাজে মাজে আই.চি.ইউলৈ গৈ মাক চাই আহো। শৰীৰ দুৰ্বল হৈ পৰিছে যদিও ৰাতি পুৱাত মোৰ মনত অকণ সাহস জন্মিছে। ন-দহ মান বজাত ঘৰৰ মানুহবোৰো আহি পাব। তেতিয়ালৈ আৰু মাক তেজ নেলাগিলেই হয় ।

ভবামতে গোটেই দিনটো ঘৰৰ মানুহেৰে নাৰ্ছিংহোম গিজগিজাই থাকিল। আজি ডাক্তৰৰ পিছে পিছে মই বেছি ঘূৰা-ফুৰা কৰা নাই। সকলো ঘৰৰ মানুহেই কৰিছে। সিহঁতেই আহি মোক মাৰ খবৰ দি আছে। মাৰ স্বাস্থ্যও আজি অলপ সুস্থিৰ হৈছে। ৰাতি তেজ লোৱাৰ পিছৰ পৰা বমিও হোৱা নাই। এতিয়া ছেলাইন দিয়া আছে যদিও অক্সিজেন খুলি দিছে। ডাক্তৰৰ মতে সকলো ঠিকে-ঠাকে আছে, ভয় কৰিবলগীয়া একো নাই। অৱশ্যে ৰাতি তেজ নোপোৱা হ'লে ডাঙৰ কথা হ'লহেতেন ।

তেজ দিয়া ছোৱালীজনীক আজি এটেনডেন্ট ৰুমত তেনেকৈ দেখা পোৱা নাই। বোধহয় তাই অলপ দুৰ্বল হৈছে। অৱশ্যে মাজতে এবাৰ আহি মাৰ কথা সুধিছিল। আই.চি.ইউলৈ গৈ মাক এবাৰ তাই চাইও গৈছেহি। কিন্তু তাইৰ বিষয়ে একো এটা সোধা নহ'ল মোৰ। ভয়, দুৰ্ভাৱনাত সকলো চিন্তাই দুৰ্বল হয় নিশ্চয়। নিজকে কিবা দোষী দোষী যেন লাগিল।

কোনোমতে বিচাৰি বিচাৰি কেবিন এটা পোৱা গ'ল আজি। মা ঠিকে থাকিলে কিছু গুৰ পৰা যাব। ঘৰৰ মানুহবোৰ আবেলিৰ পৰা যাবলৈ ল'লে। আজিও ৰাতিটো অকলেই থাকিব লাগিব। সকলোৰে ঘৰত লেঠা। কাকো জোৰ কৰিও ৰাখিবৰ মন নাই মোৰ। অৱশ্যে আজি ৰাতি মানুহৰ প্ৰয়োজন হ'ব নালাগে।

ৰাতি মাৰ একো সমস্যা নহ'ল। দুবাৰ মান আহি মাক এনেয়েই চাই গৈছোহি যদিও মোটামুটি মোৰ টোপনি আহিছে। সেয়ে আজি গাটো মোৰ যথেষ্ট ভাল লাগিল। মাৰ স্বাস্থ্যৰো ভালেখিনি উন্নতি হৈছে আজি। মোৰ লগত কিছু কথাও পাতিছে মায়ে। কথাৰ মাজতে সেইদিনাৰ কিছু কথা ওলাল। অচিন ছোৱালী এজনীয়ে তেজ নিদিয়া হ'লে মাৰ কি গতি হ'লহেতেন - সেই কথা জানিবপাৰি তেওঁ মিচিকিয়াই হাঁহিলে।

ক'ব নোৱাৰাকৈয়ে সেই অচিন ছোৱালীজনীক মোৰ ভাল লগা হ'ল। তাইৰ চকুয়ে চকুয়ে পৰা নাই ভালকৈ। তাইৰ সৈতে কথাও পতা নাই। ভালদৰে দেখাও নাই তাইক। কিন্তু এক অবুজ হাহাকাৰ আৰু শূন্যতাই যেন মোক আবৰি ধৰিলে। কি এই শূন্যতা? কি এই হাহাকাৰ? প্ৰেম ? মই চটফটাই উঠিলো। জীৱনত প্ৰথমবাৰৰ বাবে মই যেন নিজকে ঠাৱৰিব নোৱাৰা হ'লো।

কিন্তু মোৰ এই হাহাকাৰৰ কথা ছোৱালীজনীক কেনেকৈ কোৱা যায়? কথাখিনি ভাবিলেই বুকুখন চিৰিংকৈ উঠে। এনেয়েও অচিনাকি মানুহৰ সৈতে কথা পাতিলে মই কথা কোৱাত জঁটা-পোতা খাওঁ।

সন্ধিয়া মাৰ কাষলৈ বুলি ওলাই গ'লো। আই.চি.ইউৰ দুৱাৰখন ঠেলি দি দেখো মাৰ কাষত সেই অচিনাকি গাভৰু ছোৱালীজনী। তাই মাৰ ভৰি দুটি পিটিকি আছে। কিছু সময় পাছত তাই বটল এটাৰ পৰা গিলাচ এটাত পানী অকণ লৈ অকণ অকণকৈ চামুচ এখনেৰে পানী খুৱাই দিছে মাক। লগে লগে মায়ে তাইৰ হাত এখন খামোচ মাৰি ধৰি নিজৰ বুকুৰ মাজত সুমুৱাই ল'লে। মুহূৰ্ততে ছোৱালীজনীৰ চকুৰ পৰা গিৰগিৰকৈ চকুপানী নিগৰি আহি দুগালেৰে বৈ গৈ টোপটোপকৈ মাৰ বুকুৰ আঁচলত পৰিল। মই দেখা দিলে ছোৱালীজনীয়ে হয়তো লাজ পাব। সেয়ে নীৰৱে দুৱাৰখন জপাই বাহিৰলৈ ওলাই আহিলো মই।

পিছদিনা ৰাতিপুৱা ছোৱালীজনী এটেন্‌ডেন্ট ৰুমত বহি থকা দেখা পালো। তাইৰ সোঁ ফালৰ কাষৰ চকীখন খালী। কিবা অকণ কথা পাতিব পাৰি নেকি, তাৰ ছলেৰে সেই খালী চকীখনত বহি দিলো। তাই তলমূৰ হৈ ম'বাইল ফোনটোত ব্যস্ত আছিল। মোৰ পিনে কেৰাহিকৈ চাই আকৌ তলমূৰ হ'ল তাই। কি বুলি আৰম্ভ কৰো এতিয়া ? কিবা এটা সুধিবলৈ লৈ জিভাখন কোঁচ খাই যায়। শেষত মবাইল ফোন নম্বৰটোকে বিচাৰি আৰম্ভ কৰিলো - "তোমাৰ ফোন নম্বৰটো দিবানে মোক?" মুহূৰ্ততে তাই ৰঙা- ছিঙা পৰিল। সম্পূৰ্ণ অপ্ৰস্তুত হৈ মুখটো লাহেকৈ দাঙি তাই মোৰ ফালে চকুযুৰি



মেলি চালে । তাৰ পাছত কওঁ নকওঁকৈ কৈ গ'ল তাই - "লওঁক। 96784206.." এনেতে দৌৰাদৌৰিকৈ ছোৱালী এজনী কাষ চাপি আহি তাইক হাতত ধৰি টানি লৈ যোৱা দি লৈ গ'ল। লৰালৰিত ফোন নম্বৰটোৰ শেষৰ অংক দুটা শুনা নগ'ল। আঠটা অংকহে স্পষ্টকৈ শুনিলো। এই আঠটা অংককে মবাইল ফোনটোত চেভ কৰিবলৈ লৈ বিপাঙত পৰিলো? কি নামত চেভ কৰো এতিয়া? নামটোও সুধিবলৈ ৰৈ গ'ল তাইৰ। ছোৱালীজনীৰ সৈতে চিনাকিৰ মাধ্যম যেতিয়া তেজ- গতিকে তেজ বুলিয়েই চেভ কৰি থ'লো ফোন নম্বৰটো।

ৰাতি ঠিক কৰিলো - যেনেকৈয়েই নহওঁক অহাকালি তেজক মই মোৰ মনৰ কথা কৈ দিম। সেইমতে সোনকালে বিছনা এৰি গা-পা ধুই পৰম উৎসাহেৰে মাৰ ওচৰলৈ গৈ ভৰি দুটি চুই সেৱা জনাই আহিলো। আহিয়েই এটেন্‌ডেন্ট ৰুমত দুৰু-দুৰু বুকুৰে তেজৰ বাবে ৰৈ আছো। তাইক এবাৰ চকামকাকৈ দেখিলো যদিও মাত দিয়াৰ সুযোগ নহ'ল। গোটেই দিনটো পৰি আছে যেতিয়া, সিমান খৰ-ধৰ নকৰি কিবা এটা খাই লোৱাৰ উদ্দেশ্যে কেণ্টিনলৈ খোজ ল'লো। কেণ্টিনত যথেষ্ট ভিৰ। প্ৰায় আধাঘণ্টাৰ অপেক্ষাতহে কিবা এটা খাব পাৰিলো। খৰখৰকৈ তামোল এখন মুখত দি পুনৰ আহি চকী এখনত তেজ অহালৈ বাট চাই ৰ'লো। ভালেখিনি সময় যোৱাৰ পিছতো তেজৰ দেখা-দেখি নাই। অইন দিনাতো তাই প্ৰায়ে এটেন্‌ডেন্ট ৰুমটোতে বহি আছিল। আজি কি হ'ল? প্ৰায় এটা বেলি পাৰ হওঁ হওঁ। বেছি পলম নকৰি চকীৰ পৰা উঠি আহি তেজ ওলোৱা-সোমোৱা কৰা ইউনিটটোৰ ফালে আলেঙে আলেঙে লক্ষ্য কৰিলো। নাই, কোনো উমঘাম নাই। ক'লৈ গ'ল বাৰু তেজ? ক'ত যাব পাৰে বাৰু তাই? সময় দ্ৰুতবেগে আগুৱাই গৈ আছে। ভোকে-পিয়াহে মোক হেঁচা মাৰি ধৰিছে যদিও ৰুমটোৰ পৰা মই এখন্তেকো আঁতৰি যোৱা নাই। চাওঁতে চাওঁতে বেলি ডুবিল আৰু পলম নকৰি উঠি আহি মই এফালৰ পৰা ইউনিটবোৰ তন্নতন্নকৈ চাবলৈ ল'লো। দুই-এজনক সোধ-পোছও কৰিলো। কিন্তু কোনেও একো ক'ব নোৱাৰিলে তাইৰ বিষয়ে। মনৰ বেজাৰত ৰাতি একো নোখোৱাকৈ বিছনাত শুই পৰিলো । টোপনি নাহিল - ওৰে ৰাতি বিচনাত চটফটাই থাকিলো মই।

পিচদিনা ৰাতিপুৱা মই চি.চি. কেমেৰাত তেজৰ সম্পৰ্কত কিবা তথ্য পোৱা যায় নেকি তাৰ আশাত কম্পিউটাৰ অপাৰেটৰক খাটনি ধৰিলোগৈ। তেওঁ থেৰোগেঁৰো কৰাত পইচা-পাতি দি মেনেজ কৰিলো যদিও একো ফল নহ'ল। বাৰে বাৰে ৰেকৰ্ডবোৰ ৰি-ভিউ কৰি চাইও তেজৰ বিষয়ে একো উলিয়াব নোৱাৰিলে তেওঁ। শেষত ব্লাড বেংকত কিবা ৰেকৰ্ড পোৱা যাব নেকি - তাত সন্ধান কৰিলোগৈ। ইয়াতো সেই একেই কথা। ৰেকৰ্ডবোৰ ৰাখিছে যদিও ছিষ্টেমেটিক নহয়। সেইবোৰ চাইছোহে চাইছো কিন্তু একো তথ্য উলিয়াব নোৱাৰি। আমাৰ ক্লৱৰ কোনোবা ৰোগী যোৱাকালি ৰিলিজ হৈছে নেকি - অনুসন্ধান কৰ্ষত তাৰো সন্ধান কৰিলোগৈ। তাতো নিৰাশ হ'লো। শেষত তেজৰ ফোন নম্বৰটো উলিয়াই ল'লো। ফোন নম্বৰটোত আঠটা অংক। নটা অংক থাকিলে কথা নাছিল। একাদিক্ৰমে দহটা ফোন কলত ফোন কৰিলে তাইক বিচাৰি পালোঁহেঁতেন। এতিয়া এশটা ফোন কলত ফোন কৰো কেনেকৈ? তথাপিও সাহ কৰি একাদিক্ৰমে ফোন কৰি গ'লো। দুই-এজনে ভদ্ৰভাৱে ৰং নম্বৰ বুলি উত্তৰ দিলে যদিও দুই-এজনৰ গালিও খালো। দুই-এজনে আকৌ ধমকো দিলে। উপায় নাপাই শেষত তেজক বিচাৰি পোৱাৰ সকলো আশা ইমানতে ত্যাগ কৰিলো।

নাৰ্ছিংহোমৰ পৰা ৰিলিজ কৰি অনাৰ পৰা মা ক্ৰমে ক্ৰমে সুস্থ হৈ আহিছে। কিন্তু তেওঁৰ মনটো সিমান ভাল নহয়। তেজৰ কথাকে কৈ কৈ খেনখেনাই থাকে । ছোৱালীজনী এনেকুৱা আছিল, তেনেকুৱা আছিল, চকুহাল যে ইমান মৰম লগা, চুলিবোৰ যে ইমান দীঘল ইত্যাদি, ইত্যাদি। আমাৰ ঘৰলৈ অহা কোনো মানুহ বাদ পৰি যোৱা নাই । যিকোনো মানুহ আহিলেই সেই একেখিনি কথা। মোৰ কেতিয়াবা এনে ভাব হয় - মাই যেন কথাবোৰ মোকেই শুনাই আছে। মোৰ অৱহেলাৰ বাবেই যেন তেজ আঁতৰি গ'ল - তাইক আমাৰ ঘৰৰ বোৱাৰী কৰি অনাৰ সকলো আশা নিৰ্বাপিত হ'ল। মই কিন্তু মাক তেজৰ বিষয়ে আজিলৈ একো কোৱা নাই। এনে ভাৱ দেখুৱাও - তেজক যেন মই চিনিয়েই নাপাওঁ। সঁচা কথা কৈ কিবা লাভ আছে জানো আজি? বেছি দুখ দিয়াহে হ'ব তেওঁক।

মোৰ নিজৰ আৰু মাৰ মনৰ দুখ মচি পেলোৱাৰ বাবে মই একো কৰিব নোৱাৰো সঁচা, কিন্তু ক'ৰবাত মানুহৰ জুম দেখিলেই পিতপিতাই চাওঁ - তেজক দেখা পাওঁ নেকি - তাঁৰ সন্ধান কৰো। যোৱা ছমাহ একো কৰিব নোৱাৰিলেও, মই তাকেই কৰিছো নদায়।

এদিন অফিচৰ কামত দূৰণিৰ এঠাইলৈ যাবলগীয়া হ'ল। বাছেৰে গৈ গৈ চেঁচা নে হাজো কিবা এঠাইত বাছখন ষ্টপেজত ৰৈ দিলে । ঠিক তেনে সময়তে বিপৰীত দিশৰ পৰাও বাছ এখন আহি আমাৰ বাছখনৰ কাষতে ৰ'ল। সেই বাছখনৰ বাওঁফালৰ ছীটত বহী থকা ছোৱালী এজনীয়ে মোৰ পিনে দৃষ্টি দি আকৌ তলমূৰ কৰিলে। ছোৱালীজনী আন কোনো নহয়, তেজ। মই শৰীৰৰ সমস্ত শক্তিৰে চিঞৰি দিলো - "তেজ"। তেনেতে বিপৰীত দিশৰ বাছখন চলিবলৈ ল'লে। লগে লগে মই জাঁপ মাৰি নমাদি নামিলো আমাৰ বাছখনৰ পৰা। ইতিমধ্যে বিপৰীত দিশৰ বাছখন কিছু আঁতৰি গ'ল। মই পিছে পিছে দৌৰিলো বাছখনৰ। তেজে খিৰিকীৰে ডিঙি মেলি চালে এবাৰ। বাছখন ক্ৰমে ক্ৰমে আগবাঢ়ি গ'ল। ময়ো সমস্ত শক্তিৰে দৌৰিছো। ক্ৰমে বাছখনৰ গতি বাঢ়ি গৈ আছে। মই যিমান পাৰি দৌৰিছো। হঠাৎ কিবা এটাত উজুটি খাই আছাৰ খাই মই পৰি গ'লো। ভৰি দুটিত যথেষ্ট দুখ পালো যদিও কোনোমতে হাত দুখনত

ভেজা দি মই পুনৰ থিয় দিলো। সোঁ ফালৰ আঠুত জিনছৰ পেণ্টটো ফাটি তেজ ব'বলৈ ল'লে। মই সেইবোৰ একো চোৱা নাই। লেঙেৰিয়াই লেঙেৰিয়াই আকৌ দৌৰিলো। বাছখন আগুৱাই গৈ আছে। ময়ো দৌৰিছো। ক্ৰমে ক্ৰমে বাছখন আঁতৰি গৈ আছে। এটা সময়ত সি আৰু নেদেখা হ'ল। মই বৈ দিলো। কি কৰো এতিয়া? ইফালে-সিফালে চালো। খন্তেক বোৰাৰ অন্তত এখন অ'টোৰিক্সা আহি ওলাল। অ'টোৰিক্সাখনত উঠি চালকজনক যিমান পাৰি সিমান বেগাই অ'টোৰিক্সাখন চলাবলৈ অনুৰোধ কৰিলো। সেইমতে আহি আহি আমি শিঙিমাৰী পালো। এটা সময়ত শৰাইঘাট পাৰ হৈ জালুকবাৰী আৰু শেষত আদাবাৰী। বহুত চেষ্টা কৰিও আমি তেজ থকা বাছখন আৰু ক'তো বিচাৰি উলিয়াব নোৱাৰিলো।

খিৰিকীৰে বৈ অহা ব'দবোৰ যেন ক্ৰমে ক্ৰমে তীব্ৰতৰ হৈ পৰিল। শুই থকাৰ ইচ্ছা আৰু নোহোৱা হ'ল মোৰ। বিছনাৰ পৰা উঠিবলৈ লৈছো- গেট খোলাৰ শব্দ শুনা গ'ল বাহিৰত। কোন আহিছে বাৰু? দুৱাৰখন ঠেলি ওলাই দেখিলো পোষ্টঅ'ফিছৰ পিয়নজন। মই আগুৱাই গ'লো। তেওঁ বেগৰ পৰা উলিয়াই এটা এনভেলপ আগবঢ়াই দিলে। এখন চিঠি। লগে লগে চিঠিখন খুলি মই আগ্ৰহেৰে খৰধৰকৈ পঢ়ি গ'লো -

শ্ৰদ্ধেয় দাদা,

সেৱা গ্ৰহণ কৰিব। সেইদিনা আচলতে আপোনালোকৰ ওচৰৰ পৰা মই অনিচ্ছাস্বত্বেও লুকাই-চুৰকৈ গুচি আহিবলগীয়া হ'ল। যিটো কথাই বোধহয় আপোনালোকক বৰকৈ বেজাৰ দিছে। কিন্তু এইটোৱো সত্য যে মই গোপনে গুচি নহা হ'লে হয়টো আপোনালোকে সেই সময়ত ইয়াতকৈ বহুত বেছি বেজাৰ পালেহেঁতেন। কিন্তু কি কাৰণত সেইদিনা তেনেকৈ গুচি আহিলো, সেই কথা মই জনাই আছো আপোনাক।

কিয় নাজানো, আপোনাৰ মায়ে মোক বহুত ভালপায় পেলাইছিল। দূৰে দূৰে থাকিলেও আপুনি আপোনাৰ মাতকৈ যে মোক কোনো গুণে কম ভালপোৱা নাছিল, সেয়া মই ভালকৈয়ে বুজিব পাৰিছো।

আচলতে আপোনাক মই কোনো দিনেই কোনো কালেই কোনো কথাই জনোৱাৰ কথা নাছিল। কিন্তু অলপতে হঠাৎ মোক বাছখনৰ ভিতৰত দেখি আপুনি যেনেদৰে বিহ্বল হৈ পৰিছিল- সেই কথাটোৱেই মোক নতুনকৈ ভাবিবলৈ বাধ্য কৰালে আৰু সেইবাবেই আপোনাক আচল কথাটো জনাই এই মিছা বন্ধনৰ পৰা মুক্ত কৰি দিয়াৰ মনেৰে এই পত্ৰখন পঠিয়াই দিলো।

দাদা, আপোনাৰ মাৰ দেহৰ তেজৰ নৈত মোৰ দেহৰ এবিন্দু হ'লেও তেজ বৈ আছে। সেইদৰে আপোনাৰ তেজৰ সোঁতত নীৰৱে লুকাই আছে আপোনাৰ মাৰ দেহৰ তেজৰ অলেখ টৌ। সেই হিচাপত আপোনাৰ সৈতে মই এধাৰি ফুলৰ মালাৰ ফুলবোৰৰ দৰে গাতে গা লাগি আছো। কিন্তু প্ৰকৃততে আপুনি লক্ষ লক্ষ যোজন দূৰৈত থকা আকাশৰ তৰাবোৰতকৈও বহু দূৰতে আছে মোৰ পৰা। মনে-প্ৰাণে বিচাৰিলেও সেই দূৰ অতিক্ৰম কৰি মোৰ কাষ চাপি আহিব নোৱাৰিব আপুনি কোনো দিনেই, কোনো কালেই।

ভালপোৱাৰ অৰ্থ কি, মই জানো। আপোনালোকৰ ভালপোৱাই মোক আৰু বেছি গভীৰভাৱে চিনাকি কৰি দিয়াইছে সেই শব্দৰ সৈতে। সেই শব্দ আৰু বেছি জাজ্বল্যময় হৈ পৰক মোৰ বুকুৰ উমত, তেজৰ কোঁহত। মই কোন, মোৰ পৰিচয় কি, তাক জনাৰ পিছত, আপোনালোকৰ চকু-মুখত ভাহি উঠা এটা শব্দও যাতে সেই শব্দক আঘাত কৰিব নোৱাৰে, সেইবাবেই মই সেইদিনা সকলো সামৰি থৈ লুকাই-চুৰকৈ নীৰৱে আঁতৰি আহিছিলো আপোনালোকৰ মাজৰ পৰা। বিদায়েৰে -

ইতি -

মামণি বেগম

## বহুমূলীয়া বাণী

- "আমি দীঘলীয়া জীৱন যাপন কৰো; সেইটো কথা নহয়, কিন্তু কেনেকৈ জীৱন যাপন কৰো সেইটোহে আচল কথা।"

  — *বেইলী*

- "যিজন ব্যক্তিৰ দুখৰ মাজতো নিজৰ মনটো চঞ্চল হৈ নপৰে অথবা সুখৰ মাজতো যিজন আপোন পাহৰা হৈ নপৰে আৰু যিজনৰ মনৰ পৰা আসক্তি, ভয় আৰু ক্ৰোধ আঁতৰি গৈছে তেওঁকেই স্থিতপ্ৰজ্ঞ মুনি বোলা হয়।"

  — *গীতা*

- "প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা, মুক্তিৰ বন্ধনহীনতা, স্বচ্ছন্দে লেখিবৰ শক্তি নাই, সেই সাহিত্য মৃতবৎ। তাৰ আত্ম-প্ৰতিভা অবিকশিত, অহৃষ্ট, অপুষ্ট, অমহান।"

  — *বেজবৰুৱা গ্ৰন্থাৱলী, পৃষ্ঠা - ১৮৬৫*

- "স্বদেশৰ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গল মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।"

  — *অসমীয়া ভাষাৰ উন্নতি, বাঁহী; প্ৰথম বছৰ*





# শ্ৰীপঞ্চমী
## শিতান

বিগত বছৰবোৰৰ দৰে ২০২০ চনৰ প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী' কিতাপ আকাৰত উলিয়াব পৰা নগ'ল। সেয়েহে এই সংখ্যাৰ 'সুদক্ষিণা'ত 'শ্ৰীপঞ্চমী'ৰ শিতানটি মুদ্ৰিত আকাৰত প্ৰকাশ কৰা হ'ল।

— আলোচনী সম্পাদিকা

ভেজা দি মই পুনব থিয় দিলো। সোঁ ফালৰ আঠুত জিনছৰ পেন্টটো ফাটি তেজ ব'বলৈ ল'লে। মই সেইবোৰ একো চোৱা নাই। লেঙেৰিয়াই লেঙেৰিয়াই আকৌ দৌৰিলো। বাছখন আগুবাই গৈ আছে। ময়ো দৌৰিছো। ক্রমে ক্রমে বাছখন আঁতৰি গৈ আছে। এটা সময়ত সি আৰু নেদেখা হ'ল। মই বৈ দিলো। কি কৰো এতিয়া? ইফালে-সিফালে চালো। খন্তেক ৰোৱাৰ অন্তত এখন অ'টোৰিক্সা আহি ওলাল। অ'টোৰিক্সাখনত উঠি চালকজনক যিমান পাৰি সিমান বেগাই অ'টোৰিক্সাখন চলাবলৈ অনুৰোধ কৰিলো। সেইমতে আহি আহি আমি শিঙিমাৰী পালোঁ। এটা সময়ত শৰাইঘাট পাৰ হৈ জালুকবাৰী আৰু শেষত আদাবাৰী। বহুত চেষ্টা কৰিও আমি তেজ থকা বাছখন আৰু ক'তো বিচাৰি উলিয়াব নোৱাৰিলো।

খিৰিকীৰে বৈ অহা ব'দবোৰ যেন ক্রমে ক্রমে তীব্রতৰ হৈ পৰিল। শুই থকাৰ ইচ্ছা আৰু নোহোৱা হ'ল মোৰ। বিছনাৰ পৰা উঠিবলৈ লৈছো- গেট খোলাৰ শব্দ শুনা গ'ল বাহিৰত। কোন আহিছে বাৰু? দুৱাৰখন ঠেলি ওলাই দেখিলো পোষ্টঅ'ফিছৰ পিয়নজন। মই আগুবাই গ'লো। তেওঁ বেগৰ পৰা উলিয়াই এটা এনভেলপ আগবঢ়াই দিলে। এখন চিঠি। লগে লগে চিঠিখন খুলি মই আগ্রহেৰে খৰখৰকৈ পঢ়ি গ'লো -

শ্রদ্ধেয় দাদা,

সেৱা গ্রহণ কৰিব। সেইদিনা আচলতে আপোনালোকৰ ওচৰৰ পৰা মই অনিচ্ছাস্বত্বেও লুকাই-চুৰকৈ গুচি আহিবলগীয়া হ'ল। যিটো কথাই বোধহয় আপোনালোকক বৰকৈ বেজাৰ দিছে। কিন্তু এইটোৱো সত্য যে মই গোপনে গুচি নহা হ'লে হয়তো আপোনালোকে সেই সময়ত ইয়াতকৈ বহুত বেছি বেজাৰ পালেহেঁতেন। কিন্তু কি কাৰণত সেইদিনা তেনেকৈ গুচি আহিলো, সেই কথা মই জনাই আছো আপোনাক।

কিয় নাজানো, আপোনাৰ মায়ে মোক বহুত ভালপায়

**বহুমূলীয়া ব**

১ "আমি দীঘলীয়া জীৱন যাপন কৰো; সেইটো কথা নহয়, কিন্তু কেনেকৈ জীৱন যাপন কৰো সেইটোহে আচল কথা।"

— বেইলী

১ "যিজন ব্যক্তিৰ দুখৰ মাজতো নিজৰ মনটো চঞ্চল হৈ নপৰে অথবা সুখৰ মাজতো যিজন আপোন পাহৰা হৈ নপৰে আৰু যিজনৰ মনৰ পৰা আসক্তি, ভয় আৰু ক্রোধ আঁতৰি গৈছে তেওঁকেই স্থিতপ্রজ্ঞ মুনি বোলা হয়।"

— গীতা





# ডেকাৰ্টৰ দৰ্শন পদ্ধতি



□ অলকা দাস
দৰ্শন বিভাগ

আধুনিকতাবাদৰ দাৰ্শনিক ভেটি প্ৰতিষ্ঠাতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দাৰ্শনিক গৰাকী হ'ল আধুনিক পাশ্চাত্য দৰ্শনৰ পিতৃ স্বৰূপ যুক্তিবাদী দাৰ্শনিক ৰেণে ডেকাৰ্ট (১৫৯১-১৬৫০) দৰ্শনত তেওঁৰ লক্ষ্য আছিল সুনিশ্চিত স্বতঃ সিদ্ধ আৰু সৰ্বজনগ্ৰাহ্য সত্য আৱিষ্কাৰ কৰা তেওঁৰ মতে ষ্টপাষ্টিক দৰ্শনে এনে জ্ঞান দিব পৰা নাই। কাৰণ একেটা বিষয়তে তেওঁলোকৰ মাজত মতভেদ আছে। প্ৰাচীন আৰু মধ্যযুগত কোনো দৰ্শনে সুস্পষ্ট হৈ সুনিশ্চিত জ্ঞান প্ৰদান কৰাত ব্যৰ্থ আছিল বুলি তেওঁ গভীৰভাৱে অনুভৱ কৰিছিল। গোড়ামি, নিৰ্বিচাৰবাদ আৰু অন্ধবিশ্বাস আছিল এই দৰ্শন সমূহৰ আধাৰ। গতিকে নিৰ্ভুল আৰু সুনিশ্চিত জ্ঞান লাভৰ বাবে তেওঁ গাণিতিক পদ্ধতি অৱলম্বন কৰিবলৈ বিচাৰিলে। ডেকাৰ্টৰ মতে কেৱল গণিতেই নিৰ্ভুল আৰু নিঃসন্দিগ্ধ জ্ঞান দিব পাৰে। গণিত শাস্ত্ৰত বিচাৰ পদ্ধতিৰ মাজত দুটা স্তৰ আছে, প্ৰথমটো হ'ল— সংজ্ঞা বা আত্মজ্ঞানৰ দ্বাৰা স্বতঃসিদ্ধ সত্যৰ উপলব্ধি কৰা আৰু দ্বিতীয়তে, সেই স্বতঃসিদ্ধ সত্যৰ পৰা নিগমনাত্মক পদ্ধতিৰ দ্বাৰা অনিবাৰ্যভাৱে নিসৃত সত্য জ্ঞানত উপনীত হোৱা। তেওঁৰ মতে একমাত্ৰ সহজাত আৰু স্বাভাৱিক প্ৰজ্ঞাৰ সহায়ত আমি তত্ত্বজ্ঞান লাভ কৰিবলৈ সক্ষম হওঁ ইন্দ্ৰিয় প্ৰত্যক্ষই বা অভিজ্ঞতাই অন্তৰ্নিহিত স্বৰূপ উদ্‌ঘাটিত কৰিব নোৱাৰে। তেওঁৰ দৰ্শনত যুক্তিয়েই হ'ল সত্য প্ৰতিষ্ঠাৰ মূল ভিত্তি। ■

# পূজাৰ এক অনুভৱ ঃ বৰ্তমান আৰু অতীত



□ লীলাৱতী চৌধুৰী
শিক্ষা বিভাগ

*শ্বেত পদ্মাসনা দেৱী শ্বেত পুষ্পোপশোভিতা।*
*শ্বেতাম্বৰধৰা নিত্যা শ্বেত গন্ধানুলেপনা।।*
*শ্বেতাক্ষ সূত্ৰহস্তা চ শ্বেত চন্দন চৰ্চিত।*
*শ্বেতবীণধৰা শুভ্ৰা শ্বেতালঙ্কাৰ ভূষিতা।।*

*বন্দিতা সিদ্ধগন্ধৰ্বৈৰৰ্চ্চিতা সুৰদানবৈঃ।*
*পূজিতা মুনিভিঃ সৰ্বৈৰ্ঋষিভিঃ স্তূয়তে সদা।।*
*স্তোত্ৰেণানেন তাং দেৱীং জগদ্ধাত্ৰীং সৰস্বতীম্।*
*যে স্মৰন্তি ত্ৰিসন্ধ্যায়াং সৰ্বাং সৰ্বাং বিদ্যাং লভন্তি তে।।*

বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীক মাঘ মাহৰ শুক্লাপঞ্চমী তিথিত শ্ৰদ্ধা-ভক্তিৰে পূজা কৰি শাস্ত্ৰ জ্ঞানৰ অধিকাৰী হ'ব পাৰি সকলোৱে বিশ্বাস কৰে। শৈশৱতে শুনিছিলো- শুদ্ধ বগা বস্ত্ৰ, বগা পুষ্প, বগা চন্দন আৰু ফুলৰ মালাৰে দেৱীক পূজা কৰিলে পঢ়াত চোকা হ'ব পাৰি। পঢ়া কথাবোৰ শুদ্ধকৈ মনত থাকে। সেই বিশ্বাসে বৰ্তমান হৃদয়ত ভক্তিৰ জোঁৱাৰ তোলে। শৈশৱত সৰস্বতী পূজাৰ দিনা খুব ৰাতিপুৱাই নিয়ৰ কণা গোটাই আমৰ ফুল, অমৰাৰ ফুল, জহা চাউল, তিল দুবৰি আৰু গাখীৰ মিলাই বাঁহৰ কলম বনাই বা পাখিৰে সৰস্বতীৰ মন্ত্ৰ লিখি দেৱীৰ চৰণত দিয়া হয়। তেতিয়া ল'ৰা-ছোৱালীবিলাকে বেছিকৈ পঢ়িব পৰা হয় বুলি বিশ্বাস কৰা হয়। কিন্তু বৰ্তমানত ছাত্ৰ-ছাত্ৰীৰ মাজত এই আন্তৰিক বিশ্বাস আছে নে নাই সন্দেহ হয়। আধুনিকতাই ছাত্ৰ-ছাত্ৰীৰ মন এনেদৰে আধুনিক কৰিছে ফলত ছাত্ৰ-ছাত্ৰীৰ মাজত ভক্তিৰ সলনি সৌন্দৰ্য চৰ্চাহে জাগি উঠে। শ্ৰদ্ধা ভক্তিৰ সলনি ই এক জাক-জমকতাৰে ভৰা উৎসৱত পৰিপূৰ্ণ হৈছে। বৰ্তমান ছাত্ৰ-ছাত্ৰীয়ে নিয়ৰ, আমৰ ফুল, অমৰাৰ ফুল বিচাৰি হাৰাথুৰি খাব লাগে। এই পূজাই ছাত্ৰ-ছাত্ৰীক সুস্থ ব্যক্তিত্বৰ অধিকাৰী হোৱাত সহায় কৰে যেন তাৰে আশা কৰিলোঁ। ■

# দেৱী মা আহি আছে




□ যমুনা মালী
*অসমীয়া বিভাগ*


বাতিপুবাৰ পৰাই আই বীণাপাণিৰ স্বামীৰ সৈতে এখন ক্ষুদ্র তৰ্কযুদ্ধ চলি আছে। এইবেলি তেওঁ মৰ্ত্তলৈ আহি পূজাভাগ গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা নাই। কাৰণ তেওঁৰ প্ৰিয় ছাত্ৰ-ছাত্ৰীসকলে স্কুল, কলেজ, পৰীক্ষা সকলো বাদ দি আন্দোলনত নামি পৰিছে। সকলোৰে মুখত কেৱল 'কা-কা-কা'। এনেকুৱা পৰিৱেশত তেওঁ জানো শান্তিৰে যাব পাৰিব?

তেওঁ যাবলৈ ইচ্ছা নকৰাৰ আৰু এটা কাৰণ আছে। 'ক'ৰোনা ভাইৰাছে' হেনো গোটেই পৃথিৱী আগুৰি ধৰিছে। এই বেমাৰে এবাৰ কিবাকৈ লম্ভিব লাগিলে তেওঁ হেনো কোনো পধ্যেই বাচিব নোৱাৰে। গতিকে তেওঁ কি সাহেৰে বাৰু মৰ্ত্তলৈ যাব? স্বামীক তেওঁ কেতিয়াও নিঠৰুৱা কৰিব নোৱাৰে।

হেৰা, তুমি নগ'লে নহ'ব। কাৰণ মাঘ মাহৰ পবিত্ৰ শুক্লপঞ্চমী তিথিত তোমাৰ ভক্তগণে কিমান আগ্ৰহেৰে তুমি যাবা বুলিয়ে সাজোন-কাচোন কৰি তোমালৈ বাট চাই আছে। গতিকে তুমি যাবই লাগিব।

তুমি ক'লেই যাব পাৰি নেকি? চাৰিওফালে ইমান হুলস্থুল, মাৰপিট। কেৱল গালি-গালাজ আৰু চিঞৰ-বাখৰ। বেমাৰৰ ভয়তো আছেই। গতিকে মই কোনোপধ্যে যাব নোৱাৰো।

নহয়, তুমি যাবই লাগিব। কাৰণ তুমি গ'লেহে তোমাৰ প্ৰিয় ভকতসকল পুনৰ আগৰ স্থিতিলৈ ঘূৰি আহিব। ভয়-ভীতি আদিয়ে দেৱলোকক শোভা নাপায়। গতিকে মোৰে শপত তুমি যোৱা। খং, অভিমান, ভয়-ভীতি আদি এৰা।

লাহে লাহে দেৱীমাৰ মনটো কুমলি আহিবলৈ ধৰিলে। তেওঁৰ প্ৰিয় ভকতসকলৰ মুখবোৰ চকুৰ আগত ভাহি উঠিব ধৰিলে। তেওঁৰ কাণত প্ৰতিধ্বনিত হ'ল—

*'যা দেৱী সৰ্বভুতেষু বিদ্যাৰূপেন সংস্থিতাঃ*
*নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।'*

মুখত মিচিকিয়া হাঁহিৰে লাহে লাহে দেৱীমা মৰ্ত্তৰ ফালে গমন কৰিব ধৰিলে।

'মাজনী, তুমি পূজালৈ নোযোৱা নেকি? ইমান দেৰি যে শুই আছা?'

মাকৰ মাতত থকমককৈ সাৰ পাই উঠিল মৃন্ময়ী। এৰা বহুত দেৰিয়েই হ'ল। তথাপিও মনটো ভাল লাগি থাকিল। কাৰণ দেৱীমা আহি আছে। মনৰ মাজতে আওৰালে তাই—

*"বীণাৰঞ্জিত পুস্তক হস্তে ভগৱতী ভাৰতী দেৱী নমঃস্তুতে।"*

□ □ □

# নৱকান্ত বৰুৱাৰ লঘু ৰচনাৰ পুথি ৰমণীয় ঃ এক পৰিচয়


□ ড° জাহ্নৱী দেৱী
*অসমীয়া বিভাগ*




'অৰুন্ধতী'ৰ কবি নৱকান্ত বৰুৱাই ১৯৫১ চনত 'হে অৰণ্য হে মহানগৰ' শীৰ্ষক কাব্য সংকলন প্ৰকাশেৰে অসমীয়া কাব্য জগতত পদাৰ্পন কৰাৰে পৰা আমৃত্যু অহৰহ লেখিছিল কবিতা, উপন্যাস, ভ্ৰমণ বৃত্তান্ত, নাটক, গীত, শিশু সাহিত্য আৰু বিভিন্ন বিষয়ত প্ৰবন্ধ। তথাপি নৱকান্ত বৰুৱাৰ প্ৰথম পৰিচয় কবি আৰু ঔপন্যাসিক ৰূপেহে।

অসমৰ সাৰস্বত সমাজত বৰুৱাৰ আন এক সাহিত্যিক প্ৰতিভা সদায়েই উপেক্ষিত হৈ আহিছে। ১৯৪৬ চনত প্ৰকাশিত নৱকান্ত বৰুৱাৰ ৰচিত 'ৰমণীয়' নামৰ পুথিখন। ১২ (বাৰ)খন লঘু ৰচনাৰ সংকলন। বিষয় বৈচিত্ৰ্য, ভাৱৰ মাধুৰ্য্য হাস্যৰসেৰে জীপাল এই ৰচনাসমূহৰ আবেদনময়তা সাম্প্ৰতিক কালতো অক্ষত হৈ আছে। পুথিখনৰ 'পাতনি' লেখক তাৰিণীকান্ত ভট্টাচাৰ্যই বৰুৱাক উদীয়মান কবি বুলি উল্লেখ কৰিছিল। লেম্ব, লিণ্ড আৰু লুকাচৰ ৰচনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ লেখা বৰুৱাৰ এই ৰচনাসমূহ সেই সময়ৰ বিভিন্ন আলোচনী, বাতৰি কাকতত প্ৰকাশ হৈছিল। ইংৰাজী সাহিত্যৰ ৰূপ, ৰস, দৰ্শন আদি জ্ঞানৰ দ্বাৰা পৰিপুষ্ট বৰুৱাৰ মনৰ মাজত লাগ-বান্ধ নোহোৱা কথাৰ 'টগৰগনি' এই ৰচনা কেইখন অসমীয়া সাহিত্যৰ বিশেষ সংযোজন। ■



# নমামি সৰস্বত্যৈ




□ ড° নিবেদিতা দেৱী
*অৰ্থনীতি বিভাগ*


হিন্দু ধৰ্মগ্ৰন্থসমূহত শ্ৰীশ্ৰীসৰস্বতী গোসানীক পৰমপিতা ব্ৰহ্মাৰ পত্নী বুলি জনা যায়। জ্ঞান, বিদ্যা, বুদ্ধিৰ অধিষ্ঠাত্ৰী দেৱী বুলিয়েই হিন্দুসকলে সৰস্বতী দেৱীমাক পূজা কৰি আহিছে। তেওঁৰ ভাৰতী (eloquence), শতৰূপা (Existeace) আৰু বেদমাতা (Mother of Veda's), ব্ৰাহ্মী, সাৰদা, ভাগৱী আদি নামেৰে পূজিত হয়। তেঁৱেই হ'ল মানুহৰ মুখৰ পৰা ধ্বনিত হোৱা শব্দ বা স্বৰৰ দেৱী। সেয়ে তেওঁক বাগদেৱী নামেৰে জনা যায়। সৰস্বতী দেৱীৰ বিষয়ে ঋক্‌বেদত পঢ়িবলৈ পোৱা যায়। লিখিত আছে যে তেৱেঁই শ্ৰীশ্ৰীগণেশৰ হাতত পোনপ্ৰথমে কলম আৰু চিয়াহী প্ৰদান কৰিছিল আৰু সংস্কৃত ভাষাৰ উচ্চাৰণো প্ৰথম তেওঁৰ মুখেদিয়েই উচ্চাৰিত হৈছিল। হিন্দুসকলৰ বাহিৰেও বৌদ্ধ আৰু জৈন ধৰ্মাৱলম্বী লোকসকলেও সৰস্বতী মাক বিদ্যা-শিক্ষাৰ দেৱী বুলি অৰ্চনা কৰে। সৰস্বতী দেৱীৰ নামেৰেই ভাৰতবৰ্ষত সৰস্বতী নদী চিৰপ্ৰবাহমান হৈ আছে। মাঘ মাহৰ শুক্ল পঞ্চমী (শ্ৰীপঞ্চমী) তিথিত এই পূজা কৰা হয়। সেইদিনা শিক্ষানুষ্ঠান সমূহকে ধৰি বহুতো প্ৰতিষ্ঠানত ধুমধামেৰে ভক্তিসহকাৰে সৰস্বতী গোসানীক পূজা কৰা হয়। শিশুসকলক সেইদিনা বহুতো লোকে ব্ৰাহ্মণৰ দ্বাৰা বিদ্যা আৰম্ভ কৰোৱায়।

হিন্দু শাস্ত্ৰত এইটোও উল্লেখ আছে যে পৃথিৱীৰ সকলোবোৰ মানৱ ব্ৰহ্মা আৰু সৰস্বতীয়েই সৃষ্টি কৰিছে। ব্ৰহ্মাই শৰীৰ সৃষ্টি কৰিছে আৰু সৰস্বতীয়ে মানৱীয় গুণ সমূহ প্ৰদান কৰিছে। সৰস্বতী দেৱীৰ কৃপা অবিহনে মানৱৰ কোনো জয়গান নাই, কোনো সুৰ নাই, সংগীত নাই। বীণাৰ মধুৰ ঝংকাৰ নাই। আনকি পৃথিৱীৰ সৌন্দৰ্য্যৰ আকাৰ-পাহাৰ-পৰ্বত-নদী-নিজৰাৰ, ফুল-গছৰ কোনো সৌন্দৰ্য্য নাই, ভাষা নাই, শব্দ নাই। সৰস্বতী দেৱীৰ প্ৰিয় বং শুকুলা বা বগা। সেয়ে তেওঁ শ্বেত পদ্মাসনা, শ্বেতবস্ত্ৰ আৰু শ্বেতপুষ্পমালা পৰিহিতা। লিখিত আছে যে এবাৰ ব্ৰহ্মাই ব্ৰহ্মালোকত এখন ডাঙৰ যাগযজ্ঞ সমন্বিতে এখন ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰিছিল। কিন্তু ঠিক যজ্ঞৰ আৰম্ভণিৰ সময়ত সৰস্বতী দেৱী অন্তৰ্ধান হৈছিল। কিন্তু যজ্ঞৰ নিয়ম অনুসৰি পত্নী অবিহনে আৰু সঠিক সময়ত যজ্ঞৰ কাম নহ'লে ফলাফলো নহয়। উপায়হীন হৈ ব্ৰহ্মাই ব্ৰাহ্মণ সকলৰ অনুমতিত আন এগৰাকী পত্নীৰ আৱিৰ্ভাৱ ঘটালে। তেঁৱেই আছিল গায়ত্ৰী। গায়ত্ৰীয়ে ব্ৰহ্মাৰ পত্নী হৈ সেই সময়ত যজ্ঞ আৰম্ভ কৰিলে। অলপ পাচতে শ্ৰীশ্ৰীসৰস্বতী দেৱী আহি পালে আৰু ব্ৰহ্মাৰ এই কাৰ্য দেখি খং আৰু অভিমানত ক্ষুব্ধ হৈ ব্ৰহ্মাক অভিশাপ দিলে যে মৰ্ত্তলোকত কোনো মানৱে তেওঁক সৃষ্টিকৰ্তা বুলি পূজা নকৰিব অৰ্থাৎ বিষ্ণু পূজা বা শিৱ পূজাৰ দৰে ব্ৰহ্মা পূজা নাথাকিব।

আজি সৰস্বতী পূজাৰ পবিত্ৰ ক্ষণত মা সৰস্বতীৰ বন্দনাৰে এই লিখনি সামৰিছো।

"ওঁ সৰস্বতী মহাভাগে বিদ্যে কমললোচনে।
বিশ্বৰূপে, বিশালাক্ষি বিদ্যাংদেহি নমোহস্তুতে।।" ■

# স্মৃতিৰ সঁফুৰা খুলি




□ কমলেশ্বৰ বৰা
*দৰ্শন বিভাগ*


তৰপে তৰপে জাপ খাই আছে
স্মৃতিৰ অলেখ অতীত
জাপবোৰ খুলিবলৈ
সান দিলো দুহাত।

দেউতাৰ আশিস ভৰা উপদেশ
যাৰ শিপাত ভৰ দি
ঠন ধৰি বগাইছিল এজাক সেউজীয়া সপোন
চেনাইৰ বাঁহীৰ সুৰত সুৰ থৈ
উকিয়াই উলাইছিল এজাক সুঁহুৰি
আপুনি কোৱামতে কৰিছো
কৰ্মই ধৰ্ম বুলি ধ্যান দিছো
আপুনি ধৰ্ম বুলি ধ্যান দিছো
আপুনি শিকালে অভিমন্যু হ'বলৈ
শিকালে এজাক নিপুনৰ স'তে যুঁজিবলৈ
অন্যায় সমৰ কৌশল মোৰ নহ'ল
সেইবাবে বেহ ভেদ কৰাৰ উপায় দেউতা
মনত আছে
গান্ধীজিৰ ব্ৰেত লেবাৰ শিকাওঁতে
শিক্ষাগুৰুৱে কৈছিল—
শ্ৰেষ্ঠ উপহাৰ হ'লেও
আনৰ ক্ষতি হ'লে তাক গ্ৰহণ নকৰিবলৈ
অথচ এতিয়া যে অনিয়মেই নিয়ম
নিয়ম ভঙাৰ নিয়ম। ■

# গতি



□ মিনাক্ষী বৈৰাগী
*ইংৰাজী বিভাগ*

ভালপোৱা-বেয়াপোৱা মান-অভিমানেৰে ভৰা জীৱনটোত এটা অদ্ভুত স্থবিৰতাৰ আৱৰ্তত বন্দী হ'বৰ উপক্ৰম হৈছিল। তেতিয়া অতি হেঁপাহৰ আ-অলংকাৰবোৰ আনকি নিজৰ শৰীৰৰ পৰা পৃথক কৰি হস্পিতালৰ অস্ত্ৰোপচাৰৰ কোঠাৰ ফালে তাইক আগবঢ়াই লৈ যোৱা হৈছিল। এটা দুৰন্ত বৈ গৈছিল। আত্মীয়তাৰ তপত অনুভূতি, ধূসৰতাত ক্ৰমাত লীন গৈছিল চিনাকি মুখ। তাই বুজি উঠিছিল অথবা বুজিব চেষ্টা কৰিছিল হয়তো এনে এটা সময় এইদৰে সকলোৰে জীৱনত আহে আৰু সকলো কৰি থৈ গৈছে, যোৱাৰ এয়া এক অনুশীলন। চেতন-অৱচেতন অৱস্থাত তাই সকলো পিছপেলাই এবাৰ বিৰ-বিৰাইছিল তোমাৰ যি ইচ্ছা প্ৰভু।

অপাৰ্থিৱ যেন লগা পোহৰত তাইৰ মুখত কি ভাৱ প্ৰকট হৈছিল নেজানে। তাই কিন্তু তাইৰ চৌপাশে থকা মানুহ কেইজনৰ কথা বুজি পোৱা নাছিল। তাই সমস্ত পৃথিৱীৰ ভৰত ভাৱাক্ৰান্ত হৈ যেন চিৰদিনলৈ শুই পৰিছিল। কিমান সময় পাৰ হ'ল। এটা যুগ যেন পৰি আছে এনেদৰে। সমগ্ৰ দেহত বিয়পি পৰিছে ক্লান্তি আৰু বেদনা। তাই ক'ত? জীৱনে জীৱনৰ পৰা দূৰত? কি এই নৰক সদৃশ অৱস্থা? ওচৰত কোনোবা এজনে কিবা কৈছে। বুজা নাই তাই ভালদৰে হঠাৎ তাইৰ অতি পৰিচিত এটা শব্দ কাণত পৰিছে। হয় তাইৰ নাম ধৰি কোনোবাই মাতিছে। এখন হাতেৰে তাইৰ কপাল চুইছে আলফুলে। দীঘলীয়া উশাহটোত যেন শুহি ল'ব জীয়াই থকাৰ সমস্ত শক্তি। তাইৰ ফালে আগবাঢ়ি অহা হাত দুখনত অনুমানতে খামুচি ধৰিলে তাই।

# 'গামোচা'- মোৰ অনুভৱ



□ ইন্দ্ৰানী দেৱী
*অৰ্থনীতি বিভাগ*

প্ৰাচীৰ পত্ৰিকা 'শ্ৰীপঞ্চমী' সৰস্বতী পূজাৰ উপলক্ষে যিহেতু প্ৰস্তুত কৰা হয় ইয়াৰ বাবে কিবা এটা লিখিবলৈ লৈ বাৰে বাৰে মনটোত বেলেগ এটা বিষয়েহে আমনি দি আছিল। হয়তো চাৰিওফালৰ অসমৰ বৰ্তমানৰ যি পৰিৱেশ আৰু পৰিস্থিতি সিয়েই তাৰবাবে জগৰীয়া আছিল। নিজকে বাৰে বাৰে প্ৰশ্ন কৰিছিলো। শংকিত হৈছিলো নিজৰ মানুহবোৰক লৈ, সমাজখনক লৈ। নিজকে অসমীয়া বুলি গৌৰৱ কৰো, অসমীয়াৰ স্বভিমানৰ প্ৰতীক গামোচা বুলি কোৱা হয়। কিন্তু কেইজন অসমীয়াই গামোচাখনৰ সঁচা আৰু মিছা বা সেইখন আমাৰ সঁচা অৰ্থৰ গামোচাখনৰ হয় নে নহয় বিচাৰ কৰিব পাৰে। মনটো সেমেকি উঠে। নিজৰ ভিতৰতে গুজৰি গুমৰি উঠে যেতিয়া দেখা পাওঁ যে নিজে উপস্থিত থকা সভা সমিতিবোৰত সম্বৰ্ধনা জনাবৰ বাবে ব্যৱহাৰ কৰা গামোচাবোৰ প্ৰত্যক্ষ কৰো। য'ত গামোচাৰ নামত শব্দটোক অপমানিত কৰাৰ বাদে আন একো নহয়। অলপতে গুৱাহাটীৰ এখন হস্তওঁত শিল্পৰ প্ৰদৰ্শনী চাবলৈ গৈছিলো। তাত এখন বিপনীত দেখিছিলো সুন্দৰ অসমীয়া গামোচা শিপিনীয়ে তাঁতশালত বোৱা গামোচা জাপ-জাপ কৰি থৈ দিয়া আছে। বিপনীখনত থকা ছোৱালীজনীক সেইবোৰ ক'ত বৈ আনিছে সোধাত তাই ক'লে যে সেইবোৰ হেনো মিৰ্জাৰ দাঁতিকাষৰীয়া অঞ্চল এটাৰ পৰা আনিছে। মনটো সেমেকি গৈছিল। অসমীয়াৰ স্বভিমানৰ প্ৰতীক গামোচাখনো বাহিৰৰ বহুজাতিক কোম্পানীৰ মানুহ আহি প্ৰস্তুত কৰিছে আমাক দিব লগা অৱস্থা এটা সৃষ্টি হোৱাৰ বাবে তেওঁলোকে উৎপাদন কৰাৰ ক্ষেত্ৰতো গামোচাৰ পবিত্ৰতা ৰক্ষা কৰিব চেষ্টা কৰিছে। কিন্তু আমি ব্যৱহাৰ কৰা বিলাকে পাৰিছোনে। ■



# যোগ শিক্ষাৰ প্ৰয়োজনীয়তা



□ প্ৰাণজিৎ শৰ্মা
*অসমীয়া বিভাগ*

বৰ্তমান সময়ত কোনো ব্যক্তিৰে অলপমান সময়ো এনেই কটাবলৈ সময় নাথাকে। তেনে সময়তে শৃংখলাবদ্ধভাৱে সময় আৰু কৰ্মৰ ক্ষতিসাধন নকৰাকৈ কৰিব পৰা বিদ্যা হৈছে যোগ। বিখ্যাত পণ্ডিতসকলেও কৈছিল যে যিজন মানুহে নিজৰ শৰীৰৰ বাবে দিনত এঘন্টা সময় উলিয়াব নোৱাৰে। তেনে জীৱনেই সাধাৰণতে অথল। পণ্ডিত পতঞ্জলিয়ে সাধাৰণতে যোগ শিক্ষাৰ বেছিকৈ প্ৰসাৰ কৰা বুলি ক'ব পৰা যায়। পৰৱৰ্তী সময়ত স্বামী ৰামদেৱকে ধৰি বিভিন্ন নামধৰা স্বামীৰ দ্বাৰা এই শিক্ষা সমগ্ৰ ভাৰতবৰ্ষতে প্ৰসাৰ হৈ থকা দেখা পোৱা যায়।

দেহা থাকিলেহে বেহা। সুস্থ শৰীৰ এটা থাকিলেহে সাধাৰণতে এটা সুস্থ মনৰ গৰাকী হ'ব পৰা যায়। সেয়েহে যোগ শিক্ষা বৰ্তমান সময়ত বৰকৈ প্ৰয়োজনীয়। ইয়াক বিদ্যালয়-মহাবিদ্যালয়ত বাধ্যতামূলক পাঠ্যক্ৰম হিচাপে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

সাধাৰণতে যোগ আৰু প্ৰাণায়াম এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। সেয়েহে যোগৰদ্বাৰা দৈহিক অংগ-প্ৰত্যংগ সঞ্চালন কৰা হয়। যোগৰ দ্বাৰা দেহৰ জঠৰতা গুচাই বিভিন্ন বেমাৰৰ উপশম কৰাৰ উপৰিও আননৰ শুদ্ধ কৰণীৰ ফলত আয়ু বৃদ্ধি, নিৰোগী আৰু চিৰযৌৱনতা লাভ কৰে বুলি ক'ব পৰা যায়। আনহাতে প্ৰাণায়মৰ ভিতৰত কপালভাতি, অনুলোম-বিলোম, উজ্জয়নী অগ্নিসাৰ ক্ৰিয়া, ধ্যান, সিংহাসন, হাস্যাসন আদিৰ দ্বাৰা আমি আধ্যাত্মিকভাৱে সবল হ'ব পাৰো। ধ্যানে সাধাৰণতে মানুহৰ মন সজীৱ আৰু সুদৃঢ় কৰাত সহায় কৰে। অৱশেষত সকলো নিৰোগী জীৱনৰ অধিকাৰী হোৱাৰ পণ লৈ, গীতাৰ শ্লোক এটা দিয়া হ'ল—

*'সৰ্বে ভৱন্তু সুখিনাঃ সৰ্বে সন্তু নিৰাময়াঃ।*
*সৰ্বে ভদ্ৰানি পশ্যন্তু মা কশ্চিৎ দুঃখৰা ভৱেৎ।।* ■

# চাকি বন্তি



□ মিতালী গোস্বামী
*দৰ্শন বিভাগ*

অতীজৰে পৰা চাকিৰ প্ৰচলন হৈ আছে, কিন্তু চাকিগছ যে মাত্ৰ পূজা কৰিবলৈহে ব্যৱহাৰ কৰা হয় তেনে নহয়। বিভিন্ন কাৰণত চাকিৰ প্ৰচলন কৰা হয়। সদায় চাকি বন্তি বুলিলে আমাৰ মনত আহে এটি ধৰ্মীয় অনুভূতি। প্ৰত্যেক হিন্দু মানুহৰ প্ৰত্যেকৰে ঘৰত পুৱা-গধূলি চাকি-বন্তি জ্বলাই গোসাঁইঘৰ বা থাপনাত সেৱা কৰাটো নিয়ম এই নিয়মে আমাৰ মনলৈ আৰু জীৱনলৈ নতুনত্ব আনে, সাহস আনে, চাকিৰ পোহৰে মনলৈ পবিত্ৰতা আৰু সতেজতা আনে আৰু ইতিবাচক ধাৰণা মনলৈ আনে। প্ৰজ্বলিত চাকিটোক উত্তাপৰ প্ৰতীক হিচাপে ধৰি শীতৰ ঠাণ্ডাক বোধ কৰা বুজায়। কাতি বিহুত তুলসী তলত আৰু পথাৰত চাকি জ্বলাই অধিক শস্যৰ কামনা কৰাৰ লগতে ইয়াৰ বিজ্ঞান সন্মত ব্যাখ্যাও নথকা নহয়।

আজি আপুনি জ্বলোৱা চাকিগছ পাপনাৰ চৌপাশৰ লগতে জীৱনৰ সকলো আন্ধাৰ আঁতৰাই উজ্বলাই তোলক সকলোৰে জীৱন, কৰি তোলক জীৱন আনন্দময় এই কামনাৰে সৰস্বতী পূজাৰ শুভেচ্ছা জনালোঁ। ■

# ডাঙৰপিতা আৰু এটা সঁচা জমনি

❑ কুশল কলিতা
*কাৰ্যালয় সহায়ক*



আমাৰ প্ৰতিবেশী মানুহজন। বয়সত তেওঁ ককাৰ তুল্য যদিও সকলে পৰা মই ডাঙৰ পিতা বুলিয়ে মাতো। তেওঁৰ প্ৰকৃত নাম হৰমোহন, কিন্তু পাল্লী গাঁৱৰ বহু মানুহেই তেওঁৰ নাম হৰমোহন বুলি নাজানে, জানে বাঘা বুলি। তেওঁ পলাশবাৰী পৌৰসভাৰ প্ৰাক্তন পৌৰপতি বিনু দাসৰ শহুৰ দেউতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বীতাৰ ধীৰেণ দাসৰ খুড়া ককা লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ধ্ৰুৱজ্যোতি চৌধুৰীৰ ককা শহুৰ।

ডাঙৰ পিতা এজন খেতিয়ক। খেতি-খোলা কৰি আৰু গৰু-গাই পোহ-পাল দিয়েই তেওঁ জীৱন নিৰ্বাহ কৰিছিল। সেইদৰে কেইজোৰ মান পাৰ চৰাইয়ো আছিল তেওঁৰ। শোৱা কোঠালিটোৰ বাৰাণ্ডাতে কাঠেৰে বাকচ বনাই বাহ সজাই দিছিল সেই চৰাইবোৰক। সেই পাৰ চৰাইবোৰ বিক্ৰী কৰি তেওঁ লাভৱান হৈছিল ঠিকেই কিন্তু ৰাতি ৰাতি কেতিয়াবা হেপা আহি সকলো পয়মাল লগাই দিয়ে। সিহঁতে বাহবোৰৰ ঢাকনি খুলি পাৰবোৰ লৈ যায় প্ৰায়ে। কিছুদিনৰ পৰা হেপাৰ উৎপাত যেন আৰু চৰিল। প্ৰতিদিনেই এটা নহয় এটা পাৰ চৰাই সিহঁতে ভক্ষণ কৰাটো নিয়মত পৰিণত হ'ল। তাৰ উৎপাত আৰু সহ্য কৰিব নোৱাৰি। ডাঙৰ পিতাই এদিন ঠিবাং কৰিলে তেওঁ আৰু সেইদিনা হাল বাবলৈ নাযায়। কামৰ নামত আন কুটা এটাও নকৰে। হয় গুৱাহাটী, নহয় ৰঙামাটি। এই বুলি তেওঁ ৰাতিপুৱা সোনকালে ভাত-পানী খাই পাৰৰ বাহ কেইখন ঠিক-ঠিক কৰাত লাগিল। গোটেই দিনটো তেওঁ পাৰ বাহকেইখন ঠিক-থাক কৰি উঠি ডাঙৰ মাইক মাতি আনি গৌৰৱেৰে বুকুফিন্দাই বুজাই দি ক'লে - "দেখিছ, এই অধমে নজনা কাম একো নাই। হেপাৰ বাপেক নহয় তাৰ চৈধ্য গোষ্ঠীয়েও আৰু পাৰৰ বাহবোৰ হিলাব নোৱাৰে। পাৰকেইজোৰ সোমোৱাৰ পিছত ঢাকনিখন দি ঠিলাডাল মাৰি দিবি। বুজিচ নহয়?" এই বুলি কৈ ডাঙৰ পিতাই এগিলাচ গৰম চাহ তপতে তপতে খাই গধূলি উৎফুল্লিত মনেৰে চ'কলৈ বুলি ওলাই গ'ল।

ভয়ানতে সেইদিনা আধা ৰাতি বাহিৰত হেপা অহাৰ শব্দ হ'ল। ডাঙৰ পিতাৰ বৰ ফুৰ্তি লাগিল। তেওঁ শোৱাৰ পৰা হৰ মুৰকৈ উঠি বিচনাখনত বহি বাহিৰৰ পিনে কাণ উনাই ৰ'ল। যিমানেই হেপাটোৱে পাৰ বাহবোৰ আক্ৰমণ কৰাৰ শব্দ বেছি হ'ল, সিমানেই তেওঁৰ চকু-মুখ বেছি উজ্বল হৈ পৰিল। বীৰৰ দৰে তেওঁৰ বুকুখন উফন্দি উঠিল। তেওঁ নিজকে নিজে হেপাটোত উদ্দেশ্যি কৈ গ'ল- "কেনে পইছ? উ উ - পাইছ মজা? দেখ্যেন দে - দেখ্যেন দে - দে কিমান শক্তি তোৰ? কেনে দিছো? পাইছ মজা? পাইছ? উ উ...।" ক্ৰমে বাহিৰৰ শব্দবোৰ আৰু বাঢ়ি গ'ল। ডাঙৰ পিতাৰ যেন আনন্দই নধৰা হ'ল। তেওঁ সেই আনন্দৰ বোজাৰ ভাৰ অকলে ল'ব নোৱাৰি আনক ভগাই দিয়া আৰু তেওঁৰ বীৰত্ব জাহিৰ কৰাৰ উদ্দেশ্যে ডাঙৰ মাক জগাবলৈ ল'লে। সেই মজা ভালেখিনি সময় চলাৰ অন্তত এটা সময়ত শব্দবোৰ নোহোৱা হ'ল। ডাঙৰ পিতাই ভাবিলে- বেচেৰা হেপাটো আজি লঘোণে মৰিব। এইবাৰ তেওঁ উজ্বল চকু-মুখেৰে পৰম গৌৰৱেৰে ওঠত হাঁহি বুলাই ডাঙৰ মাক উদ্দেশ্যি ক'লে- "দিচা নহয়?" "কি?" ডাঙৰ মাই দীঘলকৈ এটা হামি কাঢ়ি শুই শুয়েই কৈ উঠিল। "কিয় বাহকেইখন?"- ডাঙৰ পিতাৰ উত্তৰ। "এ...হ, মই দিয়া নাই।" শোৱাৰ পৰা জাপ মাৰি উঠি বাওঁ হাতখনেৰে চুলিবোৰ খজুৱাই খজুৱাই অপৰাধীৰ সুৰত ডাঙৰ মাই ডাঙৰ পিতাক ক'লে। তেওঁৰ কথাত ডাঙৰ পিতা খণ্ডত একো নাই হ'ল। তেওঁ দাঁত-মুখ কামুৰি মুখেৰে ভোৰভোৰাই উঠিল - "বেটী কাণা ভতৰিৰ জীয়েক।" এই বুলি তেওঁ বিচনাৰ পৰা উঠি পিন্ধা গামোচাখন লেংটি এটা মাৰি লৈ একে কোবে দুৱাৰ খন খুলি হেঁপাই-ফোঁপাই বাহিৰলৈ লৰ দিলে। আহি দেখে পাৰ কেইজোৰৰ ছানাই-মাইকী সকলো শেষ। তলি উদং। ■



# মহাবিদ্যালয়ৰ

# ক্ষেত্ৰত

# বিভিন্নজনৰ

# বিভিন্ন মন্তব্য

# ডাঙৰপিতা আ

□ কু
কায

আমাৰ প্ৰতিবেশী মানুহজন। বয়সত তেওঁ ককাৰ তুল যদিও সকলে পৰা মই ডাঙৰ পিতা বুলিয়ে মাতো। তেওঁৰ প্ৰকৃত নাম হৰমোহন, কিন্তু পাৰ্শ্বী গাঁৱৰ বহু মানুহেই তেওঁৰ নাম হৰমোহ বুলি নাজানে, জানে বাঘা বুলি। তেওঁ পলাশবাৰী পৌৰসভাৰ প্ৰাক্তন পৌৰপতি বিনু দাসৰ শহুৰ দেউতা, গুৱাহাটী বিশ্ববিদ্যালয় অৱসৰপ্ৰাপ্ত বীডাৰ ধীৰেণ দাসৰ খুড়া ককা লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰে পৰীক্ষা নিয়ন্ত্ৰক ধ্ৰুৱজ্যোতি চৌধুৰীৰ ককা শহুৰ

ডাঙৰ পিতা এজন খেতিয়ক। খেতি-খোলা কৰি আৰু গৰু গাই পোহ-পাল দিয়েই তেওঁ জীৱন নিৰ্বাহ কৰিছিল। সেইদৰে কেইজোৰ মান পাৰ চৰাইয়ো আছিল তেওঁৰ। শোৱা কোঠালিটো বাৰাণ্ডাতে কাঠেৰে বাকচ কৰাই বাহ সজাই দিছিল সেই চৰাইবোৰক সেই পাৰ চৰাইবোৰ বিক্ৰী কৰি তেওঁ লাভবান হৈছিল ঠিকে কিন্তু ৰাতি ৰাতি কেতিয়াবা হেপা আহি সকলো পয়মাল লগাই দিয়ে। সিহঁতে বাহবোৰৰ ঢাকনি খুলি পাৰবোৰ লৈ যায় প্ৰায়ে কিছুদিনৰ পৰা হেপাৰ উৎপাত যেন আৰু চৰিল। প্ৰতিদিনেই এটা নহয় এটা পাৰ চৰাই সিহঁতে ভক্ষণ কৰাটো নিয়মত পৰিণত হ'ল তাৰ উৎপাত আৰু সহ্য কৰিব নোৱাৰি। ডাঙৰ পিতাই এদিন ঠিৰা কৰিলে তেওঁ আৰু সেইদিনা হাল বাবলৈ নাযায়। কামৰ নামত আন কুটা এটাও নকৰে। হয় গুৱাহাটী, নহয় বগুমাটি। এই বুলি তেওঁ ৰাতিপুৱা সোনকালে ভাত-পানী খাই পাৰৰ বাহ কেইখন ঠিক কৰাত লাগিল। গোটেই দিনটো তেওঁ পাৰ বাহকেইখন ঠিক থাক কৰি উঠি ডাঙৰ মাইক মাতি আনি গৌৰৱেৰে বুকুফিন্দাই বুজাই দি ক'লে - "দেখিছ, এই অধমে নজনা কাম একো নাই হেপাৰ বাপেক নহয় তাৰ চৈধ্য গোষ্ঠীয়েও আৰু পাৰৰ বাহবো হিলাব নোৱাৰে। পাৰকেইজোৰ সোমোৱাৰ পিছত ঢাকনিখন ঠিলাডাল মাৰি দিবি। বুজিছ নহয়?" এই বুলি কৈ ডাঙৰ পিতাই এগিলাচ গৰম চাহ তপতে তপতে খাই গধূলি উৎফুল্লিত মনে





[illegible]

[illegible]

I came, I saw, I conquered এর –
I came, I saw and I am conquered
'Vini Vidi Vici'
এই কলেজের –
[illegible]
[illegible]
– [illegible] –
[illegible]
[illegible] –

[illegible]
[illegible]
(ফোন ২৫৫৮৪৭২৭)
২৬ – ০৮ – ২০০৮

[illegible]

[illegible]



[illegible]

[illegible]

[illegible]

It is a great pleasure & opportunity for me to share my experience & knowledge [illegible], among all the students & honourable Principal Dr. [illegible] with senior lecturers [illegible] on 27/8/08 in this college. All are found very much cooperative, an enthusiastic in learning knowing different kinds of ideas of [illegible] & [illegible]. It is found very systematic & neat & clean. Students are provided / taught & [illegible] in a good environment. Hope the bright future so it is [illegible] one of best Institution of South [illegible].

[illegible]

[illegible]

[illegible]

| | |
|---|---|
| [illegible] | [illegible] |
| [illegible] | [illegible] |
| N.C. Chakravarty, P.G.C.R.F.P., Assam, Guwahati | The materials of history and culture of South Kamrup has been displayed by D.K. Girls College. There are some good collections depicts of history and culture of South Kamrup. The collections are of interesting nature. I wish more collection will be made with the help of public and all other organisations. [illegible] 10.5.95 |
| [illegible] | [illegible] |

| |
|---|
| [illegible] |
| [illegible] |
| [illegible] |



## ANNUAL ACTIVITY REPORT OF NSS UNIT DAKSHIN KAMRUP GIRLS' COLLEGE, MIRZA

### FOR THE YEAR: 2020-2021

**ACTIVITIES WITHIN AND OUTSIDE THE CAMPUS**

| SL.NO | Date | Occasion | Venue | Total volunteers |
|---|---|---|---|---|
| 1 | 01-01-2020 TO 31-01-20202 | REPUBLIC DAY PARADE CAMP | NEW DELHI | Volunteer- 1 PO- 1 |
| 2 | 21-03-2020 | CORONA AWARENESS DRIVE | D.K.G.C | 55 |
| 3 | 17-04-2020 | WEBINER ON CORONA VIRUS AWARENESS | D.K.G.C | 70 |
| 4 | 12-05-2020 | INTERNATIONAL NURSES DAY | D.K.G.C | 50 |
| 5 | 13-05-2020 | WEBINER ON "THE IMPACT OF COVID-19 TOBACCO USERS | D.K.G.C | 10 |
| 6 | 05-05-2020 | CELEBRATION OF THE WORLD ENVIRONMENT DAY | D.K.G.C | 75 |
| 7 | 21-05-2020 | YOGA DAY | D.K.G.C | 88 |
| 8 | 08-8-2020 TO 15-08-2020 | „GANDAGI MUKT BHARAT" A WEEK LONG CAMPAIGN | D.K.G.C | 60 |
| 9 | 15-08-2020 | FIT INDIA YOUTH CLUB | D.K.G.C | 67 |
| 10 | 24-09-2020 | CELEBRATION OF NSS FOUNDATION DAY | D.K.G.C | 100 |
| 11 | 24-09-2020 TO 02-10-2020 | CELEBRATION OF 150TH BIRTH ANNIVERSARY OF MAHATMA GANDHI | D.K.G.C | 67 |
| 12 | 01-10-2020 | PLEDGE TAKING CAMPAIGN ONCORONA VIRUS AWARENESS | D.K.G.C | 88 |
| 13 | 15-10-2020 | THE GLOBAL HAND WASHING DAY | D.K.G.C | 78 |
| 14 | 18-10-2020 TO 24-10-2020 | THE INTERNATIONAL INFECTION PREVENTION WEEK | D.K.G.C | 56 |

| | | | | |
|---|---|---|---|---|
| 15 | 31-10-2020 | CELEBRATION OF NATIONAL UNITY DAY | D.K.G.C | 70 |
| 16 | 24-01-2021 | CELEBRATION OF RASHTRIYA BALIKA DIWAS | D.K.G.C | 54 |
| 17 | 15-02-2021 | RECEIVED THE NSS STATE AWARD | D.K.G.C | |
| 18 | 08-03-2021 | CELEBRATION OF INTERNATIONAL WOMEN'S DAY | D.K.G.C | 89 |
| 19 | 21-03-2021 | CELEBRATION OF INTERNATIONAL DAY OF FORESTS(IDF) | D.K.G.C | 55 |
| 20 | 07-04-2021 | ONLINE CELEBRATION OF WORLD HEALTH DAY | D.K.G.C | 60 |
| 21 | 11-04-2021 | VACCINE MOHATSAV | D.K.G.C | 73 |
| 22 | 22-04-2021 | CELEBRATION OF WORLD EARTH DAY | D.K.G.C | 56 |
| 23 | 31-05-2021 | CELEBRATION OF WORLDS TOBACCO DAY | D.K.G.C | 60 |
| 24 | 05-05-2021 | CELEBRATION OF WORLD ENVIRONMENT DAY | D.K.G.C | 45 |
| 25 | 21-05-2021 | CELEBRATION OF INTERNATIONAL YOGA DAY | D.K.G.C | 67 |
| 26 | 26-05-2021 | CELEBRATION OF INTERNATIONAL DAY AGAINST DRUG ABUSE AND ILLICITE TRAFFICKING | D.K.G.C | 56 |
| 27 | 21-09-2021 | CELEBRATION OF THE INTERNATIONAL PEACE DAY | D.K.G.C | 78 |
| 28 | 24-09-2021' | CELEBRATION OF THE NSS FOUNDATION DAY | D.K.G.C | 90 |



# সাহিত্য প্রতিযোগিতা শিতান

| | | |
|---|---|---|
| 15 | 31-10-2020 | CELEBRATIOI NATIONAL UNIT |
| 16 | 24-01-2021 | CELEBRATIOI RASHTRIYA B/ DIWAS |
| 17 | 15-02-2021 | RECEIVED THE NS AWARD |
| 18 | 08-03-2021 | CELEBRATIOI INTERNATIO WOMEN'S D |
| 19 | 21-03-2021 | CELEBRATIO INTERNATIONAL FORESTS(I |
| 20 | 07-04-2021 | ONLINE CELEBR/ WORLD HEALT |
| 21 | 11-04-2021 | VACCINE MOH |
| 22 | 22-04-2021 | CELEBRATION OI EARTH D/ |
| 23 | 31-05-2021 | CELEBRATIO WORLDS TOBAC |
| 24 | 05-05-2021 | CELEBRATION OI ENVIRONMEN |
| 25 | 21-05-2021 | CELEBRATIO INTERNATIONA DAY |
| 26 | 26-05-2021 | CELEBRATIC INTERNATION AGAINST DRUC AND ILLIC TRAFFICKI |
| 27 | 21-09-2021 | CELEBRATION INTERNATIONA DAY |
| 28 | 24-09-2021 | CELEBRATION NSS FOUNDAT |



# প্ৰতিযোগিতা সমূহৰ পুৰস্কাৰপ্ৰাপ্ত ৰচনা, থিতাতে লিখা চুটিগল্প, থিতাতে লিখা ৰস ৰচনা আৰু থিতাতে লিখা আবেদন পত্ৰ আদি

## ৰচনা প্ৰতিযোগিতা

### প্ৰথম স্থান ঃ

❑ মিছ চাৰ্জিদা বেগম
উঃ মাঃ, দ্বিতীয় বৰ্ষ

### বিষয় ঃ "বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু সমস্যা"

**আৰম্ভণি ঃ**

শিক্ষাই মানুহক সমাজৰ এজন কৰ্মঠ আৰু সক্ষম ব্যক্তি হিচাপে গঢ় লৈ উঠাত সহায় কৰে। ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যই মানুহক কৰ্মবিমুখ আৰু নিষ্কৰ্মা হ'বলৈ শিকোৱা নাই। বৰঞ্চ আমাৰ পৰম্পৰা আৰু ঐতিহ্যই 'কৰ্মই ধৰ্ম' এই কথাষাৰহে শিকাইছে। অৰ্থাৎ, যিজন ব্যক্তিয়ে আন্তৰিকতাৰে আৰু সুচাৰুৰূপে কৰ্তব্য পালন কৰে, তেওঁ নিজৰ পৰিয়ালক পোহপাল দিয়াৰ উপৰিও সমাজৰ উন্নতিৰ হকে কিঞ্চিৎ বৰঙণি আগবঢ়ায়। অৰ্থাৎ তেওঁ নিজৰ ধৰ্ম ৰক্ষা কৰাৰ সমান হয় আৰু সেই অৰ্থত তেওঁ ধাৰ্মিক।

**বৃত্তিমুখী শিক্ষা কি ঃ**

প্ৰতিজন ব্যক্তিয়েই নিজৰ জীৱন নিৰ্বাহৰ বাবে কোনো এটা বৃত্তিৰ বিষয়ে যি শিক্ষা আহৰণ কৰে, তাকে বৃত্তিমূলক শিক্ষা বোলে। আধুনিক শিক্ষাৰ প্ৰচলন হোৱাৰ আগৰে পৰাই আমাৰ দেশত পুৰুষানুক্ৰমে কিছুমান বৃত্তিমূলক শিক্ষাৰ প্ৰচলন হৈ আহিছে। পুত্ৰই পিতৃৰ পৰা, জীয়ৰীয়ে মাতৃৰ পৰা পুৰুষানুক্ৰমে এনে শিক্ষা আহৰণ কৰিছে। একো-একোটা অঞ্চলত প্ৰচলিত হৈ থকা বৃত্তিমূলক কাম-কাজ অঞ্চলটোৰ বয়সস্থসকলে উঠি অহা ডেকা চামক শিকাই-বুজাই লয়। সৰ্থেবাৰীৰ কাঁহ শিল্প, শুৱালকুছিৰ তাঁত শিল্প, বৰপেটাৰ হাতী দাঁতৰ শিল্প, কৰতা, খিং আৰু হাজোৰ পিতল শিল্প আৰু অসমৰ গাঁৱে-ভূঞে সিঁচৰিত হৈ থকা কমাৰ আৰু কুমাৰ শিল্প এনেদৰে পৰম্পৰাগতভাৱে আৰু পুৰুষানুক্ৰমে চলি আছে।

**বৃত্তিমূলক শিক্ষাৰ পৰিকল্পনা ঃ**

দেশৰ ক্ৰমবৰ্ধমান জনসংখ্যা, সম্পদৰ নাটনি আৰু শিক্ষিত নিবনুৱাৰ মানসিক সংঘাতে গোটেই দেশতে এক অস্থিৰ পৰিৱেশৰ সৃষ্টি কৰিছে। এনে পৰিস্থিতিত পৰিকল্পিত পৰিকল্পনাবিদ, শিক্ষাবিদ আৰু সমাজৰ নেতৃস্থানীয় ব্যক্তিসকলে দেশৰ শিক্ষা পদ্ধতিৰ আমূল পৰিবৰ্তনৰ কথা চিন্তা কৰি সচৰাচৰ উচ্চ শিক্ষা অভিমুখী শিক্ষা ব্যৱস্থাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক বৃত্তিমুখী শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ চেষ্টা কৰিলে। দেশৰ শিক্ষা ব্যৱস্থাৰ পৰ্যবেক্ষণ কৰিবলৈ চৰকাৰে সময়ে সময়ে গঠন কৰিলে মুডালিয়াৰ কমিছন, ৰাধাকৃষ্ণণ কমিছন, কোঠাৰী কমিছন ইত্যাদি। এই শিক্ষা ব্যৱস্থাৰ জৰিয়তে সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে উচ্চ শিক্ষাৰ বাবে কলেজ, বিশ্ববিদ্যালয়লৈ ঢাপলি নেমেলি স্কুলৰ শিক্ষাৰ পাছতে যাতে বৃত্তিমূলক শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰে আৰু এই শিক্ষাৰ বাবে দিহা-পৰামৰ্শ দি আহিছে আৰু প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈ আহিছে।

**বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজনীয়তা ঃ**

এখন দেশৰ কাৰিকৰী ব্যৱস্থাৰ ওপৰতেই দেশৰ উন্নতি নিৰ্ভৰ কৰে। বৃত্তিমূলক শিক্ষাই দেশৰ ঔদ্যোগিক বিকাশৰ গতি ত্বৰান্বিত কৰে। সেয়ে বৃত্তিমূলক শিক্ষা সময়োপযোগী নহ'লে দেশৰ উন্নতি ব্যাহত হয়। আমাৰ পুথিগত শিক্ষাৰ লগে লগে বৃত্তিমূলক শিক্ষাৰো প্ৰয়োজন।

বৃত্তিমূলক শিক্ষাৰ লগত জড়িত গতানুগতিক শিক্ষা ব্যৱস্থা যেনে- চিকিৎসা বিজ্ঞান, অভিযান্ত্ৰিক, ওকালতি আদি শিক্ষা বহুদিনৰ পৰাই আমাৰ দেশত প্ৰচলিত হৈ আহিছে। ইয়াৰ উপৰি নতুনকৈ বহু স্কুল, কলেজ, ব্যৱসায়-বাণিজ্য আৰু কাৰিকৰী শিক্ষাৰ ব্যৱস্থা হৈছে। কিন্তু এই শিক্ষা কেৱল মুষ্টিমেয় লোকৰ মাজতেই আবদ্ধ। সাধাৰণ মানুহে এই শিক্ষা গ্ৰহণ কৰিব পৰা সামৰ্থ্য গোটাব পৰা নাই। তেওঁলোকৰ বাবে এই শিক্ষা আজিও সহজলভ্য হৈ উঠা নাই।

সেয়েহে দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে কম খৰছতে যাতে কোনো বৃত্তি অৱলম্বন কৰিব পাৰে, সেইবাবে প্ৰয়োজনীয় বৃত্তি বা কাৰিকৰী শিক্ষাৰ একান্ত আৱশ্যক। আমাৰ দেশ যদিও কৃষি প্ৰধান তথাপি আজিও ইয়াৰ কৃষিকাৰ্য আৰু কৃষিৰ লগত জড়িত উদ্যোগৰ বিকাশ সাধন হোৱা নাই। বৰ্তমান জনসংখ্যা বৃদ্ধিৰ লগে লগে কৃষকসকলৰ

মাজতো নিবনুৱা সমস্যাই দেখা দিছে। সেয়েহে কৃষকসকলকো সহজলভ্য তথা কম খৰছী বৃত্তিমূলক শিক্ষা দিয়াৰ প্ৰয়োজন, যাতে কৃষকসকলে নিজেই নিজৰ ভৱিত থিয় হ'ব পাৰে। ইয়াৰ লগে লগে সংস্থাপনৰ বিবিধ পথো মুকলি হ'ব।

দেশ স্বাধীন হোৱাৰ পাছত আমাৰ দেশে কেইবাটাও নতুন নতুন পথ বাছি ল'লে। ইয়াক কাৰ্যকৰী কৰিবৰ বাবে বহু দক্ষ শ্ৰমিকৰ প্ৰয়োজন। দক্ষ শ্ৰমিকৰ সহায়তহে দেশে শিল্প ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে। সেয়েহে বৰ্তমান চৰকাৰে বহু উন্নত বৃত্তিমূলক শিক্ষা প্ৰতিষ্ঠান মুকলি কৰিছে। এই বিদ্যাৰ প্ৰসাৰে মানুহক সৃজনী ধৰ্মী প্ৰতিভাৰ বিকাশ সাধন কৰাৰ লগতে মানুহৰ জীৱনক মানো উন্নত কৰে। ইয়াৰ উপৰিও আমাৰ জাতিটোক সুস্থ, সমৃদ্ধ, প্ৰাণৱন্ত আৰু উচ্চাকাংক্ষী কৰি তোলে।

**বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰম ঃ**

হাইস্কুল শিক্ষান্ত পাঠ্যক্ৰম শেষ কৰি উচ্চতৰ মাধ্যমিক স্তৰত বৃত্তিমূলক শিক্ষাৰ দুবছৰীয়া পাঠ্যক্ৰমৰ বিভাগসমূহৰ বিষয়ে সংক্ষেপে উল্লেখ কৰা হ'ল। বৃত্তিমূলক শিক্ষাৰ বাবে বৰ্তমানে থকা পাঠ্যক্ৰমসমূহ হ'ল— কৃষি, বাণিজ্য, গাৰ্হস্থ্য বিজ্ঞান, স্বাস্থ্যসেৱা, অভিযান্ত্ৰিক ইত্যাদি বিভিন্ন ভাগত ভাগ কৰা হৈছে। এই বিভাগসমূহক বৃত্তিমূলক প্ৰশিক্ষণৰ বিষয়সমূহ তলত দিয়া ধৰণৰ হ'ব পাৰে।

(ক) কৃষি ঃ বিভিন্ন প্ৰকাৰৰ শস্য উৎপাদনৰ বাবে কৃষি পাম, মীন পাম, দুগ্ধ পাম, ফল-মূলৰ খেতি, হাঁহ-কুকুৰাৰ পালন, ৰেচম ইত্যাদি। এই বৃত্তিসমূহৰ সহায়ক হিচাপে পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, মীন প্ৰদৰ্শক, গ্ৰাম্য সেৱক ইত্যাদি নিয়োগতো সুবিধা আছে।

(খ) বাণিজ্য ঃ বেংক, বীমা কোম্পানী আৰু অন্যান্য ব্যৱসায়িক কাৰ্যালয়ৰ বাবে প্ৰয়োজন হোৱা হিচাপ ৰক্ষক, হিচাপ পৰীক্ষক, ষ্টৰ কীপাৰ, কাৰ্যালয় সহায়ক, মুদ্ৰালিখক, ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে বিক্ৰীদাৰ, টেক্স প্ৰেকটিচ্নাৰ ইত্যাদি।

(গ) গাৰ্হস্থ্য বিজ্ঞান ঃ কাপোৰ চিলাই, প্ৰশিক্ষণ, কাপোৰত নক্সা তৈয়াৰী, বেকাৰী আৰু বিস্কুট তৈয়াৰ কৰা, গৃহ সজ্জা, হোটেল মেনেজমেণ্ট, হোটেল বা ৰেষ্টুৰেণ্ট, বিউটি পাৰ্লাৰ ইত্যাদি।

(ঘ) অভিযান্ত্ৰিক ঃ ঘৰ-দুৱাৰ সজাৰ নক্সা তৈয়াৰ কৰা, কাঠৰ আচবাব তৈয়াৰ কৰা, ৰেডিঅ', টি.ভি., ঘড়ী মেৰামতি, ৰেফ্ৰিজেৰেটৰ, ছপাশালৰ বাবে প্ৰয়োজনীয় যন্ত্ৰচালক আৰু কম্পিউটাৰ, বিজুলী যান্ত্ৰিক, মটৰ ড্ৰাইভিং আৰু মেকানিকচ ৰেন্ডাৰ ইত্যাদি।

(ঙ) স্বাস্থ্য সেৱা ঃ নাৰ্চ প্ৰশিক্ষণ, ফাৰ্মাচিষ্ট, ৰেডিঅ'গ্ৰাফাৰ, স্বাস্থ্য প্ৰদৰ্শক, লেব'ৰটৰী টেকনিছিয়ান ইত্যাদি।

সামৰণি ঃ বৃত্তিমূলক শিক্ষাৰ উপকাৰিতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰি প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিবলৈ স্কুলৰ শিক্ষক আৰু অভিভাৱকসকলে প্ৰয়োজন বিশেষে চৰকাৰৰ নিয়োগ আৰু কাৰিকৰী সঞ্চালকৰ লগত যোগাযোগ কৰি খবৰ সংগ্ৰহ কৰিব পাৰে। ইয়াৰ উপৰিও বৃত্তিমুখী শিক্ষা ব্যৱস্থাৰ আৰু শিক্ষাৰ প্ৰসাৰ তথা বিকাশৰ বাবে যথোপযুক্ত ব্যৱস্থা আমি নিজেই ল'ব লাগিব।

---

## দ্বিতীয় স্থান ঃ

□ লীনা দাস
*স্নাতক, দ্বিতীয় যাণ্মাসিক*

### বিষয় ঃ "বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু সমস্যা"

**আৰম্ভণি ঃ**

বৃত্তিৰ অৰ্থ হৈছে জীৱিকা। বৃত্তিমূলক শিক্ষা হৈছে শিক্ষাৰ লগতে জীৱিকা অৰ্জনৰ ব্যৱস্থা। শিক্ষা ব্যৱস্থাত যদি ভৱিষ্যৎ জীৱনত জীৱিকা অৰ্জনৰ সন্ধান নাথাকে, শিক্ষাত যদি কোনো লক্ষ্য নাথাকে তেনেহ'লে সেই শিক্ষা অৰ্থহীন হৈ পৰে। আমাৰ শিক্ষা ব্যৱস্থাটোক সমালোচনা কৰি বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল যে "আমাদের বিদ্যালয়ে শিক্ষার সঙ্গে জীবনের কোন সংযোগ নাই"। অৰ্থাৎ, আমাৰ বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ লগত আমাৰ জীৱনৰ কোনো সংযোগ নাই।

উন্নয়নশীল দেশ হিচাপে আমাৰ দেশৰ সাধাৰণ শিক্ষাৰ লগত বৃত্তিমূলক বা কাৰিকৰী শিক্ষাৰ প্ৰচলন হোৱাতো প্ৰয়োজনীয়। ব্যৱসায়ৰ কাৰণে এদিন ইংৰাজসকল সাত সাগৰ তেৰ নদী পাৰ কৰি আমাৰ দেশলৈ আহিছিল। সেই সময়ত ইংৰাজে ভাৰতত থাকি বা ৰাজত্ব কৰি ভাৰতৰ সামগ্ৰীৰে ব্যৱসায় কৰি বহু টকা লুটি-পুতি লৈ গৈছিল। কাৰণ সেইবোৰৰ প্ৰতি তেওঁলোকৰ জ্ঞান আছিল অথবা শিক্ষা আছিল। আৰু আমাৰ সেইবোৰৰ প্ৰতি জ্ঞান নাছিল অথবা শিক্ষা নাছিল।

এতিয়া যদিও আমাৰ দেশত ইংৰাজ নাই তথাপি কিন্তু আমাৰ দেশৰ বহু টকা বাহিৰৰ দেশবোৰে অতি সহজে লৈ গৈ আছে।

আমাৰ অসমৰ শিক্ষা ব্যৱস্থা নিঃসন্দেহে বহু উন্নত মানৰ যদিও বৃত্তিমুখী শিক্ষাৰ অন্তৰ্ভুক্তি অসমত এতিয়াও সন্তোষজনক বুলি ক'ব নোৱাৰি। বৃত্তিমূলক শিক্ষাৰ কথা ক'বলৈ গ'লে পৰিবেশ, পৰ্যটন, বস্ত্ৰ উদ্যোগকে আদি কৰি বহু কথাই সাঙুৰি ল'ব পাৰি। কিন্তু এই লিখনি বা ৰচনাখনত আটাইবোৰ বিষয়ক সাঙুৰি লোৱাটো সম্ভৱ নহয়। সেয়েহে এই লিখাখনত বা ৰচনাখনত কেৱল মাত্ৰ কৃষিভিত্তিক দিশসমূহৰ ওপৰত হ'ব পৰা কিছুমান নতুন সংযোজনা আৰু সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰা হৈছে।

**প্ৰয়োজনীয়তা ঃ**

অসমৰ জলবায়ু, অসমৰ প্ৰচুৰ জৈৱ-বৈচিত্ৰতা আৰু ইয়াৰ ভৌগোলিক অৱস্থিতি সমগ্ৰ অসমৰ বাবে আশীৰ্বাদস্বৰূপ হ'ব লাগিছিল। কিন্তু বাস্তৱত তেনে হোৱা দেখা নাযায়। অসমবাসীয়ে অসমৰ প্ৰাকৃতিক সম্পদৰ পূৰ্ণ ব্যৱহাৰ কৰি ইয়াৰ পৰা সম্ভাব্য সকলো প্ৰকাৰৰ লাভ উঠাব পৰা বুলি ক'ব নোৱাৰি। অসমৰ কৃষি উৎপাদন এই দেশৰ চাহিদা পূৰণ কৰাৰ বাবে এতিয়াও পৰ্যাপ্ত নহয়।

কৃষিৰ ক্ষেত্ৰত অসমৰ স্বাৱলম্বিতা আৰু অসমৰ শিক্ষা চাবলৈ গ'লে দুয়োটা পৃথক দিশ। কিন্তু মই ভাবো যেতিয়ালৈ এই পৃথক দিশ দুটাৰ একেলগে সাঙুৰি লৈ কৃষি আৰু শিক্ষা সমান্তৰালভাৱে আগবঢ়াই নিয়া নহয় তেতিয়ালৈ অসম উন্নতিৰ দিশত পিছপৰি থাকিব। এক কথাত ক'বলৈ গ'লে অসমৰ শিক্ষা ব্যৱস্থাৰ বাবে ইও এক প্ৰত্যাহ্বান বুলিয়েই ক'ব পাৰি। তদুপৰি অসম যিহেতু মুখ্যত কৃষি প্ৰধান দেশ আৰু ইয়াৰ জনসাধাৰণৰ ৭০ শতাংশ লোকেই কৃষিভিত্তিক উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। আমি এই দিশটোক সম্পূৰ্ণ সৱল ৰূপত গঢ়ি লোৱাতো তেনেই আৱশ্যক আৰু ইয়াৰ আৰম্ভণি কৰিব লাগিব তেনেই নিম্ন ক্ষেত্ৰৰ পৰা। এই ক্ষেত্ৰত আমি কিছুমান প্ৰচেষ্টা হাতত ল'ব লাগিব। যেনে—

**(১) বৃহৎ সংখ্যক কৃষিভিত্তিক প্ৰতিস্থান গঢ়াৰ প্ৰয়োজন ঃ**

প্ৰথমতে অসমৰ বাবে কলেজ নাইবা গৱেষণামূলক অনুস্থান হ'ব লাগে, এনে আৰু কিছুমান কৃষিভিত্তিক প্ৰতিষ্ঠানৰ খুবেই প্ৰয়োজন যিয়ে বিভিন্ন দিশ বহলভাৱে সাঙুৰি লৈ তাক আৰু অধিক উন্নত কৰিবলৈ চেষ্টা কৰিব পাৰে। কেৱল কলেজ লেভেলতে নহয় হাইস্কুল লেভেলৰ পৰাই যদি কৃষিভিত্তিক আটাইবোৰ বিষয় সাঙুৰি ল'ব পৰা যায় তেন্তে ছাত্ৰ-ছাত্ৰীসকল সৰুৰে পৰাই এই বিষয়সমূহৰ প্ৰতি আগ্ৰহশীল হ'ব আৰু তাৰ লগে লগে অসমৰ শিক্ষা ব্যৱস্থা ফলপ্ৰসূ হোৱাৰ লগতে ভৱিষ্যতে উৎপন্ন হোৱা শিক্ষিত নিবনুৱা সমস্যাতোও বহু পৰিমাণে শাম কাটিব পৰা হ'ব। এনেধৰণৰ চেষ্টা কিছুমান কৰিব পৰা হ'লে হয়তো অসমৰ সমাজ আৰু শিক্ষা ব্যৱস্থা দুয়ো পক্ষই লাভান্বিত হ'ব।

**(২) গৱেষণাৰ পৰিসৰ আৰু ফলাফল লেব'ৰেটৰীৰ পৰা বাহিৰলৈ আহি ফিল্ডলৈ বিস্তৃত হোৱা প্ৰয়োজন ঃ**

সংশ্লিষ্ট কৃষি মহাবিদ্যালয়, বিশ্ববিদ্যালয় নাইবা ইয়াৰ ওপৰত থকা নানা ধৰণৰ গৱেষণামূলক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে তেওঁলোকে অধ্যয়ন কৰি থকা বিষয়সমূহ নাইবা গৱেষণাৰ ফলাফলসমূহ ফিল্ড লেভেলত প্ৰয়োগ কৰাতো অতি প্ৰয়োজন। এগ্ৰিকালচাৰ, হৰ্টিকালচাৰ, ফিচাৰী, ভেটেনাৰী আদি সকলো বিভাগেই যদি তেওঁলোকৰ নিজা নিজা গৱেষণাৰ বিষয়সমূহ কেৱল লেব'ৰেটৰীৰ মাজতেই আবদ্ধ নাৰাখি খেতিয়কসকলৰ লগত আলোচনা কৰি পোনপটীয়াভাৱে ফিল্ডত প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰে তেন্তে প্ৰকৃত অৰ্থত সেই গৱেষণাৰ ফল দেখা পোৱা যাব। এক কথাত ক'বলৈ গ'লে পৰীক্ষাসমূহ যেতিয়ালৈ লেব'ৰেটৰীৰ পৰা ফিল্ডলৈ ওলাই নাহে তেতিয়ালৈ সাধাৰণ মানুহ ইয়াৰ পৰা উপকৃত নহয়।

**(গ) অন্যান্য উন্নত ৰাজ্যসমূহৰ উদাহৰণ অনুকৰণৰ প্ৰয়োজন ঃ**

ভাৰতবৰ্ষৰ পঞ্জাৱ, হাৰিয়ানা আদি ৰাজ্যসমূহ কেৱল মাত্ৰ কৃষিৰ ওপৰত নিৰ্ভৰশীল হৈয়েই ভালেখিনি উন্নতি কৰা দেখা গৈছে। তাৰ তুলনাত অসমৰ অৱস্থা তেনেই দুখ লগা অথচ অসমৰ জলবায়ু আদিকে ধৰি অইন প্ৰাকৃতিক অনুকূলতাবোৰ অইন ৰাজ্যসমূহতকৈ বহু বেছি। অসমৰ উন্নতিৰ প্ৰধান হেঙাৰ স্বৰূপে এইখিনিতে আমি সদায় বানপানীৰ নিচিনা প্ৰাকৃতিক বিপৰ্যয়সমূহক মাজলৈ টানি আনো আৰু ইয়াৰ বাবে এইবোৰকে সদায় জগৰীয়া কৰি থাকো। কিন্তু এইটোও সঁচা যে ভাৰতবৰ্ষৰ প্ৰায় প্ৰত্যেকখন ৰাজ্যই বছৰত এবাৰকৈ হ'লেও কিবা নহয় কিবা প্ৰাকৃতিক বিপৰ্যয়ৰ সন্মুখীন হয়। হয়তো কেতিয়াবা অসমৰ বানপানীতকৈও বেছি ক্ষয়-ক্ষতিৰ সন্মুখীন হ'ব লগা হয়। তথাপি সেই ৰাজ্যসমূহত কৃষি বিভাগবোৰে তেওঁলোকৰ অৰ্থনীতিত কেনেকৈনো মুখ্য ভূমিকা গ্ৰহণ কৰে, কথাতো নিশ্চয় এবাৰ ভাবি চাবলগীয়া। এনে ক্ষেত্ৰত চৰকাৰ আৰু সংশ্লিষ্ট বিভাগসমূহে আগভাগ লৈ এনে কিছুমান ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন য'ত বানপানী, খৰাং বতৰ আদিৰ নিচিনা প্ৰাকৃতিক দুৰ্যোগসমূহে আমাৰ খেতিয়কসকলক তেওঁলোকৰ উৎপাদনৰ পৰা বঞ্চিত কৰিব নোৱাৰে।

**(ঘ) পৰম্পৰাগত উদ্যোগ কিছুমানৰ বিষয়ে সজাগতা ঃ**

পৰম্পৰাগত উদ্যোগসমূহ যেনে— মীন পালন, বেবিট পালন, এমু পালন, সহজতে উপলব্ধ কিছুমান ফলৰ ব্যৱসায় আদি এই সকলোবোৰৰ বাবে চৰকাৰ, জনসাধাৰণ লগতে ইয়াৰ লগত জড়িত বিভাগসমূহে গুৰুত্ব সহকাৰে কাম কৰাটো অতি দৰকাৰী। আৰু আৰম্ভণিৰ এই বীজটোও মূলতে কলেজ আৰু হাইস্কুল লেভেলৰ পৰাই হ'ব লাগিব। মুঠতে যিয়েই নহওঁক আমি যদি আমাৰ শিক্ষা ব্যৱস্থাটো এনেকুৱা ৰূপত গঢ়ি তোলো য'ত আমাৰ ল'ৰা-ছোৱালীসকলে অতি কম বয়সৰ পৰাই আমাৰ দেশত থকা সকলো সম্ভাৱনাপূৰ্ণ প্ৰাকৃতিক সম্পদৰ বিষয়ে অৱগত হয় আৰু

তাৰ লগে লগে এই সম্পদসমূহৰ উচিত আৰু বিজ্ঞানসম্মত ব্যৱস্থাৰ উপায়ৰ দিশবোৰ চিনি পায় তেন্তে অসমত নিবনুৱা সমস্যাটো নোহোৱা হ'বই তাৰ উপৰিও অৰ্থনৈতিকভাৱে অসম বহুখিনি আগবাঢ়ি যাব। সেয়েহে বৰ্তমানৰ পৰিস্থিতি সাপেক্ষে অসমৰ শিক্ষানুষ্ঠানসমূহত পৰম্পৰাগত অইন বিষয়সমূহৰ উপৰিও এনেকুৱা কিছুমান বৃত্তিমূলক বিষয়ৰ অন্তৰ্ভুক্তিৰ খুবেই প্ৰয়োজন।

গতিকে শিক্ষা ব্যৱস্থাত বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা আছে। বৃত্তিমুখী শিক্ষা আমাৰ শিক্ষা ব্যৱস্থাটোৰ লগত থকাটো অতিকৈ প্ৰয়োজনীয়।

**সমস্যা ঃ**

বৃত্তিমুখী শিক্ষা যিদৰে আমাৰ সমাজৰ বাবে আশীৰ্বাদ ঠিক তেনেদৰে কিছুমান কিছুমান ক্ষেত্ৰত আকৌ অভিশাপ হোৱাও দেখা গৈছে।

সাম্প্ৰতিক কালত আমাৰ শিক্ষা ব্যৱস্থাত বৃত্তিমুখী শিক্ষাৰ প্ৰচলনে ব্যৱহাৰিক শিক্ষাৰ গুৰুত্ব নোহোৱা কৰিছে।বৃত্তিমুখী শিক্ষাই আমাৰ ছাত্ৰ-ছাত্ৰীসকলক সামাজিকভাৱে আঁতৰাই আনিছে। বৃত্তিমুখী শিক্ষাই দেশৰ আৰ্থিক উন্নতি কৰে সঁচা, কিন্তু এই বৃত্তিমুখী শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ সামাজিক সচেতনতা নোহোৱা কৰিছে। বৃত্তিমুখী শিক্ষাই তেওঁলোকক বহু পৰিমাণে আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ কৰি তুলিছে। বৰ্তমান কেৱল মাত্ৰ বৃত্তিৰ কাৰণেই তেওঁলোকে শিক্ষা গ্ৰহণ কৰে, সামাজিক উন্নতিৰ বাবে নহয়।

এনেকুৱা আৰু বহু উদাহৰণ আছে যাৰ বাবে বৃত্তিমুখী শিক্ষাই আমাৰ সমাজত সমস্যাৰ সৃষ্টি কৰিছে।

**মতামত ঃ**

বৃত্তিমুখী শিক্ষাৰ ফলত যিমানখিনি সুবিধা হৈছে, বিপৰীতে কিন্তু সমস্যাবো সৃষ্টি কৰিছে। আমি বৃত্তিমুখী শিক্ষা কেৱল বৃত্তিৰ কাৰণে নহয়, সামাজিক উন্নতিত তাক কিদৰে প্ৰয়োগ কৰিব পাৰো সেই উদ্দেশ্য আগত ৰাখিহে গ্ৰহণ কৰিব লাগে। তেতিয়াহে আমাৰ সমাজৰ বিভিন্ন সমস্যাৰ লগতে নিবনুৱা সমস্যাও নাইকিয়া হ'ব। গতিকে বৃত্তিমুখী শিক্ষা কেৱল মাত্ৰ আমাৰ ব্যক্তিগত লাভৰ কাৰণে নহয়, সামাজিক উন্নতিৰ কাৰণে গ্ৰহণ কৰিব লাগে।

---

## দ্বিতীয় স্থান ঃ

**❑ Dimpi Sultana**
*B.A. 2nd Sem.*

## Sub : Importance of Vocational Education and its Problems

"If we want boys and girls to succeed, we need to bring them back to education by making education relevant to them and bring in more service learning and vocational education".

*Michael Gurian*

Vocational education refers to a wide and diverse system or course of study which prepanes individuals for certain jobs that are based on manual or practical activities. Vocational education is traditionally non-academic in nature and is totally related to a specific occupation or vocation. With the development of economics worldwide, the labour market become more specialised. The demand for higher levels of skill both in government and private sector started growing. In recent times, demand for vocational professionals is required more than ever in verious industries such as retail, tourism, information technology, cosmetics etc. as well as in the traditional crafts and cottage industries.

**Mahatma Gandhi's views on Vocational Education :**

Gandhi was a pioneer to introduce vocational education (Basic Education) into the Indian academics. He thought that education is closely associated with the socio-economic development of the society. He took up the scheme for basic education in which vocational training or work experience is the atmost important. The kothari commission also followed Gandhi's ideal of vocational training in education.

**How is vocational Education Beneficial :**

Vocational education helps people in the better performance of their jobs as they acquire a great learning experience working professionals get a chance to home their skills while making money. It get employees ready for the workplace which comes in handy while performing various tasks. Vocational education makes on individual a responsible and independent. The career of one's own choice is one of the major benefits of vocational education. To prosper the economy of a nation, there should not be a gap between the demand and supply of highly skilled workers. Vocational education provides stable jobs as these are the jobs whose demand is never fulfilled.

**Pradhan Mantri Kaushal Vikas Yojana :**

Approved for another four years (2016-2020) to benefit 10 million youth Allocated Budget 12,000 crores :-

Pradhan Mantri Kaushal Vikas Yojana (PMKVY) is the flagship scheme of the Ministry of skill Development and Enterpreneurship (MSDE) imlemented by National skill development corporation. The objective of this skill certification scheme is to enable a large number of Indian youth to take up industry-relevant skill training that will help them in securing a better livelihood. Individuals with prior learning experience or skills will also be assessed and certified under Recognition of Prior Learning (RPL).

Government has set up an ambitions targent to train including up skilling / re skilling 400 million people by 2020. 18 ministries of Government of India are engaged in various targeted skill development and employment generation programs. National skill Development Policy (NSDP) was first launched in 2009 and with the establishment of the new Ministry of skill Development and Enterpreneurship (MSDE) a revised NSDP was launched in 2015.

Problems of vocational Education system in India :

**Some of the major problems of the Indian TVET system :-**

**(i) Lack of coordination among Government Agencies and regulatory bodies :-** Different ministries manage their employability initiatives independently in India and there is a wide range of VET provides such as social businesses, non profits and corporate.

**(ii) Inadequate academia - industry linkage :-** This result in low rates of employment due to the reason that what job provides are seeking for, are not communicated with the training sector.

**(iii) Lack of updated curriculum :-** An updated curriculum which is relevant to present day need of the industry is a major requirement. The curriculum should be relevant to the need of the industry.

**(iv) Shortage of Qualified teachers :-** Availability of good quality trained and qualified teachers and trainers is an important problem. Poor recruitment process of Governments is responsible for this.

**(v) Lack of proper infrastructure :-** Building, modern equipment and raw materials is a hurdle in learning during training. This can be attributed to improper release of funds.

**Teachers' perceptions of Vocational Education Problem :-**

Teacher's were asked a number of questions about the seriousness of various potential problems in the vocational education programs in their of school / colleges and related each problem on a scale of 1 to 4, with 4 indicating a serious problem.

Academic teachers perceptions of problem in vocational education programs in their school differed some what from the perceptions of vocational teachers. Academic teachers were less likely than vocational teachers in either comprehensive or vocational schools to veiw the maintenance of vocational enrollment or the inappropriate placement of problem students in vocational education programs as serious problems.

## তৃতীয় স্থান ঃ

□ নমিতা ঠাকুৰীয়া
*স্নাতকোত্তৰ, দ্বিতীয় ষাণ্মাসিক*

### বিষয় ঃ "বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু সমস্যা"

আৰম্ভণি ঃ

বৃত্তীয় শিক্ষাৰ সহজ অৰ্থ হৈছে জীৱন নিৰ্বাহ কৰিবৰ বাবে যি বৃত্তি বা ব্যৱসায় সম্বন্ধীয় ক্ৰিয়াৰ অভিজ্ঞতা তাৰ স্বাভাৱিক ৰূপত আহৰণ কৰা হয় তাকে বুজোৱা হয়। এনে অভিজ্ঞতাৰ যোগেদি মানুহে কোনো বিশেষ শিক্ষা বা কাৰিকৰী ক্ৰিয়া কৌশলৰ অভিজ্ঞতা আহৰণ নকৰাকৈয়ে প্ৰাকৃতিক পৰিৱেশত এক বৃত্তি গ্ৰহণ কৰি জীৱন নিৰ্বাহ কৰে। উদাহৰণ স্বৰূপে পূৰ্বে মানুহে হাবিত গছ কাটি, খৰি লুৰি সেই খৰি বজাৰত বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰা জনক খৰিকটীয়া বোলা হৈছিল। সেইদৰে পথাৰত খেতি কৰা জনক খেতিয়ক আদি।

বৰ্তমান সমাজত এই ধাৰণাৰ বিশেষ পৰিৱৰ্তন হৈছে আৰু বৃত্তিমূলক শিক্ষা এক বহল অৰ্থত প্ৰয়োগ কৰা হৈছে। পূৰ্বৰ পৰিয়ালৰ মাজত সাম্প্ৰদায়িক ৰূপত সহজ-সৰল, স্বাভাৱিক আৰু পৰিস্থিতি সাপেক্ষে গঢ়ি উঠা বৃত্তিমূলক শিক্ষাই বৰ্তমান মানুহৰ ক্ৰম বৰ্ধিত সামাজিক প্ৰয়োজন পূৰণ কৰিব নোৱাৰে। এখন দেশৰ লোকৰ বৰ্ধিত আৰ্থ সামাজিক প্ৰয়োজন পূৰণ কৰিবৰ বাবে খনিজ সম্পদ, বনজ সম্পদ, জলজ সম্পদ আদি প্ৰাকৃতিক সম্পদবোৰৰ উপৰিও মানৱ সম্পদৰ উপযুক্তভাৱে সৎ ব্যৱহাৰ কৰিব লাগে। এই মানৱ সম্পদক প্ৰয়োজনীয় বিজ্ঞান আৰু কাৰিকৰী ভিত্তিক শিক্ষা দিব পাৰিলেহে দেশৰ প্ৰাকৃতিক সম্পদবোৰৰ পূৰ্ণ উপভোগ কৰিব পৰা যায়। কাৰিকৰী বিজ্ঞানৰ বিশিষ্ট শিক্ষাৰ ক্ৰিয়া নিপুণতা আৰু ক্ৰিয়া কৌশলেহে দেশৰ মানৱ সম্পদৰ উপযুক্ত সৎ ব্যৱহাৰ কৰি তুলিব পাৰে।

বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা ঃ

ভাৰতৰ বৰ্তমান আৰ্থ সামাজিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বৃত্তীয় আৰু কাৰিকৰী শিক্ষাৰ প্ৰয়োজনীয়তা গভীৰভাৱে অনুভৱ কৰা হয়। সেয়েহে বৃত্তিমুখী শিক্ষাৰ প্ৰয়োজনীয়তা সমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

(১) অধিক উৎপাদন ঃ দেশৰ শ্ৰমজীৱী লোকসকলৰ উৎপাদন ক্ষমতা অধিক বৃদ্ধি কৰি তুলিবৰ বাবে বৃত্তীয় আৰু কাৰিকৰী শিক্ষাৰ অতি প্ৰয়োজন।

(২) সমাজৰ দ্ৰুত আধুনিকীকৰণ ঃ বৰ্তমান সময়ৰ বৃত্তীয় আৰু কাৰিকৰী শিক্ষাই সৰ্বসাধাৰণ লোকৰ অজ্ঞতা, দৰিদ্ৰতা, কু-সংস্কাৰ আদি গুচাই তেওঁলোকৰ সামাজিক জীৱনৰ মানদণ্ড উন্নত কৰি তুলিব পাৰে।

(৩) কৰ্ম নিযুক্তিৰ অধিক সম্ভাৱনীয়তা ঃ বৰ্তমান সময়ত দেশৰ নিবনুৱা সমস্যাৰ ভয়াবহতা গুচাবৰ বাবেও বৃত্তীয় শিক্ষাৰ প্ৰয়োজনীয়তা।

(৪) মহিলাসকলক সামাজিক মৰ্যাদা প্ৰদান ঃ বৃত্তিমূলক শিক্ষাই ইয়াৰ কাৰ্যকৰী দিশত মহিলা সকলক সামাজিক মৰ্যাদা প্ৰদান কৰি তুলিব পাৰে।

(৫) সু-নাগৰিকৰ শিক্ষা ঃ বৃত্তীয় শিক্ষাই ব্যক্তিক সু-নাগৰিকৰ শিক্ষা সাৰ্থক ৰূপত দিব পাৰে।

বৃত্তিমুখী শিক্ষাৰ সমস্যা ঃ

(১) স্থান বিশেষৰ প্ৰয়োজন খবচি মাৰি অধ্যয়ন নকৰাকৈ বৃত্তিমূলক পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে।

(২) বৃত্তিমূলক পাঠ্যক্ৰম অধ্যয়নৰ অন্তত শিক্ষাৰ্থীসকলক আত্মনিয়োজনৰ বাবে ঋণ দানৰ কোনো চৰকাৰী নীতি নাই।

(৩) এই শিক্ষাৰ বাবে পূৰ্ণকালীনভাৱে নিযুক্ত যোগ্যতা সম্পন্ন শিক্ষকৰ অভাৱ।

(৪) শিক্ষাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত ব্যৱস্থাৰ অভাৱ।

(৫) হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পৰিকল্পনাৰ অভাৱ।

সামৰণি ঃ

গতিকে সামৰণিত ক'ব পাৰি যে- অসমত শিক্ষিত যুৱক-যুৱতী সকলৰ কৰ্ম নিযুক্তিৰ সম্ভাৱনীয়তা কল্পনা প্ৰসূতভাৱে প্ৰচুৰ আৰু ভাৰতৰ আন কেতবোৰ ৰাজ্যতকৈ বহুতো উন্নত। কিন্তু এই সমূহৰ উদ্ভাৱন, সংগঠন আৰু পৰিচালনাৰ বাবে প্ৰয়োজন হোৱা স্থানীয় লোকসকলৰ সচেতনতা আৰু সংশ্লিষ্ট ক্ৰিয়া প্ৰচেষ্টাৰ বিশেষ অভাৱ। ইয়াৰ সুযোগ ৰাজ্যখনলৈ অহা বহিৰাগত সকলে পূৰ্ণৰূপত গ্ৰহণ কৰিছে। সৰ্বসাধাৰণ লোক আৰু ৰাজ্য চৰকাৰৰ এইক্ষেত্ৰত দৃঢ়তা আৰু কৰ্ম-সংস্কৃতিৰ এক গভীৰ অনুভৱেহে অসমৰ সামাজিক পৰিস্থিতি সলনি কৰি তুলিব পাৰে।

□ □ □



# থিতাতে লিখা ৰস ৰচনা প্ৰতিযোগিতা

## প্ৰথম স্থান ঃ

□ গীতাঞ্জলি দাস
*স্নাতক, চতুৰ্থ ষাণ্মাসিক*

### Novel Corona Virus

Hi guys........ I am Corona Virus. আহা সকলোৱে মোৰ Welcome কৰা। মই অতি কোমল দেহৰ জীৱ। গৰম যে মই সহিব নোৱাৰো। মোক Air Condition থকা কমৰ ব্যৱস্থা কৰি দিয়া। যিহে গৰম পৰিছে অসমত জীয়াই থাকিম নে নাথাকিম ভয়ে লাগিছে। মই মানুহৰ দেহত বাস কৰি বহুত ভালপাওঁ। যিজন মানুহৰ লগত মই যাওঁ মই প্ৰকৃত বন্ধুৰ দায়িত্ব পালন কৰো। তেওঁক কেতিয়াও এৰি নাযাওঁ আৰু তেওঁৰ বন্ধুবৰ্গৰ লগতো গৈ মই প্ৰকৃত বন্ধুৰ দায়িত্ব পালন কৰো। হাঃ হাঃ কি যে কম আৰু মই নিজৰ কথা। যিজন মানুহৰ লগত মোৰ বন্ধুত্ব হয়। সেই মানুহজনে আনৰ আগত মাস্ক নোলোৱাকৈ কাঁহ মাৰিলে বা হাতত ধৰিলে মই সেই মানুহকো মোৰ প্ৰাণৰ বন্ধু কৰি লওঁ। হ'ব পাৰো মই চকুৰে নেদেখা কিন্তু মোৰ দয়া দৃষ্টি সকলোৱে ওপৰত নিক্ষেপ কৰিব পাৰো। মই সকলোকে বহুত ভালপাওঁ guys......।

গৰম বস্তু নাখাবা আৰু মোৰ ওপৰত কৃপা দৃষ্টি নিক্ষেপ কৰিবা। বাহিৰত ফুৰিবলৈ গৈ ঘৰ অহাৰ পিছত হাত-মুখ নোধোৱাকৈ আহাৰ গ্ৰহণ কৰিবা। তেতিয়া হে মোৰ মনটো ভাল লাগিব। Feeling is happy happy......

হ'ব পাৰো মই Novel Corona তথাপি সকলোকে আঁকোৱালি ল'বলৈ মোৰ বেছি সময় নালাগে। মোক ভালকৈ DJ Box লগাই Welcome কৰা আৰু Song টো হ'ল Swag Se Krenga Sab Ka Swagat... মই অলপ ফিল্মি হয়। সেই কাৰণে Swag Se Krenga Sab Ka Swagat... ■

## দ্বিতীয় স্থান ঃ

□ বিতুমণি দাস
*স্নাতক, চতুৰ্থ ষাণ্মাসিক*

### মোৰ মৰমৰ ম'বাইল

আৰম্ভণি ঃ মোৰ ম'বাইলটোক বহুত ভালপাওঁ। ম'বাইলটোক যে মই কিমান মৰম কৰো নহয়।

পানী লাগিব বুলি য'তে-ত'তে নথওঁ, পানীৰ হাতেৰে ম'বাইল কাকো লাৰিব নিদিও। উম্ কিয় দিম, মই কিমান মৰম কৰো, মই নিজে নাখাওঁ লাগিলে। ম'বাইল তুমি চিন্তা নকৰিবা তোমাক মই খুৱাম। মোৰ তাত পইচা নেথাকিলে কি হ'ল, পইচা চুৰ কৰিলে পাম নহয়। ম'বাইল তোমাৰ পেটটো খালী হ'লে মোৰ মনটো বহুত বেয়া লাগি থাকে জানা নে, কেনেকৈ তোমাৰ পেটটো ভৰাব পাৰো তাকে ভাবি থাকো। ম'বাইল তোমাৰ দ্বাৰা কি যে কৰিব পাৰি নহয়। যেনে— ছেলফি, উহ্ ছেলফি বুলি ক'লে ম'বাইলটো ওপৰৰ ফালে লৈ মুখখন বেকা কৰি, চকু কেইটা মেকুৰীৰ দৰে কি যে পোজ দি ফটো উঠিব পাৰি নহয়।

ম'বাইল তুমি সঁচাকৈয়ে বৰ মৰমৰ দে। ম'বাইল তোমাক মই এৰি কেতিয়াও নাযাও। তুমিয়ো মোক এৰি নাযাবা দেই। ■

## তৃতীয় স্থান ঃ


☐ দিম্পী চুলতান
*স্নাতক, দ্বিতীয় ষাণ্মাসিক*


# বিভিন্ন ধৰণৰ ধেমেলীয়া কথা

এদিনাখন ৰামহঁতৰ ঘৰত এজন শিক্ষকে ৰাম আৰু ৰামৰ বন্ধুবিলাকক ৰচনা লিখিবলৈ কৈছিল আৰু সিহঁতৰ বন্ধু বিলাকে ধুনীয়াকৈ লিখিছিল কিন্তু ৰামে অলপ আচৰিত ধৰণৰ ৰচনা লিখিছিল। ৰামৰ বিষয়বস্তু আছিল গৰুৰ ওপৰত ৰচনা। ৰামে আৰম্ভ কৰিছিল—

গৰু এবিধ ঘৰচীয়া চাৰিঠেঙীয়া জন্তু। গৰুৰ দুখন কাণ, এটা নাক, দুটা চকু আৰু ছোৱালীবিলাকৰ দৰে বেণী গাঠিব পৰা এডাল ধুনীয়া নেজ আছে। গৰুৱে নিজৰ কাম নিজে কৰি ভাল পায়। গৰুৱে কেতিয়াবা ৰাস্তাৰ আগত থাকি গাড়ীবিলাকৰ স্পীডব্ৰেকাৰৰ কাম কৰে আৰু কেতিয়াবা গৰু বিলাকে ট্ৰেফিক পুলিচৰ কাম কৰে।

সাধাৰণতে গাই গৰুৱে গাখীৰ দিয়ে বুলি কয় কিন্তু আজিকালি গৰুৰ ঠাইত বিভিন্ন ধৰণৰ পেকেটেহে গাখীৰ দিয়া দেখা যায়। যেনে- আমুল টাজা, পূৰবী, Everyday ইত্যাদি। আকৌ আজিকালি কলি যুগত নতুনকৈ এটা ব্যৱস্থা দেখিবলৈ পোৱা যায় আজিৰ যুগত বলধ গৰুৰ সলনি টেক্টৰেহে হাল বোৱা, মৰণা মৰা আদি দেখা যায়। গৰুৰ গাখীৰৰ চাহনি মুখত লগালে বোলে মানুহ বগা হৈ যায়। কিছুমান মানুহৰ কথা শুনামতে, মানুহে ল'ৰা-ছোৱালী বিলাকক গালি পাৰে যে গৰুৱে একো নাজানে, তইঁতে গৰুতকৈ বেছি। ইমান ভাল লাগে এনেকৈ ক'লে আমি ভাবো আমিও যে ইমান উপকাৰী জন্তুৰ ভাগত পৰিলো। নিজকে বহুত গৌৰৱ অনুভৱ কৰিব পাৰো আৰু তেতিয়া ক'ব মন যায় 'ভাল হে আমি একো হ'ব নোৱাৰিলো গৰুয়ে যে হ'ব পাৰিছো"।

মই সদৌ শেষত এটা অলপ ইয়াৰ বাহিৰৰ কথা লিখিলো— এদিনাখনৰ কথা, এদিন এটা চোৰে এঘৰ মানুহৰ পৰা এটা টি.ভি. চুৰ কৰি আনিলে আৰু চোৰটোৰ পিছে পিছে ঘৰটোৰ মালিকজনো আহিল। চোৰটোৱে দৌৰি দৌৰি পাৰ নাপালে। অৱশেষত চোৰটোৱে ভাগৰি পৰি ক'লে— লৈ যাওঁক আপোনাৰ টি.ভি. নালাগে মোক। পিছত মানুহজনে ক'লে, "নহয়হে মই তোমাক টি.ভিৰ ৰিম'টটোহে দিব আহিছো নহ'লে মোৰ মাইকীজনী ইমান চিৰিয়েল চাই যে মোক ভাত দিব পাহৰি যায়। তাৰ পিছত চোৰটোৱে হাঁহি হাঁহি ঘৰলৈ গ'ল।

সদৌ শেষত, এটা মোহনৰ অলপ ধেমেলীয়া কথা লিখো, আপোনালোকে বেয়া নাপাব।

শিক্ষকে মোহনক সুধিছিল, কিচমিচ মানে কি?

মোহনে উত্তৰ দিছিল, "ছাৰ কিচ কৰিব যাওঁতে মিচ হোৱা অৱস্থাখিনিকে কিচমিচ বোলে"। ■

# থিতাতে লিখা আবেদন পত্ৰ প্ৰতিযোগিতা

## দ্বিতীয় স্থান ঃ

প্ৰতি,

মাননীয় বিধায়ক,
পলাশবাৰী সমষ্টি

বিষয় ঃ "নিজ অঞ্চলৰ ৰাস্তা-ঘাটৰ উন্নয়ন কামনাৰ্থে আবেদন"। দিনাংক ঃ ১২-০৩-২০২০

মহাশয়,

সম্মান পূৰ্বক বিনীত নিবেদন, এই আবেদনৰ দ্বাৰা আপোনাক অৱগত কৰাও যে, মই আমবাঙ্গা বৰিহাটৰ সাধাৰণ বাসিন্দা। আপোনাৰেই সমষ্টিৰ এটি বিভিন্ন ক্ষেত্ৰত আগবঢ়া আমাৰ এই অঞ্চল। কিন্তু, দুখৰ বিষয় যে, ৰাস্তা-ঘাটৰ শোচনীয় অৱস্থাই ডেকাৰ পৰা বৃদ্ধলৈ সকলোকে বিপদ মাতি আনিছে। বিগত বহু বছৰৰ পৰাই পথ দুৰ্ঘটনাত পতিত হৈ আহিছে বহু লোক। অকালতে প্ৰাণ গ'ল বহু



লোকৰ। বানপানী হ'লে ৰাইজৰ পানীত হাঁহ নচৰা অৱস্থা। ৰাস্তাৰ কাষত ন'লা-নৰ্দমাৰ ব্যৱস্থা নাই, পথচাৰীৰ বাবে চিন্তনীয় বিষয় হৈ পৰিছে। গতিকে, আপুনি আমাৰ এই অঞ্চলৰ ৰাস্তা-ঘাটৰ উন্নয়নৰ কামনাৰ্থে দৃষ্টি নিক্ষেপ কৰি, এই সমস্যা দুৰীকৰণৰ বাবে বিহিত ব্যৱস্থা হাতত লৈ অঞ্চলবাসীৰ মুখত এমোকোৰা হাঁহি বিৰিঙাই যেন।

এয়ে মহোদয়ৰ ওচৰত মোৰ সৰল প্ৰাৰ্থনা।

ইতি-
আমবাঙ্গা ৰাইজ গয়ৰহৰ হৈ
**শিখাৰাণী ঠাকুৰীয়া**
*স্নাতক, চতুৰ্থ ষাণ্মাসিক*

## তৃতীয় স্থান ঃ

প্ৰতি,
মাননীয় দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সমীপেষু।

বিষয় ঃ ছুটী বিচাৰি আবেদন পত্ৰ। দিনাংক ঃ ১২-০৩-২০২০

মহাশয়,

সম্মান পূৰ্ব্বক বিনীত নিবেদন এই যে, মই আপোনাৰ মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰী হওঁ। মহাশয়ক মই আবেদন জনাওঁ যে অহা ১৫-০৩-২০ তাৰিখে মোৰ দাদাৰ বিয়াৰ বাবে, ঘৰত উখল-মাখল পৰিবেশ হোৱা হেতুকে মই মহাবিদ্যালয়ত কেইদিনমান ছুটী বিচাৰো।

গতিকে দয়ালু মহোদয়ে উক্ত দিনকেইটাৰ বাবে মোক ছুটী মঞ্জুৰ কৰে যেন।

ইতি-
আপোনাৰ বিশ্বাসী ছাত্ৰী-
**ৰঞ্জিতা ৰাভা**
*স্নাতক, দ্বিতীয় ষাণ্মাসিক*

## তৃতীয় স্থান ঃ

প্ৰতি,

মাননীয় অধ্যক্ষ মহোদয়
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জা

বিষয় ঃ ছুটীৰ বাবে আবেদন। দিনাংক ঃ ১২-০৩-২০২০

মহাশয়,

সম্মান পূৰ্ব্বক নিবেদন এয়ে যে, অহা ১৩-০৩-২০২০ ৰ পৰা ১৭-০৩-২০২০ লৈ মই বিদ্যালয়ত উপস্থিত থাকিব নোৱাৰিম। কাৰণ মই নগাঁওলৈ যাম, মোৰ মামাৰ বিয়া।

সেয়ে মহোদয়ৰ ওচৰত প্ৰাৰ্থনা কৰিলো যে উক্তদিন কেইটাৰ কাৰণে মোৰ ছুটী মঞ্জুৰ কৰে যেন। এয়ে মহোদয়ৰ ওচৰত সৰল মিনতি।

ইতি-
আপোনাৰ একান্তবাধ্য ছাত্ৰী-
**লীনা দাস**, গণসংযোগ আৰু সাংবাদিকতা বিভাগ
দ্বিতীয় ষাণ্মাসিক

# থিতাতে লিখা চুটিগল্প প্ৰতিযোগিতা

## প্ৰথম স্থান ঃ

□ গীতাঞ্জলি দাস
*স্নাতক, চতুৰ্থ ষাণ্মাসিক*

### গোলাপী পাহিৰ বাট

জীৱনৰ টুলুঙা নাওত পৰীয়ে ডিঙা মেলি দিছিল। সময় বাগৰি গৈছিল। কিন্তু জীৱনৰ সপোনবোৰ পূৰ হোৱা নাছিল। স্বপ্নত মন্ত্ৰমুগ্ধ পৰীয়ে ভাবিলে যে জীৱন সাৰ্থক কৰিব লাগিব। হঠাৎ এদিন তাইৰ জীৱনলৈ অপৰিকল্পিতভাবে তাইৰ সপোনৰ বাস্তা মুকলি হৈ গ'ল। নিজৰ ওপৰত থকা বিশ্বাস আৰু আত্মবলৰ ফলত তাই নিজৰ জীৱনৰ গতিক নিশ্চিত ভাৱেৰে মেলিলে। সেই বাটত অনেক কষ্ট, কাঁইটীয়া বাটক নেওচি আগবাঢ়ি গ'ল। ফলত তাই সৰুৰে পৰা দেখা সপোন National Republic Day Parade, 2020 দিল্লীত ৰাজপথত ইণ্ডিয়া গেটত Drill কৰিবলৈ সুবিধা পালে। তাই বিস্ময়ত অবাক হৈ পৰিলে।

কষ্ট কৰি জীৱনৰ বাধা নেওচি পৰীয়ে Rajpath বিজয় কৰিলে। ফলত তাই ভাৰতৰ ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰী আৰু খেল মন্ত্ৰীক সন্মুখৰ পৰা লগ পোৱা নতুন সুযোগ গ্ৰহণ কৰিলে।

পৰীয়ে কেতিয়াবা ভাবিছিল তাই যদি আগ্ৰা যাব পাৰিলে হয়। আৰ্থিক অভাৱৰ বাবে এইটো সম্ভৱ নহয়। কাৰণ তাই আৰ্থিকভাৱে জুৰুলা পৰিয়ালত বসবাস কৰে। কিন্তু তাই এই সকলো সপোন তাই কৰা কষ্টৰ কাৰণে ভাৰত চৰকাৰৰ তৰফৰ পৰা সুবিধা পাইছিল। তাই জীৱনত কৰা ত্যাগৰ ফলত সকলো সম্ভৱ হৈছিল।

পৰীয়ে নৃত্য প্ৰদৰ্শন কৰে। তাই কৰা নৃত্যত দৰ্শক বিভোৰ হৈ যায়। কাশ্মীৰত তাই নৃত্য প্ৰদৰ্শনৰ সুবিধা পাইছিল।

অনেক ত্যাগ, কষ্ট, বাধা, আনে কৰা তিৰস্কাৰ সকলো সহ্য কৰি পৰীয়ে মুক্ত আকাশৰ তলত আজি হাঁহি উঠিছে। কাঁইটীয়া বাটক নেওচি গোলাপৰ পাহিৰে সজ্জিত National Camp ৰ দলিচাত ভৰি দিছিল। তাই কয় "সপোন দেখাতো অতি দৰকাৰ কাৰণ সপোনৰ অবিহনে সফলতা সম্ভৱ নহয়।" ■

## দ্বিতীয় স্থান ঃ

□ নমিতা ঠাকুৰীয়া
*স্নাতকোত্তৰ, দ্বিতীয় ষাণ্মাসিক*

### ডাইনী

ধৰ্ ধৰ্ মাৰ্ মাৰ্ এই বেটী চাল্লী ডাইনী। গোটেই গাঁওখনেই শেষ কৰি দিলে। এইৰ বাবে গোটেই গাঁওখন নষ্ট হৈ গ'ল।

মালতী, অ' মালতী— কোনোবা অচিনাকী কণ্ঠৰ মাত। (কেৰাহীকৈ চাই মালতীয়ে)

মোৰ নাম দীপু। মানে দীপু শইকীয়া। মোৰ ঘৰ গুৱাহাটীত। বৰ্তমান মই এজন কেমেৰা চালক। প্ৰকৃতিৰ এই মোহনীয়া ৰূপ সৌন্দৰ্য্যৰ ছবি মোৰ কেমেৰাত ধৰি ৰখাই মোৰ কাম। কিন্তু হঠাৎ এঠাইত মানুহ এদম দেখি চাবলৈ দৌৰি আহিলো। আহি দেখিলো যে এগৰাকী গাভৰু ছোৱালী পৰি আছে মানে তুমি। তোমাক কিয় এনেদৰে ডাইনী সজালে জানিব পাৰোনে?— দীপুৰ প্ৰশ্ন।

মই নকওঁ— মালতীয়ে ক'লে।

অনুৰোধ কৰিছো তুমি কোৱা। কাৰণ এয়া তোমাৰ প্ৰতি অন্যায়।— দীপুৱে ক'লে।

ঠিক আছে, শুনা তেন্তে, এদিনাখনৰ কথা। ৰাতিপুৱাৰ আমাৰ চোতালত মানুহৰ ভিৰ। কাৰণ আমাৰ চোতালত মৰা মানুহৰ ভগ্না ছিঙা হাড়-মুৰ, লাওখোলা, ভগ্না টেকেলি আদি পৰি আছে। সেইবাবে এইবোৰ পৰি থকাৰ বাবে মোৰ গাত ডাইনী লম্ভিছে বুলি গাঁওৰ মানুহে আমাৰ ওচৰ-চুবুৰীয়া গাঁওবুঢ়াৰ কথামতে মোক দোষী সজাইছে। দীপুৰ বহুত বেয়া লাগিল কথাবোৰ শুনি। কাৰণ এগৰাকী এনে মাক নথকা নিচলা ছোৱালীক মিছাতে ডাইনী সজাইছে।

পুলিচৰ ওচৰত গৈছিলানে মালতী?— দীপুৰ প্ৰশ্ন।

গৈছিলো। কিন্তু কোনো কাম নাই। কাৰণ গাঁওবুঢ়াই সিফলীয়া কৰি থৈছেই। গাঁওবুঢ়াৰ চকু আমাৰ মাটিখিনিৰ ওপৰত। যাতে মোক ডাইনী সজাই সমাজত বেয়া দেখুৱাব পাৰে আৰু ৰুগীয়া পিতৃবো আজি মৰো কালি মৰো অৱস্থা। সেইবাবে মোক আজি মিছাতে ডাইনী সজাইছে।

মই তোমাক ন্যায় দিম মালতী— দীপুৱে ক'লে।

ঠিক আছে। মই ৰৈ থাকিম— মালতীয়ে একেথৰে দীপুলৈ চাই ক'লে।

দীপু গুৱাহাটীলৈ গুচি গ'ল মালতীক প্ৰতিশ্ৰুতি দি গ'ল আকৌ আহিব বুলি....। ■



## তৃতীয় স্থান ঃ

□ স্মৃতি কলিতা
*স্নাতক, চতুৰ্থ ষাণ্মাসিক*

### বিষাদৰ মৰম

জীৱনত বহুত আহিল বহুত গ'ল কিন্তু তই কিবা এটা বেলেগ আছিলি অ'.... তই গুচি যোৱা বছৰেই পাৰ হ'ল অথচ মাজে মাজে মানি ল'ব টান পাওঁ তই যে আমাৰ মাজত আৰু নাই। তোৰ মৰমে মোক দুখবোৰৰ পৰা আঁতৰাই ৰাখিছিল। কান্দিলেও খঙ কৰিছিলি মই তোৰ লগত আছো ধৰণৰ অভিমানেৰে। সকলোবোৰ যে ইমান সোনকালে শেষ হৈ যাব কেতিয়াও ভবা নাছিলো।

মাজে মাজে এনেকুৱা লাগে তোৰ মৃত্যুৰ বাবে আমি সকলোবোৰ জগৰীয়া। কোন শুদ্ধ আছিল কোন অশুদ্ধ আছিল সেই প্ৰশ্নটিৰ উত্তৰ আজিলৈ দিব নোৱাৰিলো নিজকে। প্ৰত্যেকটো কোঠাতে তোৰ স্মৃতি জড়িত হৈ আছে কেতিয়াবাতো এনে লাগে যে তই আমাৰ কাষতেই আছ। চুব নোৱাৰিলেও মাজে মাজে অনুভৱ এটি হয় বেলেগ ধৰণৰ। তই শেষ নিশ্বাস ত্যাগ কৰাৰ দিনা মাজনিশা তোৰ হাতত হাত থৈ মই শপত লৈছিলো যে- "মই তোৰ ঠাই কাকো পূৰাবলৈ নিদিও"। কিন্তু তই গুচি যোৱাৰ পিছত ঘৰখন- মৰিশালি ধৰণৰ হৈ গ'ল। কাম-কাজত মন নবহা হ'ল পৰিয়ালৰ সকলো মানুহৰে। সেয়েহে ঘৰখনৰ সকলোবোৰ সদস্যই মিলি আলোচনা কৰিছিলো যে তোৰ দৰেই দেখা ভাইটি এটাকে আনো।

সকলোবোৰ ঠিকেই আছিল ঘৰখনত কিছু পৰিমানে নতুন আলহীৰ আগমনে পুনৰ ৰঙীণ কৰিছিল। কিন্তু সেয়া চাগে তই বিচৰা নাছিলি তোৰ ঠাই বেলেগক পূৰণ কৰাবলৈ।

Tommy আজি ২ বছৰ সম্পূৰ্ণ হ'ল তই গুচি যোৱা। আজি তোৰ মৃত্যুবাৰ্ষিকীত ভগৱানক মাথোঁ এটায়ে প্ৰাৰ্থনা কৰিছো তই য'তে আছ ভালকৈ থাক। কেতিয়াও তোক জন্তু বুলি ভাবিব বাধ্য নকৰালি।

"তই মাথোঁ এটি কুকুৰ নাছিলি,
আছিলি মানুহৰ মন বুজা এটা জীৱ।" ■

## তৃতীয় স্থান ঃ

□ শিখাৰাণী ঠাকুৰীয়া
*স্নাতক, চতুৰ্থ ষাণ্মাসিক*

### মমতাৰ ট্ৰলিবেগ

**(বাস্তৱ ঘটনা ভিত্তিক)**

অভিনয় বলিয়া তাই। নাটক কৰিবলৈ বিচাৰে। কিন্তু খেতিয়ক পিতৃৰ আপত্তি। তেওঁৰ মতে, নাটক কৰি তাই কৰিব কি? ঘৰখনৰ অবাধ্য নহয় তাই। আনফালে সপোনৰ পৃথিৱীখনৰ হাত বাউলি।

আমাৰ ওচৰৰ গাঁওখনত তাইৰ ঘৰ। পঢ়া-শুনাত আগ্ৰহী। ঘৰখনত তাই একমাত্ৰ ছোৱালী। দেউতাকে কষ্ট কৰি পঢ়াই আছে। এদিন তাই মোক সুধিলে— 'বা, মইয়ো তোমাৰ দৰে নাটক কৰিব খোজো। দেউতাই নিদিয়ে। তুমি বুজাবা চোন'। আমাৰ ঘৰৰ ওচৰতে থকা নাটকৰ কেম্প 'ওৱেৰ্ণিকা'লৈ তাই আহিব ধৰিলে। তাই কৰিব খোজা নাটকখনে দিল্লীত হৈ যোৱা 'ভাৰত ৰঙ্গ' মহোৎসৱলৈ আমন্ত্ৰণ পালে। সপোন যেন বাস্তৱৰ দিশে। লাহে লাহে মমতাই নাটকৰ আখৰালৈ আহিব ধৰিলে। পিতৃয়ে বাহিৰত ৰৈ থাকে। উলাহত তাই আপোন পাহৰা হৈছিল। তথাপিও মাজে মাজে উদাস হৈ পৰে। কিয়নো হঠাতে যদি পিতৃয়ে যাব নালাগে বুলি কয়।

দুচকুত হেজাৰ সপোন। আকাশ চুব খোজে। অন্যতকৈ বেলেগ হোৱাৰ মন। দিল্লীলৈ যাবলৈ সকলো সাজু হৈ পৰিছে। তেনেতে মমতাৰ চিন্তা। কাপোৰ, যাৱতীয় সামগ্ৰীবোৰ ক'ত ভৰাই নিব? দেউতাকৰ অলক্ষিতে তাইৰ এই যাত্ৰা। মনত ভয়, শংকাই বিৰাজমান। কন্যাৰ মনৰ অৱস্থা বুজি পিতৃয়ে গুৱাহাটীলৈ গ'ল। গধুলি উভতিল এটা "ট্ৰলিবেগ"ৰ সৈতে। কেম্পৰ নঙলা মুখত পিতৃয়ে চাইকেলখনত ট্ৰলিবেগৰ সৈতে অপেক্ষা কৰিছে মমতালৈ। তাই ভিতৰত আখৰাত ব্যস্ত। দেউতাকে সমগ্ৰ দৃশ্য প্ৰত্যক্ষ কৰিলে। আমি ইমানদিনে তেওঁক বুজাব নোৱাৰা কথাবোৰ তেওঁ নিজেই উপলব্ধি কৰিলে। মমতাৰ 'ট্ৰলিবেগ'। হয়তো এদিন এই ট্ৰলিবেগটো বেয়া হৈ পেলনীয়া জাঁবৰৰ দমত ঠাই পাব। কিন্তু; দেউতাকৰ অজস্ৰ মৰমবোৰ...। 'ট্ৰলিবেগ'টো জানো কেৱল এই কাপোৰবোৰ ভৰাবলৈ ব্যৱহাৰ হ'ব।

সময় গতিশীল। ১৬ ফেব্ৰুৱাৰী (২০২০ ইং চন) আহি পালে। ৰাতিপুৱাই আমাৰ যাত্ৰা দিল্লীলৈ বুলি। দিল্লীৰ চকলৰ হাচমি ৰোডৰ শ্ৰীৰাম চেণ্টাৰত আমাৰ নাটক 'মণিমুগ্ধ' আছে ১৮ ফেব্ৰুৱাৰী তাৰিখে। দেউতাকলৈ তাইৰ ফোন- "মই কুশলে আছো দেউতা, মই উভতিম তোমাৰ ট্ৰলিবেগৰ সৈতে"। ■

# চিত্ৰাংকন প্ৰতিযোগিতা

## প্ৰথম স্থান ঃ

❑ ডিম্পীস্মিতা ঠাকুৰীয়া
*উঃ মাঃ, প্ৰথম বৰ্ষ*



## দ্বিতীয় স্থান ঃ

❑ কংকনা কলিতা
*স্নাতকোত্তৰ, দ্বিতীয় ষাণ্মাসিক*




❑ হীৰামণি হীড়া
*স্নাতক, দ্বিতীয় ষাণ্মাসিক*



❑ স্মৃতি কলিতা
*স্নাতক, চতুৰ্থ ষাণ্মাসিক*



## তৃতীয় স্থান ঃ



❑ গীতাঞ্জলি দাস
*স্নাতক, চতুৰ্থ ষাণ্মাসিক*



# বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন

# চিত্রাংকন প্র

## প্রথম স্থান ঃ

□ ডিম্পীস্মিতা ঠাকুৰীয়া
*উঃ মাঃ, প্ৰথম বৰ্ষ*



□ হীৰামণি হীৰা
*স্নাতক, দ্বিতীয় ষাণ্মাসিক*



## তৃতীয় স্থান ঃ







প্ৰতিবেদন

# সভানেত্ৰীৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো, যিসকল নমস্য ব্যক্তিৰ ত্যাগ, সাধনা, মহানুভৱতা আৰু অক্লান্ত পৰিশ্ৰমৰ ফলশ্ৰুতিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনি গঢ়ি উঠিবলৈ সক্ষম হৈছিল।

উল্লেখনীয় যে, মহাবিদ্যালয়খনি স্থাপন হোৱা দিনৰে পৰাই ছাত্ৰী একতা সভাত পদৰ সংখ্যা আছিল ৯ টা। কিন্তু ২০১৯-২০ ইং বৰ্ষত পোন প্ৰথমবাৰৰ বাবে আকৌ এটা নতুন পদ সংযোজিত হৈছিল, সেয়া হ'ল 'সভানেত্ৰী'ৰ পদ। সৌভাগ্যক্ৰমে, সেই বৰ্ষত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে 'সভানেত্ৰী' পদত অধিষ্ঠিত হৈছিলো। লগতে এই পদত মোক অধিষ্ঠিত কৰাই মোৰ মনৰ অদম্য হেঁপাহক বাস্তৱ ৰূপ দিবলৈ, তথা মহাবিদ্যালয়ৰ হকে দায়িত্বশীল কৰ্মকৰ্তা ৰূপে কাম কৰাৰ বাবে যিখিনি সহায় সহযোগিতাৰ প্ৰয়োজন হয়, এই আটাইবোৰেৰে মোক আহ্লাদিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউ, অনাশিক্ষক কৰ্মচাৰী বৃন্দৰ লগতে প্ৰতিগৰাকী ছাত্ৰী বান্ধৱী, বাইদেউ আৰু ভণ্টিসকললৈ মোৰ অন্তৰৰ নিভৃত কোণৰপৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

<u>কাৰ্যকালৰ কিছু বিৱৰণ ঃ (২০১৯ বৰ্ষ)</u>

১। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস ঃ 'সভানেত্ৰী' হৈ শপত গ্ৰহণ কৰাৰ পিছত মোৰ প্ৰথম কাৰ্যসূচী আছিল ৩২তম মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস। আনবেলিৰ দৰে এইবেলিও ২০-১১-২০১৯ ইং তাৰিখে ৰাতিপুৱা ৯ বজাত অধ্যক্ষ মহোদয়ে পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে। তাৰপিছত শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ লগতে সাধাৰণ সম্পাদিকা তথা সভানেত্ৰীৰ ভাষণ ৰখাৰ পিছতেই কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ সহযোগত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ অন্ত পৰে।

২। শিল্পী দিৱস ঃ ১৭ জানুৱাৰী (২০২০) তাৰিখে মহাবিদ্যালয়ত বহু কেইগৰাকী ছাৰ-বাইদেউ আৰু ছাত্ৰীসকলৰ সহযোগত লগতে জিনু দাস বাইদেউৰ সভাপতিত্বত শিল্পী দিৱস উদ্‌যাপন কৰা হয়।

৩। **Sports Complex** ৰ শুভাৰম্ভ অনুষ্ঠান ঃ ৮ জানুৱাৰী (২০২০) তাৰিখে মহাবিদ্যালয়ৰ Sports Complex আৰু ছাত্ৰী নিবাসৰ দ্বিতীয় মহলাৰ শুভাৰম্ভণি কৰা হয় য'ত বহুতো গণ্য, মান্য ব্যক্তি উপস্থিত থাকি উক্ত অনুষ্ঠানৰ শোভাবৰ্দ্ধন কৰিছিল।

৪। সৰস্বতী পূজা ঃ ৩০-০১-২০২০ ইং তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভা আৰু শিক্ষক-কৰ্মচাৰী বৃন্দৰ একান্ত সহযোগত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী মা সৰস্বতীৰ শ্ৰীচৰণত পুষ্পাঞ্জলি প্ৰদান কৰা হয়। সৰস্বতী পূজাৰ খিচিৰি বিতৰণ প্ৰক্ৰিয়া আমাৰ মহাবিদ্যালয়ত সুকীয়া। পৰম্পৰাগত তথা ৰং-বিৰঙৰ সাজ-পোছাকেৰে উজ্বলি উঠা ছাত্ৰীসকলৰ উপস্থিতিয়ে আমাক উৎসাহিত কৰি তুলিছিল। লগতে নিমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা দিনৰ ২ মান বজাৰ পৰা আৰম্ভ হয়।

বিভাগীয় প্ৰতিবেদন

৫। **গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় খো-খো আৰু বেডমিণ্টন টুৰ্ণামেণ্ট ঃ** ৩ ফেব্ৰুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰী (২০২০) চাৰিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ত খো-খো আৰু বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হয়। য'ত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বাকৰিত আহি উপস্থিত হৈছিল। প্ৰথম দিনা বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠানটিৰ শুভাৰম্ভ হৈছিল লগতে এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছিল। লগতে অন্তিম দিনা আটাইবোৰ বিজয়ী তথা অংশগ্ৰহণকাৰীসকলক বিদায় সম্ভাষণ জনোৱা হৈছিল।

এই বৃহৎ অনুষ্ঠানটিৰ পিছত ক্ৰমান্বয়ে আমি মহাবিদ্যালয়ৰ সমূহ পৰিয়ালে আগবাঢ়িছিলো আগন্তুক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিবলৈ। মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হৈছিল ১৬ মাৰ্চ, ২০২০ ইং তাৰিখে। কিন্তু দুৰ্ভাগ্যজনকভাৱে ১৫ মাৰ্চ তাৰিখে আমি গম পাইছিলো যে ১৬ মাৰ্চত সমগ্ৰ অসম বন্ধ থাকিব। যাৰ বাবে আমাৰ সমূহ কাৰ্যসূচী কিছু দিনৰ বাবে স্থগিত ৰখা হৈছিল। কিন্তু কোভিডৰ ভয়াবহ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনে দীৰ্ঘদিনীয়া তলাবন্ধ দিছিল যাৰ ফলত ২০২০ চনৰ মাৰ্চ মাহৰ পৰা অক্টোবৰ ২০২০ লৈ মহাবিদ্যালয় সমূহ বন্ধ হৈ থকাত আমাৰ কাৰ্যকালত হোৱা অনুষ্ঠানৰ সংখ্যা তেনেই তাকৰ।

**সামৰণি ঃ**

এই সুযোগতে মোক সকলো সময়তে দিহা পৰামৰ্শ দি আগবাঢ়ি যোৱাত সহায় কৰাৰ বাবে, বিভিন্ন ক্ষেত্ৰত উৎসাহিত কৰি অহা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়ৰ লগতে প্ৰতিজন ছাৰ-বাইদেউলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত দায়িত্ব পালনৰ ক্ষেত্ৰত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে ছাত্ৰী একতা সভাৰ সদস্যাসকল তথা মৰমৰ ছাত্ৰী বান্ধৱীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে মই মোৰ প্ৰতিবেদনৰ অন্ত পেলালোঁ।।

'জয় আই অসম'
'জয়তু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়'
'জয়তু ছাত্ৰী একতা সভা'

*ধন্যবাদেৰে-*
**শিখাৰাণী ঠাকুৰীয়া**





প্ৰতিবেদন

# উপ-সভানেত্ৰীৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক মুহূৰ্তত মই মোৰ ফালৰ পৰা শ্ৰদ্ধা তথা সম্মান জনাইছো- সেই মহান ব্যক্তিসকলক যিসকলে আমাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনক আশাৰ চাকিৰূপে গঢ় দিছিল আৰু যাৰ সামাজিক দায়বদ্ধতাৰ বাবেই আজি আমি এই মহাবিদ্যালয়ত পঢ়িবলৈ সুযোগ পাইছোঁ। এইসকল মহান ব্যক্তিৰ বহুতো কষ্ট আৰু ত্যাগৰ বিনিময়ত দক্ষিণ কামৰূপত এনে এখন উৎকৃষ্ট স্ত্ৰী-শিক্ষাৰ মহাবিদ্যালয় গঢ়ি উঠিছে য'ত আমি বাই-ভনী আটায়ে মিলিজুলি শিক্ষা গ্ৰহণ কৰিব পাৰিছো। এনে এক মহান শিক্ষানুষ্ঠানতে মোক ২০১৯-২০২০ ইং বৰ্ষৰ ছাত্ৰী একতা সভাৰ উপ-সভানেত্ৰী হিচাপে নিৰ্বাচিত কৰা বাবে নিজকে সৌভাগ্যশালী বুলি ভাবিছো আৰু মোক এই গধুৰ দায়িত্ব পালনৰ বাবে যোগ্য বুলি বিবেচিত কৰা বাবে মহাবিদ্যালয়ৰ বাইদেউ আৰু বান্ধৱী সকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ থাকিম।

মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

